# শিৱসাগৰ দিচাংমুখত এইচ আই ভি, এইড্‌ছ, টিবিৰ সজাগতা সভা আৰু ৰক্ত পৰীক্ষা

**দৈনন্দিন বাৰ্তা সেৱা, শিৱসাগৰ, ২৭ মে' ঃ** অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ উদ্যোগত আৰু শিৱসাগৰ জিলাৰ ভ্ৰাম্যমাণ চিকিৎসক দল, ৰাষ্ট্ৰীয় যক্ষ্মা ৰোগ নিৰ্মূল কাৰ্যসূচী আৰু ভাগ্যলক্ষ্মী আঞ্চলিক শিশু কল্যাণ কেন্দ্ৰৰ অধিনত ৰূপায়িত এইচ আই ভিয এইডছ প্ৰকল্প লাইফ লাইনৰ সহযোগত ২৭-০৫-২০২২ তাৰিখে দিচাংমুখ গাঁও পঞ্চায়ত কাৰ্যালয়ত এখনি এইচ আই ভি য এইডছ আৰু টি,বিৰ সজাগতা সভা অনুস্থিত কৰাৰ লগতে এইচ আই ভিৰ ৰক্ত পৰীক্ষা কৰা হয়। সজাগতা সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে ৰাষ্ট্ৰীয় এইডছ্ নিয়ন্ত্ৰণ সংস্থাৰ উত্তৰ পূৰ্বাঞ্চল শাখাৰ প্ৰকল্প বিষয়া অৰূপ সন্দিকৈ, শিৱসাগৰ অসামৰিক চিকিৎসালয়ৰ আই ছি টি ছিৰ কাউন্সিলৰ নৱজিৎ তালুকদাৰ, প্ৰকল্প লাইফ লাইনৰ এম এন ই যজ্ঞ গগৈ, কাউন্সিলৰ জাফ্ৰি আহমেদ, শিৱসাগৰ আঞ্চলিক পঞ্চায়তৰ সদস্য পঙ্কজ বৰুৱা, দিচাংমুখ গাঁও পঞ্চায়তৰ সম্পাদক পঙ্কজ মহন্ত, বাৰ্ড সদস্য ক্ৰমে মাজনী মিলি, মুকুতি টায়ে, মাইনা পাংগিং আৰু ৰোহিত পাংগিং উপস্থিত থাকে। অৰ্ধশতাধিক লোক উপস্থিত থকা সজাগতা সভাত অসম ৰাজ্যিক এইডছ নিয়ন্ত্ৰণ সমিতিৰ সমল ব্যক্তি হিচাবে উপস্থিত থাকি বক্তব্য ৰাখে গোপাল পাণ্ডেয়ে। তেওঁ কয় যে এইচ, আই, ভি ভাইৰাছে মানুহৰ শৰীৰত প্ৰবেশ কৰাৰ পিছৰে পৰা ক্ৰমান্বয়ে শৰীৰৰ ৰোগ প্ৰতিৰোধক ক্ষমতা হ্ৰাস কৰিবলৈ ধৰে। এজন সুস্থ ব্যক্তিৰ শৰীৰত থকা তেজৰ প্ৰতি কিউবিক মিলি লিটাৰত ৫০০ ৰ পৰা ১৫০০ CD4 cell থাকে আৰু এই বিলাকেই হৈছে ৰোগ প্ৰতিৰোধী কোষ। এইচ আই ভি ভাইৰাছে এই কোষ বিলাকক আক্ৰমণৰ লক্ষ্য কৰি লয় আৰু ক্ৰমান্বয়ে ধ্বংস কৰিবলৈ ধৰে। এনেদৰে ধ্বংস কৰি একেবাৰে নিম্নতম পৰ্যায়লৈ নিবৰ বাবে প্ৰায় ৭ৰ পৰা ১০ বছৰ পৰ্য্যন্ত সময় লাগে। উল্লেখযোগ্য যে এইচ আই ভিৰ দ্বাৰা সংক্ৰমিত হ'লেও ৰোগ প্ৰতিৰোধী (CD4 cell) কোষৰ সংখ্যা নিম্নগামী নোহোৱা পৰ্যন্ত সংক্ৰমিত ব্যক্তিৰ শৰীৰত কোনো ধৰণৰ AIDS ৰ লক্ষণ দেখা নিদিয়ে কিন্তু নিম্নগামী পৰ্যায় অতিক্ৰম কৰাৰ লগে লগে সেই সংক্ৰমিত ব্যক্তিৰ শৰীৰত বিভিন্ন ধৰণৰ বেমাৰৰ লক্ষণ দেখা দিব পাৰে আৰু এই লক্ষণ দেখা দিয়া পৰ্যায়টোকে এইডছ হোৱা বুলি কোৱা হয়। অৰ্থাৎ সদ্য এইচ আই ভি সংক্ৰমিত ব্যক্তিৰ শৰীৰত এইডছৰ লক্ষণ দেখা দিবলৈ ৭ৰ পৰা দহ বছৰ সময় লাগে কিন্তু এই সময়ছোৱাৰ আগতেই শৰীৰত এইচ আই ভি থকা বুলি গম পাই এআৰটি ঔষধ নিয়মীয়াকৈ গ্ৰহণ কৰিলে আজিৱন সুস্থ হৈ থাকিব পাৰে। আই, ভি ভাইৰাছ চাৰিটা মাধ্যমেৰে মানুহৰ শৰীৰত প্ৰবেশ কৰিব পাৰে সেইকেইটা হৈছে ১) এইছ আই ভি সংক্ৰমিত ব্যক্তিৰ লগত কণ্ডম ব্যৱহাৰ নকৰাকৈ অসুৰক্ষিত যৌন সম্পৰ্ক কৰিলে । ২) এইছ আই ভি সংক্ৰমিত ব্যক্তিৰ তেজ বা তেজৰ উপাদান বা টিছু বা অংগ পত্যাৰোপণৰ বাবে গ্ৰহণ কৰিলে । ৩) এইছ আই ভি সংক্ৰমিত ব্যক্তিয়ে ব্যৱহাৰ কৰা নিডডল ছিৰিঞ্জ পৰিশোধন নকৰাকৈ ব্যৱহাৰ কৰিলে আৰু ৪) এইছ আই ভি সংক্ৰমিত গৰ্ভৱতী মাতৃৰ পৰা গৰ্ভস্থ শিশোৰে গৰ্ভত থকা কালত বা প্ৰসৱৰ সময়ত আৰু জন্মৰ পিছত মাকৰ গাখীৰ সেৱন কৰাৰ ফলত এইছ আই ভিৰ দ্বাৰা সংক্ৰমিত হ্‌ব পাৰে যদিও গৰ্ভধাৰণ কৰাৰ পূৰ্বৰে পৰা বাবে গৰ্ভধাৰণৰ প্ৰাৰম্ভিক কালত এইচ আই ভি সংক্ৰমিত মাতৃ গৰাকীয়ে উপযুক্ত চিকিৎসা গ্ৰহণ কৰিলে গৰ্ভস্থ শিশুটিয়েও এইচ আই ভি সংক্ৰমিত নোহোৱা কৈ জন্ম গ্ৰহণ কৰিব পাৰে। ইঞ্জেক্টেবল ড্ৰাগ ইউজাৰ (আই ডি ইউ) সকলে একেটা নিডডল ছিৰিঞ্জ ব্যৱহাৰ কৰাৰ ফলত অধিক হাৰত এইছ আই ভি দ্বাৰা সংক্ৰমিত হোৱা পৰিলক্ষিত হৈছে। সাধাৰণতে সদ্য এইছ আই ভি সংক্ৰমিত ব্যক্তিৰ তেজৰ নমুনা প্ৰৱীক্ষা কৰিলেও প্ৰায় তিনি মাহলৈকে সেই তেজত এইছ আই ভি ভইৰাছ ধৰা নপৰে এই সময়চোৱাকে উইণ্ড পিৰিয়দ বুলি কোৱা হয়, কেতিয়াবা উইণ্ড পিৰিয়দৰ সময় তিনি মাহতকৈ কম বেছি হ্‌ব পাৰে। এই সময়চোৱাৰ এইছ আই ভি সংক্ৰমিত ব্যক্তিয়ে আনক তেজ দিলে, তেজ গ্ৰহণ কৰোতা জনেও এইছ আই ভি ৰ দ্বাৰা সংক্ৰমিত হ্‌ব পাৰে। এইচ আই ভি ভাইৰাছক ধ্বংস কৰিব পৰা কোনো ধৰণৰ ঔষধ বৰ্তমান লৈকে আবিস্কাৰ হোৱা নাই যদিও ইয়াক প্ৰতিৰোধ কৰিব পৰা ফলপ্ৰসূ চিকিৎসা পদ্ধতি আছে যাক এন্টি ৰেট্ৰ ভাইৰেল থেৰাপী (এ আৰ টি) বুলি কোৱা হয় । বৰ্তমান 'টেষ্ট এণ্ড ট্ৰিট পলিছি' ৰ জৰিয়তে এইচ আই ভি ভাইৰাছৰ দ্বাৰা আক্ৰান্ত বুলি নিশ্চিত হোৱাৰ লগে এ আৰ টি কেন্দ্ৰত পঞ্জীয়ণ কৰি কেইটামান যাৱতীয় পৰীক্ষা কৰাৰ পিছত এ আৰ টি ঔষধ বিনামূলীয়াকৈ প্ৰদান কৰা হয় । অসমৰ প্ৰতিখন চিকিৎসা মহাবিদ্যালয়ত থকা এ, আৰ, টি, কেন্দ্ৰত এই সুবিধা আছে । এ আৰ টি ঔষধ চিকিৎসকৰ পৰামৰ্শ অনুসৰি নিয়মীয়াকৈ আৰু যতি নপৰাকৈ যাবতজীৱন লৈ থাকিব লাগে । এ আৰ টি ঔষধে এইচ আই ভি ভাইৰাছক শৰীৰত বিস্তাৰ লাভ কৰাত বাধা দিয়ে তথা নতুন C D 4 Cell সৃষ্টি কৰাত সহায় কৰে । এআৰটি ঔষধ নিয়মীয়াকৈ ছয় মাহ খালে এইচ আই ভি সংক্ৰমিত ব্যক্তিৰ ভাইৰেল লোড হ্ৰাস পায় আৰু সেই সময়ত সেই সংক্ৰমিত ব্যক্তিৰ এইচ আই ভি পৰীক্ষা কৰিলেও এইচ আই ভি ভাইৰাছৰ উপস্থিতি শৰীৰত ধৰা নপৰে কিয়নো ভাইৰাছৰ সংখ্যা তেনেই নগন্য হয়। এই পৰ্যায়টোক টাৰ্গেট নট ডিটেকটেড (TND Level) বুলি কোৱা হয়। এই পৰ্যায় লাভ কৰা ব্যক্তিৰ পৰা আনলৈ এইচ আই ভি সংক্ৰমণ হোৱাৰ সম্ভাৱনা তেনেই নগন্য। এইছ আই ভি সংক্ৰমিত ব্যক্তিৰ C D 4 Cell উৰ্দ্ধগামী হোৱাৰ লগে লগে সুস্থতা লাভ কৰে আৰু সংযমী জীৱন-যাপনৰ জৰিয়তে আজীৱন সুস্থ হৈ থাকিব পাৰে। এইছ আই ভি সংক্ৰমিত ব্যক্তিয়ে সুস্থতা অটুট ৰাখিবৰ বাবে নিয়মীত সন্তোলিত পুষ্টিকৰ আহাৰ গ্ৰহণ কৰাৰ লগতে যোগভ্যাস, প্ৰণয়াম আদিও কৰিব পাৰিলে ভাল। যোগাত্মক চিন্তা ধাৰাই সুস্থতা ঘূৰাই অনাত যঠেষ্ট সহায়ক হয়। এইছ আই ভিৰ বিনামূলীয়া ৰক্ত পৰীক্ষা প্ৰতিখন চিকিৎসা মহাবিদ্যাল্যয়ত, অসামৰিক চিকিৎসালয়ত, সামূহিক স্বস্থ্য কেন্দ্ৰত থকা আই, ছি টি,ছি ত কৰাৰ লগতে খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত থকা এফ, আই, ছি, টি, ছি ত কৰা হয়।এইছ আই ভি ভাইৰাছৰ দ্বাৰা সংক্ৰমিত হ্‌ব পৰা কাম-কাজৰ লগত জড়িত ব্যক্তি সকলে প্ৰতি ৬ মাহৰ মূৰে-মূৰে ৰক্ত পৰীক্ষা কৰাতো অতি প্ৰয়োজন। যক্ষ্মা ৰোগৰ প্ৰাৰম্ভিক লক্ষণ সমূহ হৈছে- দুই সপ্তাহতকৈ অধিক কাঁহ, গধূলি-গধূলি জ্বৰ, ৰাতি ঘামি থকা ওজন কমি যোৱা আৰু ভোক নলগা আদি আৰু এই লক্ষণসমূহ দেখা দিলে যক্ষ্মাৰোগৰ পৰীক্ষা কৰাব লাগে । শিবিৰত ৫৪ লোকক বিনামূলীয়া চিকিৎসা প্ৰদান কৰাৰ লগতে ২৫ জন লোকে স্বইচ্ছাৰে এইছ আই, ভিৰ বাবে তেজৰ নমুনা প্ৰৱীক্ষা কৰায় নিজৰ স্থিতি HIV মুক্ত বুলি গম পায়। চিকিৎসা সেৱা আগ বঢ়ায় ভ্ৰাম্যমাণ চিকিৎসক দলৰ ডাঃ মৌচুম ৰয়, লেবৰটৰী টেকনিচিয়ান প্ৰাৰ্থ প্ৰতিম বৰুৱা, এ এন এম ক্ৰমে কুইন দাস আৰু পিংকি নেওঁগ তথা ফাৰ্মাছিষ্ট অনুপম গগৈয়ে। এইচ, আই, ভিয এইডছ নিয়ন্ত্ৰণ প্ৰকল্প লাইফ লাইনৰ অ, আৰ, ডব্লিউ ক্ৰমে লক্ষ্যজিৎ বৰপাত্ৰগোঁহাই পংকজ গগৈ আৰু অংগচুমান দাস, ক্ষেত্ৰ সহায়ক ৰাজাক আলি আৰু দেৱজিৎ শৰ্মা উপস্থিত থাকি ৰক্ত পৰীক্ষা সম্পাদন কৰে।



# ৰঙাপৰাত বিধায়ক কৃষ্ণকমল তাঁতীৰ জলসিঞ্চন বিভাগৰ প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনা আঁচনিৰ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ২৭ মে' ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰা উন্নয়ন খণ্ডৰ অন্তৰ্গত ধুলাপাদুং গাওঁত আজি ৰঙাপৰা সমষ্টিৰ বিধায়ক কৃষ্ণ কমল তাতীয়ে প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনা পৰ্যায়(১) আচনিৰ উদ্বোধন কৰে ।তেজপুৰ ৰঙাপৰা সংমণ্ডল(জলসিঞ্চন)বিভাগৰ উদ্যোগত অনুষ্ঠিত সভাত বিধায়ক তাতীয়ে সুইচ টিপি সৌৰশক্তি চালিত জল সিঞ্চন আচনিৰ উদ্বোধন কৰে ।জলসিঞ্চন বিভাগৰ ৰঙাপৰা সংমণ্ডলৰ শাখা সহায়ক মনজুৰ আহমেদে আতঁ ধৰা সভাত অংশগ্ৰহণ কৰি ৰঙাপৰা সমষ্টিৰ বিধায়ক কৃষ্ণ কমল তাতীয়ে প্ৰকৃত কৃষকক কেতিয়াওঁ আচনিৰ পৰা বঞ্চিত কৰিব নালাগে বুলি কয় ।তেওঁ চৰকাৰৰ বিভিন্ন আচনিৰ সন্দৰ্ভত উল্লেখ কৰে আৰু কয় যে কৃষক সকলক সদায় উৎসাহিত কৰিব লাগে ।কৃষক সকলক উৎসাহিত কৰিবলৈ এই আচনি দিয়া বুলি তেওঁ উল্লেখ কৰে।এনে ধৰণৰ প্ৰকল্পই অনাগত দিনত গ্ৰাম্য অৰ্থনীতি বাৰুকৈয়ে ত্বৰান্বিত কৰিব ।'প্ৰতিডৰা খেতিত পানী'-এই নীতিৰ জৰিয়তে সকলোবোৰ খেতি মাটিত জলসিঞ্চনৰ সমান বিতৰণ আৰু প্ৰতিটোপালত অধিক শস্য নীতিৰ দ্বাৰা সকলো খেতিতে সঠিক পৰিমাণৰ পানীৰ ব্যৱহাৰ হোৱাৰ লক্ষ্য আগত ৰাখি প্ৰধানমন্ত্ৰী কৃষি সিঁচাই যোজনাৰ অৱতাৰণা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।অঞ্চলটোৰ সমাজ কৰ্মী মুকুল তাতীয়ে সভাপতিত্ব কৰা সভাত জলসিঞ্চন বিভাগৰ তেজপুৰ ৰঙাপৰা সংমণ্ডলৰ অধীক্ষক অভিযন্তা উৎপল নাথ,সহকাৰী অভিযন্তা অভিজিত বৰা,কাৰ্যবাহী অভিযন্তা এবেল নিয়েল পিটাৰ,নামনিগাও পঞ্চায়তৰ সভাপতি মাথিয়াছ মুণ্ডা আৰু বহু গন্য মান্য ব্যক্তি অংশগ্ৰহণ কৰে।চৰকাৰৰ বৰ্ষপূৰ্তী অনুষ্ঠানৰ লগত সংগতি ৰাখি জলসিঞ্চন বিভাগে আজিৰ এই অনুষ্ঠান আয়োজন কৰা বুলি সহকাৰী অভিযন্তা অভিজিত বৰাই উল্লেখ কৰে।তেজপুৰ ৰঙাপৰা সংমণ্ডলৰ অধিক্ষক অভিযন্তা উৎপল নাথে কয় যে অসমৰ প্ৰতিটো বিধান সভা সমষ্টিত প্ৰধানমন্ত্ৰী কৃষি সিঞ্চাই যোজনাৰ অন্তৰ্গত ১০০ খন টিউবয়েল আচনি ৰূপায়ণ কৰা হৈছে আৰু এই আচনি সৰ্বত্ৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে ।এনে ধৰণৰ ইতিবাচক প্ৰকল্পই কৃষক ৰাইজৰ মাজত আশাৰ ৰেঙণি কঢ়িয়াই আনিব বুলি তেওঁ উল্লেখ কৰে। সভাত গাওঁ খনৰ চৰকাৰী গাওঁ বুঢ়া মিন্টু দাস, খেতিয়ক মহেশ দাস, ৰঞ্জিত তাতী, বিভাগটোৰ বিষয়া কৰ্মচাৰী তথা অঞ্চলটোৰ ৰাইজ উপস্থিত থাকে।

# বিমানকোঠত ৰবটিক মেচিনেৰে 'শীঘ্ৰেই প্ৰস্তুত কৰি প্ৰদান কৰিব পৰা' খাদ্য বিপণীৰ শুভ উদ্বোধন



**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ২৭ মে'ঃ** দিনক-দিনে বৰ্দ্ধিত হোৱা যাত্ৰীৰ সংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি, বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানকোঠত দূৰণিবটীয়া যাত্ৰীসকলৰ সুবিধাৰ্থে, প্ৰস্থান কক্ষৰ সন্মুখত কম সময়তে খাদ্য প্ৰস্তুত কৰি যাত্ৰীসকলক খাদ্যসেৱাৰ যোগান ধৰিব পৰা 'পাৰপল ফুডছ' নামেৰে এখন বিপণি আজি আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰা হয়। বহুকেইজন বিমানকোঠ বিষয়-ববীয়া আৰু কৰ্মচাৰীৰ উপস্থিতিত বিপণি খন উদ্বোধন কৰে মুখ্য বিমানকোঠ বিষয়া উৎপল বৰুৱাই। বিপণিখন উদ্বোধন কৰি বৰুৱাই ভাষণ সন্দৰ্ভত কয় যে "কেতিয়াৱা বতৰ বা অনান্য যান্ত্ৰিকগত কাৰণত বিমান উৰণৰ সময়-সীমা সলনি হ'লে যাত্ৰীসকলে খাদ্য সংকটত ভুগিব লগীয়া হয়। সেই সংকটৰ প্ৰতি লক্ষ্য ৰাখি এই বিপণিখন ইয়াত স্থাপন কৰা হৈছে যাতে দূৰণিবটীয়া যাত্ৰীৰ লগতে আন যাত্ৰীসকলেও কম সময়ৰ ভিতৰতে খাদ্য গ্ৰহণ কৰি সুকলমে ইয়াৰপৰা যাত্ৰা কৰিব পাৰে।" এই বিপণি খনে নিঃ সন্দেহে বহুতো যাত্ৰীৰ প্ৰাথমিক প্ৰয়োজনীয়তা দূৰ কৰিব পাৰিব বুলিও বিমানকোঠ কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

# চিৰাঙৰ বাসুগাঁৱত পালছাৰ বাইক চুৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাসুগাঁও, ২৭ মে' ঃ** দীৰ্ঘ দিনৰ পৰা বাসুগাঁৱত সঘনে বাইক চুৰি কাৰ্য সংঘটিত হৈ আহিছে । ইয়াৰ মাজতে পুনৰ যোৱা কালি তেনে এটি ঘটনা সংঘটিত হয় । বাসুগাঁও চহৰৰ ২নং ওৱাৰ্ড মেধিপাৰা নিবাসী ৰাকেশ সাহা নামৰ এজন যুৱকে নিজৰ As 26B9397 নম্বৰৰ ১৫০চি চি পালছাৰ বাইক খন পথৰ কাষত ৰাখি বস্ত আনিবলৈ নিজ ঘৰত সোমায় । ঘৰৰ পৰা আহি দেখে যে মাত্ৰ তিনি মাহতে ক্ৰয় কৰা বাইকখন নাই । বাইক খন নেদেখি চাৰিওফালে অনুসন্ধান চলাইও কোনো শুংসূত্ৰ উলিয়াবলৈ সক্ষম নহল । অৱশেষত বাইকখন চুৰি হোৱা বুলি বাসুগাঁও থানাত এজাহাৰ দাখিল কৰা হয় । সঘনে বাইক হেৰেও ৱা ঘটনা সংঘটিত হোৱাত বাইকৰ গৰাকী সকল চিন্তিত হৈ পৰিছে । কিছু মাহ আগতে বাসুগাঁও চহৰৰ ৩নং ওৱাৰ্ড থানাৰোডৰ আনন্দ সৰকাৰ পুত্ৰ নিত্যা নন্দ সৰকাৰ কলা ৰঙৰ পালছাৰ বাইক খন ঘৰৰ সম্পুখৰ পৰাই চোৰে চুৰ কৰি লৈ যায় । অৱশ্যে বাইকখন প্ৰায় দুই মাহ পিছত ঘূৰাই পাবলৈ সক্ষম হয় । কিন্তু গৰাকীয়ে থানা আৰু কোৰ্টৰ পৰা যথেষ্ট তিক্ততা পোৱা বুলি ক্ষোভেৰে ব্যক্ত কৰে।

# মেকানিকেল ইঞ্জিনিয়াৰিঙৰ পিছত কেৰিয়াৰৰ পথ শীৰ্ষক আলোচনা-চক্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৭ মে' ঃ** অসম ডনব'স্ক' বিশ্ববিদ্যালয়ৰ যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ উদ্যোগত "মেকানিকেল ইঞ্জিনিয়াৰিঙৰ পিছত কেৰিয়াৰৰ পথ (Career Paths after Mechanical Engineering)" শীৰ্ষক এখন আলোচনা চক্ৰ ২৭ মে' তাৰিখে অনুষ্ঠিত হয় । আলোচনা চক্ৰখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে অসম ডনব'স্ক' বিশ্ববিদ্যালয়ৰ যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ মুৰব্বী তথা ৰাজ্যখনৰ এগৰাকী আগশাৰীৰ কেৰিয়াৰ পৰামৰ্শদাতা ডঃ বুলজিৎ বুঢ়াগোহাঁই । মেকানিকেল ইঞ্জিনিয়াৰিঙৰ শিক্ষাৰ্থীসকলে নিজৰ দক্ষতা প্ৰকাশ কৰিব পাৰিলে ভৱিষ্যতে কেনেধৰণৰ কেৰিয়াৰ গঢ়াৰ সুবিধা লাভ কৰিব পাৰে সেই বিষয়ে তেওঁ বাখ্যা আগবঢ়ায় লগতে শিক্ষাৰ্থীসকলৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়ে । আলোচনা চক্ৰখনত ডঃ বুলজিৎ বুঢ়াগোহাঁয়ে শিক্ষাৰ্থীসকলক মেকানিকেল ইঞ্জিনিয়াৰিঙৰ ডিগ্ৰী লাভ কৰাৰ পিছত উচ্চ শিক্ষা গ্ৰহণৰ বাহিৰেও বিভিন্ন বিকল্পৰ বিষয়ে অৱগত কৰে । যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ সহকাৰী অধ্যাপক লীনা এইছ নেমাদে আৰু অসম ডনব'স্ক' বিশ্ববিদ্যালয়ৰ প্ৰশিক্ষণ আৰু নিযুক্তি বিষয়া শ্বাহনোৱাজ হুছেইনেও বক্তব্য ৰাখে।

# দেৰগাঁৱৰ ছাত্ৰী পৰিস্মিতালৈ অসম বিশ্ববিদ্যালয়ৰ স্বৰ্ণপদক

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ২৭ মে' ঃ** দেৰগাঁও বৰুৱাবামুন গাঁৱৰ এটা সাধাৰণ পৰিয়ালৰ এগৰাকী ছাত্ৰীয়ে গাঁওখনৰ লগতে সমগ্ৰ দেৰগাঁৱলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। বৰুৱা গাঁও প্ৰাথমিক বিদ্যালয়ৰ পৰা শিক্ষা জীৱন আৰম্ভ কৰা পৰিস্মিতা বৰুৱা নামৰ ছাত্ৰী গৰাকীয়ে ক্ৰমে কুৱালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু দেৰগাঁও কমল দুৱৰা মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিল। কমল দুৱৰা মহাবিদ্যালয়ৰ পৰা অসমীয়া বিভাগত স্নাতক ডিগ্ৰী লাভ কৰি পৰিস্মিতা বৰুৱাই উচ্চ শিক্ষাৰ বাবে শিলচৰৰ অসম বিশ্ববিদ্যালয়ত নামভৰ্ত্তি কৰে। নিজৰ একাগ্ৰতা আৰু কষ্টৰ বলত এইগৰাকী ছাত্ৰীয়ে বিশ্ববিদ্যালয়খনৰ পৰা অসমীয়া বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থানত উৰ্ত্তীণ হ'বলৈ সক্ষম হ'য়। ছাত্ৰী গৰাকীক এই সফলতাৰ বাবে চলিত মাহৰ প্ৰথম ভাগত বিশ্ববিদ্যালয়খনত অনুষ্ঠিত দীক্ষান্ত সমাৰোহত সোনৰ পদক আৰু প্ৰমান পত্ৰ প্ৰদান কৰে। এটা অতিকে সাধাৰণ পৰিয়ালৰ ছাত্ৰী গৰাকীৰ এই সফলতাত অঞ্চলবাসী আনন্দিত হৈ পৰিছে।

# বাক্সাত বিটিআৰৰ প্ৰথমটো পঞ্চকৰ্ম থেৰাপী চিকিৎসা কেন্দ্ৰৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৭ মে' ঃ** বাক্সা জিলাৰ সদৰ মুছলপুৰস্থ ডাঃ ৰবি বড়ো অসামৰিক চিকিৎসালয়ত আজি পঞ্চকৰ্ম থেৰাপী চিকিৎসাৰ কেন্দ্ৰ এটা মুকলি কৰা হয় । চিকিৎসা কেন্দ্ৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে চিকিৎসালয়খনৰ অধীক্ষক ডাঃ ভূৱনেশ্বৰ স্বৰ্গীয়াৰীয়ে। জিলাখনৰ প্ৰাণকেন্দ্ৰত বিটিআৰ অঞ্চলৰ প্ৰথমটো পঞ্চকৰ্ম থেৰাপী চিকিৎসা কেন্দ্ৰ মুকলি কৰি অধীক্ষক ডাঃ স্বৰ্গীয়াৰীয়ে এয়া সমগ্ৰ বা'ৰাসীৰ বাবে এক সুখবৰ উল্লেখ কৰাৰ লগতে আজি চিকিৎসালয়খনৰ বাবেও এটা গুৰুত্বপূৰ্ণ দিন বুলি কয়। তেওঁ লগতে কয় যে প্ৰথমাৱস্থাৰ পৰাই চিকিৎসালয়খনত য়ুনানী বা আয়ুৰ্বেদিক পদ্ধতিত চিকিৎসা চলি আছে যদিও আয়ুৰ্বেদিকৰ অন্তৰ্গত এক বিশেষ চিকিৎসা পদ্ধতি পঞ্চকৰ্ম থেৰাপীৰ শুভাৰম্ভণিয়ে অসামৰিক চিকিৎসালয়খনক এক বিশেষ মাত্ৰা প্ৰদান কৰিব । আনহাতে এই চিকিৎসা পদ্ধতিৰ জৰিয়তে দীৰ্ঘদিন ধৰি ভূগি থকা বহু পুৰণি ৰোগৰ পৰাও ৰোগীয়ে ৭০-৮০ শতাংশ আৰোগ্য লাভ কৰে বুলি মন্তব্য কৰে অধীক্ষক গৰাকীয়ে । উল্লেখ্য যে এই চিকিৎসা পদ্ধতিয়ে মানৱ শৰীৰত বিষাক্ত পদাৰ্থ জমা হৈ সৃষ্টি হোৱা বিভিন্ন ৰোগসমূহ ঔষধযুক্ত তেলৰ ব্যৱহাৰৰ দ্বাৰা শৰীৰৰ পৰা বাহিৰ কৰি নিৰ্মূল কৰাত সহায় কৰে। আজিৰ এই উদ্বোধনী অনুষ্ঠানত বা'ৰ জিলা আয়ুসৰ ন'ডেল বিষয়া প্ৰণৱ শৰ্মা, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা আঁচনি বিষয়া ধ্ৰুৱজ্যোতি শইকীয়া, সংবাদ বিশেষজ্ঞ প্ৰশান্ত কুমাৰ দত্ত, পঞ্চকৰ্ম থেৰাপী চিকিৎসা কেন্দ্ৰটোৰ তত্বাৱধায়ক ডাঃ সুৰেশ স্বৰ্গীয়াৰী, জিলা স্বাস্থ্য বিভাগৰ কেবাজনো বিষয়া-কৰ্মচাৰীৰ লগতে ডাঃ ৰবি বড়ো অসামৰিক চিকিৎসালয়ৰ চিকিৎসক-নাৰ্চসকল উপস্থিত থাকে ।



# চলচলিৰ শ্ৰীশ্ৰীজগৰাল সত্ৰৰ ভাওনা সমাৰোহত কেইবাগৰাকী সত্ৰাধিকাৰৰ অংশগ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৭ মে' ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত চলচলি ব্ৰাহ্মণগাঁওস্থিত শ্ৰীশ্ৰী জগৰাল সত্ৰত তৃতীয়বাৰৰ বাবে অনুষ্ঠিত ভাওনা সমাৰোহ-২০২২ৰ অন্ত পৰে। অন্যান্য কাৰ্যসূচীৰ লগতে সন্ধিয়ালৈ শংখধ্বনি শিল্পী সমাজ, পুৰণিগুদাম-ৰ দ্বাৰা প্ৰদৰ্শন কৰা হয় 'কেলিগোপাল' নাটখনি আৰু ইয়াৰ পিছতে পুৰণিগুদামৰ শ্ৰীশ্ৰীব্ৰহ্মচাৰী সত্ৰৰ শিল্পী সমাজৰ দ্বাৰা মঞ্চস্থ কৰে 'ত্ৰিলোচন বিজয়' নামৰ নাটখনি। 'দৈনিক অসম' কাকতৰ কাৰ্যবাহী সম্পাদক দিলীপ মহন্তই ভাওনা মঞ্চ উদ্বোধন কৰা এই অনুষ্ঠানত বহুকেইজন গণ্য-মান্য ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। পুৱা ভাগত ধৰ্মধ্বজা উত্তোলনেৰে কাৰ্যসূচী শুভাৰম্ভ কৰে শ্ৰীশ্ৰীজগৰাল সত্ৰৰ সত্ৰাধিকাৰ প্ৰান্তিক গোস্বামীয়ে। স্মৃতি তৰ্পণ কৰে ভাওনা সমাৰোহ উদ্‌যাপন সমিতিৰ সভাপতি বিপুল মজিন্দাৰে। ভাওনাৰ আঁত ধৰে ভাওনা সমাৰোহ উদ্‌যাপন সমিতিৰ সম্পাদক, 'শিশুবন্ধু' দুলাল বৰাই। দুপৰীয়া নাম প্ৰসংগৰ আচাৰ্য হিচাপে অংশগ্ৰহণ কৰে শ্ৰীশ্ৰী ব্ৰহ্মচাৰী সত্ৰৰ শৈলেন্দ্ৰ গোস্বামীয়ে। নাম প্ৰসঙ্গত শ্ৰীশ্ৰী খৌৰামোচৰ সত্ৰৰ সত্ৰাধিকাৰ দুগ্ধদেৱ গোস্বামী, আহঁতগুৰি নুমলি সত্ৰৰ সত্ৰাধিকাৰ পৰমানন্দ দেৱ গোস্বামী, ধৰলী বালিপাৰা সত্ৰৰ সত্ৰাধিকাৰ বনমালী গোস্বামী, ব্ৰহ্মচাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন গোস্বামী, তামোলবাৰী সত্ৰৰ সত্ৰাধিকাৰ হিৰণ্য গোস্বামীকে ধৰি বহু ভক্তপ্ৰাণ লোকে অংশগ্ৰহণ কৰে।

## গোৱালপাৰা জিলাৰ মৰনৈত স্থাপিত ভাৰত পেট্ৰ'লিয়াম (বি.পি.চি.এল) আৰু গুলচান কোম্পানীৰ বিৰুদ্ধে উত্তাল প্ৰতিবাদ স্থানীয় ৰাইজৰ

# দাঁতি-কাষৰীয়া অঞ্চলসমূহলৈ ভাবুকি কঢ়িয়াই অনাৰ অভিযোগ উত্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ২৭ মে' ঃ** গোৱালপাৰা জিলাৰ মৰনৈস্থিত ইথানল প্ৰস্তুতকাৰি গুলচান কোম্পানীয়ে দাঁতি-কাষৰীয়া অঞ্চলসমূহলৈ ভাবুকি কঢ়িয়াই আনিছে। এই অভিযোগ স্থনীয় ৰাইজৰ। ক্ষোভিত ৰাইজে কোম্পানীটোৰ সন্মুখত আজি প্ৰতিবাদ সাব্যস্ত কৰে। গুলচান নামৰ কোম্পানীটোৱে ইথানল প্ৰস্তুত কৰাৰ ফলত প্ৰায় ৭০০ ফুট তললৈ গুচি যাব পানী। মৰনৈ অঞ্চলৰ ৰাইজে পানীৰ বাবে হাঁহাকাৰৰ কৰিব লাগিব, খোৱা পানীৰ লগতে খেতি পথাৰটো পানীৰ নাটনিৰ সৃষ্টি হ্‌ব। ইয়াৰ উপৰিও ইথানল প্ৰস্তুত কৰাৰ ফলত অঞ্চলটোত হ্‌ব দুৰ্গন্ধময় পৰিবেশৰ সৃষ্টি হ্‌ব বুলি অভিযোগ উত্থাপন কৰিছে বিশিষ্ট সমাজ কৰ্মী তথা বামপন্থী নেতা ননী কুমাৰ দাসে। তেওঁ লগতে কয় বন্যহস্তীৰ বসতিস্থানৰ শাল গছ কাটি বনাবলৈ লৈছে বি.পি.চি.এল অৰ্থাত ভাৰত পেট্ৰোলিয়াম কোম্পানী। যিটো সময়ত প্ৰকৃতিক ৰক্ষা কৰিব লাগে সেই সময়ত এনেদৰে কোম্পানী সমূহে শাল গছ কাটি কোম্পানী বনোৱাৰ কাৰ্য্য বন্ধ হ্‌ব লাগে অন্যথা তীব্ৰ আন্দোলন গঢ়ি তুলিব। আনহাতে, একেটা অঞ্চলতে গঢ়ি উঠিছে ছাউথ্ৰান নামৰ এটি ৰবৰ কোম্পানী। কোম্পানীত ৰবৰ প্ৰস্তুত কৰাৰ সময়ত নিৰ্গত হয় এক দুৰ্গন্ধ। এই গোন্ধ বিয়পি পৰে সমগ্ৰ অঞ্চল। ফলত বয়সস্ক লোক সকলৰ লগতে শিশু সকললৈ আহিছে ভাবুকি। এই দুৰ্গন্ধৰ ফলত বেচি ভাগ শিশুৰে হয় বমি। ২৪ ঘণ্টাই মুখত কাপোৰ বান্ধি থাকিব লাগে লোক সকলে। জনবসতি এলেকাৰ মাজত এনে কোম্পানী খোলাৰ ফলত আজি সাধাৰণ ৰাইজে কষ্ট পাবলগীয়া হৈছে। সেয়ে ৰবৰ কোম্পানীটো অতি শীঘ্ৰে বন্ধৰ দাবী জনায় স্থানীয় ৰাইজে।



## ৰাশিফলত আজিৰ দিনটো

**১৩ জেঠ, শনিবাৰ, ২৮ মে', ১৪২৯ ভাস্কৰাব্দ,**
**তিথি ঃ কৃষ্ণা ত্ৰয়োদশী, নক্ষত্ৰ ঃ ভৰণী, জন্ম ৰাশি ঃ মেষ ৰাশি**
সূৰ্যোদয়- ৪-৩৬-২ সূৰ্যাস্ত- ৬-৩-৩০



■ **মেষ** ঃ আমোদ প্ৰমোদ ■ **বৃষ** ঃ কৃষিত সুমান ■ **মিথুন** ঃ দম্পত্য সুখ ■ **কৰ্কট** ঃ গৃহ অশান্তি ■ **সিংহ** ঃ স্থান পৰিৱৰ্তন ■ **কন্যা** ঃ সন্মান লাভ ■ **তুলা** ঃ শিল্পীৰ শুভ ■ **বৃশ্চিক** ঃ ক্ৰীড়াত শুভ ■ **ধনু** ঃ বিদ্যা লাভ ■ **মকৰ** ঃ গৃহ সুখ ■ **কুম্ভ** ঃ ৰাজভয় ■ **মীন** ঃ কৃতকাৰ্যতা।


*No. FA/TR/Tender/Dismantling/664* *Dated Barpeta Road, the 20th May/2022.*

**NOTICE INVITING TENDER**

Sealed tenders are invited affixing non-refundable court fee of Rs. 8.25 (Rupees Eight and twenty five paisa) from interested bidders for Dismantling of 28 (twenty eight) nos. of Old Govt. Quarters under Manas Tiger Reserve which will be received by the undersigned through a tender box till **3 PM (I.S.T.) on 31/05/2022** and will be opened on **31/05/2022** at **3:30 PM (I.S.T.)** in the O/o the Field Director, Manas Tiger Reserve, Barpeta Road.

| Sl. No. | Particulars | Tender opening date | Closing date | Time of completion | Rate |
|---|---|---|---|---|---|
| 1 | Dismantling of 28 (twenty eight) nos. of Old Govt. Quarters under Manas Tiger Reserve | 20-05-2022 | 31-05-2022 upto 3:00 PM (I.S.T.) | Within 30 (thirty) days from the date of issue of work order | Highest rate to be quoted |

The Bidders shall quote the maximum amount in tender in the form of **Bankers Cheque/Bank Draft** in favour of **Manas Tiger Conservation Foundation payable at Barpeta Road**.

The Bidders should strictly follow the **Terms and Conditions** for dismantling of the above mentioned quarters which can be seen in the O/o the Field Director, Manas Tiger Reserve from **20-05-2022 to 30-05-2022**.

Sd/-
Field Director,
Manas Tiger Reserve

*IPR(BTC)-65/2022*


## মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়

# দক্ষতা বিকাশত যোগৰ ভূমিকা গুৰুত্বপূৰ্ণ ঃ ডঃ ননী গোপাল মহন্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৭ মে' ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ক ৰাষ্ট্ৰীয় তথা বিশ্বৰ এখন আগশাৰীৰ বিশ্ববিদ্যালয় হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে যাৱতীয় পৰিকল্পনা কৰাৰ বাবে বিশ্ববিদ্যালয়খনৰ গুৱাহাটী চৌহদত "এ ব্ৰেইন ষ্টৰ্মিং চেচন-এ ৱে ফৰৱাৰ্ড" অনুষ্ঠানৰ আয়োজন কৰা হয় । বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকাই পৰিচালনা কৰা এই কাৰ্যসূচীত অসম চৰকাৰৰ শৈক্ষিক উপদেষ্টা ডঃ ননী গোপাল মহন্তৰ লগতে বিভিন্ন ক্ষেত্ৰৰ অন্যান্য বিশেষজ্ঞসকলে অংশগ্ৰহণ কৰে । অধ্যাপক ননী গোপাল মহন্তই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ভূমিকা, সমগ্ৰ দেশজুৰি শংকৰদেৱৰ ভক্তি আন্দোলনৰ দৃষ্টান্তৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে । তেওঁ উচ্চ শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োজনীয় এন ই পিৰ বিষয়েও উল্লেখ কৰাৰ লগতে চাহিদাৰ ওপৰত ভিত্তি কৰি সমসাময়িক বিষয়সমূহৰ দ্বাৰা অন্তৰ্ভুক্ত কৰি পৰম্পৰাগত পাঠ্যক্ৰমসমূহৰ সলনিৰ প্ৰয়োজনীয়তাৰ বিষয়েও উল্লেখ কৰে । ইয়াৰ পূৰ্বে বিশ্ববিদ্যালয়খনৰ পৰিকল্পনা আৰু বিত্ত বিভাগৰ সঞ্চালক তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই অংশগ্ৰহণকাৰীসকলক আদৰণি জনায় আৰু আশা কৰে যে এই আলোচনাই বিশ্ববিদ্যালয়ৰ ভৱিষ্যতৰ বাবে অন্যান্য ৰণনীতি তৈয়াৰ কৰাত সহায় কৰিব । অনুষ্ঠানত জনপ্ৰিয় ইংৰাজী কাকত দ্য আচাম ট্ৰিবিউনৰ সম্পাদক প্ৰফুল্ল গোবিন্দ বৰুৱাই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বহুমুখী প্ৰতিভাৰ কথা মনত ৰাখি এই বিশ্ববিদ্যালয়খনৰ বাবে শান্তি নিকেতন মডেলৰ পৰামৰ্শ দিছিল । অনুষ্ঠানত বি বৰুৱা কৰ্কট প্ৰতিষ্ঠান পৰিচালক ডঃ অমল চন্দ্ৰ কটকী, প্ৰতিষ্ঠিত লেখক, সমালোচক ময়ূৰ বৰা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অধ্যাপক যোগেন চন্দ্ৰ কলিতা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ উপদেষ্টা ভবেন্দ্ৰ নাথ ডেকা, অসম দক্ষতা অভিযানৰ মেনেজিং ডাইৰেক্টৰ অনুৰাজ জৈন, ডঃ সুৰেশ নাথ, ডঃ মুকুলেশ বৰুৱা, ডঃ মৃণাল কুমাৰ বৰাৰ লগতে অন্যান্য জ্যেষ্ঠ অধ্যাপকসকলও অংশ লয় । এই অনুষ্ঠানৰ বিষয়ে সংবাদ মাধ্যমক এক বিজ্ঞপ্তি যোগে জনাইছে বিশ্ববিদ্যালয়খনৰ উপ-পঞ্জীয়ক (প্ৰশাসনিক) ডঃ শেখৰ কান্তি সৰকাৰে।



দৈনন্দিন বাৰ্তা
জাতি, মাটি আৰু দেশৰ সেৱাত
২৮ মে', ২০২২ ■ শনিবাৰ ■ গুৱাহাটী ■ ১৩ জেঠ, ১৯৪৪ শক


## দীপৰ বিল সুৰক্ষা মঞ্চৰ সৈতে ডাম্পিং গ্ৰাউণ্ডে প্ৰদূষিত কৰা দীপৰ বিল নাৱেৰে পৰিদৰ্শন কৰিলে গুৱাহাটী পৌৰ নিগমৰ আয়ুক্তই



**দৈনন্দিন বাৰ্তাৰ সেৱা, মিৰ্জা, ২৭ মে' ঃ** গুৱাহাটীৰ পশ্চিম বৰাগাঁওৰ বেলৰতলত দীপৰ বিল সংযোগী পামহী কেনেলৰ দাঁতিত বিগত ২০২১ বৰ্ষৰ আগষ্ট মাহত গুৱাহাটী পৌৰ নিগমে ডাম্পিং গ্ৰাউণ্ড স্থাপন কৰাৰ পাছত সমগ্ৰ অঞ্চলটোৰ পৰিবেশ প্ৰদূষিত হৈ পৰিছে । সমান্তৰাল ভাবে প্ৰদূষিত হৈছে দীপৰ বিলৰ পানী । ফলত বিগত প্ৰায় আঠ মাহ ধৰি দীপৰ বিলৰ চাৰিওকাষে থকা ১৬ খনকৈ গাঁৱৰ ৰাইজে ডাম্পিং গ্ৰাউণ্ডে সৃষ্টি কৰা দুৰ্গন্ধ আৰু বিলৰ পানীভাগ বিপদজনক মাত্ৰাত প্ৰদূষণ হোৱা বাবে বাধ্য হৈ পথ অৱৰোধ , সজাগতা সভা , অৱস্থান ধৰ্মঘটকে ধৰি বিভিন্ন গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰি আহিছে । আনকি ১৬ খনকৈ গাঁৱৰ ৰাইজে মিলিত হৈ অলপতে গঠন কৰিছে দীপৰ বিল সুৰক্ষা মঞ্চ । ইফালে মঞ্চৰ দাবী অনুসৰি গুৱাহাটী পৌৰ নিগমৰ আয়ুক্ত দেৱশীষ শৰ্মাই যোৱা ২৬ মে'ত দীপৰ বিলত উপস্থিত হৈ নাৱেৰে পৰিদৰ্শন কৰি দীপৰ বিলৰ পানীভাগ প্ৰদূষণ হোৱা কাৰ্যৰ বুজ লয় । আয়ুক্ত গৰাকীৰ সংগ দিয়ে নিগমৰ অতিৰিক্ত আয়ুক্ত ৰঞ্জিত স্বৰ্গীয়াৰী আৰু অধীক্ষক অভিযন্তা চিত্তৰঞ্জন দত্তই । তেনেদৰে পূৰ্ব নিৰ্ধাৰিত সূচী অনুসৰি দীপৰ বিল সুৰক্ষা মঞ্চৰ সভাপতি হেনৰী ডেভিড টেৰণ, কাৰ্যকৰী সভাপতি গোলক দাস, সাধাৰণ সম্পাদক প্ৰমোদ কলিতা আৰু সহকাৰী সম্পাদক সুশীল টেৰণেও নাৱেৰে নিগমৰ তিনিজনীয়া দলটোৰ সৈতে দীপৰ বিল পৰিদৰ্শন কৰে । আনহাতে যৌথ পৰিদৰ্শনৰ সময়ত দলটোৱে দীপৰ বিল পক্ষী নিৰীক্ষণ স্তম্ভৰ পৰা নাৱেৰে গৈ নিৰ্মাণৰত অৱস্থাত থকা শ্বহীদ উদ্যানৰ দাঁতিয়েদি গৈ উদ্যানৰ ওচৰতে থকা বেলৰতলৰ ডাম্পিং গ্ৰাউণ্ডত গৈ উপস্থিত হয় । আনহাতে পৰিদৰ্শনৰ সময়ত পৌৰ নিগমৰ আয়ুক্ত গৰাকীয়ে নিজ চকুৰে প্ৰত্যক্ষ কৰে কেনেকৈ ভয়াৱহভাবে প্ৰদূষিত হৈছে দীপৰ বিলৰ পানী । কেনেকৈ প্ৰদূষণৰ কবলত পৰি মৰি গৈছে জলজ উদ্ভিদ সমূহ। অৱশ্যে পৰৱৰ্তী সময়ত এই সন্দৰ্ভত কি পদক্ষেপ গ্ৰহণ কৰিব সেই বিষয়ে সদৰি কৰা নাই আয়ুক্ত গৰাকীয়ে । অৱশ্যে বিজ্ঞান সন্মত পদ্ধতি অৱলম্বন কৰি ডাম্পিং গ্ৰাউণ্ডৰ পৰা সৃষ্টি হোৱা প্ৰদূষণৰ মাত্ৰা ন্যূনতম কৰা হ'ব বুলি আয়ুক্ত গৰাকীয়ে আশ্বাস দিছে । কিন্তু এই আশ্বাস কেতিয়া কাৰ্যকৰী হ'ব তাক জানিব পৰা হোৱা নাই ।

**জামুগুৰি ইউকো বেংক শাখা**

# বেংক পৰিচালিকাৰ ব্যৱহাৰ-কৰ্মকাণ্ডত অতিষ্ঠ গ্ৰাহক ৰাইজ

### সমুদায় ধন উলিয়াই বেংকটোত থকা একাউন্ট বন্ধ কৰিছে প্ৰতিষ্ঠিত একাংশ ব্যৱসায়ীয়ে, পৰিচালিকাগৰাকীক বদলীকৰণৰ দাবী


**দৈনন্দিন বাৰ্তা সেৱা, জামুগুৰিহাট, ২৭ মে' ঃ** কিছুদিন পূৰ্বলৈকে জামুগুৰিহাটৰ ৰাইজৰ বাবে বিত্তীয় লেনদেনৰ প্ৰতিষ্ঠান জামুগুৰি ইউকো বেংক শাখা কাৰ্যালয়তো গ্ৰাহক ৰাইজৰ বাবে আছিল এটি আপোন যেন প্ৰতিষ্ঠান। বিশেষকৈ বেংকটোৰ শাখা পৰিচালক তথা অন্যান্য কৰ্মচাৰীসকলৰ আচাৰ ব্যৱহাৰে গ্ৰাহক ৰাইজক বাৰুকৈয়ে আকৃষ্ট কৰিছিল। কিন্তু বৰ্তমান কোনোকালে নোহোৱা নোপোজা বেংকটোৰ শাখা পৰিচালক আৰু একাংশ কৰ্মচাৰীৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে দীৰ্ঘদিনধৰি বেংকটোৰ লগত সম্পৰ্ক ৰাখি ধন জমা কৰা একাংশ গ্ৰাহক ৰাইজ। প্ৰাপ্ত অভিযোগ অনুসৰি বেংকটোৰ শাখা মহিলা পৰিচালক দীপামণি শৰ্মাৰ দূৰ্ব্যৱহাৰ আৰু গ্ৰাহক ৰাইজৰ প্ৰতি দেখুওৱা অহং ভাৱৰ বাবেই এজনৰ পিছত আন এজন সম্ভ্ৰান্ত প্ৰতিষ্ঠিত ব্যৱসায়ী তথা বহুসংখ্যক গ্ৰাহকে বেংকটোৰপৰা বহু পুৰণি একাউন্ট বন্ধ কৰি সমুদায় ধন উঠাই অন্যান্য বেংকলৈ ধাৱবান হোৱা পৰিলক্ষিত হৈছে। গ্ৰাহকসকলৰ অভিযোগ কোনো বিষয় বা সমস্যা সম্পৰ্কে মহিলা পৰিচালকগৰাকীৰ ওচৰত বুজিব বিচাৰিলেও তেঁও ব্যৱহাৰ একেবাৰে নিম্নস্তৰৰ। আমি টকা থৈছো আৰু আমাৰ টকাৰ ওপৰতেই তেঁওলোকক দৰমহা দি শাখা কাৰ্যালয়তোৰ গ্ৰাহকসকলৰ লগত মত বিনিময়কে ধৰি অন্যান্য কামসমূহ পৰিচালনা কৰিবৰ বাবে তেঁওক দায়িত্ব দিছে ।নিজকে আইপিএচ বিষয়াৰ দৰে ভাবি লৈ আমাৰ দৰে বেংকটোৰ গ্ৰাহকসকলক দূৰ্ব্যহাৰ কৰা অধিকাৰ তেঁওক কোনে দিলে বুলিও ক্ষোভ ব্যক্ত কৰে একাংশ গ্ৰাহকে। বেংকটোত থকা একাউন্ট বন্ধ কৰাই সমুদায় ধনৰাশি উঠাই নিয়া গ্ৰাহকসকলে অভিযোগ উত্থাপন কৰি কয় যে এনে এগৰাকী পৰিচালকক উৰ্ধতন কৰ্তৃপক্ষই এই বেংকত দীৰ্ঘদিনধৰি ৰাখিলে বহুলোকেই অহা সময়খিনিত বেংকটোত খুলি ৰখা একাউন্ট বন্ধ কৰি সমুদায় ধন উলিয়াই আন বেংকলৈ ধাৱমান হোৱাতো নিশ্চিত বুলিও প্ৰকাশ কৰিছে ।ইয়াৰোপৰি যিকোনো বিত্তীয় প্ৰতিষ্ঠানত গ্ৰামাঞ্চলৰ দৰিদ্ৰ লোকৰপৰা আত্মসহায়ক গোট আদিৰো ধনৰ লেনদেন হয়। কিন্তু এইগৰাকী পৰিচালকে তেখেতৰ ওচৰলৈ কোনো বিষয় বুজিব গ'লে গ্ৰামাঞ্চলৰ সহজ সৰল লোককো তেঁওৰ ক্ষমতা দেখাবলৈ চেষ্টা কৰে। যাৰবাবে একো উৰাদিহ নাপাই সহজ সৰল গ্ৰামাঞ্চলৰ বেংকটোৰ গ্ৰাহকসকলে সন্মুখীন হোৱা সমস্যা জানিব আৰু বুজিবৰ বাবে আন বাহিৰা লোকৰ কাষ চাপিব লগা অৱস্থাৰ সৃষ্টি হয় বুলিও অভিযোগ উত্থাপন হৈছে। আত্মসহায়ক গোটৰ মহিলাসকলকো পৰিচালিকা গৰাকীয়ে কৰা দূৰ্ব্যৱহাৰৰ অভিযোগো দীৰ্ঘদিনীয়া। দীৰ্ঘদিন ধৰি জামুগুৰিহাটৰ ৰাইজৰ মৰমৰ এটি বিত্তীয় প্ৰতিষ্ঠান ইউকো বেংক শাখাত বহুসংখ্যক পৰিচালক আহি পুণৰ কাৰ্যকাল সামৰি অন্য স্থানলৈ বদলি হৈ যোৱাৰ সময়তো গ্ৰাহকসকলৰ অন্তৰত পূৰ্বৰ প্ৰতিগৰাকী পৰিচালকেই এক বিশেষ স্থান দখল কৰিবলৈ সক্ষম হোৱাৰ বিপৰীতে এইগৰাকী বেংক পৰিচালিকা দীপামণি শৰ্মাৰ ব্যৱহাৰত অতিষ্ঠ হৈ এতিয়া বেংকটোত নিতৌ লেনদেন কৰি অহা গ্ৰাহক ৰাইজসকলে পৰিচালিকাগৰাকীৰ বদলিকৰণৰ দাবীহে উল্থাপন কৰিছে। উল্লেখ্য যে জামুগুৰিহাটৰ জামুগুৰি ব্যৱসায়িক কেন্দ্ৰস্থলতেই থকা এই ইউকো বেংকটোৰ পৰা ইতিমধ্যে বহুকেইগৰাকী প্ৰতিষ্ঠিত ব্যৱসায়ীয়েও বেংকটোত ৰখা বিপুল পৰিমাণৰ ধনৰাশি উঠাই নিজৰ নিজৰ একাউন্ট ক্ল'জ কৰাই অন্য বেংক প্ৰতিষ্ঠানৰ লগত যোগাযোগ কৰি নতুনকৈ একাউন্ট খুলি ধন জমা ৰখাৰ লগতে আন একাংশইও বেংকটোত একাউন্ট ক্ল'জ কৰিবলৈ সাজু হোৱাৰ খবৰো পোৱা গৈছে।

## সামাজিক মাধ্যমত আলফাৰ সমৰ্থনত পোষ্ট দিয়া অসমীয়া যুৱক ৰঙাঘৰত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতাচাৰিআলি, ২৭ মে' ঃ** শেহতীয়াকৈ আলফা স্বাধীনলৈ বহু যুৱক-যুৱতী যোগদান কৰাৰ সময়তে আলফা স্বাধীনৰ সমৰ্থনত সামাজিক মাধ্যমত পোষ্ট দি ৰঙা ঘৰৰ আলহী হ'ল ওদালগুৰি জিলাৰ ৭০ নম্বৰ মাজবাট সমষ্টিৰ অন্তৰ্গত সোণাজুলি গাঁৱৰ এজন যুৱক। জানিব পৰা মতে সোণাজুলী গাঁৱৰ সাগৰ দাস নামৰ এজন যুৱকক ২৪ মে'ৰ দিনা দিনৰ একমান বজাত ওৰাঙৰ আৰক্ষীয়ে সামাজিক মাধ্যমত আলফাৰ সমৰ্থনত পোষ্ট দিয়াৰ অভিযোগত গ্ৰেপ্তাৰ কৰে । তদন্তৰ খাতিৰত আৰক্ষীয়ে আলফাৰ সমৰ্থনত সামাজিক মাধ্যমত পোষ্ট দিয়া যুৱক জনক আটক কৰা বিষয়টো গোপন কৰি ৰাখিছিল যদিও পলমকৈ হ'লেও সংবাদ মাধ্যমে জানিব পাৰিছিল । আৰক্ষীয়ে আলফাৰ সমৰ্থক হোৱাৰ সন্দেহত তথা আলফাৰ হৈ সামাজিক মাধ্যমত প্ৰচাৰ চলোৱাৰ অভিযোগত গ্ৰেপ্তাৰ কৰে যুৱকজনক। ওদালগুৰি আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ চাইবাৰ অপৰাধ শাখাই বহুদিনৰ পৰাই পৰ্যৱেক্ষণত কৰি ৰাখিছিল আলফাৰ হৈ সামাজিক মাধ্যমত প্ৰচাৰ চলোৱা এই যুৱকজনক। সেয়েহে আৰক্ষীয়ে এটি গোচৰ ৰুজু কৰি ফেচবুকত আচামীচ বয় নামেৰে বিভিন্ন সময়ত আলফাৰ হৈ পোষ্ট দি ফেচবুকত আলফাক সমৰ্থন কৰি যুৱ প্ৰজন্মক নিষিদ্ধ ঘোষিত সংগঠন আফলাৰ প্ৰতি আকৃষ্ট কৰাৰ অভিযোগত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে সাগৰ নামৰ যুৱকজনক। ইয়াৰ উপৰিও আৰক্ষীয়ে জানিবলৈ দিয়া অনুসৰি সামাজিক মাধ্যম (ফেচবুকত) ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰতি ভাবুকি অনা আলফাৰ বহু পোষ্ট বিগত সময়ত শ্বেয়াৰ কৰি আহিছিল যুৱকজনে । আৰক্ষীয়ে জানিবলৈ দিয়া অনুসৰি অভিযুক্ত সোণাজুলি গাঁৱৰ নিবাসী মদন দাসৰ পুত্ৰ আছিল।

**চাপৰৰ এজন স্বয়ম্ভু সাংবাদিকপত্নীৰ ভয়ংকৰ কাণ্ড**

## ব্লেকমেইলিং কৰি ধন সংগ্ৰহ কৰিবলৈ গৈ আৰক্ষীৰ জালত সাংবাদিকৰ পত্নীসহ এজন যুৱক



**দৈনন্দিন বাৰ্তাৰ সেয়া, চাপৰ, ২৭ মে' ঃ** ধুবুৰী জিলাৰ চাপৰ থানাৰ অন্তৰ্গত মৌৱাটাৰীৰ বাসিন্দা তথা চাপৰ ইলেষ্ট্ৰনিক প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক ৰফিকুল ইছলামৰ পত্নী মিলি আলমক চাইবাৰ অপৰাধত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। বিশেষ সুত্ৰত জানিব পৰা মতে গুৱাহাটী মহানগৰৰ নিবাসী এজনী মহিলাক চাপৰ ইলেকট্ৰ'নিক প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক তথা স্বয়ম্ভূ সাংবাদিক ৰূপি ৰফিকুল ইছলামে নিজ পত্নীৰ সহায়ত অশীল ভিডিঅ 'সংগ্ৰহ কৰি মহিলাজনীৰ লগতে মহিলা গৰাকীৰ স্বামীৰ পৰা ভয় ভাবুকি প্ৰদান কৰি ধন দাবী কৰাৰ এক চাঞ্চল্যকৰ অভিযোগ উত্থাপন হৈছে । ধন সংগ্ৰহ কৰিবলৈ চাপৰৰ পৰা গুৱাহাটী লৈ যায় ৰফিকুল ইছলাম আৰু তেওঁৰ এজন সহযোগী। পিছত চতুৰ ৰফিকুল ইছলামে নিজে ধন সংগ্ৰহ কৰিবলৈ নগৈ লগত লৈ যোৱা আন এজন যুৱকক পঠায়াই দিয়ে ধন সংগ্ৰহ কৰিবলৈ। কিন্তু ধন সংগ্ৰহ কৰিবলৈ যোৱাৰ লগে লগে আৰক্ষীয়ে আটক কৰে যুৱক জনক। আৰক্ষীৰ উমান পাই চতুৰ ৰফিকুলে ঘটনাস্থলীৰ পৰা পলায়ন কৰে। আটকাধীন যুৱক জনৰ নাম আইজুল হক বুলি জানিব পৰা গৈছে। গুৱাহাটী মহানগৰ আৰক্ষীয়ে আটক কৰা যুৱকজনৰ ভাষ্যৰ ভিত্তিত ধুবুৰী জিলাৰ চাপৰত অভিযান চলাই ৰফিকুল ইছলাম পত্নী মিলি আলমক আটক কৰে। অৱশেষত আৰক্ষীয়ে আটক কৰা মিলি আলমক গুৱাহাটী আৰক্ষীয়ে লৈ যায়। এই সন্দৰ্ভত আৰক্ষীয়ে সাংবাদিকক মন্তব্য দিয়াৰ পৰা বিৰত থাকে। ঘটনা সংক্ৰান্তত ইতিমধ্যে আৰক্ষীয়ে Woman PS Case no 35/22 Under section - 384/507 IPC Rw section 67 a IT act গোচৰ ৰুজু কৰিছে বুলি জানিবলৈ দিয়ে।

**টেলিকমৰ কাম য'ত যোগান, স্থাপন, পৰীক্ষা আৰু ৰূপায়ণ কামৰ সৈতে ট্ৰেঞ্চিং, স্থাপন আৰু সমাপ্তি অন্তৰ্ভুক্ত**

**ই-নিবিদা জাননী নং ঃ** এছএণ্ডটি_কন_২০২২_১০, **তাৰিখ ঃ** ২৪-০৫-২০২২। নিম্নলিখিত কামৰ বাবে নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা ই-নিবিদা আহ্বান কৰা হৈছে। **নিবিদা নং ঃ ডিৰাই চিএছটিই_চি_২_এমএলজি_২০২২_১০_০৩। কামৰ নামঃ** ৰঙিয়া দ্বৈত প্ৰকল্পৰ জৰিয়তে নিউ বঙাইগাঁও-আগৰতলাৰ সন্দৰ্ভত ৰঙিয়া আৰু লামডিং সংমণ্ডলৰ ৰঙিয়া (ইএক্সচিএল)-আগিয়াঠুৰি শাখা (৪টা ষ্টেচন আৰু ৪ টা ব্লক শাখা)ত অন্যান্য অন্তৰ্মুখী আৰু বহিঃমুখী টেলিকম কামৰ সৈতে আইপি-এমপিএলএছ আৰু ভিঅ'আইপি আধাৰিত নিয়ন্ত্ৰণ যোগাযোগ পদ্ধতিৰ যোগান, স্থাপন, পৰীক্ষা আৰু ৰূপায়ণৰ সৈতে অ'এফচি আৰু ৬ কোৱাড কেবলৰ ট্ৰেঞ্চিং, স্থাপন আৰু সমাপ্তি অন্তৰ্ভুক্ত থকা টেলিকমৰ কাম। **নিবিদা মূল্য ঃ** ৪,৬২,৪৬,৫০০.৮২ টকা; **নিবিদা আমানত ঃ** ৩,৮১,২০০ টকা; **১৩:০০ ঘণ্টাত** বন্ধ হ'ব আৰু **১৬-০৬-২০২২ৰ ১৬:০০ ঘণ্টাত** মুকলি কৰা হ'ব। বিস্তৃত বিৱৰণৰ বাবে অনুগ্ৰহ কৰি ৱেবছাইট **www.ireps.gov.in**ত চাওক।

উপ চিএছটিই/নিৰ্মাণ/২, মালিগাঁও
**উত্তৰ-পূব সীমান্ত ৰে'লৱে**
নিৰ্মাণ সংস্থা
হাঁহিমুখে গ্ৰাহকৰ সেৱাত

## ধেমাজিত ১০,০৭৩ বিঘা ৩ কঠা ৯ লোচা ভূমি আবণ্টনৰ মুঠ ৪,০১৪খন প্ৰস্তাৱ গ্ৰহণ

### ধেমাজি সদৰ মহকুমা ভূমি উপদেষ্টা সমিতিৰ বৈঠক



**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ২৭ মে' ঃ** ধেমাজি সদৰ মহকুমা ভূমি উপদেষ্টা সমিতিৰ বৈঠকত আজি জোনাই বিধান সভা সমষ্টিৰ বিধায়ক ভুৱন পেগুৰ উপস্থিতিত ধেমাজি জিলা উপায়ুক্ত অসীম কুমাৰ ভট্টাচাৰ্যৰ অধ্যক্ষতাত ধেমাজি সদৰ ভূমি উপদেষ্টা সমিতিৰ বৈঠক অনুষ্ঠিত হয় । উক্ত বৈঠকত অতিৰিক্ত উপায়ুক্ত উৎপল দলে, মন্ত্ৰী আৰু সাংসদৰ প্ৰতিনিধি; মুখ্য কাৰ্যবাহী সদস্য, দেউৰী স্বায়ত্তশাসিত পৰিষদ আৰু সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদ, মিছিং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্যৰ প্ৰতিনিধি; ধেমাজি জিলা পৰিষদৰ সভাপতি, ধেমাজি উন্নয়ন প্ৰাধিকৰণ, ধেমাজি আৰু চিলাপাথৰ পৌৰ সভাৰ অধ্যক্ষসকল আৰু ধেমাজি, গোগামুখ আৰু চিচিবৰগাঁও চক্ৰ বিষয়া সকল উপস্থিত থাকে । আজি এই বৈঠকত ধেমাজি, চিচিবৰগাঁও আৰু গোগামুখ ৰাজহ চক্ৰৰ অন্তৰ্গত ১০০৭৩বিঘা, ৩কঠা, ৯লোচা ভূমি আৱন্তনৰ মুঠ ৪০১৪ খন প্ৰস্তাৱ সমিতিয়ে গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে এইবাৰ ধেমাজি ৰাজহ চক্ৰৰ অধীনত ক্ষুদ্ৰ চাহ বাগিচাৰ ভূমি নিষ্পত্তিৰ ২৮ খন প্ৰস্তাৱ গ্ৰহণ কৰা হৈছে। লগতে উল্লেখ থাকে যে এক সংহত উপায়ুক্ত কাৰ্যালয় স্থাপনৰ বাবে ৩০ বিঘাৰ ভূমি আৱণ্টনৰ প্ৰস্তাৱ, কনভেনচন চেণ্টাৰৰ বাবে ২ বিঘা, জিলা পুথিভঁৰালৰ বাবে ২ বিঘা, জিলা সংগ্ৰহালয় স্থাপনৰ বাবে ২ বিঘা আৰু প্ৰেক্ষাগৃহৰ বাবে ২ বিঘা মাটী কমিটিয়ে অনুমোদন জনাইছে। ইফালে ৪খন পূৰ্বে ৯৬০ ৰেভিনিউ গাঁৱৰ আছিল যদিও বৰ্ত্তমানে ৩৯ খন গাঁও বঢ়োৱা হয় । এই বৈঠক খনি সফল ৰূপায়ণৰ ক্ষেত্ৰত সকলোৱে সহযোগিতা আগবঢ়োৱাৰ বাবে ধেমাজি ৰাজহ বিভাগৰ অতিৰিক্ত উপায়ুক্ত উৎপল দলে সকলোকে ধন্যবাদ জনাই ।

**'দৈনন্দিন বাৰ্তা' কাকতৰ বাতৰিৰ প্ৰভাৱ**

## যোগান বিভাগে নিলম্বন কৰিলে টুপামাৰী গাঁও পঞ্চায়ত সমবায় সমিতিৰ এজেণ্ট আব্দুল ছালামক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২৭ মে' ঃ** কামৰূপ জিলা খাদ্য আৰু অসামৰিক যোগান বিভাগৰ অন্তৰ্গত টুপামাৰী সমবায় সমিতিৰ ২ নং দক্ষিণ ৰাঙ্গাপানী গাওঁৰ সুলভ মূল্যৰ এজেণ্ট আব্দুল ছালামক এক বিভাগীয় তদন্তৰ অন্তত যোগান ক্ষেত্ৰত ব্যাপক খেলিমেলি পোৱা সুত্ৰেই তাৎক্ষণিকভাৱে নিলম্বনৰ জাননী জাৰি কৰিছে। স্মৰ্তব্য যে দৈনন্দিন বাৰ্তা কাকত যোগে একাধিকবাৰ সমবায় এজেণ্ট জনৰ দুৰ্নীতি সন্দৰ্ভত সবিস্তাৰে বাতৰি প্ৰকাশৰ পিছতেই জিলা যোগান বিভাগৰ বিষয়া আবুল কালাম আজাদৰ নেতৃত্বত এটা দলে ২ নং দক্ষিণ ৰাঙ্গাপানী গাওঁত হৈ উত্থাপিত অভিযোগৰ তদন্ত কৰি হিতাধিকাৰীক খাদ্য সামগ্ৰী পৰিমাণতকৈ কমকৈ দিয়া আৰু ৰেচন কাৰ্ডৰ ব্যাপক খেলিমেলি আদি অভিযোগ সমূহ সচাঁ প্ৰমাণিত হোৱাত সুলভ মূল্যৰ এজেণ্ট আব্দুল ছালামক নিলম্বনৰ উপৰিও APDAO/RL/S/52 নম্বৰৰ লাইচেঞ্চ খনো বাতিল কৰে। আনহাতে যোগান পৰিদৰ্শক আব্দুল কালাম আজাদে পৰৱৰ্তী খাদ্য সামগ্ৰী বিতৰণৰ সুবিধাৰ্থে সংশ্লিষ্ট হিতাধিকাৰীৰ সৈতে আলোচনা মৰ্মে নিকটৱৰ্তী কোনোবা এজেণ্টৰ সৈতে উক্ত সুলভ মূল্যৰ কেন্দ্ৰটো 'টেগ' কৰাৰো দিহা কৰা বুলি জানিব পৰা গৈছে। উল্লেখ্য যে যোগান পৰিদৰ্শকে দহ দিনৰ ভিতৰত এই সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰাৰ কথাও নিৰ্দেশনামাত উল্লেখ আছে। স্মৰ্তব্য যে উক্ত এজেণ্ট গৰাকীৰ উপৰিও আৰু কেইবাগৰাকীকৈ এজেণ্টৰ বিৰুদ্ধে সংশ্লিষ্ট হিতাধিকাৰীসকলে একে ধৰণৰ অভিযোগ উত্থাপন কৰা সুত্ৰেই জিলা যোগান বিভাগক সেই সকলোকে শীঘ্ৰে তদন্তৰ আওঁতালৈ অনাৰ দাবী জনাইছে টুপামাৰী গাওঁ পঞ্চায়ত সমবায় সমিতিৰ ভোক্তভোগী হিতাধিকাৰীসকলে।

## মঙলদৈত যুৱতীক ধৰ্ষণৰ চেষ্টা, এজন যুৱকক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২৭ মে' ঃ** মঙলদৈ চহৰৰ নিকটৱৰ্তী ব্লক চকৰ বংলাগড় বাগানত এগৰাকী যুৱতীক ধৰ্ষণৰ অপচেষ্টা চলোৱাৰ ঘটনা সংঘটিত হয়। জানিব পৰা মতে, দৈনিক যোৱাৰ দৰে বাগানখনৰ এগৰাকী যুৱতীয়ে আজিও নিজ কামলৈ ওলাই গৈছিল আৰু নিজ কৰ্তব্য পালন কৰি ওভতি আহি থাকোতে বাগান খনৰেই এগৰাকী ব্যক্তিয়ে যুৱতী গৰাকীক ধৰ্ষণৰ অপচেষ্টা চলায়। জনৈক বুধু গোৱালা নামৰ ৪০ বছৰীয়া ব্যক্তি গৰাকীয়ে ছোৱালী জনীয়ে কামৰ পৰা ঘৰলৈ আহি থকাৰ অৱস্থাত বংলাগড় বাগানৰ ঘন জংঘললৈ টানি নি এই জঘন্য ঘটনা সংঘটিত কৰিবলৈ অপচেষ্টা চলাইছিল। অকলশৰীয়া যুৱতীগৰাকীয়ে হতবাক হৈ চিএঞৰিব লওঁতেই যুৱকজনে যুৱতী গৰাকীৰ ডিঙিত চেপি হত্যা কৰাৰ বাবে চেষ্টা চলায়। অৱশ্যে স্থানীয় কেইজনমান লোকৰ চেষ্টাত প্ৰাণ ৰক্ষা পৰে যুৱতীগৰাকীৰ। ঘটনাৰ উমান পাই মঙলদৈ সদৰ থানাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ব্যক্তি গৰাকীক ঘটনাস্থলীৰ পৰা আটক কৰি থানালৈ লৈ যায়। জানিব পৰা মতে ব্যক্তি গৰাকীয়ে আগতেও বহুবাৰ এই কাণ্ড সংঘটিত কৰি কাৰাবাস খাটিবলগীয়া হৈছিল।

**ক'নাৰ্ক কমাৰ্চিয়েল লিমিটেড**

**পঞ্জীয়ন কাৰ্যালয় ঃ বি আৰ চন্দক মাৰ্কেট, মাৰোৱাৰীপট্টী, ৱাৰ্ড নং-৬, গুৱাহাটী-৭৮৫০০১, (অসম)**
ই-মেইলঃ konarkcommerciallimited@gmail.com, ৱেবছাইটঃ www.konarkcommercial.com
মোবাইল নং ঃ ৮৯৬১১৬৩৭৯, চিআইএন ঃ এল৫১১০৯এএছ১৯৮৮পিএলচি০০২৯১৬

এই বিজ্ঞাপনটো ('বিজ্ঞাপন') কোম্পানীৰ দ্বাৰা জাৰি কৰা হৈছে ইচ্ছাকৃতভাৱে কোম্পানীৰ ইকুইটি শ্বেয়াৰৰ পৰা তালিকা বৰ্হিভূত কৰিবলৈ, চিকিউৰিটিজ এণ্ড একছেঞ্জ ব'ৰ্ড অব ইণ্ডিয়া (ডিলিষ্টিং অব ইকুইটি শ্বেয়াৰ) ৰেগুলেচনচ-২০২১ ('ডিলিষ্টিং ৰেগুলেচনচ')ৰ অনুচ্ছেদ-VI অনুসৰি।

**১. তালিকা বৰ্হিভূতৰ তাৰিখ**

মেচাৰ্ছ মেট্ৰ' কমাৰ্চিয়েল লিমিটেডৰ তালিকা বৰ্হিভূত বিষয়াই কোম্পানীৰ ৰাজহুৱা শ্বেয়াৰ হল্ডাৰসকল আৰু ৰাজহুৱা শ্বেয়াৰ হল্ডাৰসকলৰ আৱশ্যক হোৱাৰ বাবে সন্মতি অনুসৰি মেট্ৰ' পলিটান ষ্টক একছেঞ্জ অব ইণ্ডিয়া লিমিটেড ('এমএছইআই') অনুসৰি এখন আবেদন দাখিল কৰা হৈছিল ১৬ মে', ২০২২ তাৰিখে কোম্পানীৰ ইকুইটি শ্বেয়াৰসমূহ তালিকা বৰ্হিভূত কৰিবলৈ এমএছইআইৰ পৰা।

এমএছইআই, পত্ৰ নং এমএছইআই/এলআইএছটি/২০২২/৬৬৫ তাৰিখ ২৬মে', ২০২২, পঢ়ি উঠি চাৰ্কোলাৰ নং - এমএছই/এলআইএছটি১১৮৬৭/২০২২ তাৰিখ ২৬মে', ২০২২ত যোগাযোগ অনুসৰি কোম্পানীৰ ইকুইটি শ্বেয়াৰসমূহৰ ট্ৰেডিং বন্ধ/নিলম্বিত থাকিব ২ জুন, ২০২২ আৰু কোম্পানীৰ ইকুইটি শ্বেয়াৰ এমএছইআইৰ পৰা তালিকা বৰ্হিভূত হ'ব ৯জুন, ২০২২ তাৰিখৰ পৰা ("ডিলিষ্টিং তাৰিখ")।

ইকুইটি শ্বেয়াৰসমূহৰ তালিকা বৰ্হিভূতৰ অৰ্থ হ'ল তেওঁলোকে এমএছইআইৰ সৈতে বাণিজ্যিক সম্পৰ্ক অৱসান হৈছে আৰু ইকুইটি শ্বেয়াৰসমূহ বাণিজ্যকৰণৰ বাবে থাকিব।

**২. তালিকা বৰ্হিভূতৰ পিছত ইকুইটি শ্বেয়াৰসমূহৰ অনাদায়ৰ পৰিমাণ**

ডিলিষ্টিং ৰেগুলেচনৰ বিধি-২৬ (১) অনুসৰি কোম্পানীৰ অন্যান্য ৰাজহুৱা শ্বেয়াৰ হল্ডাৰসকল যিসকলে তালিকা বৰ্হিভূত প্ৰক্ৰিয়াত ভাগ ল'ব নোৱাৰিলে বা সফল নহ'ল, তেওঁলোকে ইকুইটি শ্বেয়াৰসমূহ প্ৰমোটাৰ একুয়াৰক দাখিল কৰিব পাৰিব ১৫ টকা মূল্যত ('বৰ্তমানৰ দাম') নিম্নতম এক বছৰৰ বাবে যিটো আৰম্ভ হ'ব সকলো ষ্টক একছেঞ্জৰ পৰা ডিলিষ্টিং তাৰিখত ('ডিলিষ্টিং তাৰিখ') অৰ্থাৎ ('বৰ্তমান সময়')।

সংশ্লিষ্ট প্ৰস্তাৱিত পত্ৰ ('বৰ্তমানৰ প্ৰস্তাৱিত পত্ৰ') প্ৰেৰণৰ বাবে বাকী থকা ৰাজহুৱা শ্বেয়াৰ হল্ডাৰসকললৈ, যিসকলৰ নাম কোম্পানীৰ সদস্যৰ পঞ্জীয়ন তালিকাত লিপিবদ্ধ হৈছে ডিলিষ্টিং তাৰিখলৈকে। এইক্ষেত্ৰত যদিহে কোনোবা ৰাজহুৱা শ্বেয়াৰ হল্ডাৰে লাভ কৰা নাই বা বৰ্তমানৰ প্ৰস্তাৱিত পত্ৰ বেলেগ স্থানলৈ গৈছে, তেওঁলোকে কোম্পানীলৈ বা পঞ্জীয়কলৈ আৰু কোম্পানীৰ শ্বেয়াৰ ট্ৰেন্সফাৰ এজেণ্টলৈ লিখিতভাৱে অৱগত কৰিব পাৰিব।

**৩. শ্বেয়াৰ হল্ডাৰসকলৰ প্ৰাপ্য আদায়ৰ বিবেচনাসমূহ**

আৱশ্যক হোৱা যিকোনো আইনী অনুমোদনৰ ভিত্তিত, প্ৰমোটাৰ একুয়াৰ মাহেকীয়া ভিত্তিত প্ৰাপ্য ধন আদায় দিব পাৰিব, সংশ্লিষ্ট মাহৰ শেষৰ ১০টা কৰ্মদিনৰ ভিতৰত ('মাহেকীয়া পেমেণ্ট চাৰ্কোল')। প্ৰাপ্যসমূহ সেইসকল ৰাজহুৱা শ্বেয়াৰ হল্ডাৰক দিয়া হ'ব যিসকলৰ বৈধ ইকুইটি শ্বেয়াৰ আছে, বৰ্তমানৰ প্ৰস্তাৱিত পত্ৰৰ নিৰ্দেশাৱলীৰ ভিত্তিত আৰু আবেদন সংলগ্ন আছে ('বৰ্তমানৰ আবেদন প্ৰ-পত্ৰ')। লগতে স্পষ্ট কৰা হ'ল যে প্ৰথম মাহৰ পেমেণ্ট চাৰ্কোল আৰম্ভ হ'ব ৩০জুন, ২০২২ত।

যিকোনো অভিযোগ থাকিলে দাখিল কৰিব পাৰিব কোম্পানীৰ পঞ্জীয়ন কাৰ্যালয়ৰ ঠিকনাত।

ক'নাৰ্ক কমাৰ্চিয়েল লিমিটেডৰ হৈ
স্বাক্ষৰ/-
বিশাল কুমাৰ শৰ্মা
পূৰ্ণকালীন সঞ্চালক
ডিআইএন ঃ ০৭৩১০৫০৩

২৭ মে', ২০২২
বি আৰ চন্দক মাৰ্কেট, মাৰোৱাৰীপট্টী, ৱাৰ্ড নং-৬,
গুৱাহাটী-৭৮৫০০১, (অসম)

## টংলাৰ ৰাজপথত ভূমিপট্টা বিচাৰি দুঘণ্টা অৱস্থান ধৰ্মঘট ওদালগুৰি জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ

**বিটিআৰৰ মুখ্য কাৰ্যবাহীলৈ স্মাৰকপত্ৰ প্ৰেৰণ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ভেৰগাঁও, ২৭ মে' ঃ** প্ৰচণ্ড গৰমৰ মাজতো আজি দিনৰ ১১ বজাত ভূমিহীন পুৰুষ-মহিলাসকলে ওদালগুৰি জিলা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ আহ্বানত দলে -বলে ওলাই আহি ভোগ দখলী ভূমিৰ ভূমিপত্তা প্ৰদান কৰক, ভূমিৰ অধিকাৰ আমাক লাগিবই, ভূমিৰ অধিকাৰ আমাৰ ন্যায্য দাবী , ভূমিৰ অধিকাৰ আমাৰ জন্মগত অধিকাৰ, ঘৰৰ ভেঁটি আৰু খেতি মাটিৰ অধিকাৰ জীয়াই থকাৰ অধিকাৰ ইত্যাদি বিভিন্ন শ্লোগানেৰে উত্তাল কৰি তোলে টংলাৰ ৰাজপথ। প্ৰাপ্ত তথ্যমতে ওদালগুৰি জিলাৰ হৰিশিঙা ৰাজহ চক্ৰৰ অন্তৰ্গত কুকুৰাকাটা, খৈৰাবাৰী,পশ্চিম নলবাৰী, বুঢ়াগোহাঁই থান, দুলিয়াপাৰা, ১নং নাচনশালী আদি গাঁৱৰ ৰাইজে স্বাধীনতাৰ পূৰ্বৰে পৰা আৰু স্বাধীনতাৰ পিছৰ সময়ছোৱাৰ পৰা বৃহত্তৰ অঞ্চলটোত স্থায়ীভাৱে বসবাস কৰি আছে।প্ৰধানত কৃষক লগতে শ্ৰমিক হিচাপে জীৱন নিৰ্বাহ কৰা বড়ো, ৰাভা , গোৰ্খা, চাহ জনগোষ্ঠী আৰু অন্যান্য থলুৱা অসমীয়া লোকসকল অঞ্চলটোৰ পুৰণি বাসিন্দা হৈয়ো আজিকোপতি ভূমিপত্তা লাভ নকৰিলে। ননৈ নদীৰ বানত শস্ত্ৰপাৰা গাঁৱৰ পত্তা থকা ভূমিৰ স'তে ঘৰ- বাৰী হেৰুৱাই ভূমিহীন হোৱা বাসিন্দাসকলেও উক্ত অঞ্চলৰ বাসিন্দা হ'ল, কিন্তু এইসকল লোকে আজিও ভূমি অধিকাৰহীন হৈ থাকিল। তদুপৰি ভূমিহীন পৰিয়ালক কুকুৰাকাটা ,পুৰণি টংলা, হাবিগাঁৱত চৰকাৰীভাৱে তিনিবিঘাকৈ মাটি আবন্টন দি পূৰ্বে স্থাপিত কৰিছিল, কিন্তু আজিলৈকে তেওঁলোককো ভূমিস্বত্ব প্ৰদান নকৰিলে। বৃহত্তৰ অঞ্চলটোৰ গৰিষ্ঠ সংখ্যক লোকেই চৰকাৰীভাৱে ভূমি অধিকাৰৰ পৰা বঞ্চিত।



আনহাতে বিটিচিৰ পৰিসীমাৰ ভিতৰত থকা জনজাতি আৰু অন্যান্য থলুৱালোকৰ সৰ্বাংগীণ বিকাশ আৰু উন্নতিৰ অৰ্থে ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীত গঠিত বিটিচিৰ শাসকবৰ্গয়ো ভূমি অধিকাৰ প্ৰদান কৰা বিষয়টি এৰাই চলিব ধৰিছে বুলি জানিব দিছে আন্দোলনকাৰী ৰাইজে। বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োক হৰিশিঙা ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে জিলা কৃষক মুক্তিৰ সভাপতি দীপক শৰ্মা আৰু সম্পাদক সৎৰাম বড়া স্বাক্ষৰিত থলুৱা লোকসকলৰ ভূমিৰ ভূমি পত্তা প্ৰদানৰ অনতিবিলম্বে ব্যৱস্থা কৰক ,পত্তা প্ৰদানৰ লগতে উত্তৰাধিকাৰীৰ অধিকাৰ,ভূমি হস্তান্তৰ অধিকাৰ ক্ষিপ্ৰতাৰে সহজ সৰল প্ৰক্ৰিয়াৰে ব্যৱস্থা গ্ৰহণ কৰা, বিটিআৰৰ বাসিন্দা জনজাতি আৰু অন্যান্য থলুৱা প্ৰতিটো ভূমিহীন, শ্ৰমজীৱী পৰিয়ালকে অনতিবিলম্বে ভূমিস্বত্ব প্ৰদান কৰা ,বিটিআৰৰ সমস্ত কৃষিভূমি অন্য ক্ষেত্ৰলৈ যাতে হস্তান্তৰ নহয় আইনগত কঠোৰ সুৰক্ষাৰ ব্যৱস্থা কৰা আৰু বিটিআৰ এলেকাৰ সমগ্ৰ ভূমি জৰীপ কৰা আদি পাঁচটা দাবী সম্বলিত স্মাৰকপত্ৰ প্ৰেৰণ কৰে।



দৈনন্দিন বাৰ্তা

সম্পাদকীয়

২৮ মে' ■ ২০২২ ■ ১৩ জেঠ ■ গুৱাহাটী

# শ্ৰীলংকাত অৰ্থনৈতিক সংকট আৰু জনগণৰ বিদ্ৰোহ

কৰ'না মহামাৰীয়ে বিশ্ববাসীৰ মনত যি আতংকৰ সৃষ্টি কৰিলে, তাৰ পৰিপ্ৰেক্ষিতত বিশ্বৰ বহু দেশত অৰ্থনৈতিক সংকট আৰম্ভ হৈছিল সেয়া বিশ্ববাসীৰ অগোচৰ নহয়। বৃহৎ ৰাষ্ট্ৰ আমেৰিকা প্ৰমুখ্যে প্ৰায়ভাগ ৰাষ্ট্ৰই সংকটৰ মুখামুখি হ'বলৈ বাধ্য হৈছে। এইক্ষেত্ৰত ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰ শ্ৰীলংকাৰ অভূতপূৰ্ব অৰ্থনৈতিক সংকটে ৰাষ্ট্ৰখনক এনে এটা পৰ্যায়লৈ ঠেলি দিয়াত জনসাধাৰণৰ মাজত ক্ষোভৰ উদ্‌গীৰণ উদ্ভৱ হোৱাই নহয়, দেশখনত ৰাজনৈতিক সংকট আৰম্ভ হৈছে আৰু চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহৰ জুই জ্বলিবলৈ আৰম্ভ কৰিছে। দেশখনত চাউলৰ দাম প্ৰতিকিলোত ৫০০ টকা, চেনিৰ ২৯০ টকা, পেট্ৰ'ল প্ৰতিলিটাৰত ৩৩৮ টকা, গাখীৰৰ দাম ১৯ হাজাৰ, খোৱা তেলৰ দাম লিটাৰত এহেজাৰ টকালৈকে বৃদ্ধি পাইছে। বেছিভাগ খাদ্য-সামগ্ৰী দোকান-বজাৰত শেষ হৈছে। আৰু ক্ৰয় কৰাৰ বাজে জনসাধাৰণৰ হাতত ধনৰ অভাৱ। এনে অৰ্থনৈতিক সংকট শ্ৰীলংকাত কোনোদিনেই হোৱা নাছিল। ক্ষোভত দেশবাসীয়ে প্ৰধানমন্ত্ৰী, ৰাষ্ট্ৰপতি আৰু বৰ্তমানৰ চৰকাৰখনকে জগৰীয়া কৰিছে আৰু প্ৰধানমন্ত্ৰীগৰাকীয়ে পলায়ন কৰি আত্মগোপন কৰিছে। অৱশ্যে ৰাষ্ট্ৰপতিগৰাকীয়ে ক্ষমতা এৰি দিয়া নাই আৰু বিৰোধীৰ সৈতে লগ লাগি এজন নতুন প্ৰধানমন্ত্ৰীৰ দায়িত্ব অৰ্পণ কৰিছে আৰু তেৰেঁই বিভিন্ন বিভাগৰ দায়িত্ব দি মন্ত্ৰিত্বৰ দায়িত্ব দিয়ে। এই দেশখনত সৃষ্টি হোৱা অৰাজকতাৰ কিছু পৰিস্থিতি উন্নত হৈছে। নতুন মন্ত্ৰীসভাই দায়িত্ব গ্ৰহণ কৰিয়েই ভাৰতৰ লগত সু-সম্পৰ্ক স্থাপনত গুৰুত্ব দিছে। এনে অৱস্থাত ভাৰতে তিনি বিলিয়ন মাৰ্কিন ডলাৰৰ সাহায্য আগবঢ়াইছে। ভাৰতে ঘেঁহুকে ধৰি খাদ্য সামগ্ৰী, পেট্ৰ'লজাত সামগ্ৰী প্ৰেৰণ কৰিছে। মন কৰিবলগীয়া কথা হৈছে-- আগৰ চৰকাৰখনে ভাৰতক বাদ দি চীনৰ সৈতে মিতিৰালি কৰিছিল আৰু চীনে বেল্ট এণ্ড ৰোডী ইনিচিয়েটিভ (বি আৰ ই) আঁচনিৰে শ্ৰীলংকাত প্ৰভুত্ব বিস্তাৰ কৰিছিল। হেজাৰ হেজাৰ কোটি টকা ঋণ দি দেশখনক সম্পূৰ্ণ পৰমুখাপেক্ষী কৰিছিল। ভোট বেংক সৃষ্টিৰ বাবে সেইখন চৰকাৰে বিনামূলীয়া সামগ্ৰী বা ৰাজসাহায্য বিলাই লাখ লাখ হিতাধিকাৰী সৃষ্টি কৰিছিল। কিন্তু ক'ভিড মহামাৰীৰ বাবে বৈদেশিক মুদ্ৰা আহৰণৰ প্ৰধান উৎস পৰ্যটন ক্ষেত্ৰ বন্ধ হৈ পৰা, শেহতীয়াকৈ চাহ ৰপ্তানি তথা উৎপাদন বন্ধ হৈ পৰা, বস্ত্ৰৰ ৰপ্তানি আৰু উৎপাদন হ্ৰাস আদি বিভিন্ন কাৰণত দেশখনত আৰ্থিক সংকটে দেখা দিয়ে। চৰকাৰে বৈদেশিক ঋণ পৰিশোধতেই ৰাজভঁৰাল উদং হয়। কেৱল চীন দেশকে বছৰটোত সাত বিলিয়ন ডলাৰ ঋণ দিবলৈ বাকী আছে। দেশখন ঋণত বুৰ গৈ ২০১১ চনত ডিজিপিৰ ১১৯ শতাংশ ঋণৰ বোজা বাঢ়িল। এনে অৱস্থাত নতুনকৈ ঋণ ল'লেও দেশখন বিপদত পৰিব। ঋণ পৰিশোধ কৰিবলৈ দেশখনৰ উৎপাদন বঢ়া নাই। কেৱল ভোট বেংক ৰক্ষাৰ বাবে সৃষ্টি কৰা হিতাধিকাৰী স্বাৰ্থ ৰক্ষাৰ বাবে চৰকাৰে উৎপাদনৰ পথবোৰ বন্ধ কৰি পেলাইছে। এনে পৰিস্থিতিত দেশখনৰ অৱস্থাৰ উন্নতি অসম্ভ হৈ পৰিছে। আনহাতে ৰুছিয়া-ইউক্ৰেইনৰ যুদ্ধৰ বাবেও বিশ্বৰ অন্যান্য দেশৰ লগতে শ্ৰীলংকাত আৰ্থিক ক্ষতিৰ সন্মুখীন নোহোৱাকৈ থকা নাই। যুদ্ধৰ শেষ মোহৰ এতিয়াও মাৰিবলৈ বাকী থকা অৱস্থাত শ্ৰীলংকাৰ সমস্যাও একেদৰেই আছে। ফলত দ্বীপৰাষ্ট্ৰখনত আৰ্থিক পৰিস্থিতিৰ উন্নতিৰ ক্ষেত্ৰত প্ৰবল বাধাৰ প্ৰাচীৰ সন্মুখত বিদ্যমান। মুঠতে চুবুৰীয়া ৰাষ্ট্ৰ শ্ৰীলংকাত অভূতপূৰ্ব অৰ্থনৈতিক সংকট সৃষ্টি হৈছে আৰু ৰাজনৈতিক সংকটো উদ্ভৱ হৈছে। যাৰ কাৰণে জনসাধাৰণৰ মাজত ক্ষোভৰ উদ্‌গীৰণ আৰম্ভ হৈছে। নতুন চৰকাৰখনে কেনেদৰে সংকট মোচন কৰে, সেয়াই ভৱিষ্যৎ নিৰ্ভৰ কৰিব।

## প্ৰেমৰ প্ৰতীক আজি ন্যায়ালয়ৰ কাঠগড়াত

# কঁপি উঠে কিয় তাজমহল...

■ আফজাল আলী খণ্ডকৰ

অসমীয়া চিনেমা 'চিৰাজ'ৰ সেই চিৰসেউজ 'কঁপি উঠে কিয় তাজমহল' গীতটোৱে মনত পৰিছে। ড° ভূপেন হাজৰিকাই ১৯৮৮ চনতে চিনেমাৰ গীতৰ জৰিয়তে কৈ যোৱা কথাষাৰ বা গীতৰ কলিটো বৰ্তমান আজি আপ্তবাক্যত পৰিণত হৈছে। সঁচাই আজি তাজমহল কঁপি উঠিছে নেকি?

মোগল সম্ৰাট ছাহজাহানৰ দ্বিতীয় প্ৰিয়তমা পত্নী আৰ্জুমান বানু বেগম, যাক মমতাজ বুলি জনাজাত। অতি মৰমৰ পত্নী মমতাজৰ মৃত্যুৰ পিছত পবিত্ৰ স্মৃতি ৰক্ষাৰ্থে নিৰ্মিত স্মৃতিসৌধ হিচাপে ১৬৩২ খৃষ্টাব্দত (সম্পূৰ্ণ হৈছিল ১৬৫৩ খৃষ্টাব্দ) ত নিৰ্মাণ কৰা মহলটোৱে হ'ল তাজমহল। শ শ বছৰ গুজৰি যোৱাৰ পিছতো বয়সেও কেতিয়াও তিল মানো আঁচোৰ পেলাব নোৱাৰা সমগ্ৰ বিশ্বৰ আশ্চৰ্যৰ ভিতৰত এবিধ হ'ল তাজমহল। সম্ৰাট ছাহজাহানে সৃষ্টি কৰি যোৱা আগ্ৰাৰ যমুনাৰ পাৰত চিৰদিন চিৰকালৰ বাবে সগৌৰৱে বিশ্বক জিলিকাই থিয় হৈ থকা তাজমহল ভাৰতৰ ৰেভিনিউ সংগ্ৰহৰো অনন্য আৰু এক নম্বৰ প্ৰাচীন সম্পদ বুলিও ক'ব পৰা যায়।



জন্মৰে পৰা এতিয়ালৈ তাজমহলক লৈ বহুজনে বহু সৃষ্টি কৰিলে। গান, কবিতা, চিনেমা, নাটকৰ কাহিনী কিমান সৃষ্টি হ'ল তাৰ কোনো লেখ-জোখ নাই। তাজমহলক লৈ উৎসুকতা প্ৰতিজন দৰ্শনাৰ্থীৰে থাকি যায়। বহু জ্ঞানী-গুণী ব্যক্তি তথা ঋষি-মুনিয়ে বহুত বৰ্ণনাই কৰিছে। ইয়াৰ বৰ্ণনাৰো শেষ নাই। ভাৰতবৰ্ষৰ গৌৰৱবিধক লৈ বছৰৰ পিছত বছৰ গুজৰি যোৱাৰ পিছতো কেতিয়াও ধৰ্মীয় বিবাদ বা বিতৰ্ক হোৱা নাছিল। এতিয়া আহিছে ঐতিহাসিক সম্পদবিধক লৈ ধৰ্মীয় বিবাদ। চৰকাৰী সমৰ্থনপুষ্ট কিছুমান বিতৰ্কিত নেতাই দেশত প্ৰায়ে বিতৰ্কিত মন্তব্য দি আহিছে। যাক দেশৰ আইন-কানুনে ঢুকি নাপায়। কিছু হিন্দুত্ববাদী সংগঠনৰ স্বয়ম্ভু নেতা আৰু গণতান্ত্ৰিকভাৱে নিৰ্বাচিত কিছুমান ৰাজনৈতিক নেতাই নিজৰ ধৰ্মটোক আৰু তাজমহলক লৈ বহুৱালি কৰাৰ বাহিৰে একো নহয়। এই ধৰণৰ নেতাই কেতিয়াও জনতাৰ দুখ-দুৰ্গতিৰ কথা নকয়। ধৰ্মীয় বিবাদেৰে নিজৰ ৰাজনৈতিক খান্দহ খোৱাৰ বাটিটো জীয়াই ৰাখিব বিচাৰে। আৰু তাৰেই হয়তো উৎকৃষ্ট উদাহৰণ আজি কেইদিনমান বছৰ আগৰ পৰা তাজমহলক লৈ কিছুমান নাভূত-নাশ্ৰুত ইতিহাস সাঙুৰি বিতৰ্কিৰ আঙুলি টোঁৱাই অহা আমাৰ চকুত পৰিছে। তাজমহল বিশ্বৰ আশ্চৰ্যকৰে নহয় ই এটা সমন্বয়ৰো প্ৰতীক হিচাপত চিহ্নিত হৈ আহিছে। সমগ্ৰ বিশ্বৰে নানান দেশী-বিদেশী জাতি-ধৰ্মৰ মানুহে কোনো দ্বিধা বোধ নোহোৱাকৈ দৰ্শন কৰি আহিছে। দেশ-বিদেশৰ মানুহৰ মিলন হৈছে। বিলাইছে সমন্বয়ৰ বাৰ্তা। আৰু এই শান্তি-সমন্বয়ৰ মিলন দেখিব নোৱাৰা উগ্ৰ চকু চৰহাবোৰে নানান কূট-কৌশল ৰচনা কৰি বিভেদগামী পন্থাবোৰ হাতত লয়। মানৱ প্ৰেমৰ অন্যতম নিদৰ্শন আৰু ভাতৃত্ববোধ, শান্তি-সমন্বয়ৰ মিলন স্থল তাজমহলক লৈ সেই সকলৰ মূৰৰ কামোৰণি উঠিছে। নিজে গঢ়িব নোৱাৰা সৃষ্টিৰাজিক ধ্বংস কৰিবলৈ উঠিপৰি লাগিছে। দেশৰ মূল সমস্যাবোৰৰ পৰা মানুহক বহু দূৰত ৰাখিবলৈ যিকোনো প্ৰকাৰে চেষ্টা কৰা এই সকল ধৰ্মান্ধই জানি-বুজি এইবোৰ কৰি থাকে বুলি অনুমান হয়। শেহতীয়াকৈ যি তাজমহল বিতৰ্ক হৈছে এয়া অতি দুখজনক আৰু অনাগত সময়ত ভয়াৱহতাৰ আগজাননী বুলিও অনুমান কৰিব পাৰি। উত্তৰ প্ৰদেশৰ এগৰাকী বিজেপি সাংসদ ড° ৰাজনিশ সিঙে এলাহাবাদ উচ্চ ন্যায়ালয়ত এখন PLI দাখিল কৰিছিল নাভূত-নাশ্ৰুত দাবীৰে। সাংসদ গৰাকীৰ মূল দাবী হ'ল-- তাজমহল বনোৱা ঠাই টুকুৰাত পূৰ্বতে 'তেজু মহালয়' বুলি এটা 'শিৱ মন্দিৰ' আছিল। মোগল সম্ৰাট ছাহজাহানে এই শিৱ মন্দিৰটো ভাঙি তাত তাজমহল নিৰ্মাণ কৰিছে। ড° সিঙে আৰু দাবী কৰিছে যে তাজমহলৰ ভিতৰত বিশ-বাইশটা বন্ধ কোঠা আছে। এই বন্ধ কোঠাকেইটা খুলিব লাগে। বন্ধ কোঠাকেইটাত হেনো কিবা ৰহস্য লুকাই আছে। কথাবোৰ সঁচা-মিছা কোনেও নাজানে। কিন্তু সাংসদজনৰ বাবে দুৰ্ভাগ্যজনক কথা এয়ে যে বিষয়টো ন্যায়ালয়ৰ মজিয়ালৈ নি নিজে একপ্ৰকাৰৰ ধমক খাব লগা হ'ল। দেশৰ অৰ্থনৈতিক ব্যৱস্থা দিনক দিনে অধঃপতন, নিবনুৱা সমস্যা, মূল্যবৃদ্ধি আদিকে ধৰি কুলাই-পাচিয়ে নধৰা জীয়া সমস্যাবোৰ জনতাৰ চকুৰ পৰা দূৰত ৰাখিবলৈ মূলতঃ আমাৰ জনপ্ৰতিনিধিয়ে এই চৰিত্ৰ অৱলম্বন কৰে। প্ৰকৃত ছবিখন লুকুৱাই ৰাখি বিকৃত ছবি দেশৰ জনতাৰ সমুখত দাঙি ধৰাটোৱে প্ৰধান কাম আৰু সফলতাৰ মূল চাবিকাঠী বুলি ভাবে। এইসকল হিন্দুত্ববাদী নেতাৰ লক্ষ্য-উদ্দেশ্য সদায়েই বিপৰীতমুখী। সাধাৰণ জনতাৰ ভিতৰত কিবা নহয় কিবা এটা সন্দেহজনক বিষাক্ত বীজ মনৰ ভিতৰত ভৱিষ্যতলৈ সুমুৱাই দিয়াটোৱে সফলতা। আৰু সফল হৈছেও। মাননীয় এলাহাবাদ উচ্চ ন্যায়ালয়ে ড° সিঙক উচিত প্ৰত্যুত্তৰ দিছে যদিও তাজমহলক লৈ কু-অভিসন্ধি ৰচনাকাৰীসকলে বিতৰ্কৰ সূচনা কৰি আহিব লগা সময়বোৰত একপ্ৰকাৰৰ সংঘাতৰ পথ প্ৰশস্ত কৰি থৈ গ'ল। আচলতে এইসকল নেতাই বিচাৰে কি? সংঘাত লোৱাটোৱে কাম্য নেকি? ধৰ্ম ধৰ্ম সকলোতে কেৱল ধৰ্ম। নিজৰ ধৰ্মটোক ৰাজনীতিক ক্ষেত্ৰখনত আনি লৈ একাংশ নীচ মানসিকতাৰ মানুহে ধৰ্মৰ দোহাই দি গৈ গৈ দেশৰ প্ৰাচীন সম্পদসমূহকো নেৰিলে।

আচলতে বিশ্বৰ দেশসমূহৰ নানা ঘটনা-পৰিঘটনাৰ পৰা আমি দেখি আহিছো আৰু ভালদৰে বুজিব পাৰিছো-- যিবোৰ দেশত ধৰ্মই বেছি প্ৰাধান্য পাইছে সেই দেশত মানৱতা শেষ হৈছে। জুই জ্বলিছে, অস্থিৰতা-উত্তেজনা বৃদ্ধি পাইছে। গতিকে শান্তিৰ ভাৰতত অশান্তিৰ বীজ ৰোপকসকলক জনতাই বুজাব লাগে। পৃথিৱীৰ ভিতৰতে শক্তিশালী গণতন্ত্ৰৰ দেশ বুলি জনাজাত ভাৰতবৰ্ষক বিশ্বৰ বুকুত চিৰদিন চিৰকাল প্ৰবহমান কৰি ৰাখিবলৈ ধৰ্মান্ধতাক বাদ দি প্ৰকৃত মানৱ ধৰ্মক আঁকোৱালি ল'ব লাগে। বিশ্ব সম্প্ৰদায়ত কিবা সাম্প্ৰদায়িকতা চলি আছে সেইবোৰ আমাৰ চোৱাৰ প্ৰয়োজন নাই। আমাৰ দেশ, আমাৰ সংবিধান মানি যোগাত্মক দৃষ্টিৰে আগবাঢ়িলে সকলোৰে মঙ্গল হ'ব।

ফোন: ৬৯১৩২২৯৭১৭

# হেৰুৱাব নেকি ভাৰতে ব্ৰহ্মপুত্ৰ নদীৰ পানীৰ ওপৰত অধিকাৰ?

■ জনাৰ্দন তালুকদাৰ

আকৌ নদীবান্ধ, আকৌ শংকা, আকৌ সমস্যা। চীনৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰে অন্য এক নাম হ'ল চাংপো। এই চাংপো বা ব্ৰহ্মপুত্ৰৰ নদীৰ ওপৰত চীনৰ নদী বান্ধে প্ৰতিপলে ভাবুকি কঢ়িয়াই আনিছে দেশ তথা ৰাজ্যলৈ। বিশেষকৈ উত্তৰ-পূবৰ বাবে প্ৰতি মুহূৰ্তত সেই নদীবান্ধ হৈছে শংকাৰ আন এক নাম। যদি চীনৰ এই নদীবান্ধ সম্পূৰ্ণ হয়, তেন্তে সমস্যাৰে জৰ্জৰিত হ'ব গোটেই উত্তৰ-পূব ভাৰত। বান্ধ নিৰ্মাণ কৰি ব্ৰহ্মপুত্ৰ নদীৰ পানী সংৰক্ষণ বা পৰিৱৰ্তনৰ চীনৰ এই পদক্ষেপে ভাৰতৰ উত্তৰ-পূব অঞ্চলৰ লগতে বাংলাদেশৰ পানী সুৰক্ষাকো জনাব বৃহৎ প্ৰত্যাহ্বান।

চীনৰ সেই জলবোমাক প্ৰতিৰোধ কৰিবলৈ ভাৰতে নিৰ্মাণ কৰিব লাগিব আন এক জলবোমা। আন্তৰ্জাতিক বিধি মতে নদীৰ ওপৰত প্ৰথম ব্যৱহাৰকাৰী (First User)ৰ অধিকাৰ বেছি। ভাৰত যদি প্ৰথম ব্যৱহাৰকাৰী হ'ব নোৱাৰে তেন্তে চাংপোৰ পৰা আমি পানী নাপাবও পাৰো। সেয়েহে চীনে ব্ৰহ্মপুত্ৰৰ উৎপত্তিস্থল তিব্বতৰ য়াৰলুং চাংপোত নিৰ্মাণ কৰা নদীবান্ধক প্ৰতিৰোধ কৰিবলৈ ভাৰতে অৰুণাচল প্ৰদেশৰ য়িংকিঙত ব্ৰহ্মপুত্ৰৰ বুকুত নদীবান্ধ নিৰ্মাণৰ সিদ্ধান্ত লৈছে। নৰ্মদা নদীৰ ইন্দিৰাসাগৰ নদীবান্ধৰ পিছতে এইটো হ'ব ভাৰতৰ দ্বিতীয় বৃহত্তম নদীবান্ধ। জলবিদ্যুৎ উৎপাদনৰ উপৰিও অৰুণাচল প্ৰদেশৰ য়িংকিঙত বান্ধ নিৰ্মাণে পানীৰ সুৰক্ষা বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে, কিয়নো বৰষুণৰ বতৰত পানী জমা কৰাৰ লগতে প্ৰয়োজনৰ সময়ত এই বান্ধৰ পৰা পানী এৰি দিব পৰা যাব। মুঠ ৫০,০০০ কোটি টকাৰ ব্যয়ৰে নিৰ্মাণ হ'ব লগা প্ৰস্তাৱিত বান্ধটোৱে প্ৰায় ১০ বিলিয়ন কিউবিক মিটাৰ পানী জমা কৰিব পাৰিব। ভাৰত চৰকাৰে ব্ৰহ্মপুত্ৰ নদীত চীনে নিৰ্মাণ কৰি থকা বৃহৎ বান্ধৰ পৰিকল্পনাক প্ৰতিৰোধ কৰিবলৈ এই বৃহৎ প্ৰকল্পটো গ্ৰহণ কৰাৰ পৰিকল্পনা কৰিছে। কেন্দ্ৰীয় চৰকাৰে অনুমান কৰিছে যে অৰুণাচলৰ ওপৰৰ অঞ্চলত বান্ধ নিৰ্মাণে বানপানীৰ প্ৰভাৱ আৰু চীনৰ বান্ধৰ পৰা মুকলি কৰা পানীৰ সামৰ্থ্য হ্ৰাস কৰিব। মন কৰিবলগীয়া যে ইতিমধ্যে অৰুণাচল প্ৰদেশৰ বিভিন্ন স্থানত সৰু-ডাঙৰ কেবাটাও বান্ধ নিৰ্মাণ হৈছে। ইয়াৰ ভিতৰত পাহাৰীয়া ৰাজ্যখনৰ চৰকাৰে স্থানীয় লোকৰ বিক্ষোভৰো সন্মুখীন হৈছে। অৰুণাচল প্ৰদেশৰ নামনি সোৱণশিৰি নদীৰ ওপৰত নিৰ্মাণ হোৱা বান্ধৰ বাবে অসম আৰু অৰুণাচল প্ৰদেশৰ জনসাধাৰণৰ মাজত বিগত সময়ছোৱাত বহুতো আন্দোলনৰ সন্মুখীন হ'বলগীয়া হৈছে অসম আৰু অৰুণাচল প্ৰদেশৰ দুয়োখন চৰকাৰ। অৰুণাচল প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী তথা শক্তিমন্ত্ৰী চাউনা মেনৰ কাৰ্য্যালয়ৰ তথ্য মতে এই বান্ধৰ বিষয়ে ৰাজ্যখনত ভূমি হস্তান্তৰ, বন বিভাগৰ অনুমতি আৰু ৰাইজৰ মাজত আলোচনা আৰু মত বিনিময়ৰ পাছতহে কাৰ্যত পৰিণত হ'ব। অৰুণাচল প্ৰদেশত বৰ্তমান দুটা জলবিদ্যুৎ প্ৰকল্পৰ কাম অসম্পূৰ্ণ হৈ আছে। কামেং চেক্টৰত বিচোম আৰু টেঙা নদীৰ ওপৰত ৬০০ মেগাৱাটৰ আৰু নামনি সোৱণশিৰি ২০০০ মেগাৱাটৰ প্ৰকল্প বৰ্তমানো অসম্পূৰ্ণ। যিটো সময়ত নামনি সোৱণশিৰিৰ বান্ধৰ ফলত অসমৰ নামনি অংশত হ'বলগীয়া ভয়াৱহতাৰ আশংকাই সমগ্ৰ ৰাজ্যবাসীক জুমুৰি দি ধৰিছে, সেই সময়ত পুনৰ এই বৃহৎ বান্ধে যে আন এক অশনি সংকেত মাতি আনিব সি প্ৰায় নিশ্চিত হৈ পৰিছে। এইবোৰ সমস্যাৰ মাজত বান্ধ নিৰ্মাণ কৰা কেন্দ্ৰীয় চৰকাৰৰ বাবেও এক বৃহৎ প্ৰত্যাহ্বান। যদি অৰুণাচল প্ৰদেশৰ য়িংকিঙত ব্ৰহ্মপুত্ৰৰ বুকুত নদীবান্ধ নিৰ্মাণ নহয় তেনেহ'লে ভাৰতে হেৰুৱাই পেলাব ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত পানীৰ অধিকাৰ।

ৰঙা চীনৰ নদীবান্ধৰ সমস্যাৰ প্ৰতিৰোধ হিচাপে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা এই সিদ্ধান্তক উত্তৰ-পূবৰ সচেতন জনতাই কিদৰে গ্ৰহণ কৰে সেয়াও লক্ষণীয় হ'ব। কিয়নো বৰ্তমানৰ নদীবান্ধে সমগ্ৰ উত্তৰ-পূববাসীক জলা-কলা খুৱাই অহাৰ সময়ত আন এক বৃহৎ নদীবান্ধ জনতাৰ মনত কিমান যুক্তিসংগত বুলিও উত্থাপিত হৈছে প্ৰশ্ন। এই নদীবান্ধক লৈ উত্তৰ-পূবৰ জনতাৰ প্ৰতিক্ৰিয়া কি হ'ব সেয়া সময়ত লক্ষণীয় হৈ পৰিব।

ফোন: ৬৯০০৭৮৮৮৭০

# এক্সকন বাৰ্ষিক মেলা আৰু কিছু উপলব্ধি







চুমিন্দ্ৰ চৌধুৰী

বাংগালুৰু চহৰত এসপ্তাহ ধৰি চলি থকা ভাৰতবৰ্ষৰ নিৰ্মাণ উদ্যোগ ক্ষেত্ৰৰ ২০২২ বৰ্ষৰ গুৰুত্বপূৰ্ণ প্ৰদৰ্শনী চমুকৈ এক্সকন (EXCON)ৰ অন্তিম দিনাখন বাংগালোৰৰ পৰা দিল্লীলৈ কৰা মোৰ বিমান যাত্ৰাৰ সময়ত আগত দিনবোৰত অসমীয়া নৱ প্ৰজন্মৰ সংস্থাপন সম্ভাৱনাৰ বিষয়ে কৰা কিছু উপলব্ধিকে আজি আপোনালোকৰ আগত অৱগত কৰাব বিচাৰিছো।

ভাৰতৰ অৰ্থনীতিৰ ওপৰত দেশৰ খনন আৰু নিৰ্মাণ দুয়োখন আগশাৰীৰ ঔদ্যোগিক ক্ষেত্ৰৰ বহুতো অৱদান আছে।

বিগত বছৰত ভাৰতীয় নিৰ্মাণ উদ্যোগত প্ৰায় তিনি কোটিতকৈ অধিক লোকে নিয়োজিত কৰে আৰু ২০০ বিলিয়ন টকাতকৈ অধিক মূল্যৰ সম্পত্তিৰ সৃষ্টি কৰিছে। এই ঔদ্যোগিক খণ্ডটোৱে দেশৰ জিডিপিত ৫ শতাংশতকৈ অধিক আৰু মুঠ মূলধন গঠনত ৭৮ শতাংশতকৈ অধিক অৰিহণা যোগাবলৈ সমৰ্থ হৈছে।

সাধাৰণতে নিৰ্মাণ উদ্যোগ হৈছে এটা বিভিন্ন খণ্ডত বিভক্ত লঘু-গধুৰ উদ্যোগ যেনে নিৰ্মাণ কাৰ্যৰ বাবে প্ৰয়োজন হোৱা যন্ত্ৰপাতি তথা সঁজুলি তৈয়াৰ আৰু মেৰামতি কৰা প্ৰতিষ্ঠান, নিৰ্মাণ কাৰ্যৰ সৈতে জড়িত জাতিক - বহুত জাতিক-বহুজাতিক ঠিকাদাৰী প্ৰতিষ্ঠান আৰু উপ-ঠিকাদাৰ ভিত্তিত কাম কৰা ক্ষুদ্ৰ আৰু মজলীয়া ঠিকাদাৰ ইত্যাদি। বৰ্তমান ভাৰতত নিৰ্মাণ কাৰ্যত ব্যৱহাৰ হোৱা যন্ত্ৰপাতি আৰু সঁজুলি নিৰ্মাণৰ প্ৰায় পাঁচশ প্ৰতিষ্ঠান আছে। নিৰ্মাণ উদ্যোগৰ এই বিশাল খণ্ডটোৱেই দেশখনৰ প্ৰায় ৪ কোটি ৯৫ লাখতকৈ অধিক লোকক কৰ্মসংস্থাপন প্ৰদান কৰিছে।

আনহাতে ভাৰতৰ খনন উদ্যোগ হৈছে দেশৰ আন এক বিশেষ অৰ্থনৈতিক খণ্ড, যিয়ে ভাৰতৰ অৰ্থনীতিতো যথেষ্ট অৰিহণা যোগাই আহিছে। দেশৰ জিডিপিত খনন উদ্যোগৰ অৱদান কেৱল ২.২%ৰ পৰা ২.৫%ৰ ভিতৰত যদিও মুঠ ঔদ্যোগিক খণ্ডৰ জিডিপিৰ দিশত চালে দেখা যায় এই ঔদ্যোগিক ক্ষেত্ৰখনে ১০%ৰ পৰা ১১% অৰিহণা যোগায়। আনকি ক্ষুদ্ৰ পৰিসৰত কৰা খননেও খনিজ উৎপাদনৰ সমগ্ৰ ব্যয়ত ৬% অৰিহণা যোগায়। তদুপৰি ভাৰতীয় খনন উদ্যোগে প্ৰায় ১০ লাখ নাগৰিকক চাকৰিৰ সুযোগ প্ৰদান কৰিছে।

বিগত কিছু বছৰ ধৰি দেশখনৰ কনফেডাৰেচন অৱ ইণ্ডিয়ান ইণ্ডাষ্ট্ৰীজ নামৰ অলাভজনক সংস্থাটোৱে খনন আৰু নিৰ্মাণৰ ব্যৱসায় জগতখনৰ লগত জড়িত চৰকাৰী-বেচৰকাৰী অনুষ্ঠান প্ৰতিষ্ঠান, ব্যৱসায়ী, ঠিকাদাৰ, লঘু-গধুৰ যন্ত্ৰপাতি তৈয়াৰ কৰা শতাধিক দেশী-বিদেশী প্ৰতিষ্ঠানসমূহৰ বাবে ভাৰতত Bauma, EXCON আৰু IIME নামৰ তিনিখন বাণিজ্য মেলাৰ আয়োজন কৰা হয়। খনন আৰু নিৰ্মাণ খণ্ডৰ লগত জড়িত ব্যৱসায়িক অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ঠিকাদাৰ সকলৰ বাবে এই তিনিখন খুবেই গুৰুত্বপূৰ্ণ আৰু আকৰ্ষণীয় প্ৰদৰ্শনী।

ভাৰতবৰ্ষৰ কনফেডাৰেচন অৱ ইণ্ডিয়ান ইণ্ডাষ্ট্ৰীজ (CII) নামৰ অলাভজনক সংস্থাটোৱে প্ৰত্যেক দুই বছৰৰ মূৰত বিকল্পিতভাৱে বাংগালুৰু চহৰত ঘৰুৱা প্ৰতিষ্ঠানসমূহৰ বাবে এক্সকন (EXCON) আৰু নতুন দিল্লীত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ব'মা (BAUMA) নামৰ প্ৰদৰ্শনী দুখন আয়োজন কৰাৰ লগতে কলিকতা চহৰত খনন উদ্যোগৰ লগত জড়িত প্ৰতিষ্ঠানসমূহৰ বাবে আন্তঃৰাষ্ট্ৰীয় খনন যন্ত্ৰপাতি প্ৰদৰ্শনী (চমুকৈ IMME) আয়োজন কৰে।

এইখিনিতেই এই তিনিওখন প্ৰদৰ্শনীৰ আহবায়ক তথা আয়োজক কনফেডাৰেচন অৱ ইণ্ডিয়ান ইণ্ডাষ্ট্ৰীজ (CII) আৰু ইণ্ডিয়ান কনষ্ট্ৰাকছন ইকুপমেন্ মেনুফেক্চাৰাৰ এছ'চিয়েশ্যন (iCEMA)ৰ বিষয়ে দুআষাৰ ক'বলৈ বিচাৰিম।

১৮৯৫ চনত ৫টা অভিযান্ত্ৰিক প্ৰতিষ্ঠান- মাৰ্টিন এণ্ড কোম্পানী, বাৰ্ন এণ্ড কোম্পানী, জন কিং এণ্ড কোম্পানী, জেচপ এণ্ড কোম্পানী, আৰু টাৰ্নাৰ মৰিছন এণ্ড কোম্পানী একত্ৰিত হৈ পোন প্ৰথমবাৰৰ বাবে ইঞ্জিনিয়াৰিং এণ্ড আইৰন ট্ৰেডছ এছ'চিয়েশ্যন (ইআইটিএ) গঠন কৰাৰ সিদ্ধান্ত লোৱাৰ পাছতেই কনফেডাৰেচন অৱ ইণ্ডিয়ান ইণ্ডাষ্ট্ৰীজ চমুকৈ CII ৰ যাত্ৰা আৰম্ভ হৈছিল। ভাৰতীয় উৎপাদকসকলৰ বিকাশ সাধনৰ প্ৰতি লক্ষ্য ৰাখি ১৯১২ চনত ই আই টি এৰ নাম সলনি কৰি ইণ্ডিয়ান ইঞ্জিনিয়াৰিং এছ'চিয়েশ্যন (IEA) নামেৰে নামকৰণ কৰা হৈছিল। পুনৰ ১৯৪২ চনত ক্ষুদ্ৰ আৰু মজলীয়া ইঞ্জিনিয়াৰিং প্ৰতিষ্ঠানৰ গুৰুত্ব প্ৰসাৰণ কৰাৰ বাবে ইঞ্জিনিয়াৰিং এছ'চিয়েশ্যন অৱ ইণ্ডিয়া (EAI) প্ৰতিষ্ঠা কৰা হয়। ১৯৭৪ চনত EAI আৰু IEA দুয়োটা সংগঠন একত্ৰিত হৈ এছ'চিয়েশ্যন অৱ ইণ্ডিয়ান ইঞ্জিনিয়াৰিং ইণ্ডাষ্ট্ৰী (AIEI) গঠন কৰা হয়। ১৯৮৬ চনত AIEI নামৰ সংস্থাটোৰ পুনৰ কনফেডাৰেচন অৱ ইঞ্জিনিয়াৰিং ইণ্ডাষ্ট্ৰী (CEI) কৰা হয়। ১৯৯১ চনত CEIৰ কাৰ্য নিৰ্বাহক কমিটিৰ সিদ্ধান্তমৰ্মে সংগঠনটোৰ নাম কনফেডাৰেচন অৱ ইণ্ডিয়ান ইণ্ডাষ্ট্ৰীজ (CII)লৈ সলনি কৰিছিল।

আনহাতে ICEMA অৰ্থাৎ ইণ্ডিয়ান কনষ্ট্ৰাকছন ইকুইপমেণ্ট মেনুফেকচাৰাৰ্ছ এছ'চিয়েশ্যন হৈছে ভাৰতৰ নিৰ্মাণ সঁজুলি নিৰ্মাতাসকলৰ বাবে এটা শীৰ্ষ সংস্থা। এই সংগঠনটোৱে ভাৰতৰ ৯০টাতকৈও অধিক আগশাৰীৰ প্ৰতিষ্ঠানক প্ৰতিনিধিত্ব কৰে। এই প্ৰতিষ্ঠানসমূহে দেশৰ আন্তঃগাঁথনি বিশ্বমানৰ শক্তিশালী আৰু বিকাশৰ বাবে ব্যৱহৃত বিস্তৃত পৰিসৰৰ নিৰ্মাণ, মাটিচালিত, খনন আৰু সামগ্ৰী উঠা নমা কৰোৱা যন্ত্ৰপাতি আৰু সঁজুলি নিৰ্মাণ, ব্যৱসায় আৰু বিত্তীয় সাহায্য প্ৰদান কৰে। ১৯৪৯ চনত১০টা ভাৰতীয় সদস্য প্ৰতিষ্ঠান একত্ৰিত হৈ ট্ৰেক্টৰ এণ্ড এলাইড ইকুইপমেণ্ট মেনুফেকচাৰাৰ্ছ এণ্ড ইম্প'ৰ্টাৰ্ছ এছ'চিয়েশ্যন লিমিটেড(TAEMIAL) নামৰ এটা সংস্থা গঠন কৰিছিল। ১৯৮৬ চনত এই সংস্থাটোক ইণ্ডিয়ান আৰ্থমুভিং এণ্ড কনষ্ট্ৰাকচন ইণ্ডাষ্ট্ৰী এছ'চিয়েশ্যন লিমিটেড (IECIAL) নামেৰে পুনৰ নামকৰণ কৰা হয় আৰু ইয়াৰ উদ্দেশ্য আছিল এই সংস্থাটোক ভাৰতীয় আৰ্থমুভিং আৰু নিৰ্মাণ সঁজুলি উদ্যোগৰ বাবে ৰাষ্ট্ৰীয় ৰেফাৰেন্স পইণ্ট হিচাপে গঢ়ি তোলা। ২০১২ চনত এই সংস্থাটোক ভাৰতীয় নিৰ্মাণ সঁজুলি উদ্যোগৰ প্ৰকৃত প্ৰতিনিধি সংস্থা হিচাপে গঢ়ি তোলা হয় আৰু সেৱাৰ পৰিসৰ বৃদ্ধি কৰাৰ উদ্দেশ্যে এই সংস্থাটোৰ নাম সলনি কৰি আইচিমা, অৰ্থাৎ ভাৰতীয় নিৰ্মাণ সঁজুলি নিৰ্মাতা সংস্থা অৰ্থাৎ (ICEMA) নামেৰে নামকৰণ কৰা হয়।

কৰ'না মহামাৰীৰ আতংকৰ বাবে বিগত দুই বছৰ স্থগিত ৰখা EXCON-2022 প্ৰদৰ্শনীখন যোৱাৰ ১৬ মে' তাৰিখৰ পৰা ২১ মে' তাৰিখলৈ বাংগালুৰু চহৰত ধুমধামেৰে আয়োজন কৰা হৈছিল।

সৌভাগ্যবশতঃ ময়ো কৰ্মৰত কোবেল্কো কনষ্ট্ৰাক্‌চন ইণ্ডিয়া প্ৰতিষ্ঠানটোৰ তৰফৰ পৰা যোৱা পাঁচদিন ধৰি এই প্ৰদৰ্শনীত উপস্থিত থকাৰ সুযোগ লাভ কৰিছিলো। বিগত বছৰবোৰৰ দৰে এই বাৰো কোবেল্কো কনষ্ট্ৰাক্‌চন প্ৰতিষ্ঠানটোৰ লগতে ভাৰতৰ প্ৰায় পাঁচশ বিভিন্ন যন্ত্ৰ আৰু সঁজুলি তৈয়াৰ কৰা প্ৰতিষ্ঠানেও অতি হেঁপাহেৰে এই প্ৰদৰ্শনীত অংশগ্ৰহণ কৰিছিল। কৰ'নাৰ বিভীষিকাক অংগুষ্ঠ দেখুৱাই দেশৰ বিভিন্ন অঞ্চলৰ পৰা ধল নামি গ্ৰাহকৰ সংখ্যা আৰু উৎসাহে প্ৰদৰ্শনীখনৰ আয়োজক তথা প্ৰদৰ্শকক বহুত উৎসাহিত কৰি তুলিছিল। প্ৰদৰ্শনী ভৰি পৰা গ্ৰাহকৰ সংখ্যা পৰা আৰু এটা বুজা গৈছিল যে বৰ্তমানৰ ভাৰত চৰকাৰ নিৰ্মাণ আৰু খনন দুয়োটা ঔদ্যোগিক খণ্ডৰ বিকাশৰ বাবে সম্পূৰ্ণ সংকল্পবদ্ধ। এই দুয়োটা খণ্ডত এতিয়াও বিকাশ সাধনৰ বহুল পৰিসৰো আছে। এই দুটা ঔদ্যোগিক খণ্ডৰ বিকাশে দেশৰ শক্তিখণ্ড আৰু অৰ্থনীতিক সবলীকৰণ কৰাৰ উপৰি নিবনুৱাসকলৰ বাবে যথেষ্ট কৰ্মসংস্থাপনৰ পথ মুকলি কৰিব বুলিও সকলো আশাবাদী।

এই প্ৰদৰ্শনীত অংশগ্ৰহণ কৰা কোবেল্কো (Kobelco), জেচিবি (JCB) টাটা হিটাচী (TATA Hitachi), এল এন টি ক'মাটশ্মু (L&T Komatsu), টেৰেক্স (Terex) ভলভো (Volvo), হিউণ্ডাই (Hyundai), ভাৰত আৰ্থ মোভাৰ্চ (BEML), কেটাৰপিলাৰ (Caterpillar) আদিৰ দৰে প্ৰসিদ্ধ গধুৰ যন্ত্ৰপাতি তৈয়াৰ কৰা প্ৰতিষ্ঠানসমূহৰ লগতে আন কেতবোৰ লঘু-গুৰু প্ৰতিষ্ঠানৰ বিপণীসমূহ ঘূৰি ফুৰি অসম আৰু অসমীয়াৰ এই ঔদ্যোগিক ক্ষেত্ৰ দুখনৰ সৈতে থকা সম্পৰ্ক আৰু সম্ভাৱনাৰ বিষয়ে লিখিবলৈ ইচ্ছা জাগিছিল। মোৰ এই উপলব্ধিখিনিয়ে অসমীয়া যুৱ প্ৰজন্মক উপকৃত কৰিব বুলি আশা কৰিলো।

১। সত্তৰৰ পৰা নব্বৈৰ দশকলৈ বিগত বিশ বছৰ যেতিয়া ভাৰতৰ বিভিন্ন অঞ্চলত খনন আৰু নিৰ্মাণ উদ্যোগৰ বিকাশ ঘটিছিল তেতিয়া আমাৰ অসমীয়া ডেকা-গাভৰু ব্যস্ত হৈ আছিল আন্দোলন আৰু বিপ্লৱৰ জৰিয়তে এখন ঐক্য, শান্তি আৰু প্ৰগতিশীল অসম গঠন কৰাৰ প্ৰয়াসত। যাৰ পৰিণতিত অসমে বহু তেজাল যুৱক-যুৱতীক হেৰুৱালে, শতাধিক ভেজাল ৰাজনৈতিক নেতা পালে আৰু পাবত গজা অপৈণত ছাত্ৰনেতা (পঢ়া-শুনাত মন নথকা) আৱিষ্কাৰ কৰিলে। যিসকলে আজি নিজকে কিং মেকাৰ বুলি দম্ভ মাৰি ফুৰে।

দুখৰ কথাটো হ'ল-- ভাৰতৰ ঔদ্যোগিক জগতখনত সূৰ্যোদয় ঘটা সেই সময়খিনিত আমাৰ শাসক-বিৰোধীসকলে অসমক ঔদ্যোগীকৰণ কৰাৰ প্ৰতি কোনো ভূমিকাই নল'লে। চৰকাৰী চাকৰিকেইটা, বৃটিছে প্ৰতিষ্ঠা কৰি থৈ যোৱা চাহ আৰু তেলৰ উদ্যোগ দুটাকে আজিও অসমীয়াই একমাত্ৰ নিবনুৱা সংস্থাপনৰ পৰিসৰ বুলি ভাবে। নিৰ্মাণ আৰু খনন উদ্যোগৰ বিষয়ে জ্ঞানো আমাৰ সকলোৰে একেবাৰেই সীমিত। অথচ সেই সমসাময়িক সময়তে পশ্চিমবংগৰ তদানীন্তন মুখ্যমন্ত্ৰী বংগৰত্ন বিধান চন্দ্ৰ ৰয়ে দুৰ্গাপুৰ চহৰখনক খনন উদ্যোগৰ আওতালৈ তেতিয়াই স্মাৰ্ট চিটী বনাই খনন উদ্যোগপতি, ব্যৱসায়ী আৰু ঠিকাদাৰসকলক সেই চহৰত আৰ্থিক বিনিয়োগ কৰিবলৈ উদ্বুদ্ধ কৰিছিল। যাৰ পৰিণতিত পশ্চিমবংগ সমগ্ৰ বিশ্বৰ বাবে পৰৱৰ্তী কালত ক'লা হীৰাৰ ভূমি বুলি পৰিচিত হৈ পৰিছিল। অথচ ১৮৩৭ খ্ৰীষ্টাব্দতে বৃটিছে পতা এছিয়া মহাদেশৰ প্ৰথমখন চাহ বাগিচা পতা ঠাই চাবুৱা আৰু ১৮৮৯ খ্ৰীষ্টাব্দতে খন্দা এছিয়া মহাদেশৰ প্ৰথমটো খাৰুৱা তেলৰ খাদ থকা ডিগবৈৰ আজি নাজল-নাথল অৱস্থা। আমাৰ অসমৰ বুদ্ধিজীৱীসকলে অসমীয়াৰ ঔদ্যোগিক, অৰ্থনৈতিক, বৌদ্ধিক বিকাশৰ বাবে চিন্তা কৰাতকৈ ভাষা, কলা-সংস্কৃতি আৰু ৰাজনৈতিক বিষয়বোৰতহে বেছি গুৰুত্ব দি ভাল পায়। অসমে মাত্ৰ সাউদ ভোলানাথ বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, হেমেন্দ্ৰ প্ৰসাদ বৰুৱা আদিৰ দৰে আঙুলিৰ মূৰত গণিব পৰা কেইজনমান ব্যৱসায়ী আৰু উদ্যোগপতি পাইছিল। পূৰ্বৰে পৰা কৰ্মবিমুখ অসমীয়াই সহজলভ্য ৰাজনীতিত সময় আৰু শক্তি বিনিয়োগ কৰি ভাল পাই আহিছে। কাৰণ অসমত আৱেগৰ ঢৌ তুলি অনায়াসে ৰজা হ'ব পাৰি। তাৰ বাবে শিক্ষা, শিষ্টাচাৰ, মূল্যবোধৰ জ্ঞান বা অৰ্হতা নালাগে। মাত্ৰ জানিব লাগে ফুচুলনি দিয়াৰ মন্ত্ৰ। ফুচুলনিৰ বলত কতজন ৰাতিটোৰ ভিতৰতে নেতা হৈ পৰিল হিচাপ নাই।

২। অসমীয়া ব্যৱসায়ী আৰু উদ্যোগপতি সকলে নিৰ্মাণ আৰু খনন উদ্যোগ দুয়োটা খণ্ডতে বিনিয়োগ কৰিবলৈ একেবাৰে আগ্ৰহী নহয়।

সাম্প্ৰতিক সময়তো অসমৰ প্ৰায়সংখ্যক লঘু-গধুৰ যন্ত্ৰপাতিৰ বিক্ৰী আৰু সেৱা প্ৰদান কৰা ডীলাৰবোৰ অনা-অসমীয়া দিল্লী, মুম্বাই, কলিকতাৰ ব্যৱসায়ী আৰু উদ্যোগপতিৰ হাততেই আছে। কিয়নো আমাৰ ব্যৱসায়ী আৰু উদ্যোগপতি সকলৰো এই দুখন উদ্যোগ ক্ষেত্ৰৰ বিষয়ে জ্ঞান অতি সীমিত। ইয়াৰ পৰিণতিতে এই দুখন উদ্যোগ ক্ষেত্ৰত উত্তৰ ভাৰত আৰু দক্ষিণ ভাৰতৰ ব্যৱসায়ী আৰু ঠিকাদাৰসকলে ৰাজনৈতিক প্ৰভাৱ খটুৱাই নিবিদা আৰু সুবিধা লাভ কৰি গজগজীয়া হৈ পৰিব ধৰিছে। তদুপৰি অসমৰ বাহিৰৰ পৰা অহা এই ঠিকাদাৰসকলে নিৰ্মাণ আৰু খননৰ কামৰ বাবে নিজৰ ৰাজ্যৰ পৰাই যন্ত্ৰপাতি চালক, ফ'ৰমেন, চুপাৰভাইজৰ, অভিযন্তা সকলো শ্ৰেণীৰ মানৱ সম্পদ সৰবৰাহ কৰিবলৈ ভাল পায়। মাজে-সময়ে দুই-এজন ছাত্ৰ সংগঠনৰ নেতাই ইয়াৰ বিৰুদ্ধে অৰণ্যৰোদন কৰে যদিও একো লাভ নহয়। কিয়নো তেওঁলোকেও জানে অসমৰ ল'ৰা-ছোৱালীবোৰে পৰিশ্ৰম কৰিব নোৱাৰে, তেওঁলোকৰ খনন আৰু নিৰ্মাণ কাৰ্যৰো বিশেষ অভিজ্ঞতা নাই গতিকে কিছু সময় চিঞৰ-বাখৰ কৰি পকেটত ভৰাই লৈ যোৱা ৰঙীন ৰচিদত এটা মোটা অংক লিখি ঠিকাদাৰ সকলৰ স'তে মোকাবিলা কৰি উভতি যায়। বিগত বিশ বছৰ ধৰি এই উদ্যোগ ক্ষেত্ৰখনৰ লগত মই জড়িত। বহুত বাৰ সন্মুখীন হৈছো তেনেধৰণৰ লজ্জাজনক পৰিস্থিতিবোৰৰ স'তে। তেতিয়া বহুত লাজ পাওঁ আৰু অসমীয়া বুলি স্বাভিমান কৰাৰ আস্থা হেৰুৱাই পেলাওঁ। এখন ৰঙীন ৰচিদত বিক্ৰী যোৱা এজন অসমীয়া ছাত্ৰনেতাই সহস্ৰ অসমীয়াৰ মুখত চূণ খানি থৈ গুচি যায়। এই শ্ৰেণীৰ নপতা ফুকনৰ চান্দা সংস্কৃতিৰ উৎপাতত থলুৱা ঠিকাদাৰ আৰু ব্যৱসায়ীও বীতশ্ৰদ্ধ হৈ পৰা পৰিলক্ষিত হয়। অধ্যয়নৰত ছাত্ৰ যিদিনাই নেতা হোৱা বন্ধ হ'ব অসম আৰু অসমীয়া দুয়োটাই বাচি যাব।

৩। সকলোতকৈ দুখৰ কথাটো হ'ল-- প্ৰদৰ্শনীখনৰ বিভিন্ন বিপণী সমূহ যেতিয়াই ঘূৰি ফুৰিছিলো তেতিয়াই এখনো বিপণীত এজন অসমীয়া যন্ত্ৰপাতিৰ চালক তথা মেকানিক নেদেখিলো। প্ৰায়সমূহ প্ৰতিষ্ঠানৰ উচ্চ-নিম্ন সকলো পৰ্যায়ৰ কাৰিকৰী বিষয়াই অনা-অসমীয়া। গুৱাহাটীত থকা প্ৰায়বোৰ যন্ত্ৰপাতি তৈয়াৰ কৰা প্ৰতিষ্ঠানত সৰহসংখ্যক কৰ্মচাৰী আৰু উচ্চ খাপৰ বিষয়াই অনা-অসমীয়া। সাধাৰণতে খনন আৰু নিৰ্মাণ দুয়োটা খণ্ডতে অটোমোবাইল আৰু মেকানিকেল ইঞ্জিনিয়াৰিং বিভাগৰ আই টি আই, ডিপ্লমা আৰু স্নাতক ডিগ্ৰীধাৰী যুৱক-যুৱতীৰ কৰ্মসংস্থাপনৰ এখন বিশাল পৰিসৰ আছে। সময়ে সময়ে খনন আৰু নিৰ্মাণ কাৰ্যত ব্যৱহাৰ হোৱা যন্ত্ৰপাতি তৈয়াৰ কৰা প্ৰতিষ্ঠানবোৰে কাৰিকৰী শিক্ষাৰ অৰ্হতা থকা ছাত্ৰ-ছাত্ৰীসকলক ইন্টাৰ্নশ্বিপ প্ৰগ্ৰামৰ জৰিয়তে কামত নিয়োগ কৰে। হাইস্কুললৈ পঢ়া কিন্তু নিৰ্মাণ আৰম্ভ খনন কাৰ্যত ব্যৱহৃত যন্ত্ৰপাতি চলোৱা অভিজ্ঞ চালকসকলেও মোটা অংকৰ ধন উপাৰ্জন কৰে। কিন্তু দুখৰ কথাটো হ'ল-- এই পেছাতো অসমীয়া লোক খুব কমেই আছে। অথচ অনা-অসমীয়া ল'ৰাবোৰে নিজৰ ঘৰ-সংসাৰ এৰি মাত্ৰ কেইটামান ধনৰ বিনিময়ত দূৰণিত ঘৰ-সংসাৰ এৰি এদিন মেচিনৰ চালক হোৱাৰ আশাৰে কোনোবা অচিনা ঠাইত মেচিন চালকৰ সহকাৰী হিচাপে কঠোৰ পৰিশ্ৰম কৰে। সেই পৰিশ্ৰমৰ বলত এদিন মেচিনৰ পাকৈত চালক হৈ মোটা অংকৰ ধন আৰ্জন কৰিবলৈ সমৰ্থ হয়। কিন্তু পি পু সি শুৰ কাহানিৰ গৌৰৱত গৌৰৱান্বিত এলেহুৱা ল'ৰাই তেনে কষ্ট পৰিশ্ৰম কৰিব বুলি সপোনতো ভাবিব নোৱাৰি। আনহাতে ডিপ্লমা আৰু স্নাতক ডিগ্ৰীধাৰী অসমীয়া যুৱক-যুৱতীসকলে একমাত্ৰ অসম চৰকাৰ, খাৰুৱা তৈল, গেছ আৰু চাহ উদ্যোগৰ চাকৰিকেইটালৈ আশা পালি বহি নাথাকি নিৰ্মাণ আৰু খনন উদ্যোগৰ ক্ষেত্ৰ দুখনত থকা বিভিন্ন কৰ্মসংস্থাপনৰ সন্ধান কৰা উচিত। এই দুয়োখন ঔদ্যোগিক ক্ষেত্ৰৰ জৰিয়তেই আমাৰ ভৱিষ্যতৰ যুৱ প্ৰজন্ম আৰ্থিকভাৱে স্বাৱলম্বী হৈ পৰা সম্পূৰ্ণ সম্ভাৱনা আছে। বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে হাতত লোৱা প্ৰধানমন্ত্ৰীৰ কৌশল বিকাশ যোজনাৰ জৰিয়তে মেচিনৰ চালক আৰু মেকানিকসকলে বহুতো সুবিধা লাভ কৰিবলৈ সমৰ্থ হৈছে। অথচ আমাৰ যুৱক-যুৱতীসকলে ইয়াৰ কোনো সম্ভেদেই নাপায়। অসম চৰকাৰে এই ক্ষেত্ৰত যথোচিত ব্যৱস্থা গ্ৰহণ কৰি ৰাজ্যখনৰ নৱ প্ৰজন্মক খনন আৰু নিৰ্মাণ উদ্যোগৰ বিশাল ক্ষেত্ৰ দুখনত কৰ্ম সংস্থাপন পোৱাৰ সুবিধা কৰি দিব বুলি আশা কৰিলোঁ। ধন্যবাদ।

সাহিত্য অভিযন্তা
নয়ডা, উত্তৰ প্ৰদেশ

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

## দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যানত বন ধ্বংস

যোৱা কেইবাদিনো ধৰি অসমৰ সকলো বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত ডাঙৰ ডাঙৰকৈ প্ৰকাশ হৈ থকা 'দিহিং পাটকাই ৰাষ্টীয় উদ্যানৰ ভিতৰত বন ধ্বংস'ৰ বাতৰি আমাৰ দৃষ্টিগোচৰ হৈছে। বিষয়টো অতি গুৰুত্বপূৰ্ণ বুলি আমাৰ চিন্তাই বিচাৰ কৰিছে।ইয়াৰ বাবে প্ৰকৃতি প্ৰেমী সংগঠন সমূহ, অসমৰ সকলো দল-সংগঠন, জিলা উপায়ুক্ত, আৰক্ষী, স্থানীয় বিধায়ক আৰু স্থানীয় লোক সকলৰ সহযোগত অসম চৰকাৰে অতি সোনকালে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। বাতৰিত উল্লেখ কৰা অনুসৰি যদিহে স্মাৰক পত্ৰ দিয়াৰ পিচতো জিলা উপায়ুক্তই বিষয়টো গুৰুত্বসহকাৰে লোৱা নাই।তেন্তে এজন উপায়ুক্তৰ বাবে ইয়াতকৈ দুখৰ কথা একো হ'ব নোৱাৰে। এই বন ধংসৰ লগত জড়িত সকলোকে গ্ৰেপ্তাৰ কৰি জেললৈ প্ৰেৰণ কৰিব লাগে। আমাৰ ভাৱ হৈছে যে এই কাৰ্যৰ লগত নিশ্চিতভাৱে বন বিভাগৰ লোক জড়িত হৈ আছে। সেয়েহে ধ্বংসকাৰী সকলে মুক্তমনেৰে উদ্যানখনৰ ভিতৰত প্ৰৱেশ কৰি বিনা দিদ্ধাই মূল্যৱান গছ সমূহ কাটি তহিলং কৰিছে। সেই সকলকো চিনাক্ত কৰি উচিত শাস্তি প্ৰদান কৰিবলৈ অসম চৰকাৰলৈ আমাৰ অনুৰোধ।এই ক্ষেত্ৰত সৱল আৰু শক্তিশালী ভূমিকা ল'বলৈ স্থানীয় যুৱ বিধায়ক তৰংগ গগৈ দেৱক অনুৰোধ জনালোঁ। আপোনাৰ ঘৰৰ কাষৰেই ৰাষ্টীয় উদ্যানখনৰ এই অৱস্থা দেখি অকণো বেয়া লগা নাইনে? বিশেষকৈ আমাক নিজকে বিশ্বৰ সন্মুখত লজ্জাবোধ নালাগেনে!যিহেতু আপোনাৰ হাতত চৰকাৰখন আছে। সেয়েহে আমি আশা কৰিম যে অতি সোনকালে ৰাষ্টীয় উদ্যানখনৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে চৰকাৰৰ সৈতে আলোচনা কৰি ব্যৱস্থা গ্ৰহণ কৰক। আমি সকলোৱে মনত ৰখা ভাল যে প্ৰকৃতি আছে বাবেহে আমি জীয়াই আছো আৰু গছ থকালৈকেহে আমাৰ জীৱন। যেতিয়ালৈকে এই দস্যুবোৰক ধৰি কঠোৰতকৈও কঠোৰ শাস্তি প্ৰদান কৰা নহ'ব। তেতিয়ালৈকে এনেদৰেই চৰকাৰৰ চকুত ধূলি দি প্ৰকৃতি ধ্বংস চলি থাকিব।

■ সত্যজিত গগৈ

ফোন : ৭৩৯৯৬৬২৮৬৭

## অসমত উচ্চশিক্ষিত মিঞা হ'ব আত্মঘাতী বোমাৰু

বটদ্ৰৱা কাণ্ডৰ পিছত অসমৰ এখন টেলিভিছনৰ টক্ শ্ব'ত বৰপেটাৰ সাংসদ আব্দুল খালেক, বিজেপিৰ মুখপাত্ৰ ৰূপম গোস্বামী তথা APWৰ সভাপতি অভিজিৎ শৰ্মা আৰু দুই এজনে অংশগ্ৰহণ কৰে। উক্ত টক্ স্বোত অভিজিৎ শৰ্মা এক ভয়ংকৰ তথ্য দাঙি ধৰে। তেখেতৰ মতে হিন্দু অসমীয়াসকল আলফাত যোগদান কৰাৰ বিপৰীতে অসমৰ উচ্চ শিক্ষিত যুৱ মিয়া মুছলমান প্ৰায় ৩০০০ সন্ধানহীন। তেওঁলোক ক'ত গৈছে কি কৰিছে তাৰ কোনো তথ্য নাই। শৰ্মাই এইখিনিও বুজাৰ খোজিল তেওলোক কোনোবা মুছলমান জেহাদী সংগঠনত যোগদান কৰি আত্মঘাতী বোমাৰু হৈয়ো এদিন ওভতি আহিব পাৰে। শৰ্মাই এই তথ্য ক'ত পালে সেয়া নক'লে। ইয়াৰ গ্ৰহণযোগ্যতা কিমান সেয়া কব নোৱাৰিম। কিন্তু কথাটো যদি তিলমাত্ৰাও সত্য হয় তেন্তে চিন্তন।

শেহতীয়া বাবে কিছু হলেও শৈক্ষিক ক্ষেত্ৰত অসমৰ মিয়া মুছলমান সকল সজাগ হৈছে। শিক্ষাৰ প্ৰতি আগ্ৰহ বাঢ়িছে। অসমৰ মিয়াৰ সন্তানো আজিকালি গৱেষনামূলক অধ্যয়ন কৰাৰ বাবে ভাৰতৰ বাহিৰৰ আগশাৰীৰ দেশবোৰৰ বিশ্ববিদ্যালয়ত যোগ্যতাৰ ভিত্তিত স্থান লাভ কৰিছে। সেই দেশবোৰ কেৱল মুছলমান সংখ্যাগৰিষ্ঠ দেশ নহয় বেছিভাগ অন্য ধৰ্মালম্বী প্ৰধান ৰাষ্ট্ৰ। যি সময়ত সমাজত মিয়াৰ দ্বাৰা সংঘটিত হোৱা অপকৰ্মবোৰ সিহতৰ মাজত শৈক্ষিক জ্ঞানৰ অভাৱত ঘটে বুলি অভিযোগ কৰা হয়। সেই মিয়াই যেতিয়াই শিক্ষা অৰ্জন কৰাৰ বাবে ধাউতি হল তেতিয়া বিভিন্ন প্ৰকাৰে সিহতৰ শিক্ষা অৰ্জন কৰাৰ পৰা বিৰত ৰখাৰ কৌশলবোৰ উদ্ভাৱন কৰাৰ চেষ্টা আৰম্ভ হৈ গ'ল।

মিয়াৰ লৰা উচ্চ শিক্ষিত হলে আত্মঘাতী বোমাৰু হৈ পৰিব। ভাৱিলে আচৰিত লাগে কিদৰে এচাম তথাকথিত বুদ্ধীজীৱীয়ে প্ৰতিপল মিয়াক অন্য ধৰ্মালম্বী মানুহৰ ওচৰত ঘৃনাৰ পাত্ৰ বনোৱাৰ চেষ্টাত থাকে। যত যিয়ে যেনেকৈ সুযোগ পাইছে তাতে নিগেটিভ চৰিত্ৰত উপস্থাপন কৰাৰ তিলমাত্ৰাও ত্ৰুটি কৰা নাই। কোনো গল্পকাৰে তাৰ গল্পৰ ধৰ্ষনকাৰী বা চোৰ ডকাইতৰ চৰিত্ৰটো ৰহমান, আলী বা সিকদাৰক দিছে, কোনো চিনেমা নিৰ্মাতাই চিনেমাৰ বেয়া চৰিত্ৰৰ ৰোলটো কোনোবা লম্বা দাড়িৱালাক হুছেইন নাম দি দিছে। মুঠতে মিয়াই নিজে যিমান অপকৰ্ম কৰি জনমানসত ঘৃনিত হৈছে তাতকৈ কোনো গুনে কম সিহতে ঘৃনিত কৰা নাই অন্যৰ ওচৰত সিহতৰ সৃষ্টিশীতাৰ মাজৰে।

আজিৰ উচ্চশিক্ষিত মিয়াই বহু সময়ত কিছুমান মিয়াৰ কা' কাৰখানা দেখি লজ্জিত হয়, তাৰ পিছতো যেতিয়া মিয়া বুলি প্ৰতিপল ইতিকিং সন্মূখীন হব লগা হয় তেনে ক্ষেত্ৰত দুই এজন মিয়াই অভিজিৎ শৰ্মাই কোৱাৰ দৰে ভুল পথত ভৰি দিয়াটো ডাঙৰ কথা নহয়। চৰকাৰে এইক্ষেত্ৰত তীক্ষ্ন দৃষ্টি দিয়া প্ৰয়োজন।

যিসকল মিয়াই ধৰ্মীয় গোড়ামীত নিমজ্জিত হৈ তেনে বিপথত যদি ভৰি দিছে তেওঁলোকে কওঁ- কেৱল অসম নহয় সমগ্ৰ বিস্বৰ মুছলমানে পাহৰি যোৱা উচিত নহয় যে 'বেহেস্ত' কোনো মুছলমান ৰাজনৈতিক নেতা বা জেহাদী সংগঠনৰ পৈতৃক সম্পত্তি নহয়। কানোবাই মুছলমানক লৈ আবেগিক ভাষন দিলেই তাক ভাল মুছলমান বা মুছলমানৰ শুভ চিন্তক বুলি কৰ নোৱাৰি তাৰ আৰত লুকাই থাকিব পাৰে নিজৰ স্বাৰ্থ। ইছলাম শব্দৰ অৰ্থ হৈছে 'শান্তি'। তাৰমানে ভাল মুছলমান হৱ হলে শান্তিপ্ৰিয় হবই লাগিব। কিন্তু আজি আমি কি দেখা পাও? সেয়া সকলোৱে জানো। গতিকে যিসকলৰ কথাত উগ্ৰতা বা সামাজিক পৰিবেশ বিনষ্ট হয় তেনে মুছলমানৰ কথা মুছলিম সমাজে গুৰুত্ব দিব নালাগে বা তাক সামাজিক ভাৱে বৰ্জন কৰিব লাগে। আৰু যিসকলে দুই এজন অশান্তপ্ৰিয় মুছলমান লোকৰ অশোভনীয় মন্তব্য শুনি সমগ্ৰ মুছলমানক বেয়া দৃষ্টিৰে দেখে তেওলোকক কৈছোঁ প্ৰবীণ টাগোড়িয়া, যোগী বা শেহতীয়া ভাৱে অসমৰ শিলাদৈত্য-সত্যৰঞ্জনৰ মন্তব্য যেনেকৈ সমগ্ৰ হিন্দুৰ মন্তব্য নহয় তেনেদৰে দুই এজন ৰাজনৈতিক নেতাৰ মন্তব্য সমগ্ৰ মুছলমানৰ মন্তব্য নহয়। তদুপৰি মিয়াই এজন মুছলমান হিছাপে পবিত্ৰ কোৰান শ্বৰীফত উল্লেখ থকা 'স্বদেশ প্ৰেম ঈমানৰ এক অংগ' কথাষাৰ মানি চলা উচিত।

আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হৈছে আজিৰ মিয়াই নিজৰ সমাজৰ প্ৰতি আৰু অধিক দায়ৱদ্ধ হব লাগিব। ৰাজনৈতিক নেতা বা চৰকাৰৰ ওপৰত সদায় আশা কৰি থাকিলে নহ'ব। যুগৰ সতে ফেৰ মাৰি চলিব হ'লে শিক্ষিত হ'বই লাগিব।

■ আনিছুৰ ৰহমান

ফোন : ৭০০২৯৯৯৭৩৮

# এবাৰ বহৰিলৈ আহক - আপোনাৰ আতিথ্যৰ বাবে ৰৈ আছে বহৰিবাসী



জেঠ মাহৰ অমাৱস্যা তিথিত (১৫ জেঠ) ৩০ মে' বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ অন্যতম গুৰিধৰোতা তথা বয়োজ্যেষ্ঠ মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ ৪৫৭ তম তিৰোভাৱ তিথি মহোৎসৱ গুৰুজনাৰ প্ৰথম তথা প্ৰধান সত্ৰ বহৰি সত্ৰত পাঁচ দিনীয়া (২৬ মে'ৰ পৰা ৩০ মে') বিস্তৃত কাৰ্যসূচীৰে পালন কৰা হ'ব। তিথি মহোৎসৱৰ আগদিনা অৰ্থাৎ ২৯ মে'ত পালন কৰা হ'ব গোন্ধোৎসৱ। সিদিনা আবেলিৰে পৰা হাতে হাতে খৰাহিত তেল, ঘি, শলিতা, চাকি লৈ ভক্তসকলৰ সত্ৰ চৌহদলৈ বোৱা লানি নিছিগা শাৰীয়েও সৃষ্টি কৰে এক অপূৰ্ব দৃশ্য। ঠিক সূৰ্যাস্তৰ লগে লগে হৰিনাম ধ্বনিত সত্ৰ চৌহদ মুখৰিত হৈ পৰাৰ লগে লগে গুৰুজনাৰ ভক্তসকলৰ হাতৰ স্পৰ্শত নিমিষতে জ্বলি উঠিব হাজাৰ হাজাৰ তেল আৰু ঘিৰ চাকি। চাৰিও দিশে চাকি কেৱল চাকি। সত্ৰৰ মূল গৃহ, গুৰু আসনৰ চাৰিওদিশ, অনন্ত গৃহ, পদশিলা সংৰক্ষিত মঠৰ দুয়োকাষে চাকি, চাকি মাথোঁ চাকি। যেন সপোনৰ এক মায়াপুৰীহে। প্ৰকাশ্য যে সত্ৰবাসীৰ প্ৰতিটো পৰিয়ালৰ লগতে ৰাজ্য খনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা গুৰুজনাৰ অনুগামীসকলে দিনটো উপবাসে থাকি সূৰ্যাস্তত জ্বলোৱা চাকিসমূহ নিশাটো পৰ দি তেল, ঘি, শলিতা দি সূৰ্যোদয়লৈ জ্বলাই ৰাখিব। গুৰু ভক্তিৰ এনে অপূৰ্ব নিদৰ্শন বহৰি সত্ৰৰ বাদে দেশৰ আন কোনো প্ৰান্তত দেখিবলৈ পোৱা নাযায়। গুৰুজনাৰ প্ৰতি শ্ৰদ্ধা জনাই জ্বলোৱা চাকিসমূহত এটি সেৱা জনাবৰ বাবে আৰু হাজাৰ হাজাৰ চাকিৰ পোহৰে সৃষ্ট পোহৰৰ মায়াজাল উপভোগ কৰাৰ বাবে লোকাৰণ্য হৈ পৰে সত্ৰ চৌহদ। সত্ৰ চৌহদত জ্বলি থকা হাজাৰ হাজাৰ চাকিৰ পোহৰৰ নৈসৰ্গিক দৃশ্য প্ৰত্যক্ষ কৰাৰ বাবে আপোনাৰ মন ব্যাকুল হোৱা নাইনে? আবতৰীয়া দীপাৱলী সদৃশ হাজাৰ হাজাৰ চাকিৰ পোহৰৰ লুকাভাকু প্ৰত্যক্ষ কৰাৰ বাবে আপুনি এবাৰ বহৰিলৈ আহক। আপোনাক আদৰিবলৈ আকুলতাৰে ৰৈ আছে বহৰি সত্ৰৰ প্ৰতিটো পৰিয়াল। আপোনাৰ পদধূলিয়ে জীপাল কৰি তুলিব সত্ৰবাসী প্ৰতিটো পৰিয়ালৰ মনবোৰ। সিদিনা প্ৰতিটো পৰিয়ালেই অতিথিক আতিথ্য আগবঢ়োৱাৰ বাবে আশা পালি থাকে। বহৰিবাসীৰ মনবোৰ জীপাল কৰাৰ বাবেই আপুনি আহক। আপোনাৰ আতিথ্যৰ বাবে ৰৈ থকা পৰিয়ালসমূহক বিমুখ নকৰিব। মাত্ৰ এবাৰ আহি প্ৰত্যক্ষ কৰক মহাপুৰুষজনাৰ অনুগামীসকলৰ গুৰুভক্তিৰ অপূৰ্ব নিদৰ্শন গোন্ধ সভাৰ পোহৰৰ অপূৰ্ব সমাহাৰ। হয় আপোনাকে কৈছো— আপোনাৰ আতিথ্যৰ বাবে ৰৈ থকা সত্ৰবাসীক নিৰাশ নকৰিব, সত্ৰবাসীৰ মনবোৰ জীপাল কৰাৰ বাবেই এবাৰ আহক বহৰিলৈ, প্ৰত্যক্ষ কৰক সপোনৰ মায়াপুৰী সদৃশ পোহৰৰ অপূৰ্ব খেলা। আপোনালৈ সত্ৰবাসীৰ এটাই অনুৰোধ, মাত্ৰ এবাৰ বহৰিলৈ আহক- আপোনাৰ আতিথ্যৰ বাবেই ৰৈ আছো আমি।

■ বিশ্বমধু তালুকদাৰ

## দুষ্প্ৰাপ্য ছবি

বৰ্তমান সময়ত বানে সংহাৰী ৰূপ ধাৰণ কৰা দেখা গৈছে অসমৰ বিভিন্ন স্থানত। য'ত বহু লোক গৃহহীন হৈছে, বহু লোকে নিজৰ সা-সম্পত্তি হেৰুৱাইছে আৰু বিভিন্ন সমস্যাৰে জৰ্জৰিত হৈছে। বানৰ সংহাৰী ৰূপে বিভিন্ন সময়ত সমগ্ৰ অসমবাসীক কেনেধৰণে জুৰুলা কৰি আহিছে সেই কথা আকৌ কোৱাৰ প্ৰয়োজনীয়তা অনুভৱ নকৰোঁ। বানপানীৰ সময়তেই হওক নাইবা অন্য সমস্যাৰ সময়তেই হওক, প্ৰশাসনৰ লোকসকলে আমাক বিভিন্ন সময়ত যৎপৰোনাস্তি সহায়-সহযোগ কৰাৰ কথা নুই কৰিব নোৱাৰি। এতিয়া আহিছোঁ মূল কথালৈ। যোৱা ২৬ এপ্ৰিল তাৰিখৰ দিনা সামাজিক মাধ্যমত কেইখনমান আলোকচিত্ৰ দেখোঁ, য'ত এগৰাকী মহিলাই এটা বানপীড়িত অঞ্চলত বানপীড়িত একাংশ লোকৰ লগত সাধাৰণভাৱে কাপোৰ পিন্ধি বোকা-পানী গচকি সমানে সমানে খোজ দিয়াৰ লগতে অন্য লোকৰ সহায়ত নাও লৈ সেই অঞ্চলটো পৰিদৰ্শন কৰাৰ ছবি দেখা পোৱা গৈছে। জানিব পৰা মতে সাধাৰণভাৱে কাপোৰ পৰিধান কৰা আৰু নিজেই এগৰাকী বানপীড়িত মহিলাৰ দৰে থকা সেই মহিলাগৰাকী আচলতে কাছাৰ জিলাৰ মাননীয়া উপায়ুক্ত শ্ৰীমতী কীৰ্থী জল্লী ডাঙৰীয়ানী। তেখেতে ব্যতিক্ৰমীভাৱে জিলাখনৰ এই বানপীড়িত লোকসকলৰ কাষত এনেকৈ থিয় দি বান পৰিস্থিতিৰ বুজ লোৱা কথাই এতিয়া সৰ্বত্ৰ চৰ্চা লাভ কৰিছে। সামাজিক মাধ্যমত জনপ্ৰিয় হোৱাৰ অসুস্থ প্ৰতিযোগিতাৰ আৰু কীৰ্তিত্ব দাবী কৰাৰ মাজত একাংশ লোকে নীৰৱে সততা আৰু নিষ্ঠাৰে যে কাম কৰি গৈ আছে তাৰ এক উৎকৃষ্ট প্ৰমাণ এইগৰাকী উপায়ুক্ত। ২০১৯-২০ বৰ্ষত ৰাজহুৱা প্ৰশাসনত দেখুওৱা উৎকৃষ্ট কৰ্ম নিদৰ্শনৰ বাবে সন্মানীয় কৰ্মশ্ৰী বঁটাৰে সন্মানিত হৈছিল তেওঁ। এগৰাকী উপায়ুক্ত হিচাপে তেওঁৰ নিজৰ কৰ্মক থকা লৈ শ্ৰদ্ধা সঁচাই প্ৰশংসনীয় আৰু অনুপ্ৰেৰণাৰ উৎস।

■ বিজিত দাস

ফোন : ৮৮২২৫৫৯৮১১

## ধনজিতা চুমি দাসৰ নতুন গীত 'মিষ্টাৰ গগৈ'

মিষ্টাৰ গগৈ- এটি সদ্য মুক্তিপ্ৰাপ্ত নতুন অসমীয়া গীত। শেহতীয়াভাৱে এই গীতটিয়ে অসমীয়া সংগীত প্ৰেমীৰ মাজত ব্যাপক সমাদৰ লাভ কৰিছে। ফেচবুক আৰু ইউটিউবত বিশেষ চৰ্চা লাভ কৰা মিষ্টাৰ গগৈ গীতটিত কণ্ঠদান কৰিছে প্ৰতিশ্ৰুতিসম্পন্ন কণ্ঠশিল্পী ধনজিতা চুমি দাসে। প্ৰেমৰ মধুৰ সুবাস থকা এই গীতটি লিখাৰ লগতে সুৰ দিছে অবিনাশ প্ৰিয়ম আৰু আকাশ প্ৰীতমে। বিমল বৰাই কৰিঅ'গ্ৰাফী কৰা গীতটোত অভিনয় কৰিছে জনপ্ৰিয় অভিনেতা গুঞ্জন ভৰদ্বাজ আৰু সুকন্যা বৰাই। গীতটি সম্পাদনা কৰিছে মণি ৰাজকোঁৱৰে, মেকআপ কৰিছে অভিজিতে।

উল্লেখযোগ্য যে কণ্ঠশিল্পী ধনজিতা চুমি দাসৰ অতি সৰুৰে পৰা গীত আৰু নৃত্যৰ প্ৰতি আছিল দুৰ্বাৰ হেঁপাহ। স্কুলীয়া দিনৰে পৰা তেওঁ বিভিন্ন ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি আহিছে। তেওঁ কলেজৰ শ্ৰেষ্ঠ শিল্পী হোৱাৰ লগতে অনাতাঁৰ শিল্পী হিচাপেও প্ৰতিষ্ঠা লাভ কৰিছিল। কিন্তু বিভিন্ন কাৰণৰ বাবে তেওঁ কিছু বছৰ সংগীত জগতৰ পৰা আঁতৰি আছিল যদিও বিয়াৰ পিছত পুনৰ তেওঁ সংগীত জগতলৈ উভতি আহে। এই ক্ষেত্ৰত তেওঁৰ স্বামীৰ অৰিহণা যথেষ্ট আছে। আমি আশাবাদী তেওঁৰ সংগীত চৰ্চা অব্যাহত থাকক, অনাগত দিনত তেওঁ ভাল ভাল গীত ৰাইজক উপহাৰ দি যাওক।

■ ধৰ্মেন্দ্ৰ বৰুৱা

## পৰিৱেশ দায়বদ্ধতা ঃ কৃতজ্ঞতা আৰু নৈতিকতা প্ৰকাশৰ মাধ্যম

হঠাৎ কাৰেণ্ট গ'লে যেতিয়া বন্ধ কোঠা এটাৰ ভিতৰত আন্ধাৰত বহিবলগীয়া হয় তেতিয়াই আমি পোহৰৰ কথা ভাবো, যেতিয়াই পানীলগা জ্বৰ হৈ নাক বন্ধ হয় তেতিয়াই নাকে উশাহ ল'বলৈ চেষ্টা কৰোঁ, যেতিয়াই ক'ৰবাত প্লাষ্টিক পোৱাৰ গোন্ধ পাওঁ অথবা আৱৰ্জনাৰ পৰা দুৰ্গন্ধ পাওঁ তেতিয়া আমাৰ উশাহ বন্ধ হৈ যোৱাৰ উপক্ৰম হয়, তেতিয়াও হয়তো আমি এটা কথা নাভাবো- আমি কেনেকৈ উশাহ লওঁ। আমি যে এই উশাহ লৈ আছো- তাৰ বাবে আমাক অক্সিজেন লাগে, যি আমাক গছে যোগান ধৰে। অকল অক্সিজেন যোগান ধৰিয়েই নহয়, আমাৰ উশাহ টুটাই নিয়া কাৰ্বন-ডাই-অক্সাইড গছে গ্ৰহণ কৰিও আমাক জীয়াই থাকিবলৈ উদগনি দিয়ে। যেতিয়াই গছ-গছনি নোহোৱা হ'ব তেতিয়াই কাৰ্বন-ডাই-অক্সাইডকে আদি কৰি ভয়াৱহ গেছসমূহ বাঢ়ি আহিব আৰু আমি নিশ্চিত মৃত্যুৰ মুখলৈ গতি কৰিম।

**পৰিৱেশ মূল্যবোধ**

আমি কোনো বস্তু ক্ৰয় কৰিবলৈ যাওঁতে তাৰ প্ৰয়োজনীয়তা আৰু গুণাগুণ অনুসৰি পৃথক পৃথক মূল্য দিবলগীয়া হয়। এই মূল্য মূলতঃ নিৰ্ভৰ কৰে সামগ্ৰীবিধে প্ৰদান কৰা সেৱা মূল্যৰ ওপৰত। এনে মূল্যাংকনৰ জৰিয়তে আমি আমাৰ অস্তিত্ব আৰু প্ৰকৃতিৰ গুৰুত্ব মূল্যাংকন কৰোঁ। পৰিৱেশ সম্পৰ্কে আমি সচেতন হৈ ইয়াৰ মূল্যাংকন কৰিব পৰাকৈ আমাৰ বোধৰ বিকাশ সম্পূৰ্ণ নোহোৱাৰ দোহাই দি আমি পৰিৱেশক আওকাণ কৰোঁ। অৱশ্যে পৰিৱেশৰ মূল্য ইয়াৰ ওপৰত জীৱৰ নিৰ্ভৰশীলতা অনুসৰি আগবঢ়োৱা সেৱা মূল্যৰ জৰিয়তে উপলব্ধি কৰিব লাগিব। এই যে আমি উশাহ লৈছোঁ, ভোকত খাদ্য খাইছোঁ এয়া সকলো প্ৰকৃতিৰ আমাৰ প্ৰতি থকা দয়া আৰু সেৱা। প্ৰকৃতিয়ে নিবিচৰাকৈ, যোগান নধৰাকৈ আমি কোনো সামগ্ৰী সৃষ্টি কৰিব



পৰা নাই। আমি যদি কোনো ঠাইত প্ৰকৃতিক আঘাত কৰিছোঁ তেন্তে আমিয়েই সেই ঠাইৰ পৰা আঁতৰি আহিবলৈ বাধ্য হৈছোঁ। গছ কাটি তহিলং কৰিছোঁ- উৎকট গৰম হৈছে, খহনীয়া হৈছে। ফলত আমিয়েই সেই ঠাইৰ পৰা আঁতৰি আহিবলৈ বাধ্য হৈছোঁ। গতিকে যি আমাক জীয়াই ৰাখিছে সেই উপাদান গছ-বিৰিখক, প্ৰকৃতিক আমি সন্মান কৰিব লাগিব। প্ৰকৃতি সুৰক্ষাৰ প্ৰতি, সংৰক্ষণৰ প্ৰতিও দায়বদ্ধ হ'ব লাগিব।

■ মানস প্ৰতিম দত্ত

## বানপীড়িত সমস্যাৰ লগত যুঁজি দেখুওৱা মানুহৰ নিৰাপত্তা সুনিশ্চিত কৰিব

বৰ্তমান পৰিপেক্ষিতত জীৱকুল অসুৰক্ষিত মানৱৰ দানৱ ৰূপ। অদ্ভুত নিয়ন্ত্ৰহীন সুৰক্ষাবিহীন সমাজ হত্যালীলা সঘনাই এতিয়া। পক্ষীকুলৰ মুক্ত বিচৰণ মানুহৰ বাসস্থানত লৈছে বসতি, কৰিছে ক্ষতি, ঘৰ-দুৱাৰ, মনুষ্যৰ, মৃত্যুক সাবটি এই বন্যহস্তীৰ কবলত। প্ৰকৃতি দুৰ্যোগৰ ফলতো যথেষ্ট কষ্টৰে কটাবলগীয়া হৈছে সৰ্বসাধাৰণ, বানৰ সন্ত্ৰাস উদ্বেগজনক খবৰ বানাক্ৰান্ত ক্ষতিগ্ৰস্ত হোৱা লোকসকলৰ ভীক্ষণ তাড়না, নাই থাকিবলৈ সুবিধা, নিঃশেষ কৰি পেলালে বানপানীয়ে। হাহাকাৰ এতিয়া খাদ্য সংকটত ভুগিছে। এনে সময়ত চৰকাৰে উচিত ব্যৱস্থা গ্ৰহণ কৰি উপকৃত কৰক, দুৰ্নীতি নোহোৱাকৈ যাতে সঠিকভাৱে সাহায্য ৰূপায়ণ হয়, থিয় দিয়ক মনৰ বেদনাৰ বুজ লয় দুৰ্দশাৰ মাজত বিলীন হওক। তেতিয়াহে সমাজৰ দেশৰ এজন সুহৃদয়ৱান সমাজকৰ্মী জনপ্ৰতিনিধি মন্ত্ৰী বুলি গৌৰৱ কৰিব পাৰিম।

■ নজৰুল ইছলাম

ফোন : ৮৪৮৬১৭৭৩৫৭

## চাহ বাগিচাত সংযোজিত হ'ল শিক্ষাৰ নতুন অধ্যায়



অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা দিন-ৰাতি একাকাৰ কৰি ৰাজ্যৰ সামগ্ৰিক উন্নয়নৰ স্বাৰ্থত অহৰহ কাম কৰি আহিছে। ইখনৰ পিছত সিখন অভিলাষী আঁচনি গ্ৰহণ কৰি তাক বাস্তৱত ৰূপায়িত কৰাত নি:সন্দেহে আমাৰ মুখ্যমন্ত্ৰী গৰাকী সফল হৈছে (অৱশ্যে জনসাধাৰণৰ কল্যাণৰ বাবেঞ্জ গ্ৰহণ কৰা কিছুমান আঁচনিৰ নকাৰাত্মক দিশো নথকা নহয়)। শিক্ষা,স্বাস্থ্য,কৰ্মসংস্থাপন সকলোতে মুখ্যমন্ত্ৰীৰ বলিষ্ঠ নেতৃত্বৰ সুফল ৰাইজে ইতিমধ্যে দেখা পাইছে।স্বাধীনতাৰ সাত দশক পিছতো শিক্ষাৰ ক্ষেত্ৰত অনগ্ৰসৰ হৈ থকা চাহ বাগিচা সমূহত শিক্ষাৰ নতুন দিগন্তৰ সূচনা হৈছে। বাগিচা সমূহত আধাৰশিলা স্থাপন কৰা ১১৬খন হাইস্কুলৰ বৰ্তমান ৯৬ খন হাইস্কুল আনুষ্ঠানিক ভাৱে উদ্বোধন কৰা হৈছে।আদৰ্শ বিদ্যালয়সমূহে সঁচাকৈয়ে অসমৰ বিশেষকৈ বাগিচা এলেকাসমূত শিক্ষাৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰা অনুসৰি অহা বছৰ এই বিদ্যালয়সমূহ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হ'ব আৰু কেইবছৰমানৰ ভিতৰত সেই অঞ্চলসমূহত মহাবিদ্যালয়ও স্থাপন হ'ব। মুখ্যমন্ত্ৰীগৰাকীৰ এই মহান পদক্ষেপ সঁচাকৈয়ে আদৰণীয় আৰু প্ৰশংসনীয়।শেহতীয়াকৈ নিউজ লাইভ চিয়ে চলোৱা এক সমীক্ষাত মুখ্যমন্ত্ৰী গৰাকীৰ বিগত বৰ্ষৰ কাম কাজত ৬০শতাংশ বাসিন্দাই সন্তুষ্টি প্ৰকাশ কৰা দেখা গৈছে। তেখেতলৈ আগবঢ়োৱা এইয়া ৰাজ্যবাসীৰ মৰম আৰ্শীবাদ।ৰাইজৰ এই মৰম আৰ্শীবাদ শিৰোধাৰ্য কৰি অনাগত দিনবোৰত সমস্যা জৰ্জৰ ৰাজ্যখনৰ সমস্যাসমূহ নিৰ্মূল কৰাত মুখ্যমন্ত্ৰী ডাঙৰীয়া সফল হওক।অসমক ভাৰতৰ এখন অন্যতম শ্ৰেষ্ঠ ৰাজ্য হিচাপে পৰিগণিত কৰাৰ মুখ্যমন্ত্ৰী গৰাকীৰ এই যাত্ৰাত আমি সকলোৱে অংশ গ্ৰহণ কৰা উচিত।

■ ৰাতুল শৰ্মা

ফোন :৭০০২১৭২৯১৮

## ইতিহাসৰ জোলোঙাত ঐতিহাসিক মুছলিমঘোপা বৰমছজিদ

বিশিষ্ট লেখক, চিন্তাবিদ, গৱেষক ৰফিউল হুছেইন বৰুৱাৰ তথ্যত পোৱা মতে মুছলিমঘোপাৰ বাসিন্দাসকলে খ্ৰীষ্টীয় সপ্তম শতিকাতে অসমলৈ আহে।

সেই সময়ত এই গাঁওখনৰ নাম আছিল 'গড়িয়াঘোপা'। ১৯৩১ চনৰ লোকপিয়লত মৰহুম আব্বাচউদ্দিন আহমেদ (হাকিম) চাহেবৰ প্ৰচেষ্টাত 'গড়িয়াঘোপা' নামৰ সলনি মুছলিমঘোপা নামেৰে পঞ্জীয়ন কৰা হয় আৰু তেতিয়াৰ পৰাই এই গাঁৱৰ নাম হ'ল মুছলিমঘোপা। দৰং জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত মুছলিমঘোপা গাঁও এখনি ইতিহাস প্ৰসিদ্ধ গাঁও।

ত্ৰয়োদশ শতিকাৰ মধ্য বা শেষভাগত গৌড়ৰ এদল তুৰ্কী বংশোদ্ভৱ মুছলমান নতুন বাসভূমি অন্বেষণত প্ৰব্ৰজিত হৈ আহি কামৰূপ অতিক্ৰমি দৰং জিলাৰ ছিপাঝাৰৰ প্ৰায় ডেৰ কিঃমিঃ উত্তৰত প্ৰৱেশ কৰিছিল। ঠাইডোখৰ হাবিতলীয়া ঘোপ মৰা আছিল কাৰণে ঠাইখনে নাম পাই 'ঘোপা'। মানুহখিনিৰ আদি বাসস্থান গৌড় দেশৰ কাৰণে ঠাইখনে স্বীকৃতি পাইছিল 'গড়িয়াঘোপা' নামেৰে। উল্লেখযোগ্য যে দৰং জিলাৰ এই 'গড়িয়াঘোপা'ই হ'ল মুছলমানৰ প্ৰথম বসতিস্থল। প্ৰায় সাতশ (৭০০) বছৰ এই নামেৰেই পৰিচিত হৈ থকাৰ পিছত ১৯২৬ চনত তেতিয়াৰ ভূমি বন্দৱস্তিকৰণ বিষয়া (Settlement Officer) আনোৱাৰ হুছেইনে ৰাজপত্ৰত স্থানীয় লোকৰ দাবীত গড়িয়াঘোপাৰ পৰিৱৰ্তে মুছলিমঘোপা নামেৰে নামকৰণ কৰে। (বিশিষ্ট সাহিত্যিক আব্দুৰ ৰহমানৰ প্ৰবন্ধ 'অসমত ইছলাম ধৰ্মৰ প্ৰচাৰ আৰু বিস্তাৰ)

মুছলিমঘোপা বৰমছজিদৰ স্থাপিতৰ তথ্য হিচাপে মছজিদৰ এখন পুৰণা ফলকত পোৱা গৈছিল এনেধৰণে- স্থাপিত ইং ১২৬৫ খ্ৰীঃ, হিজৰী ৬৮৬, ৪ ৰজব, বাং ৭ চ'ত। পৰিতাপৰ বিষয় যে মুছলিমঘোপা বৰমছজিদটো পুনৰ নিৰ্মাণৰ সময়ত ফলকখন ধ্বংসপ্ৰাপ্ত হয়। ইতিহাসৰ জ্ঞানত চহকী মুছলিমঘোপা নিৱাসী আউলাচৌকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ইংৰাজী বিষয়ৰ শিক্ষক মৰহুম গণিৰুদ্দিন আহমেদ চাহেবৰ পৰা এই কথা শুনিছিলো। তেখেতৰ লগত মুছলিমঘোপাৰ ইতিহাস সম্পৰ্কে বিভিন্ন আলোচনা কৰিছিলো।

প্ৰব্ৰজিত হৈ অহা তুৰ্কী বংশীয় মুছলিম দলটো ১২৬৫ খ্ৰীষ্টাব্দৰ শেষভাগত আহি থিতাপি লৈছিল। তেওঁলোকে সুদূৰ গৌড়ৰ পৰা খোজকাঢ়ি আহিছিল সেইবাবে তেওঁলোকৰ লগত কোনো মহিলা অনা নাছিল। সেয়ে তেওঁলোকে ধৰ্মান্তৰিত হোৱা নতুন মুছলমানসকলৰ ছোৱালী বিয়া কৰাই নিগাজিকৈ সংসাৰ কৰে। কালক্ৰমত জনসংখ্যা বৃদ্ধিৰ কাৰণে গাঁওখন কেইবাটাও চুবুৰিত বিভক্ত হয় আৰু উক্ত মছজিদত ঠাইৰ অকুলন হোৱাত প্ৰত্যেক চুবাত একোটিকৈ মছজিদ নিৰ্মাণ কৰি লয়। উল্লেখ্য, উক্ত মুছলিমঘোপা বৰ মছজিদৰ প্ৰথম ইমামজনক নতুন ধৰ্মাৱলম্বী লোকসকলে 'বৰমোল্লা' বুলি কৈছিল। কালক্ৰমত তেখেতৰ বংশটো 'বৰ মোল্লাৰ ঘৰ' বুলি জনাজাত হয়। উক্ত বৰ মোল্লাজনৰ পূৰ্বপুৰুষসকলে ধৰ্মৰ জ্ঞান লৈ প্ৰায় ২০১০ খ্ৰীঃলৈকে মুছলিমঘোপা বৰমছজিদত ইমামতি কৰিছিল। তেওঁলোকৰ কেইজনমান হ'ল- মৰহুম ওচমান আলী মোল্লা, মৰহুম হাচাৰ আলী মোল্লা। অন্য এজন মৰহুম ফজিৰ আলী মোল্লা তেওঁৰেই পুত্ৰ মৰহুম আব্দুল আলী মোল্লা। তেওঁলোক দুজন খন্তেকীয়া আছিল। ইয়াৰ পিছত মৰহুম হেদায়াত আলী মোল্লা, মৰহুম হয়বত আলী মোল্লা। তেওঁলোকৰ পিছত সুদীৰ্ঘ ৪০ বছৰ মুহাম্মদ মহচিন আলী (মনিয়া মোল্লা)ই উক্ত বৰমছজিদত ইমামতি কৰিছিল। তেওঁৰ ভাষ্য মতে তেওঁৰ আতায়েক মৰহুম বকদুল শ্বেখ মোল্লাৰ পূৰ্বপুৰুষসকল সেই বৰ মোল্লাৰেই বংশধৰ।

মুছলিমঘোপাৰ বিষয়ে জানিবলৈ মুছলিমঘোপাৰ সুসন্তান মঙলদৈ মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ মৰহুম আব্দুল মজিদ চাহেবৰ 'মাদ্ৰাছাৰ বুৰঞ্জী (মুছলিমঘোপা)' আৰু 'মুছলিমঘোপাৰ বুৰঞ্জী' গ্ৰন্থ দুখন চাব পাৰে।

তথ্য নোপোৱাৰ বাবে আৰু তথ্য সংগ্ৰহকাৰীৰ অভাৱৰ বাবে এই সম্পৰ্কত বিস্তাৰিতভাৱে আলোচনা আগবঢ়াব নোৱাৰিলো। অৱশ্যে আমাৰ এই বিষয়ত গৱেষণা চলি থাকিব। আপোনাৰ-আপোনালোকৰ ওচৰত এই বিষয়ে কিবা তথ্য থাকিলে মোক অৱগত কৰিব পাৰিব।

তথ্যদাতা আৰু গ্ৰন্থ ঃ

১। ৰফিউল হুছেইন বৰুৱা, বিশিষ্ট সাহিত্যিক, গৱেষক, চিন্তাবিদ।
২। মুহাম্মাদ নুৰুল হক, অৱসৰী প্ৰধান শিক্ষক, সেৱক এম ই স্কুল, ব্যাসপাৰা। (বৰ্তমান প্ৰয়াত)
৩। মুহাম্মাদ ৰুহুল কুদ্দুচ্চ, অৱসৰী প্ৰধান শিক্ষক, পাউৰীপোটা প্ৰাথমিক বিদ্যালয়।
৪। মুহাম্মাদ আজিজুৰ ৰহমান, অৱসৰপ্ৰাপ্ত উপ অভিযন্তা, বান নিয়ন্ত্ৰণ বিভাগ। (বৰ্তমান প্ৰয়াত)
৫। মুহাম্মাদ চাইদুল হক চৌধুৰী (চুইট), অৱসৰপ্ৰাপ্ত গড়কাপ্তানী বিভাগৰ শাখা সহায়ক।
৬। গণিৰুদ্দিন আহমেদ, অৱসৰপ্ৰাপ্ত শিক্ষক, আউলাচৌকা উচ্চতৰ মাধ্যমিক বিদ্যালয়। (বৰ্তমান প্ৰয়াত)
৭। আব্দুৰ ৰহমান, বিশিষ্ট সাহিত্যিক, মঙলদৈ। (বৰ্তমান প্ৰয়াত)
৮। ৪ৰ্থ সংখ্যক আঞ্চলিক ছীৰাতুন্নবী জলছাহ মোবাৰক, মুছলিমঘোপা (২০১৫)ৰ স্মৃতিগ্ৰন্থ 'আজান'। সম্পাদক ঃ মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰী, ড° মুহাম্মাদ আব্দুল ওৱাদুদ।

■ মুহাম্মাদ ফাৰুক আব্দুল্লাহ নূৰী

ফোন : ৯৯৫৭৩১০৪৩৬

## গভীৰ অধ্যয়ন, কষ্ট আৰু আনন্দৰ মাজতেই আছে সুখৰ সংজ্ঞা

বৰ্তমান প্ৰতিযোগিতাৰ যুগ। প্ৰতিটো ক্ষেত্ৰতেই প্ৰতিযোগিতাই ঠাই পায়। গতিকে প্ৰতিযোগিতাৰ লগত দৌৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলে শাৰীৰিক মানসিকভাৱে নিজকে প্ৰস্তুত কৰিব লাগিব। অকল সপোন দেখিলেই নহব ।সপোন বাস্তৱত পৰিণত হবৰ বাবে চেষ্টা আৰু কষ্ট কৰিব লাগিব। সস্তীয়া মনোভাববিলাক ত্যাগ কৰি সঁচা অৰ্থত মন আত্মনিয়োগ কৰিব পাৰিব লাগিব। সময়ক বিনা কামত অপচয় কৰিলে নহ'ব। সময় গুচি গ'লে কেতিয়াও ঘূৰাই পোৱা নাযায়। দৃষ্টিভংগীবিলাক সদায় ধনাত্মক হোৱাটো ভাল। আত্মগৌৰৱ থাকিব লাগিব। মই কিবা জানো, মই যি কোনো কৰিব পাৰিম বুলি সৎ কামত সদায় আগুৱাই যাব লাগিব। পিছ হুহকি আহিলে নহ'ব। সাধাৰণ জীৱন-যাপন আৰু উচ্চ চিন্তাধাৰাক সন্মান জনাব লাগিব। সকলো ছাত্ৰ-ছাত্ৰীৰ মাজতেই যিকোনো প্ৰতিভা এটা লুকাই থাকেই। এই লুকাই থকা প্ৰতিভাবিলাক উলিয়াই অনা দায়িত্ব প্ৰথমে নিজেই লব লাগিব। প্ৰথমে ছাত্ৰ-ছাত্ৰীসকলে অধ্যয়নত গুৰুত্ব দিব লাগিব। ছাত্ৰ-ছাত্ৰী বুলি ক'লে প্ৰাথমিক পৰ্য্যায়ৰপৰা বিশ্ববিদ্যালয়ৰ লৈকে আৰু যদি তাতোকৈয়ো ওপৰত আছে। কিয়নো শিক্ষাৰ অবিহনে বৰ্তমান সকলোতেই অন্ধকাৰ। আজিৰ যুগত শিক্ষা থাকিবই লাগিব। যদি ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাক গুৰুত্ব নিদি অকল ক্ৰীড়া সাংস্কৃতিক আদি দিশত অধিক মনোনিৱেশ কৰে তেন্তে সকলো অথলে যাব পাৰে। ছাত্ৰ-ছাত্ৰীসকলে মনত ৰখা ভাল যে অন্যান্য দিশত যিমানেই আগুৱাই গলেও কিন্তু যদি শিক্ষা নাথাকে তেন্তে এটা সময়ত থমকি ৰবলৈ বাধ্য হব লাগিব। বৰ্তমান সময়ত মেধাৱী ছাত্ৰ-ছাত্ৰীৰ মৰণ নাই। সেই কাৰণে শিক্ষাত সৰ্বাধিক গুৰুত্ব দিলে লাভবান হোৱা দেখা যায়। অভিভাৱক সকলেও ছাত্ৰ-ছাত্ৰী আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত যথেষ্ট কৰনীয় আছে। ছাত্ৰ-ছাত্ৰীসকলক অকল মই সকলো যোগাৰ কৰি দিছো বুলি কয়েই শান্তি লভিলে নহ'ব। ছাত্ৰ-ছাত্ৰী বা নিজৰ পুত্ৰ-কন্যাৰ গতি-বিধি প্ৰতিটো ক্ষেত্ৰতেই বৰ্তমান লক্ষ্য ৰখাটো দৰকাৰ। বৰ্তমান যন্ত্ৰৰ যুগ। এই যান্ত্ৰিক যুগত ছাত্ৰ-ছাত্ৰীসকলে নিজকে যন্ত্ৰৰ লগত মিলাব লগীয়া হৈছে। যন্ত্ৰৰ ভাল বেয়া দুয়োটা দিশেই আছে। সেই বাবেই অভিভাৱক সকলে নিজ পুত্ৰ-কন্যাৰ ওপৰত চকু দিয়াটো গুৰুত্বপূৰ্ন বুলি বিবেচনা কৰিলে বিপদৰ আশংকাত থাকিব নালাগিব পাৰে। ছাত্ৰ-ছাত্ৰীসকলে মনত ৰখা ভাল হব যে আমি সকলোৱে ভাতৰ লগত চবজি, দাইল আদি খাওঁ। এই বিলাকৰ উপৰিও কেতিয়াবা আচাৰ আদি খাওঁ। ভাততকৈ চবজি, দাইল, আচাৰ বেছিকৈ খাওঁ নে? কেতিয়াও নাখাওঁ। ভাত যিদৰে বেছি খাওঁ ঠিক সেইদৰে পঢ়াখিনিও ভাতৰ দৰে বেছি হব লাগিব। আচাৰ আদি যিদৰে কমকৈ খাওঁ ঠিক সেই ধৰণে খেলা-ধুলাবিলাকো আচাৰ দৰে কম হব লাগিব। শাৰীৰিক বিকাশৰ বাবে খেলৰ যিদৰে প্ৰয়োজন আছে, মানসিক বিকাশৰ বাবেও সাংস্কৃতিক দিশটোত গুৰুত্ব দিয়া প্ৰয়োজন আছে। এইদৰে আগবাঢ়ি গলে পিছৰ সময়খিনিত দুয়োটা দিশ আগুৱাই নিয়াত সহজ হব। বৰ্তমান দেখা গৈছে যিসকল ছাত্ৰ-ছাত্ৰীয়ে প্ৰথমে পঢ়াত সৰ্বাধিক গুৰুত্ব দি সাংস্কৃতিক আৰু ক্ৰীড়া ক্ষেত্ৰতো কষ্ট কৰিব পাৰিছে সেইসকলে নিজৰ প্ৰতিভা দেখুৱাবলৈ সক্ষম হোৱাৰ উপৰিও নিজৰ ওপৰত থিয় হৈ দেশখনৰ বা ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। যাৰ বাবে সেইসকলে উপযুক্ত সন্মানো লাভ কৰিছে। আমি সকলোৱে জানো , মানৱ জীৱনটো এবাৰেই পোৱা যায়। ঠিক ছাত্ৰ জীৱনটোও এবাৰেই পোৱা যায়। ছাত্ৰ জীৱনটোৱেই হ'ল কষ্ট আৰু আনন্দ কৰা সময়। কষ্ট কৰিলেহে ৰত্ন পাই বুলি এষাৰ কথা আছে। মনত ৰখা ভাল, গভীৰ অধ্যয়ন, সাধনা, কষ্ট আৰু আনন্দৰ মাজতেই সুখৰ সংজ্ঞা বিচাৰি পোৱা যাব।

■ বিজু খাউণ্ড

ফোন : ৭৮৯৬৫৮৯১৯২



## ডিমৌত আয়োজিত কৰ্মশালাত ভাগ ল'লে যোৰহাটৰ মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অজন্তা বৰগোঁহাই ৰাজকোঁৱৰে

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২৭ মে' ঃ** ডিমৌৰ বৰুৱা চাংমাইস্থিত শিৱসাগৰ পলিটেকনিকত আজি উদ্যোগীকৰণৰ মানসিকতা গঢ়ি তোলাৰ উদ্দেশ্যে আয়োজন কৰে এখন বিশেষ কৰ্মশালা। উদ্যোগীকৰণ আৰু উদ্যোগীকৰণৰ আৰম্ভণি বিষয়ক লৈ আয়োজন কৰা এই কৰ্মশালাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে যোৰহাটৰ মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অজন্তা বৰগোঁহাই ৰাজকোঁৱৰ। উপাচাৰ্য বৰগোহাঁইয়ে শিৱসাগৰ পলিটেকনিকত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলৰ লগত কিদৰে একো একোটা উদ্যোগ গঢ়ি নিজকে স্বনিৰ্ভৰশীল কৰি প্ৰতিষ্ঠা কৰাৰ লগতে সমাজৰ উন্নয়ন ক্ষেত্ৰত সহায় কৰিব পৰা যায় তাৰ ওপৰত বহুখিনি মূল্যবান বক্তব্য আগবঢ়াই। ইয়াৰোপৰি ভৱিষ্যতৰ দিনত নিজৰ ভৰিৰ ওপৰত থিয় দিবলৈ হলে কাৰিকৰী বিষয়ৰ ওপৰত অধ্যয়ন কৰি স্বাৱলম্বীতাৰ পথ বাছি লবলৈ নৱ প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনাই শিৱসাগৰ পলিটেকনিকৰ অধ্যক্ষ ৰূপক গগৈয়ে। আজিৰ এই কৰ্মশালাত ছাত্ৰ-ছাত্ৰী সকলৰ লগতে শিক্ষক আৰু অঞ্চলটোৰ ভালেসংখ্যক লোক উপস্থিত থাকে।

# কামৰূপ মহানগৰ জিলাত আমচং হাইস্কুলৰ উদ্বোধন অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ

### বসুন্ধৰা-২ত চাহ সম্প্ৰদায়ৰ লোকক মাটিৰ পট্টা প্ৰদানৰ আশ্বাস মন্ত্ৰীগৰাকীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৭ মে' ঃ** অসমৰ চাহ বাগিচা এলেকাত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপনৰ বাবে মুখ্যমন্ত্ৰীয়ে যি আঁচনি গ্ৰহণ কৰিছে, সেই আঁচনিৰ আধাৰত স্থাপিত কামৰূপ মহানগৰ জিলাৰ আমচং আদৰ্শ হাইস্কুলখন কালি উদ্‌য়োগ, বাণিজ্য, পৰিবহণ মন্ত্ৰী তথা অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে শুভাৰম্ভ কৰে। গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজা, দিছপুৰ সমষ্টিৰ বিধায়ক অতুল বৰা, উপায়ুক্ত পল্লৱ গোপাল ঝাৰ উপৰি বৃহৎ সংখ্যক ৰাইজৰ উপস্থিতিত নৱনিৰ্মিত আমচং আদৰ্শ হাইস্কুলখনৰ দ্বাৰ উন্মোচন কৰি অভিভাৱক মন্ত্ৰীগৰাকীয়ে কয় যে বৰ্তমানৰ মুখ্যমন্ত্ৰীগৰাকী বিত্ত, শিক্ষা আদি বিভাগৰ মন্ত্ৰী হৈ থাকোতেই চাহ সম্প্ৰদায়ৰ শিক্ষাৰ ক্ষেত্ৰত মৰ্মবেদনা উপলব্ধি কৰিছিল আৰু জ্ঞানৰ পোহৰেৰে উজ্জ্বলোৱাৰ সংকল্প লৈছিল, কালি সেই সংকল্পৰ সিদ্ধি হ'ল। তেওঁ ভাষণত চাহ সম্প্ৰদায়ৰ বাবে গ্ৰহণ কৰা বিভিন্ন সুবিধা যেনে ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ জলপানী প্ৰদান, ফুটবল একাডেমী স্থাপন, হোষ্টেল স্থাপন, বঙ্গমঞ্চ স্থাপন, অতিথিশালা স্থাপন আদিৰ বিষয়ে উল্লেখ কৰে আৰু চাহ সম্প্ৰদায়ৰ উন্নয়নৰ বাবে চৰকাৰৰ এনেধৰণৰ কল্যাণকামী কাম-কাজ অনাগত দিনতো চলি থাকিব বুলি উল্লেখ কৰে। ভাষণ প্ৰসংগত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ কুইন ওজাই বৰ্তমান চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ উল্লেখ কৰি কয় যে ৰাইজে শিক্ষানুষ্ঠান, দলং ৰাষ্টা নিৰ্মাণৰ বাবে এতিয়া আৰু আন্দোলন কৰিব নালাগে । বৰ্তমানৰ চৰকাৰে জনসাধাৰণৰ অভাৱ অভিযোগ বোৰ বুজি পায়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিধায়ক অতুল বৰাই ছাত্ৰ-ছাত্ৰীৰ লগতে অভিভাৱক সকলকো শিক্ষা লাভৰ এই প্ৰক্ৰিয়াত সম্পূৰ্ণ সহযোগিতা আগবঢ়াবলৈ অনুৰোধ কৰে। বিদ্যালয়ৰ প্ৰধান শিক্ষক উপেন গগৈয়ে আদৰণি ভাষণ আৰু আত ধৰা এই অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ ঝুমুৰ, তিৱা আদি নৃত্য প্ৰদৰ্শনে দৰ্শকসকলক মোহাচ্ছন্ন কৰি ৰাখে। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় অতিৰিক্ত উপায়ুক্ত কল্পনা ডেকাই।

## বহৰি সত্ৰত পাঁচদিনীয়া কাৰ্যসূচীৰে শ্ৰীশ্ৰী হৰিদেৱৰ তিৰোভাৱ তিথি মহোৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বহৰি, ২৭ মে' ঃ** চাৰিজনা বৈষ্ণৱ গুৰুৰ অন্যতম তথা বয়োজ্যেষ্ঠ গুৰু মহাপুৰুষ শ্ৰী শ্ৰী হৰিদেৱৰ ৪৫৭ তম তিৰোভাৱ তিথি মহোৎসৱ বৰপেটা জিলাৰ বহৰি সত্ৰত ২৬,২৭,২৮,২৯ আৰু ৩০ মে'ত পাঁচদিনীয়া কাৰ্যসূচীৰে উদযাপন কৰাৰ বাবে ব্যাপক আয়োজন কৰা হৈছে। বহৰি সত্ৰ পৰিচালনা সমিতিয়ে প্ৰকাশ কৰি উলিওৱা কাৰ্যসূচী অনুসৰি, ২৬মে'ৰ ব্ৰহ্মমুহূৰ্তত ঊষা কীৰ্তন। ৰাতিপুৱা ৮বজাত সমূহীয়া চাফাই কাম। ৮- ৩০ বজাত বৃক্ষৰোপণ। ৯ বজাৰ পৰা সত্ৰৰ গোপিনী সকলৰ নাম। ১০বজাত সত্ৰৰ ভকত সকলৰ নাম-প্ৰসঙ্গ। ১১ বজাত হোমযজ্ঞ আৰু গুৰুচৰিত পাঠ। দুপৰীয়া ১২ ন বজাত সত্ৰৰ গায়ন-বায়নৰ দ্বাৰা গুৰু বন্দনা। ১২-৩০ বজাত ৰাজহুৱা নাম-কীৰ্তন, সন্ধিয়া গুৰু বন্দনা আৰু গৰখীয়া ল'ৰা দ্বাৰা বন্তি প্ৰজ্বলন কৰা হব। আনহাতে ২৭ আৰু ২৮ মে'ত হোমযজ্ঞ বাদে ২৬ মে'ৰ সমূহ কাৰ্যসূচী সমূহ চলি থাকিব। ২৯ মে'ত তিথি মহোৎসৱৰ আগদিনা পালন কৰা হব গোন্ধসভা । সিদিনা ব্ৰহ্ম মূহূৰ্তত ঊষা কীৰ্তন। ৰাতিপুৱা ৭ বজাত সমূহীয়া চাফাই কাম। ৯ বজাত সত্ৰৰ গোপিনীসকলৰ নাম। ১০বজাত সত্ৰৰ ভকতসকলৰ নাম-প্ৰসঙ্গ। গুৰুজনাৰ অনুগামী সকলৰ পৰম আকাংক্ষিত দিন গোন্ধসভাৰ দিনা সূৰ্যাস্তৰ লগে লগে জ্বলোৱা হাজাৰ হাজাৰ তেল আৰু ঘি'ৰ চাকি পিছদিনা সূৰ্যোদয়লৈ মূল নামঘৰ , অনন্ত গৃহ, আৰু গুৰুজনাৰ পদশিলা থকা মঠৰ দুয়োফালে অস্থায়ী চামিয়নাৰ তলত জ্বলাই ৰখা হব । বন্তি প্ৰজ্বলনৰ শুভাৰম্ভক হিচাপে বৰপেটা জিলাৰ উপায়ুক্ত তেজপ্ৰসাদ ভুষালে অংশ গ্ৰহণ কৰিব। উক্ত অনুষ্ঠানত বৰপেটা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া প্ৰাঞ্জল বৰুৱাই মুখ্য অতিথি, চেংা ৰাজহ চক্ৰৰ চক্ৰ বিষয়া প্ৰাণজিৎ কুমাৰ দেৱ বিশিষ্ট অতিথি, প্ৰবাসী বহৰিয়া তথা বিশিষ্ট স্থপতিবিদ অৰনী কুমাৰ দাসে নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব। সন্ধিয়া ৭ বজাত সিধা বিতৰণ কৰাৰ পিছত ৰাজহুৱা নাম কীৰ্তন কৰা হব । ৮ বজাত ভট্টদেৱ কৃষ্টি সংঘ,ব্যাসকুছিৰ দ্বাৰা গীতৃ-মাত- নৃত্য পৰিৱেশন। নিশা দৰং জিলাৰ ছিপাঝাৰৰ সুভাষ নাথৰ নামদলে আৰু পুৰণি সত্ৰ চৌহদত কামৰূপ জিলাৰ বাগটাৰ অচ্যুত কলিতাৰ নামদলে নাগাৰা নাম পৰিৱেশন কৰিব । অন্তিম দিনা অৰ্থাৎ ৩০ মে'ত মূল কাৰ্যসূচী গুৰুজনাৰ তিৰোভাৱ তিথি মহোৎসৱ। সিদিনা ব্ৰহ্ম মুহূৰ্তত ঊষা কীৰ্তন। ৰাতিপুৱা ৭ বজাত সমূহীয়া চাফাই কাম। ৯ বজাত সত্ৰৰ গোপিনী সকলৰ নাম। ১০বজাত গুৰুচৰিত পাঠ আৰু গুৰুজনাৰ শ্ৰাদ্ধ। ১১ বজাত মৈৰামাৰা চতুৰ্ভুজ বীৰনাম দলৰ দ্বাৰা 'থিয়নাম পৰিৱেশন। দুপৰীয়া ১২ বজাত সভা মহোৎসৱত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব বৰপেটা জিলাৰ অতিৰিক্ত উপায়ুক্ত লখিমী দত্ত আৰু নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকিব বৰপেটা ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পাতালৰ অধ্যক্ষ ৰমেন তালুকদাৰ। দুপৰীয়া ১২-৩০ বজাত ৰাজহুৱা নাম কীৰ্তন। দিনৰ এক বজাত ব্ৰহ্মপুত্ৰত গুৰুজনাৰ পিণ্ডদান। পিণ্ডদান কৰিব শৈলেন্দ্ৰ নাথ গোস্বামীয়ে। ইয়াৰ পিছতে ৰাজহুৱা নামৰ প্ৰসাদ বিতৰণ কৰা হব । সন্ধিয়া ৭ বজাত গুৰু ভাগৰ প্ৰসাদ বিতৰণ কৰাৰ পিছতেই সভা মহোৎসৱৰ সামৰণি পৰিব।

## সৰভোগত যুৱ ব্যৱসায়ীৰ মহিন্দ্ৰা স্কৰপিঅ' বাহন নিজ ঘৰৰ পৰা চুৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, সৰভোগ, ২৭ মে' ঃ** সম্প্ৰতি ৰাজ্যখনত গাড়ী চুৰিৰ কেইবাটাও ঘটনা সংঘটিত হৈছে। তেনে এক গাড়ী চুৰিৰ ঘটনা সৰভোগত সংঘটিত হৈছে । সৰভোগ থানাৰ অন্তৰ্গত বৈৰাপুৰ গাঁৱৰ পৰা এখন বিলাসী বাহন যোৱা নিশা চুৰি হয়। জানিব পৰা মতে সৰভোগৰ বৈৰাপুৰ গাঁৱৰ নিলাভজ্যোতি দাসৰ AS 15 N 8969 নম্বৰৰ মহিন্দ্ৰা স্কৰপিঅ' বাহনখন নিশা চোৰে ঘৰৰ পৰা লোৰ গেট ভাঙি চুৰ কৰি নিয়ে। সৰভোগৰ যুৱ ব্যৱসায়ী নিলাভজ্যোতি দাসে জানিবলৈ দিয়া মতে অইন দিনৰ দৰে কালিও তেওঁ সন্ধিয়া নিজৰ গাড়ীখনেৰে কৰ্মস্থলীৰ পৰা ঘৰলৈ আহি গাড়ীৰখা স্থানত গাড়ীখন ৰখাই থয়। তেওঁ ব্যৱসায়ৰ বাবে ৫০ হাজাৰ টকা গাড়ীখনত ৰাখিছিল। ৰাতিপুৱা গাড়ীৰখা স্থানত নিজৰ গাড়ীখন নেদেখি যুৱ ব্যৱসায়ীজনৰ লগতে পৰিয়ালটোৱে হতবাক হৈ পৰে। পিছত সৰভোগ থানাত যুৱ ব্যৱসায়ী জনে খবৰ দিয়াত সৰভোগ আৰক্ষীয়ে নিলাভজ্যোতি দাসৰ ঘৰত উপস্থিত হৈ তদন্ত চলায়।

## ছিপাঝাৰত দুৰ্ঘটনাত নিহত সকলৰ ঘৰত দৰং জিলা গৰিয়া -মৰিয়া-দেশী জাতীয় পৰিষদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ২৭ মে' ঃ** দৰং জিলাৰ ছিপাঝাৰ থানাৰ ওচৰত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত ২৪ মে তাৰিখে সংঘটিত ভয়াবহ দুৰ্ঘটনাত ট্ৰাকে মহতিয়াই নিয়াৰ ফলত পাছজন লোক নিহত হোৱা ঘটনাত বিভিন্ন দল সংগঠনে দুঃখ প্ৰকাশ কৰাৰ লগতে চৰকাৰৰ ওচৰত কিছু দাবী উৎথাপন কৰিছে। সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় উপদেষ্টা চহিৰ ভূএগ্ৰা,দৰং জিলা সমিতিৰ সভাপতি আমান উল্লা পাছা আৰু সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদৰ নেতৃত্বৰ এটি সজাতী দলে ঘটনাত পতিত আতাইকেইখন ঘৰলৈ গৈ পৰিয়ালক সাক্ষাত কৰে ।সাক্ষাতৰ অন্তত বাতৰি কাকতলৈ প্ৰেৰন কৰা বাৰ্ত্তাত সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদে কয় যে নিহতৰ পৰিয়ালক ২০ লাখ টকা আৰু আহতৰ পৰিয়ালক ১০ লাখ টকাকৈ দি আহত সকলৰ সকলো চিকিৎসা ব্যয় বিনামুলীয়া কৰিব লাগে ।তদুপৰিও বাইহাটা চাৰি আলিৰ পৰা তেজপুৰলৈ ফৰলেনযুক্ত পথৰ শ্ৰীঘ্ৰে নিৰ্মানৰ দাবী জনায়। কাৰ্যসুচীত অংশ গ্ৰহণ কৰে কেন্দ্ৰীয় উপদেষ্টা চহিৰ ভূএগ্ৰা ,জিলা উপদেষ্টা এম.হাফিজ আলি ,জিলা সভাপতি আমান উল্লা পাছা ,কাৰ্যকৰী সভাপতি আবু আয়ুব আনচাৰি ,কেন্দ্ৰীয় জনগোষ্ঠীয় সম্পাদক ৰছিদ আলি ,উপসভাপতি মইনুল হক শইকীয়া,টেঙাবাৰী আঞ্চলিকৰ উপ সভাপতি মফিজুদ্দিন আহমেদ,উপদেষ্টা তজমুল আলিৰ উপৰিও স্থানীয় কিছু লোকে।

## টেঙাখাতত প্ৰাক্তন আছু সতীৰ্থ সন্মিলনৰ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, টেঙাখাত, ২৭ মে' ঃ** ডিব্ৰুগড় জিলা ভিত্তিত প্ৰাক্তন আছু সতীৰ্থ সন্মিলনৰ এখনি সভা অহা ৩০ মে' তাৰিখে দিনৰ ১ বজাত টেঙাখাত মহাবিদ্যালয়ৰ সভা কক্ষত অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হৈছে। উক্ত সভাত সদৌ অসম ছাত্ৰ সন্থাৰ বহুকেইজন প্ৰাক্তন বিষয় ববীয়া আৰু সভাপতি সম্পাদকে অংশ গ্ৰহণ কৰিব বুলি প্ৰাক্তন আছু সতীৰ্থ সন্মিলন, টেঙাখাতৰ সভাপতি তীৰ্থ নাথ বৰুৱা আৰু যুটীয়া সম্পাদক হৰিনাৰয়ন গগৈ আৰু দুৰ্জয় শইকীয়াই এক প্ৰেচ বিবৃতিৰ জড়িয়তে সংবাদ মাধ্যমক জানিবলৈ দিয়ে। সেইয়ে অঞ্চলৰ একালৰ সমূহ আছুৰ প্ৰাক্তন সতীৰ্থক উক্ত সভাত উপস্থিত থাকিবলৈ আহ্বায়ক সকলে এই প্ৰেচ বিবৃতিৰ জড়িয়তে আহ্বান জনাইছে।

### ছিপাঝাৰত কংগ্ৰেছ নেতাৰ আপলৈ জাঁপ দিয়াৰ কুচকাৱাজ

# নেতাহীন কংগ্ৰেছত অকলে কন্দৰ্পই পাৰিবনে বলে

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৭ মে' ঃ** ছিপাঝাৰ কংগ্ৰেছত ভেটি এতিয়া থানবান। যি সকল লেতেৰা নেতা এতিয়াও দলটোত নিষ্ক্ৰিয় ভাবে মনে মনে আছে সেই সকলে ৰাজনীতিৰ চাউল কংগ্ৰেছত শেষ বুলি নিশ্চিত হৈ অন্য দললৈ ঠেং মেলি জাপ দিয়াৰ বাবে সাজু হৈ থকা বুলি প্ৰকাশ। কিন্তু এই সকল ৰাইজে তিৰস্কৃত নেতাক অন্য দলবোৰে লগত লৈ খাল খান্দি ঘঁৰিয়াল পুহিব বিচৰা নাই। যাৰ বাবে ঠেং মেলি জাপ দিব বিচাৰিও জাপ দিব পৰা নাই। অৱশ্যে বিশেষ সূত্ৰে জনা মতে ৰাইজৰ মাজত বিশেষ ভাবে প্ৰভাৱ থকা বছা বছা কেইবা গৰাকীও কংগ্ৰেছ দলৰ নেতা-কৰ্মীয়ে অচিৰে আপলৈ ঢাপলি মেলিব। জানিব পৰা মতে ছিপাঝাৰ কংগ্ৰেছৰ অভেদ্য দুৰ্গ বুলি চিহ্নিত চেঙেলীয়াঝাৰত এগৰাকী জনপ্ৰিয় যুৱ নেতাৰ লগত কেইবা গৰাকীয়েও অৰবিন্দ কেজৰিয়ালৰ আপত অচিৰে যোগদান কৰিব ।যদি এনে হয় তেনেহ'লে কংগ্ৰেছৰ বাবে ই হ'ব বৃহৎ ক্ষতি ।চৰ্চা অনুসৰি ছিপাঝাৰ কংগ্ৰেছত দলটোৰ গ্ৰহণযোগ্য নেতা এতিয়া এজনেই আছে। তেওঁ হৈছে অসম ডবা সন্থাৰ সভাপতি তথা কংগ্ৰেছৰ সাধাৰণ সম্পাদক কন্দৰ্প কলিতা। যি গৰাকী নেতাৰ বিপৰীতে ছিপাঝাৰ কংগ্ৰেছত নেতা বুলি বিচাৰি পাব নোৱাৰি। আগন্তুক বিধান সভা নিৰ্বাচনকলৈ একো হা-না নকৰা কলিতাই ছিপাঝাৰৰ ৰাইজৰ মাজত সোমাই পৰা পৰিলক্ষিত হৈছে।বান দুৰ্যোগৰ সময়ত যুৱ নেতা গৰাকীয়ে ক্ষতিগ্ৰস্ত ৰাইজৰ মাজত গৈ খা-খবৰ লোৱা দেখা গ'ল যদিও লেতেৰা নেতা সকলে হয়তো ৰাইজৰ ওচৰত থিয় হ'বলৈ সাহস গোটাব নোৱাৰিলে। এই কথা থিক যে বিগত নিৰ্বাচনত ৰাইজ তিৰস্কৃত লেতেৰা নেতা সকলক দলীয় প্ৰাৰ্থী গৰাকীয়ে সকলো হৰ্তাকৰ্তা কৰি গাড়ীত ঘূৰাই লৈ ফুৰাত প্ৰাৰ্থী গৰাকী জয়ী হ'লে এই সকলেই আকৌ ৰাইজৰ আঁচনি গিলাৰ ভয়ত বিজেপিৰ প্ৰাৰ্থী গৰাকীকে ভোটদান কৰিবলৈ বাধ্য হৈছিল। যি কাম কলিতাৰ বাবে এক সকীয়নি হিচাপে প্ৰতিপন্ন হৈছে। যদি কংগ্ৰেছৰ টিকটত কলিতাই ২০২৬ৰ নিৰ্বাচনে খেলাৰ ইচ্ছা কৰে তেন্তে সময়ত কেনে কৌশলেৰে কলিতাই সকলোকে আকৃষ্ট কৰে ই হ'ব লক্ষণীয়। পৰৱৰ্তী খবৰ আগলৈ।

## তামুলপুৰত আম আদমী পাৰ্টীৰ যোগদান কাৰ্যসূচী



**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৭ মে' ঃ** আম আদমী পাৰ্টী চমূকৈ আপৰ এখন গুৰুত্বপূৰ্ণ সভা অলপতে তামুলপুৰ জিলা সদৰৰ তামুলপুৰ আঞ্চলিক হৰিমন্দিৰ প্ৰাংগণত অনুষ্ঠিত হয়। আপৰ স্বেচ্ছাসেৱক তামুলপুৰৰ উদীয়মান যুৱক পৱন দাসৰ নেতৃত্বত এই সভাতেই পঞ্চাশ ৰ অধিক লোকে অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আপ দলৰ নীতি আদৰ্শৰ প্ৰতি আকৰ্ষিত হৈ আপত যোগদান কৰে। আপ অসমৰ ৰাজ্যিক মিডিয়া সমন্বয়ক জয়ন্ত কুমাৰ কলিতা আৰু ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য সঞ্জীৱ কুমাৰ গয়াৰীৰ উপস্থিতিত অৰবিন্দ কেজৰিৱাল নেতৃত্বাধীন আপত যোগদান কৰি যথেষ্ট সুখী বুলি প্ৰকাশ কৰে নতুনকৈ আপত যোগদান কৰা কেইবাগৰাকী সদস্যই। সভাত চি ৰাই এছ এছৰ কামৰূপ মেট্ৰৰ সভাপতি চিজয় চন্দ্ৰ বড়োৰ উপৰিও বহু সংখ্যক লোক আৰু দলৰ অন্যান্য বিষয়ববীয়া সকল উপস্থিত থাকে ।

## ঘগ্ৰাপাৰৰ বিলপাৰত পশুধনক ছিটা প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৭ মে' ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বিলপাৰত আজি পশুধনক বিনামূলীয়াকৈ ছিটা প্ৰদান কৰা হয় । ঘগ্ৰাপাৰ ৰাজ্যিক পশু চিকিৎসালয়ৰ উদ্যোগত গাঁও খনৰ পশুপালকৰ সহযোগত গাঁওখনৰ প্ৰায় সমূহ গৰুকে ছিটাসমূহ প্ৰদান কৰা হ'ব যদিও আজি প্ৰায় ৭০ টা পশুধনক চৰকা ৰোগৰ প্ৰতিষেধক ছিটা দিয়ে। ঘগ্ৰাপাৰ ৰাজ্যিক পশু চিকিৎসালয়ৰ চিকিৎসক ডা° প্ৰতুল তালুকদাৰ তত্ত্বাৱধানত অনুষ্ঠান এই ছিটা প্ৰদান অনুষ্ঠান অংশগ্ৰহণ কৰে ক্ষেত্ৰ সহায়ক ৰুবুল আলী, কমল বেজবৰুৱা আৰু পশুসখী মিত্ৰ অৰ্চনা বৰ্মন আদিয়ে । গাওঁখনত এনেদৰে ছিটা প্ৰদান কৰাত গাওঁবাসীয়ে জিলা পশু চিকিৎসা বিষয়া অশ্বিনী কলিতাক বিশেষ ধন্যবাদ জনাইছে ।উল্লেখ যে ঘগ্ৰাপাৰ পশু চিকিৎসালয়ৰ অন্তৰ্গত প্ৰায় ৩৩ গাঁৱৰে পশুধনক এফ এম ডি ভেকচিন দিয়া হব বুলি ঞ্জানিব দিয়ে।

## মৰাণত ধৰ্ষণৰ অপচেষ্টা কৰা খুড়াকক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ; ২৭ মে' ঃ** মৰাণত মানৱ সমাজক লজ্জানত কৰা এক ঘটনা সংঘটিত হৈছে ।মৰাণৰ এগৰাকী ১২ বছৰীয়া কিশোৰীক ধৰ্ষনৰ অপচেষ্টা নিজ খুড়াকৰ । ডিব্ৰুগড় জিলা মৰাণ আৰক্ষী থানাৰ অন্তৰ্গত ১ নং ৰঙাগৰা নিবাসী বিনোদ মাছোৱা ( ৩২ )ই ঘৰত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি নিজা ভতিজীক যোৱা ২৪ মে' বিয়লি ২ বজাত ধৰ্ষন কৰিবলৈ চেষ্টা চলাইছিল ।ভতিজীয়ে লম্পট খুড়াকৰ কবলৰ পৰা নিজকে ৰক্ষা কৰি ঘৰৰ পৰা ওলাই যায় ।এই ঘটনাৰ সন্দৰ্ভত ঘৰত সকলোকে অৱগত কৰাত কিশোৰী গৰাকী পিতৃয়ে ২৫ মে'ত মৰাণ আৰক্ষী থানাত এজাহাৰ দাখিল কৰে। মৰাণ আৰক্ষীয়ে ৫৯/২০২২ নং গোচৰ পঞ্জীয়ন কৰি আ ভাৰতীয় দণ্ড বিধি আইনৰ ৪৪৭/৩৫৪(বি)/২৯৪ ধাৰা আৰু আৰ উব্লউ চেকচন পকছ' এক্টত [U/S 447/354 [ B ] / 294 IPC AND RWS 8 POCSO ACT] গ্ৰেপ্তাৰ কৰি কালি জেল হাজোতলৈ প্ৰেৰণ কৰিছে ।

## গোৱালপাৰা জিলা বন সংমণ্ডল প্ৰাধিকাৰী বিষয়াৰ বিৰুদ্ধে গোচৰ ৰুজু

### দমনী বালি মহলতো বেআইনীভাৱে পাইপ জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ২৭ মে' ঃ** গোৱালপাৰা জিলা বন সংমণ্ডল প্ৰাধিকাৰী বিষয়া, চমুকৈ ডি, এফ,অ,জিতেন্দ্ৰ কুমাৰে দমনীৰ এক নবেম্বৰত বালি মহলাৰ পৰা বেআইনী ভাৱে ১৯ ডালকৈ পষ্টিকৰ পাইপ উঠাই অনাৰ লগতে এছকে ভেটৰ এখনৰ ক্ষতি সাধন কৰা বুলি গুৰুতৰ অভিযোগ উত্থাপন হৈছে। এই সন্দৰ্ভত ডি এফ অ গৰাকীৰ বিৰুদ্ধে গোৱালপাৰা মুখ্য ন্যায়ীক দ'াধীশৰ আদালত এটা গোচৰ ৰুজু কৰা তথ্য পোহৰলৈ আহিছে। প্ৰাপ্ত তথ্য মতে যোৱা ১৬ মেৰ আবেলি ৫:৩০ বজাত বন বিষয়া গৰাকীয়ে দমনীৰ ১নং বালি মহলাত প্ৰৱেশ কৰি তাত থকা এ এছ ০ ১ এল চি ৯৩৬৮ নম্বৰৰ এছকেভেটৰ খনৰ তাৰ সমূহ ইচ্ছাকৃতভাৱে কাটি বিস্তৰ ক্ষতি কৰে। লগতে নৈৰ কাষত থকা বালি উঠোৱা কামত ব্যৱহাৰ কৰা ২০ ফুট দীঘল ১৯ডাকৈ পষ্টিকৰ পাইপ উঠাই অনে। উল্লেখ্য যে দমনীৰ ১ নং বালি মহলাতো বিভাগীয় নিয়ম মতে ৬ বছৰৰ বাবে তপন চন্দ্ৰ দৈমাৰীৰ নামত চৰকাৰে আবন্টন দিছে। উক্ত মহলটোত মেচিন বহুৱাই বালি উঠোৱাৰ বাবে শ্ৰমিক নিয়োগৰ লগতে গাড়ী ব্যৱহাৰ কৰি জীৱিকা নিৰ্বাহ কৰি আহিছে লগতে লডিং ইউনিটৰ পৰিচালক মকিবৰ ৰহমানে। কিন্তু বন বিষয়া গৰাকীয়ে বেআইনী ভাৱে চৰকাৰী ভাৱে আৱন্টিত বালি মহলটোৰ পৰা পাইপ উঠাই অনাৰ লগতে এছকে ভেটৰৰ তাৰ কাটি নষ্ট কৰা বুলি এক গুৰুতৰ অভিযোগ উত্থাপন কৰিছে পৰিচালক মকিবৰ ৰহমানে। সেয়েহে বাহন খনৰ একলাখ বিশ হাজাৰ টকাৰ ক্ষতি কৰাৰ লগতে সাতাৱান্ন হাজাৰ টকা মূল্যৰ পাইপ উঠাই অনাৰ অভিযোগ উত্থাপন কৰি যোৱা ১৮ মেত মহলটোৰ পৰা বালি উঠোৱাৰ দ্বায়িত্বত থকা মাটিয়া থানাৰ অন্তৰ্গত বামুন পাৰাৰ ইছলাম আলীৰ পুত্ৰ মকিবৰ ৰহমানে গোৱালপাৰাৰ ডি এফ অ জিতেন্দ্ৰ কুমাৰৰ বিৰুদ্ধে ভাৰতীয় দ'বিধি ৩৭৯য৪২৫ ধাৰাত গোৱালপাৰাৰ মুখ্য ন্যায়ীক দ'াধীশৰ আদালত গোচৰ ৰুজু কৰিছে।

## নলনীপাম পুথিভঁৰাল'-যুৱ সংঘৰ ভূমি বেদখল কৰিবলৈ চেষ্টা কৰা অসাধু চক্ৰক সকীয়নি নলনীপাম পুথিভঁৰালৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ২৭ মে' ঃ** নলনীপাম পুথি ভৰাল আৰু যুৱ সংঘৰ নামত থকা ভূমি এক অসাধু চক্ৰই ধেমাজি তিৰা কৃষ্টি ভৱনৰ নামত নামজাৰি কৰিবলৈ লোৱা অভিযোগ তুলিছে নলনীপাম যুৱ সংঘ আৰু পুথি ভৰাল সমিতিয়ে । সেই সম্পৰ্কে কালি দিনৰ ৩-০০ বজাত নলনীপাম গাঁৱৰ যুৱ সংঘ আৰু পুথিভঁৰাল সমিতিয়ে ধেমাজি প্ৰেছ ক্লাৱত এক সংবাদ মেল সম্বোধন কৰে। উক্ত সংবাদ মেলত যুৱ সংঘৰ সম্পাদক কৃষ্ণ বৰদলৈয়ে কয় যে— নলনীপাম গাৱঁৰ কেইজনমান শিক্ষিত, দূৰদৰ্শী ব্যক্তিৰ প্ৰচেষ্টতে জন্মলাভ কৰিছিল 'নমনীপাম পুথিভঁৰাল। জন্মলগ্নৰে পৰা ৮০-৯০ দশকৰ সময়চোৱাত অঞ্চলটিৰ দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যালয়েৰ শিক্ষা গ্ৰহণৰ পাছতে আজৰি সময়চোৱাত কিতাপ পঢ়ি সময় অতিবাহিৰত কৰাৰ লক্ষ্যৰে নলনীপাম পুথিভৰালৰ প্ৰতিষ্ঠা কৰা হয়। উল্লেখ কৰিব পাৰি যে যদিও একবিংশ শতিকাত বিজ্ঞান আৰু প্ৰযুক্তিৰ সময়ত পুঁথিভৰালৰ প্ৰয়োজনীয়তা হ্ৰাস পাইছে তথাপিও নমনীপাম পুঁথিভৰালৰ জৰিয়তে যথেষ্ট ছাত্ৰছাত্ৰীয়ে উপকৃত হৈ আহিছে । ইয়াৰ উপৰিও এই পুথিভঁৰাল সন্মুখৰ ভূমিত এখন দৈনিক বজাৰ বহোৱাই দিয়া হৈছে ।আৰু এই বজাৰ পাৰ উপাৰ্জন হোৱা ধনেৰে এখন ৰোগী সকলৰ সুবিধাৰ কাৰণে এম্বুলেন্স দিয়া হৈছে আৰু মৃত লোক সকলক সৎকাৰ হতু বিনামূলীয়াকৈ খৰিৰ যোগান ধৰি অহা হৈছে । সংবাদ মেলত সমিতিৰ সভাপতি আদিত্য কোঁচে উল্লেখ কৰে যে— এনে এখন মহৎ অনুষ্ঠানক নস্যাৎ কৰি কেৱল কেইজন মান লোকে ব্যক্তিগত স্বাৰ্থ পুৰণ অৰ্থে ধেমাজি 'নলনীপাম পুঁথিভঁৰালৰ নামত থকা দাগ নং ১৯০ মাটিকালি ৩ কঠা ৭ লোচা মাটি বে-দখল কৰিব বাবে চেষ্টা চলাই আহিছে বুলি উল্লেখ কৰে। ইফালে নলনীপাম পুথিভঁৰালৰ নামত থকা মাটিৰ প্ৰমাণ প্ৰত্ৰ দেখুৱাই কয় যে— কিবা কাৰণত যদি এই মাটি ধেমাজি ৰাজহ চক্ৰ বিভাগে অন্যলোকলৈ হস্তান্তৰ কৰে তাৰবাবে দায়ি নিশ্চয় প্ৰশাসন হ'ব বুলিও সাংবাদিকৰ আগত মত প্ৰকাশ কৰে ।ইফালে এনে কাৰ্য্যত লিপ্ত হোৱা লোকক অসাধু চক্ৰ বুলি অভিহিত কৰে।

## বঙাইগাঁৱত ৩ জুনৰ পৰা মাৰোৱাৰী যুৱ মঞ্চৰ উদ্যোগত বিনামূলীয়া কৃত্ৰিম অংগদান আৰু কেলিপাৰ প্ৰত্যাৰোপণ শিবিৰৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২৭ মে' ঃ** বঙাইগাঁও শাখা মাৰোৱাৰী যুৱ মঞ্চৰ উদ্যোগত অহা ৩ জুনৰ পৰা ৫ জুন লৈকে এক বিনামূলীয়া কৃত্ৰিম অংগদান আৰু কেলিপাৰ প্ৰত্যাৰোপণ শিবিৰৰ আয়োজন কৰা হৈছে । উত্তৰ বঙাইগাঁওস্থিত মাৰোৱাৰী যুৱ মঞ্চ সেৱা ভৱনত আয়োজন কৰা হৈছে এই বিনামূলীয়া শিবিৰৰ । ইতিমধ্যে এই শিবিৰত যোগদানৰ বাবে ২ মে'ৰ পৰা পঞ্জীয়ন আৰম্ভ হৈছে আৰু অহা ২৮ মে' লৈকে এই পঞ্জীয়ন চলিব । বৰ্তমানলৈকে ১০০ জনে নিজৰ নাম পঞ্জীয়ন কৰিছে । মাৰোৱাৰী যুৱ মঞ্চৰ লক্ষ্য হৈছে ১৫০ জন ব্যক্তিক এই বিনামূলীয়া কৃত্ৰিম অংগদান কৰা ।ইপিনে মাৰোৱাৰী যুৱ মঞ্চৰ বঙাইগাঁও শাখা কাৰ্যালয়ত বৃহস্পতিবাৰে এক সংবাদমেলৰো আয়োজন কৰা হয় । যি সকল ব্যক্তিৰ কৃত্ৰিম অংগৰ প্ৰয়োজন অথচ এতিয়াও পঞ্জীয়ন কৰা নাই তেওঁ লোকক ২৮ মে'ৰ ভিতৰত পঞ্জীয়ন কৰিবলৈ অনুৰোধ জনোৱা হয় সংবাদ মেলত ।লগতে জনোৱা অনুসৰি বঙাইগাঁও জিলাৰ বাহিৰেও পাৰ্শ্বৱৰ্তী চিৰাং , কোকৰাঝাৰ, গোৱালপাৰা আৰু বৰপেটা জিলাৰ লোক সকলেও এই শিবিৰত পঞ্জীয়ন কৰিব পাৰিব। উল্লেখ্য যে জন্মৰ পৰা অথবা কোনো দুৰ্ঘটনাজনিত কাৰণত হাত, ভৰি অংগ হেৰুওৱা লোক সকলক এই শিবিৰত প্ৰদান কৰা হ'ব বিনামূলীয়া কৃত্ৰিম অংগ। সংবাদমেলত এই শিবিৰৰ আহ্বায়ক গোবিন্দ আগৰৱালা আৰু অংকিত বাজাজ , মাৰোৱাৰী যুৱ মঞ্চৰ বঙাইগাঁও শাখাৰ সভাপতি মনীষ লাখোটীয়া আৰু সাধাৰণ সম্পাদক মুকুল জৈন, নিৰ্মল কুমাৰ বৈদসহ আৰু কেবাজনো কৰ্মকৰ্তা উপস্থিত থাকে । উল্লেখ্য যে বঙাইগাঁৱৰ ওপৰিও মাৰোৱাৰী যুৱ মঞ্চৰ যোৰহাট, সোনাৰি, নলবাৰী, বিলাসীপাৰা শাখাৰ উদ্যোগতো এই বিনামূলীয়া কৃত্ৰিম অংগদানৰ শিবিৰৰ আয়োজন কৰা বুলি জনায় সংবাদমেলত।

## শ্ৰীশ্ৰী জৰাবাৰী সত্ৰত গৌৰীকান্ত দেৱগোস্বামীৰ পঞ্চদশ তিৰোতাই তিথি আৰু অবিৰত ভাগৱত পাঠৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা , আমগুৰি, ২৭ মে' ঃ** শিৱসাগৰ জিলাৰ আমগুৰিৰ সমীপৰ ঐতিহাসিক জৰাবাৰী সত্ৰৰ ষষ্ঠ গৰাকী সত্ৰাধিকাৰ গৌৰীকান্ত দেৱগোস্বামীৰ পঞ্চদশ তিৰোভাৱ তিথি অহা ৯ জুনত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। তিথিৰ লগত সংগতি ৰাখি জৰাবাৰী গাঁৱবাসী , স্থানীয় ধৰ্মপ্ৰাণ ৰাইজ আৰু ভাগৱত পাঠ অনুষ্ঠান উদযাপন সমিতিৰ সহযোগত অহা ৫ জুনৰ পৰা ৮ জুনলৈ চাৰিদিনীয়া অবিৰত ভাগৱত পাঠ অনুষ্ঠিত কৰিবলৈ লোৱা হৈছে। এই উপলক্ষে প্ৰকাশিত কাৰ্যসূচী অনুযায়ী ৫ জুনৰ পুৱা পৰিবেশ নিকাকৰণ, পুৱা ৭ বজাত ভাগৱত পাঠ উদযাপন সমিতিৰ সভাপতি পুতুল গগৈৰ দ্বাৰা ধৰ্মধ্বজ্জা উত্তোলন, ৭-৩০ বজাত উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি সুনীল দাসৰ দ্বাৰা গৌৰীকান্ত দেৱগোস্বামীৰ প্ৰতিমুৰ্তি স্মৃতি তত্পৰ, ৮ বজাত ভাগৱত ভ্ৰমণ, ৯বজাত ভাগৱত প্ৰতিষ্ঠা, ১০ বজাত নাম প্ৰসংগ, পুৱা ১১ বজাত ভাগৱত পাঠৰ শুভাৰম্ভ আৰু সন্ধিয়া সমূহীয়া বন্তি প্ৰজ্বলনেৰে ৯ জুনলৈকে অবিৰত ভাগৱত পাঠ অনুষ্ঠান অনুষ্ঠিত হ'ব। ৯ জুনৰ পুৱা ৮ বজাত ভাগৱত পাঠৰ সামৰণি, ৯ বজাত নাম প্ৰসংগ, বিয়লি ৪ বজাত ধৰ্মধ্বজ্জা সম্বৰণ, সন্ধিয়া ৭ বজাত ভাওনা উদ্বোধন কৰিব জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰী মুৰব্বী অধ্যাপক চন্দন দত্তই, ৭-৩০ বজাত গায়ন-বায়ন আৰু ৰাতি ৮ বজাৰ পৰা সদৌ অসম ভিত্তিত অনুষ্ঠিত মাজুলী ভাওনা সমাৰোহ ২০২২ বৰ্ষৰ প্ৰথম শ্ৰেষ্ঠ ভাওনা দল ফুলপানীছিগা অৰুণোদয় সাংস্কৃতিক গোষ্ঠীয়ে প্ৰদৰ্শন আৰু জৰাবাৰীৰ কাকু ডেকাৰ পৰিয়াল বৰ্গই আগবঢ়োৱা নাট ' শ্ৰী শ্ৰী ৰাম পৰাজয়, সীতাৰ পাতাল গমন' ভাওনা প্ৰদৰ্শনেৰে কাৰ্যসূচীৰ সামৰণি পৰিব। অনুষ্ঠানৰ সমূহ কাৰ্যসূচীতে সকলো ধৰ্মপ্ৰাণ ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি উদযাপন সমিতিৰ হৈ সভাপতি পুতুল গগৈ আৰু সাধাৰণ সম্পাদক দিলীপ ঢেকিয়াল ফুকনে কামনা কৰিছে।

## নগাঁৱত বানাক্ৰান্ত লোকৰ মাজত ভাৰতীয় জনতা যুৱ মৰ্চাৰ বান সাহায্য বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৭ মে' ঃ** ভাৰতীয় জনতা যুৱ মৰ্চাৰ নগাঁও জিলা সমিতিয়ে কালি জিলা খনৰ বানপানীয়ে বিধস্ত কৰা অঞ্চল সমূহ পৰিভ্ৰমণ কৰি বানাক্ৰান্ত ৰাইজৰ পৰিস্থিতিৰ বুজ লোৱাৰ লগতে বানাক্ৰান্ত লোক সকলৰ মাজত বান সাহায্য বিতৰণ কৰে। মৰ্চাৰ নগাঁও জিলা সমিতিৰ সভাপতি সুন্দৰ শৰ্মাৰ নেতৃত্বত যোৱা দলটোৱে জিলাখনৰ নিজ কঠিয়াতলী পঞ্চায়তৰ অন্তৰ্গত জুমুৰমূৰ মিলন বিদ্যাপীঠৰ আশ্ৰয় শিবিৰ আৰু তেতেলিসৰা পঞ্চায়তৰ পলশাত বানাক্ৰান্ত ৰাইজৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰে। কালিৰ কাৰ্যসূচীত যুৱ মৰ্চাৰ ৰাজ্যিক সভাপতি সিদ্ধাৰ্ক্ষু অংকুৰ বৰুৱা, জিলা সভাপতি সুন্দৰ শৰ্মা, নগাঁও জিলা বিজেপিৰ সভাপতি অভিজিত নাথকে ধৰি বিজেপিৰ জনতা যুৱ মৰ্চাৰ কৰ্মকৰ্তা সকল উপস্থিত থাকে । উল্লেখ্য, নগাঁও জিলা জনতা যুৱ-মৰ্চাই বিগত দুসপ্তাহদিন ধৰি নগাঁও জিলাৰ বিভিন্ন স্থানৰ বানাক্ৰান্ত ৰাইজৰ মাজত থাকি বিভিন্ন ধৰণে সহায় - সাহায্য প্ৰদান কৰি আহিছে।

# ৰহাৰ বানাক্ৰান্তলৈ সহায়ৰ হাত আগবঢ়ালে সাংবাদিকৰ লগতে নগাঁৱৰ অনুসূচিত জাতিৰ কেইবাটিও জাতীয় সংগঠনে ঃ খাদ্য সামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২৭ মে' ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ দৰে নগাঁও জিলাৰ ৰহা, বঢ়মপুৰ আৰু নগাঁও সদৰ সমষ্টিৰ বিভিন্ন অঞ্চলত কপিলী আৰু বৰপানী নদীৰ প্ৰলয়ংকাৰী বানে বিস্তৃত অঞ্চল ডুবাই পেলোৱাত কৃষক ৰাইজৰ লগতে হাজাৰ হাজাৰ লোক বাৰুকৈয়ে ক্ষতিগ্ৰস্ত হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ৰহা সমষ্টিৰ বিস্তৃত অঞ্চলৰ সৰ্বসাধাৰণ ৰাইজ এই প্ৰলয়ংকাৰী বানত ঘৰ-দুৱাৰ এৰি আশ্ৰয় লৈছে বিদ্যালয়, নামঘৰ তথা অন্যান্য ওখ ঠাইত । বৃহৎ অঞ্চলটোৰ জনসাধাৰণৰ ঘৰ-দুৱাৰ, পোহনীয়া জীৱ-জন্তুৰ লগতে নষ্ট হৈছে খেতি-খোলাও। এই বানাক্ৰান্ত অঞ্চলৰ ভিতৰত দুৰ্গাজান ,জাকৰুৱা আৰু দেওবালিত আশ্ৰয় শিবিৰত থকা জনতাৰ মাজত বৃহস্পতিবাৰে অকনি সহানুভূতিৰ হাত আগবঢ়াইছে সাংবাদিকৰ লগতে নগাঁৱৰ কেইবাটাও জাতীয় সংগঠনে। সাংবাদিক কল্লোল শইকীয়া আৰু সদৌ অসমীয়া কৈৱৰ্ত সন্মিলনীৰ নগাঁও জিলা সমিতি, কৈৱৰ্ত সাহিত্য আৰু সাংস্কৃতিক সভা নগাঁও জিলা, অনুসূচিত জাতি পৰিষদ নগাঁও জিলা, অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ আৰু নিউজ চেভেন অসম এন ইৰ যৌথ উদ্যোগত দুইশতাধিক বানাক্ৰান্তৰ মাজত খাদ্য সামগ্ৰী বিতৰণ কৰে। সমাজকৰ্মী তথা সাংবাদিক কল্লোল শইকীয়া, চাৰিওটা সংগঠনৰ নেতৃবৰ্গ মনোৰঞ্জন দাস, গৌতম শইকীয়া, জয়ন্ত কুমাৰ দাস, সঞ্জিৱ দাস, প্ৰাঞ্জল দাস, দীপ দাস আৰু জেষ্ঠ সাংবাদিক কাচেম আহমেদকে ধৰি কেইবাগৰাকী বিষয়ববীয়াই এই বিতৰণ কাৰ্যসূচীত উপস্থিত থাকে। উল্লেখ্য যে, সাংবাদিক কল্লোল শইকীয়া তথা সংগঠনকেইটাই বিগত আঠদিনে নগাঁও জিলাৰ বানবিধস্ত এলেকা সমূহৰ সহস্ৰাধিক বানাক্ৰান্তৰ মাজত বান সাহাৰ্য বিতৰণ কৰি আহিছে ।

# প্ৰথম পৃষ্ঠাৰ পৰা—

## কুৰি দেশত দ্বিশতক

ৰোগৰ সংক্ৰমণৰ অধিক ঘটনা ঘটিছে। স্বাস্থ্য সংস্থাটোৱে মংকীপক্স ৰোধ কৰিবলৈ কিছুদিন পূৰ্বে ভেকচিন আৰু ঔষধৰ ভাণ্ডাৰ সৃষ্টি কৰিবলৈ দেশসমূহক পৰামৰ্শ দিছিল। মংকীপক্সৰ প্ৰাদুৰ্ভাৱৰ বিষয়ে এতিয়াও বহু কথা জানিবলগীয়া আছে বুলি মন্তব্য কৰি স্বাস্থ্য সংস্থাটোৱে ৰোগবিধৰ সন্দৰ্ভত সকলোকে সতৰ্ক হৈ থকাৰ আহ্বান জনাইছে। বিশ্ব স্বাস্থ্য সংস্থাৰ মহামাৰী আৰু মহামাৰী ৰোগৰ সঞ্চালক ডাঃ চিলভি ব্ৰিয়াণ্ডে কয় যে ভাইৰাছবিধৰ প্ৰকৃতি ভালদৰে অনুধাৱন কৰিব লাগিব। মংকীপক্সৰ সংক্ৰমণ ইতিমধ্যে ইউৰোপৰ ইংলেণ্ড, জাৰ্মানী, ফ্ৰান্স, বেলজিয়াম, চুইডেন, ইটালীলৈ বিয়পি পৰিছে। এই ৰোগটো আমেৰিকা যুক্তৰাজ্য, কানাডা আৰু অষ্ট্ৰেলিয়াতো পোৱা গৈছে। ভাৰতৰ কেন্দ্ৰীয় চৰকাৰে মংকীপক্সৰ বিষয়ে দেশবাসীক সতৰ্ক কৰি দিছে। বিদেশৰ পৰা অহা বহু লোকক ভাৰত পোৱাৰ পিছতে স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰা হৈছে। এই ৰোগৰ তীব্ৰতা স্মলপক্সতকৈ কম। কিন্তু চিকেনপক্সতকৈ অধিক। জ্বৰ, হাত আৰু ভৰিৰ বিষ, গোটেই শৰীৰত জোলা বন্ধা আদি লক্ষণসমূহে দেখা দিয়ে। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে, কিছুমান লোকৰ ক্ষেত্ৰত ৰোগ বিয়পাৰ হাৰ তুলনামূলকভাৱে অধিক। এইটোও সন্দেহ কৰা হয় যে ৰোগটো যৌনকাৰ্যৰ দ্বাৰা বিয়পে, বিশেষকৈ সমকামী পুৰুষৰ মাজত মংকীপক্সৰ সংক্ৰমণৰ আশংকা বেছি। বিপৰীত লিংগৰ যৌন মিলনৰ দ্বাৰাও এই ৰোগ বিয়পিব পাৰে, যদিহে কোনোবা এগৰাকীৰ দেহত এই ভাইৰাছ থাকে। মংকীপক্সত আক্ৰান্ত লোকৰ ৰোগবিধত মৃত্যু হোৱাৰ আশংকা কম, কিন্তু ব্যক্তিভেদে ৰোগবিধে বিষম পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে। যিসকল লোকৰ ৰোগ প্ৰতিৰোধৰ ক্ষমতা কম তেনে লোক এই ৰোগবিধত আক্ৰান্ত হ’লে জটিলতা বৃদ্ধি পাব পাৰে।

## নগাঁৱত ৭২ ঘণ্টাত ৩টাকৈ

ইয়াৰ পিছতে নগাঁও সদৰ আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। বৰ্তমানলৈকে মৃতদেহটো চিনাক্ত কৰিব পৰা হোৱা নাই। প্ৰায় ৪৫ বছৰ বয়সৰ ব্যক্তিগৰাকীক কোনো লোকে হত্যা কৰি মৰিকলং বিলত পেলাই থৈ যোৱাৰ সন্দেহ কৰিছে স্থানীয় ৰাইজে। আনহাতে বিগত ৭২ ঘণ্টাত নগাঁৱত ৩টাকৈ মৃতদেহ উদ্ধাৰৰ ঘটনাই ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছে। প্ৰথমটো মৃতদেহ উদ্ধাৰ হৈছিল নগাঁও চহৰৰ মাজমজিয়াৰ নেহৰুবালিত। নগাঁৱৰ ইংলিছপট্টি অঞ্চলৰ পৰা সন্ধানহীন হৈ থকা চেণ্টু পাঠক নামৰ যুৱকজনৰ মৃতদেহ ক্ষত-বিক্ষত অৱস্থাত নগাঁও জিলা উপায়ুক্তৰ কাৰ্যালয় আৰু নগাঁও আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ৰ একেবাৰে ওচৰৰ নেহৰুবালিত উদ্ধাৰ হৈছিল দুদিন পিছত। বন্ধুৱে ফোনযোগে মাতি আনি হত্যা কৰাৰ অভিযোগ তুলিছিল চেণ্টুৰ পৰিয়ালে। ইয়াৰ পিছতে বৃহস্পতিবাৰে পুৱা নগাঁও চহৰৰ সমীপৱৰ্তী পাঠৰীত পৱন বৰা নামৰ এজন যুৱকৰ মৃতদেহ উদ্ধাৰ কৰা হৈছিল। আগনিশা ৫ বন্ধুৱে সুৰাৰ পাৰ্টী কৰিবলৈ আহি যুৱকজনক হত্যা কৰাৰ কথা পোহৰলৈ আহে আৰক্ষীৰ তদন্তত। আৰক্ষীয়ে হত্যাকাণ্ডত জড়িতৰ সন্দেহত তাইজুদ্দিন আহমেদ, জোন আলী আৰু কেশৱানন্দ কেওটক গ্ৰেপ্তাৰ কৰিছে। কিন্তু এতিয়াও পলাতক হৈ আছে মৃত পৱনৰ দুই বন্ধু। আনহাতে বৰ্তমানলৈকে নগাঁও আৰক্ষীয়ে চেণ্টু পাঠকৰ হত্যাকাৰীৰ কোনো শুংসূত্ৰ পোৱা নাই। বটদ্ৰৱা থানা আক্ৰমণৰ পিছতে হঠাৎ নগাঁও চহৰত অপৰাধজনিত কাৰ্যকলাপ বৃদ্ধি পোৱা কাৰ্যই চিন্তিত কৰি তুলিছে নগাঁৱৰ সাধাৰণ ৰাইজক।

**ৰহাৰ দীঘলীডুবাত পানীত বুৰি কিশোৰীৰ মৃত্যু**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা ঃ** ৰহা ৰাজহ চক্ৰ তথা মাগুৰগাঁও পঞ্চায়তৰ দীঘলীডুবাত বাঢ়নী পানীত নাৱৰ পৰা পৰি আজি এজনী কিশোৰীৰ মৃত্যু। মৃত কিশোৰীগৰাকীৰ নাম ফাতেমা খাতুন (১২)। ঘটনাৰ বিৱৰণী মতে কিশোৰীগৰাকীয়ে দুজনী লগৰীয়াৰ সৈতে নাও চলাই ওচৰৰ পৰা খোৱাপানী আনিবলৈ যাওঁতেই এই অঘটন সংঘটিত হয়। পাছত স্থানীয় ৰাইজে পানীৰ পৰা জাল মাৰি বিলৰ মাজৰ পৰা উদ্ধাৰ কৰিছে কিশোৰীগৰাকীৰ মৃতদেহ।

## ভাৰতৰ সৰ্ববৃহৎ ড্ৰোন

পাকিস্তানৰ দৰে দেশে ড্ৰোন ব্যৱহাৰ কৰি ভাৰতৰ বিৰুদ্ধে চোৰাংচোৰাগিৰি কৰি আহিছে। কাশ্মীৰত ড্ৰোনৰ সহায়তে পাকিস্তানে সন্ত্ৰাসবাদীক অস্ত্ৰৰ যোগান ধৰি আহিছে। এনে সময়তে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজধানী চহৰ নতুন দিল্লীত ভাৰতৰ সৰ্ববৃহৎ ড্ৰোন মহোৎসৱৰ উদ্বোধন কৰে। ২৭ আৰু ২৮ মে’ত দুদিনীয়াকৈ এই মহোৎসৱ চলিব। মোদীয়ে আজি দিল্লীৰ প্ৰগতি ময়দানত ভাৰতৰ সৰ্ববৃহৎ ড্ৰোন মহোৎসৱ-২০২২ উদ্বোধন কৰি বিভিন্ন খণ্ডৰ ব্যক্তিৰ সৈতে ড্ৰোন প্ৰযুক্তি সন্দৰ্ভত আলোচনা কৰে। মোদীয়ে তেওঁৰ টুইটাৰত কৈছে– ‘উন্নত ড্ৰোন প্ৰযুক্তিৰ ষ্টাৰ্টআপকে ধৰি মুখ্য অংশীদাৰসকলক একত্ৰিত কৰাৰ বাবে এই প্ৰদৰ্শনীৰ আয়োজন কৰা হৈছে। মই প্ৰযুক্তি আৰু উদ্ভাৱনৰ প্ৰতি আগ্ৰহী সকলোকে এই কাৰ্যসূচী চাবলৈ অনুৰোধ জনাইছো।’ ভাৰতৰ এই প্ৰদৰ্শনীত বিদেশী কূটনীতিক, সশস্ত্ৰ বাহিনী, কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী, পিএছইউ, ব্যক্তিগত কোম্পানী আৰু ড্ৰোন ষ্টাৰ্টআপকে ধৰি ১,৬০০তকৈও অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব বুলি প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ে জানিবলৈ দিয়ে। প্ৰদৰ্শনীখনত ৭০জনতকৈও অধিক প্ৰদৰ্শকে ড্ৰোনৰ বিভিন্ন কলা-কৌশল প্ৰদৰ্শন কৰে। মহোৎসৱত ড্ৰোন পাইলটৰ প্ৰমাণ-পত্ৰ, সামগ্ৰী মুকলি, পেনেল আলোচনা, উৰণ প্ৰদৰ্শন, মেড ইন ইণ্ডিয়া ড্ৰোন টেক্সি প্ৰটোটাইপ আদি প্ৰদৰ্শনৰ দিহা কৰা হৈছে। কেৱল নিৰাপত্তাজনিত কাৰণতে নহয়, কৃষিকে ধৰি বিভিন্ন ক্ষেত্ৰত ড্ৰোনৰ ব্যাপক ব্যৱহাৰ হ’বলৈ আৰম্ভ কৰিছে। এই মাহৰ আৰম্ভণিতে, অসামৰিক বিমান পৰিবহণ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই নীতি আয়োগত এটা ড্ৰোন ষ্টুডিঅ’ মুকলি কৰিছিল। ইয়াত ড্ৰোন শক্তি আৰু কিষাণ ড্ৰোন শীৰ্ষক দুটা বিশেষ শাখা আছে। কিষাণ ড্ৰোনৰ ক্ষেত্ৰত কৃষক আৰু কৃষক সংগঠনসমূহক কৃষিৰ উন্নয়নৰ বাবে ড্ৰোনৰ বাণিজ্যিক ব্যৱহাৰৰ বিষয়ত গুৰুত্ব আৰোপ কৰা হৈছে। ড্ৰোনৰ সহায়ত কৃষিকাৰ্য চলালে কৃষি উৎপাদন বৃদ্ধিৰ নতুন পথ বিচাৰি পোৱা যাব বুলি আশা কৰা হৈছে।

## ধুবুৰী আদালতৰ চৌহদত

আদালতত এক অভাৱনীয় পৰিৱেশৰ সৃষ্টি হয়। নাভূত-নাশ্ৰুত ঘটনাৰ সূত্ৰপাতৰ ঘটনাই অকস্মাতে আদালতৰ চৌহদত ধুবুৰীৰ কলেজ নগৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰজ্যোতি নাথৰ আদালতৰ একাংশ অধিবক্তাৰে দুৰ্বাদল কাজিয়াৰ সৃষ্টি হয়। ধুবুৰী অধিবক্তা সংঘৰ সম্পাদক আব্দুল চামাদে কৰা অভিযোগ অনুসৰি আজি আৰক্ষী বিষয়াগৰাকীয়ে গো-সৰবৰাহকাৰীৰ অভিযোগত গ্ৰেপ্তাৰ কৰা ৫জন ব্যক্তিৰ এজন অধিবক্তাক আদালতলৈ অনা হৈছিল। পিছত উক্ত গোচৰটোৰ আই অ’ ৰূপে থকা বিষয়াগৰাকীয়ে আদালতলৈ অনা সেই অধিবক্তাজনক ডাবি-ধমকি দিয়া দেখা পায় ধুবুৰী আদালতৰ অইন এগৰাকী জ্যেষ্ঠ অধিবক্তা জমশেৰ তালুকদাৰে। তেতিয়া নিজৰ চৰকাৰী খাকী পোছাকত নথকা সেই আৰক্ষী বিষয়াগৰাকীক সংযত হ’বলৈ আহ্বান জনায় অধিবক্তা তালুকদাৰে। অভিযোগ অনুসৰি লগে লগে জাঙুৰ খাই ধুবুৰীৰ কলেজ নগৰৰ ভাৰপ্ৰাপ্ত বিষয়াগৰাকীয়ে নিজৰ ছাৰ্ভিচ পিষ্টল উলিয়াই আদালতৰ বাৰাণ্ডাতে অধিবক্তা জমশেৰ তালুকদাৰক ভাবুকি প্ৰদান কৰে বুলি মন্তব্য প্ৰকাশ কৰে অধিবক্তাগৰাকীয়ে। এই ঘটনাক লৈ আদালতত উপস্থিত অধিবক্তাসকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। পিছত আদালতলৈ ধুবুৰীৰ আৰক্ষী অধীক্ষক অভিজিৎ গৌৰৱ দিলীপ উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। ইপিনে এই ঘটনাটোক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে ধুবুৰী অধিবক্তা সন্থাই আৰু সন্থাৰ সম্পাদক আব্দুল চামাদে। অনতিপলমে আৰক্ষী বিষয়া নাথক নিলম্বন কৰাৰ বাবে সংবাদ মাধ্যমৰ যোগেদি ধুবুৰীৰ আৰক্ষী অধীক্ষকৰ ওচৰত দাবী জনাইছে। সেয়েহে আজি ধুবুৰী আৰক্ষী অধীক্ষক অভিজিত গৌৰৱ দিলীপে কয় যে কালি যি ঘটনাটো সংঘটিত হৈছে সেয়া এক দুৰ্ভাগ্যজনক। গতিকে অতি সোনকালেই সেয়া উচিত তদন্ত কৰা হ’ব বুলি মন্তব্য প্ৰকাশ কৰে ধুবুৰী আৰক্ষী অধীক্ষকগৰাকীয়ে।

## নিমহান্‌ছৰ সম পৰ্যায়ৰ হ’ব

হ’ব অসমৰ একমাত্ৰ আঞ্চলিক মানসিক চিকিৎসা প্ৰতিষ্ঠানখন। চুপাৰ স্পেচিয়েলিটি হাস্পতাল নিৰ্মাণৰে ৰাজ্যৰ স্বাস্থ্যখণ্ডৰ উন্নতীকৰণৰ লক্ষ্য ৰাজ্য চৰকাৰৰ। তেজপুৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানক ভাৰতৰ দ্বিতীয়খন স্বাস্থ্য প্ৰতিষ্ঠানলৈ উন্নীত কৰণৰ বাবেও প্ৰস্তাৱ লোৱা হৈছে। আজি তেজপুৰৰ গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানত অব্যাহত থকা আন্তঃগাঁথনি উন্নয়নৰ প্ৰথম পৰ্যায়ৰ কামকাজৰ বুজ লৈ এইদৰে কয় স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই। উল্লেখ্য, ১৮৭৬ চনত তেজপুৰত প্ৰতিষ্ঠা লাভ কৰা এই মানসিক চিকিৎসালয়খনত বিগত সময়ছোৱাত চৰকাৰী বিভিন্ন আঁচনিৰ জৰিয়তে লাভ কৰা পুঁজিৰ অধীনত বিভিন্ন আন্তঃগাঁথনি কাম অব্যাহত ৰখাৰ সমান্তৰালভাৱে অত্যাধুনিৰ সা-সজুলিৰে কেৱল অসমৰে নহয়, উত্তৰ পূৰ্বাঞ্চলৰ লগতে বিহাৰ, পশ্চিমবংগ আদি আন আন ৰাজ্যৰ মানসিক ৰোগীকো চিকিৎসা সেৱা আগবঢ়াই আহিছে। বিগত কেইটামান বৰ্ষত বছৰি প্ৰায় এক লাখ ২০ হাজাৰৰো অধিক মানসিক ৰোগীয়ে গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানৰ জৰিয়তে চিকিৎসা সেৱা লাভ কৰি আহিছে। বিভিন্ন কাৰণ বশতঃ মানসিক ৰোগত আক্ৰান্ত লোকৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পোৱাত তেজপুৰৰ এই মানসিক স্বাস্থ্য প্ৰতিষ্ঠানখনৰো গুৰুত্ব ক্ৰমান্বয়ে বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰী তথা তেজপুৰৰ প্ৰতিষ্ঠানখনৰ পৰিচালনা সমিতিৰ উপ সভাপতি ডঃ হিমন্ত বিশ্ব শৰ্মাৰ এক নিৰ্দেশ মৰ্মে আজি তেজপুৰৰ এই প্ৰতিষ্ঠানটিত উপস্থিত হয় স্বাস্থ্যমন্ত্ৰী তথা প্ৰতিষ্ঠানখনৰ পৰিচালনা সমিতিৰ সদস্য কেশৱ মহন্ত। মানসিক স্বাস্থ্য প্ৰতিষ্ঠানখনৰ সঞ্চালক ডাঃ শৈলেন্দ্ৰ কুমাৰ দেউৰী, তেজপুৰ চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ডাঃ কৰুণা হাজৰিকা প্ৰমুখ্যে প্ৰতিষ্ঠানখনৰ বিষয়ববীয়া আৰু পৰিচালনা সমিতিৰ অন্যান্য সদস্যসকলৰ সৈতে এক আলোচনাত মিলিত হৈ প্ৰতিষ্ঠানখনৰ কামকাজৰ অগ্ৰগতিৰ বুজ লয়। প্ৰণিধানযোগ্য যে, ১৪৭ বৰ্ষ গৰকা লোকপ্ৰিয় গোপীনাথ বৰদলৈ আঞ্চলিক মানসিক স্বাস্থ্য প্ৰতিষ্ঠানক ‘ইন্‌ষ্টিটিউট অৱ নেচনেল ইম্পৰ্টেন্স’ হিচাপে উন্নীত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা সদৰি কৰে স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে। ইয়াৰ লগে লগে প্ৰতিষ্ঠানখনৰ বিষয়ববীয়া-কৰ্মচাৰীসকল আহ্লাদিত হৈ পৰাৰ সমান্তৰালভাৱে অনাগত দিনত এই ঐতিহ্যমণ্ডিত স্বাস্থ্য প্ৰতিষ্ঠানখনৰ জৰিয়তে অসংখ্য ৰোগীক উন্নত মানৰ চিকিৎসা প্ৰদানৰ পথ প্ৰশস্ত কৰাৰ আশা কৰিয়াই আহিছে। এই আলোচনা অন্তত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত কেতবোৰ গুৰুত্বপূৰ্ণ মন্তব্য কৰে স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে। দেশজুৰি টেলি মেণ্টেল হেল্‌থ আঁচনিৰ বাবে কেন্দ্ৰীয় চৰকাৰে এই পৰ্যন্ত ২০০ কোটি টকা আবণ্টন দিয়া বুলি স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰি এন আৰ চি সন্দৰ্ভত কয়, এই সমগ্ৰ বিষয়টো ৰাজ্য চৰকাৰৰ মজিয়াত আলোচনা কৰা হৈছে। যদি কিবা আসোঁৱাহ ৰৈ গৈছে তেন্তে সংশোধন হ’ব লাগে। প্ৰতীক হাজেলাৰ ওপৰত আইনগত ব্যৱস্থা লোৱা হ’ব, কিয়নো হাজেলাৰ বিৰুদ্ধে বহু অভিযোগ উত্থাপিত হৈছে। আইনে যি নিৰ্ণয় কৰে সেয়াই হ’ব। আইনৰ ওপৰত আমাৰ বিশ্বাস আছে। এন আৰ চিৰ পুনৰীক্ষণৰ ওপৰত চৰকাৰে ইতিমধ্যে স্থিতি স্পষ্ট কৰিছে। শেহতীয়াকৈ কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুচেইনে আঞ্চলিক দল অগপত যোগদান কৰিব বুলি চৰ্চা হৈ থকা বিষয়টোৰ সন্দৰ্ভত অগপ মন্ত্ৰী কেশৱ মহন্তই কয় যে, জ্যেষ্ঠ কংগ্ৰেছী নেতা ৰকিবুল হুচেইনৰ এই পৰ্যন্ত আমাৰ লগত কোনো ধৰণৰ যোগাযোগ হোৱা নাই। যদি প্ৰাক্তন মন্ত্ৰী হুচেইন অগপলৈ আহে বুলি সোধা প্ৰশ্ন উত্তৰত স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে ‘পিছত যোগদান নকৰিলে লাজ পাব লাগিব’ বুলি কৈ অধিক উত্তৰ দিয়াৰ পৰা বিৰত থাকে।

## অবৈধ নহয় গণিকা বৃত্তি

পাইছিল। এই যৌনকৰ্মীসকলে ইমান দিনে লাভ কৰা নাছিল ন্যায্যতা। এইক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ পৰা আহিছে এটা গুৰুত্বপূৰ্ণ ৰায়। অৱশেষত দীৰ্ঘ সংগ্ৰামৰ অন্তত ভাৰতৰ যৌনকৰ্মীসকলে লাভ কৰিলে আইনী স্বীকৃতি। উচ্চতম ন্যায়ালয়ে সাধাৰণ চাকৰিৰ দৰেই বেশ্যা বৃত্তিকো ‘জীৱিকা’ হিচাপে স্বীকৃতি দিলে। উচ্চতম ন্যায়ালয়ে কয় যে যৌনসেৱা প্ৰদান কৰাটোও এক আইনী বৃত্তি। যিসকল এই বৃত্তিৰ লগত জড়িত তেওঁলোকৰো সন্মানজনক জীৱন যাপনৰ অধিকাৰ আছে। এতিয়াৰে পৰা যৌনসেৱা আগবঢ়োৱা বা যৌনকৰ্মী হিচাপে কাম কৰাসকলক কোনো ধৰণৰ হাৰাশাস্তি কৰিব নোৱাৰিব। অথবা আৰক্ষীয়ে তেওঁলোকৰ বিৰুদ্ধে কোনো ধৰণৰ অপৰাধমূলক গোচৰ ৰুজু কৰিব নোৱাৰিব। উচ্চতম ন্যায়ালয়ৰ মতে ভাৰতৰ প্ৰতিজন নাগৰিকৰ মৰ্যাদাপূৰ্ণ জীৱন যাপনৰ অধিকাৰ আছে। যৌনকৰ্মীসকলৰো আইনী সুৰক্ষাৰ অধিকাৰ আছে। যদি কোনো প্ৰাপ্তবয়স্ক যৌনকৰ্মীয়ে স্বেচ্ছাই কাৰোবাক সেৱা আগবঢ়ায় তেন্তে তেওঁৰ বিৰুদ্ধে অপৰাধমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। ন্যায়াধীশ এল নাগেশ্বৰ ৰাও, ন্যায়াধীশ বি আৰ গৱোই আৰু ন্যায়াধীশ এ এছ বোপান্নাৰ সংমণ্ডল বিচাৰপীঠে যৌনকৰ্মীৰ বাবে কেইবাটাও নিৰ্দেশনা নিৰ্ধাৰণ কৰিছে। বিচাৰপীঠে কয় যে যদি কোনো যৌনকৰ্মীক কৰ্মস্থলীত হাৰাশাস্তি কৰা হয় তেন্তে তেওঁক সকলো আইনী সাহায্য প্ৰদান কৰা হ’ব। উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰি আৰক্ষীৰ যিকোনো অভিযানৰ সময়ত যৌনকৰ্মীৰ গোপনীয়তাৰ দিশত নজৰ ৰাখিব লাগিব। যৌনকৰ্মীৰ অধিকাৰৰ বিষয়ে তেওঁলোকক সজাগ কৰা প্ৰয়োজন। কেৱল বেশ্যা বৃত্তিক বৃত্তি হিচাপে বাছি লোৱাৰ বাবেই কোনো নাৰীক সন্তানৰ পৰা বিচ্ছিন্ন কৰা উচিত নহয় বুলিও বিচাৰপীঠে গুৰুত্বপূৰ্ণ মন্তব্য কৰে। তদুপৰি শিশু এটা বেশ্যালয়ত আছে বুলিয়েই তেওঁক সৰবৰাহ কৰা হৈছে বুলি ক’ব নোৱাৰি বুলিও বিচাৰপীঠে উল্লেখ কৰে।

## আৰ্থিক সংকটৰ সন্মুখীন

আৰক্ষী অধীক্ষক যুৱৰাজে এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত সদৰী কৰিছে এই কথা। তথ্য অনুসৰি, সম্প্ৰতি তীব্ৰ আৰ্থিক সংকটৰ সন্মুখীন হৈছে আলফা স্বাধীন। যাৰ ফলত উজনি অসমৰ বিভিন্ন প্ৰান্তত ধন সংগ্ৰহ কৰিবলৈ উঠিপৰি লাগিছে সংগঠনটোৰ প্ৰশিক্ষণপ্ৰাপ্ত এটা দল। এই সন্দৰ্ভত জানিবলৈ দি চৰাইদেউ জিলাৰ আৰক্ষী অধীক্ষকগৰাকীয়ে কয়— উত্তৰ-পূবৰ নগা উগ্ৰপন্থী সংগঠনৰ লগত শেহতীয়াকৈ যোৱা ১৫ আৰু ১৬ মে’ৰ ভিতৰত নাগালেণ্ডৰ এক গোপন স্থানত এক আলোচনাত বহিছিল আলফা স্বাধীনৰ শীৰ্ষ পৰ্যায়ৰ এটা প্ৰতিনিধি দল। আলোচনাৰ সিদ্ধান্ত মৰ্মে আলফা স্বাধীনে নিজৰ যাৱতীয় খৰচৰ বাবে আৰ্থিক অনাটনত ভোগাৰ পৰিপ্ৰেক্ষিতত ধন সংগ্ৰহৰ সিদ্ধান্তগ্ৰহণ কৰা হৈছে। নগা উগ্ৰপন্থী সংগঠনক শেহতীয়া বিগত ছয় মাহত আলফা স্বাধীনে কোটিৰোধিক টকা পৰিশোধ কৰিবলৈ বাকী থকাৰ কথাও ইতিমধ্যে পোহৰলৈ আহিছে। আনহাতে আন এক তথ্য অনুসৰি উজনি অসমৰ বিশেষকৈ শিৱসাগৰ, চৰাইদেউ, ডিব্ৰুগড় তথা তিনিচুকীয়া জিলাৰ বিভিন্ন প্ৰান্তত ধন সংগ্ৰহ কৰিবলৈ একাংশ বছা বছা লোক তথা ব্যৱসায়িক প্ৰতিষ্ঠানক টাৰ্গেট কৰি লৈছে আলফা স্বাধীনৰ এটা দলে। ইফালে ধন সংগ্ৰহৰ বাবে আলফা স্বাধীনৰ দুৰ্ধৰ্ষ সদস্য কেইগৰাকীমানে নাগালেণ্ডৰ মন জিলাৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী গোপন স্থানত বাহৰ পতা বুলিও সন্দেহ কৰা হৈছে। মন কৰিবলগীয়া যে চৰাইদেউ জিলাৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী অঞ্চলেদি যাতে সন্দেহজনক কোনো লোকে বিচৰণ কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি চৰাইদেউ আৰক্ষী প্ৰশাসনে ইতিমধ্যে ১৪৪ ধাৰা জাৰি কৰিছে সন্ধিয়া পাঁচ বজাৰ পৰা ৰাতিপুৱা পাঁচ বজালৈ। ইফালে ধন সংগ্ৰহৰ বাবে যাতে উগ্ৰপন্থী সংগঠনে চৰাইদেউ জিলাত কোনো ধৰণৰ অপহৰণ তথা কূটাঘাত সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে সন্তম হৈ উঠিছে চৰাইদেউ আৰক্ষী প্ৰশাসন।

## গৰু ব্যৱসায়ীক লক্ষ্য কৰি

কলেজ নগৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰজ্যোতি নাথৰ নেতৃত্বত পুৱতি নিশা ঝগৰাৰপাৰ অঞ্চল ভেটা বজাৰৰ পৰা অভিযান চলাই পাঁচটা গৰু জব্দ কৰাৰ লগতে আটক কৰে ৪জন চোৰাং গৰু ব্যৱসায়ীসহ দালালিৰ অভিযোগত এগৰাকী অধিবক্তাক গ্ৰেপ্তাৰ কৰি ধুবুৰী কলেজ নগৰ আৰক্ষীয়ে গোচৰ ৰুজু কৰি 284/22 sec 379/411/353 IPC RW SEC 13 OF assam cattle presarvation Act.’ৰ অধীনত জে’ল-হাজোতলৈ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে। আচামীসকল ক্ৰমে ছোনা উল্লাহ, মইনাল হক, জয়নাল আবেদিন, ছাইদুৰ ৰহমান আৰু ছামিউল হক আনছাৰী। ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰজ্যোতি নাথে জানিবলৈ দিয়া মতে আৰক্ষীৰ অহাৰ উমান পাই তিনিজন ঘটনাস্থলীৰ পৰা পলায়ন কৰাত গুলীচালনা কৰে যদিও ৫গৰাকী আচামীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। লগতে ধুবুৰী মতিৰচৰ অঞ্চলৰ পৰা বাংলাদেশলৈ গৰু সৰবৰাহ কৰা বুলিও জানিবলৈ দিয়ে। আনহাতে গৰু সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ ঘটনাক লৈ ধুবুৰী আদালতত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। আৰক্ষী আৰু অধিবক্তাৰ মাজত খণ্ডযুদ্ধ আদালত চৌহদত। এছ আই ভাস্কৰজ্যোতি নাথে অধিবক্তাক পিষ্টল দেখুৱাই ভাবুকি দিয়াৰ অভিযোগ ধুবুৰীৰ বাৰ এছোচিয়েশ্যনৰ। ইয়াক লৈ অধিক উত্তপ্ত হৈ পৰে পৰিস্থিতি। উল্লেখযোগ্য কালি ৰাতিপুৱা ধুবুৰীৰ বি এন কলেজ নগৰ আৰক্ষীয়ে চোৰাং গৰু ব্যৱসায়ীৰ অভিযোগত গ্ৰেপ্তাৰ কৰিছিল ছামিউল হক আনছাৰী নামৰ এগৰাকী কনিষ্ঠ অধিবক্তাক। তাৰ পাছতে আদালত চৌহদত ভু ৰা গোচৰ জাপি দিয়াৰ অভিযোগ তুলি প্ৰতিবাদ কৰে অধিবক্তাসকলে। তাৰ পাছতে ধুবুৰী কলেজ নগৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰজ্যোতি নাথে জ্যেষ্ঠ অধিবক্তা জমশেৰ তালুকদাৰক গুলীয়াই মৰাৰ ভাবুকি দিয়া বুলি অভিযোগ উত্থাপন কৰিছে ধুবুৰীৰ অধিবক্তাসকলে। ইপিনে আজি এক সাংবাদিক মেলত আৰক্ষী বিষয়া ভাস্কৰজ্যোতি নাথে কয়, তেওঁৰ বিৰুদ্ধে একপক্ষীয় ভুৱা বাতৰি পৰিৱেশন কৰা হৈছে। গ্ৰেপ্তাৰ হোৱা গৰুৰ সৰবৰাহকাৰী ৪জন আৰু অধিবক্তাজনক এৰি দিয়াৰ বাবে প্ৰথমতে কেবাগৰাকী মহিলাৰ দল কলেজ থানা চৌহদত আহি ধৃতকেইজনক এৰি দিয়াৰ বাবে ধৰ্ণা দিয়ে। পিছত আচামীকেইজনক আদালতলৈ লৈ যোৱাৰ সময়ত শতাধিক অধিবক্তাই মোক ঘেৰাও কৰি ধৃতকেইজনক এৰি দিয়াৰ বাবে হেঁচা প্ৰয়োগ কৰে। আৰু বেয়া ভাষাৰে গালি-গালাজ দিয়ে। মই কৰ্তব্যৰ সময়ত কোনো কমপ্ৰোমাইজ কৰা নাই। গৰুৰ চোৰাং কাৰবাৰৰ লগত ডাঙৰ চক্ৰ জড়িত হৈ আছে।

## এক্ট ইষ্ট পলিচীত উত্তৰ

ভাৰত চৰকাৰৰ বিভিন্ন উন্নয়নমূলক কাৰ্যসূচীসমূহৰ সৈতে সংপৃক্ত কৰিব পাৰিছে। তেওঁ লগতে কয় যে এই এক্ট ইষ্ট পলিচিৰ পটভূমিত বৰ্তমানৰ ৰাজ্য চৰকাৰে অসমক আছিয়ান ব্লকৰ ‘এক্সপ্ৰেছৱে’ আৰু ‘গেটৱে’ হিচাপে গঢ়ি তুলিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। মুখ্যমন্ত্ৰীয়ে কয় যে এক্ট ইষ্ট পলিচিৰ সাৰ্থক ৰূপায়ণৰ দিশত অধিক দ্ৰুততাৰে আগুৱাই যাব পৰাকৈ এই পদক্ষেপৰ অংশ হিচাপে অসম চৰকাৰৰ এক্ট ইষ্ট পলিচি বিভাগে আজিৰ এই সন্মিলনৰ আয়োজন কৰিছে। ইয়ে অসমৰ এই ভৌগোলিক খণ্ডক আছিয়ান দেশসমূহৰ সৈতে নিৰন্তৰ প্ৰচেষ্টাৰে অব্যাহত ৰখা অৰ্থনৈতিক সহযোগিতা, যোগাযোগ, বাণিজ্য আৰু বিনিয়োগৰ শক্তিশালীকৰণৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী মোদীৰ গতিশীল আৰু দূৰদৰ্শী নেতৃত্বত ২০১৪ চনৰ পৰা উত্তৰ-পূৰ্বাঞ্চলৰ দ্ৰুত পৰিৱৰ্তন সম্ভৱ হৈ উঠিছে আৰু ‘এক ফাষ্ট’ৰ লক্ষ্যৰে প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ জনসাধাৰণক নতুন আশা, শক্তি প্ৰদান কৰিছে। তেওঁ কয় যে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পই আজি উত্তৰ-পূৰ্বাঞ্চলক আছিয়ান দেশসমূহৰ দুৱাৰমুখ হিচাপে পৰিগণিত কৰাৰ পথ প্ৰশস্ত কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে উত্তৰ-পূব তথা ইয়াৰ জনসাধাৰণৰ প্ৰতি অব্যাহত ৰখা উন্নয়নমুখী ধাৰাটোৱে প্ৰমাণ কৰিছে যে এই অঞ্চলটো ভাৰতৰ পৰিধিতেই নহয়, প্ৰকৃততে ই দক্ষিণ-পূব এছিয়াৰ দ্ৰুততম উদীয়মান দেশসমূহৰ ব্যৱসায় আৰু বাণিজ্যিক কেন্দ্ৰ হিচাপে পৰিগণিত হোৱাৰ সম্ভাৱনা প্ৰকট কৰিছে। সেইবাবে অসম চৰকাৰে আছিয়ান আৰু দক্ষিণ-পূব এছিয়াৰ ‘দুৱাৰমুখ’ আৰু ‘এক্সপ্ৰেছ পথ’ হিচাপে অসমক পৰিগণিত কৰাৰ বাবে নিৰন্তৰ কাম কৰি আহিছে। চৰকাৰে অসমক এক ঔদ্যোগিক কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে দৃঢ়তাৰে প্ৰয়াস চলাইছে। ইয়াৰ ফলত কেৱল এই অঞ্চলটোতে নহয়, বিবিএন আৰু আছিয়ান দেশসমূহৰ জনসাধাৰণৰ বাবেও সেৱা আগবঢ়াবলৈ সক্ষম হ’ব বুলি তেওঁ কয়। এছিয়ান দেশসমূহৰ সৈতে উত্তৰ-পূৰ্বাঞ্চলৰ ভৌগোলিক নিকটতাৰ ওপৰত বক্তব্য ৰাখি মুখ্যমন্ত্ৰীয়ে কয় যে ম্যানমাৰ, চীন, ভূটান, নেপাল আৰু বাংলাদেশৰ দৰে দেশসমূহৰ সৈতে আমাৰ আন্তঃৰাষ্ট্ৰীয় সীমাৰ দূৰত্ব ৫৩০০ কিঃমিঃতকৈও কম। ‘প্ৰকৃতাৰ্থত উত্তৰ-পূব হৈছে দক্ষিণ-পূব এছিয়াৰ দেশসমূহলৈ ভাৰতবৰ্ষৰ দুৱাৰমুখ আৰু মই বিশ্বাস কৰোঁ যে যোগাযোগ ব্যৱস্থাৰ শক্তিশালীকৰণে এছিয়ান দেশসমূহৰ সৈতে আমাৰ যৌথ উন্নয়নে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব’- মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে কয় যে যোৱা ৭-৮ বছৰত আছিয়ান দেশসমূহৰ সৈতে ভাৰতৰ যোগাযোগ দ্ৰুত গতিত বৃদ্ধি পাইছে। বাণিজ্যিক সম্পৰ্ক অধিক সুদৃঢ় হৈছে, বিনিয়োগ ব্যৱস্থা যথেষ্ট বৃদ্ধি পাইছে আৰু দক্ষিণ-পূব এছিয়াৰ সৈতে উত্তৰ-পূবৰ যোগাযোগ ব্যৱস্থা বাস্তৱত পৰিণত হোৱাৰ দিশে দ্ৰুত গতিত অগ্ৰসৰ হৈছে। তেওঁ কয় যে অসমত আইন-শৃংখলা যথেষ্ট উন্নত হৈছে। সশস্ত্ৰ বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰত্যাহাৰ কৰা হৈছে। উত্তৰ আৰু দক্ষিণপাৰৰ জনসাধাৰণৰ যাতায়াত ব্যৱস্থা সুগম কৰাৰ বাবে ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নিৰ্মাণকে ধৰি উন্নয়ন সাধন কৰা হৈছে বুলি তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে অসমে ৰাজ্যখনৰ জৈৱ বৈচিত্ৰ সংৰক্ষণ আৰু সেউজ শক্তি উৎপন্ন কৰি প্ৰকৃতিৰ সৈতে সহাৱস্থানেৰে ৰাজ্যখনৰ উন্নয়নৰ বাবে এক ৰোড মেপ প্ৰস্তুত কৰাৰ দিশত অগ্ৰসৰ হৈছে। উৰাণ আন্তঃৰাষ্ট্ৰীয় আঁচনিৰ অধীনত কমেও ৬ খন আছিয়ান দেশৰ সৈতে সংযোগ সাধন কৰা হ’ব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ইয়াৰ জৰিয়তে অসম চৰকাৰে আছিয়ান দেশসমূহৰ সৈতে এক নতুন অৰ্থনৈতিক সহযোগিতা গঢ়ি তোলাৰ বাবে অগ্ৰসৰ হৈছে। তেওঁ লগতে কয় যে আছিয়ান ৰাষ্ট্ৰসমূহৰ সৈতে এক সুদৃঢ় আৰু বহনক্ষম সহযোগিতা গঢ়ি তোলাৰ বাবে অসম চৰকাৰে আন্তৰিকতাৰে কাম কৰি আছে। ছিংগাপুৰ উচ্চায়ুক্ত চাইমন উয়ে কুয়েনে উত্থাপন কৰা বিষয় সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চল আৰু ইয়াৰ বৰ্হিৰাজ্যৰ জনসাধাৰণৰ সা-সুবিধাৰ দিশটোৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মহানগৰীৰ সম্প্ৰসাৰণৰ বাবে ছিংগাপুৰৰ সহযোগিতা বিচাৰে। আজিৰ এই অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে অসমত পৰ্যাপ্ত বিনিয়োগৰ সম্ভাৱনাৰ বিষয়ে আলোকপাত কৰে। পথ, ৰে’লপথ, বিমান পৰিবহন আৰু ইণ্টাৰনেট সংযোগৰ ক্ষেত্ৰত আন্তঃগাঁথনি উন্নয়নৰ বিভিন্ন দিশ সামৰি তেওঁ কয় যে এক্ট ইষ্ট পলিচি ঘোষণা কৰাৰ পূৰ্বে অসমক ভাৰতৰ শেষ প্ৰান্ত হিচাপে গণ্য কৰা হৈছিল। কিন্তু এই এক্ট ইষ্ট পলিচিয়ে সেই ধাৰণাটো সলনি কৰি অসমক আছিয়ান দেশসমূহৰ সৈতে ভাৰতৰ কেন্দ্ৰ বিন্দু হিচাপে গণ্য কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে লগতে আছিয়ান দেশসমূহৰ ৰাষ্ট্ৰদূত আৰু উচ্চায়ুক্তসকলক জি টু বি আৰু বি টু বি বৈঠকৰ বাবে তেওঁলোকৰ ব্যৱসায়িক প্ৰতিনিধিসকলক অসমলৈ প্ৰেৰণ কৰিবলৈ অনুৰোধ জনায়। প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক উপদেষ্টা পৰিষদৰ সদস্য সঞ্জীৱ সন্যাল, অসম চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱা, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ যুটীয়া সচিব গীতিকা শ্ৰীবাস্তৱ, ভাৰতস্থ ছিংগাপুৰৰ উচ্চায়ুক্ত চাইমন উয়ে কুয়েন, এছ আই চি চি আই উত্তৰ-পূব উপদেষ্টা পৰিষদৰ অধ্যক্ষ ৰঞ্জিত বৰঠাকুৰেও অনুষ্ঠানত ভাষণ প্ৰদান কৰে। এই বৈঠকৰ পিছত মুখ্যমন্ত্ৰীয়ে সঞ্জীৱ সন্যালৰ সৈতে অসমৰ অৰ্থনৈতিক বিকাশ আৰু উন্নয়ন সম্পৰ্কীয় বিভিন্ন বিষয় সম্পৰ্কত আলোচনাত মিলিত হয়।

## প্ৰসিদ্ধ সাহিত্যিক য়েছে দৰজে

উদ্যোগত আৰু মঙলদৈ জিলা সাহিত্য সভা তথা মঙলদৈ প্ৰেছ ক্লাবৰ সহযোগত জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত দিনযোৰা কাৰ্যসূচীৰে ১ জুনত আয়োজিত এক বিশেষ অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ’ব। অসম সাহিত্য সভাৰ সভাপতি ডঃ কুলধৰ শইকীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত হ’বলগীয়া এই বঁটা প্ৰদান অনুষ্ঠানত ৰাজ্যখনৰ কেবাগৰাকীও বিশিষ্ট লেখক-সাহিত্যিক অতিথিৰূপে উপস্থিত থাকিব বুলি সংবাদ বিজ্ঞপ্তিত উল্লেখ কৰাৰ লগতে এই বঁটাত স্মাৰক, সম্বৰ্ধনা পত্ৰ, গ্ৰন্থৰ টোপোলা, সম্বৰ্ধনা বস্ত্ৰ আৰু ২৫ হাজাৰ টকাৰ চেক প্ৰদান কৰা হ’ব বুলি জানিবলৈ দিয়ে। উল্লেখ্য যে, প্ৰতি দুবছৰৰ অন্তৰত প্ৰদান কৰি অহা এই বঁটা পূৰ্বে বিশিষ্ট লেখক-সাহিত্যিক ক্ৰমে স্বৰ্ণ বৰা, বসন্ত দাস, কেংছাম কেংলাং, দিলীপ বৰা, তিলোত্তমা মিশ্ৰ আৰু পদ্মশ্ৰী ৰংবং তেৰাঙে লাভ কৰিছিল।

## লাডাখত শোকাৱহ দুৰ্ঘটনাত

শ্যোক নদীত বাগৰি পৰে। এই ভয়ংকৰ দুৰ্ঘটনাটোত সাতজন সেনা জোৱানৰ থিতাতে মৃত্যু ঘটে। ভাৰতীয় সেনাৰ সূত্ৰই প্ৰকাশ কৰা মতে পাৰ্টাপুৰৰ ট্ৰেঞ্জিট কেম্পৰ পৰা ছাব ছেক্টৰ হানিফ অভিমুখী বাহনখনত ২৬গৰাকী সেনা জোৱানৰ এটা দল আছিল। তেওঁ জানিবলৈ দিয়া মতে, থোইজৰ পৰা প্ৰায় ২৫ কিলোমিটাৰ দূৰত পুৱা প্ৰায় ৯ বজাত বাহনখন পথৰ পৰা পিছলি প্ৰায় ৬০ ফুট তলত থকা শ্যোক নদীত বাগৰি পৰে। এই দুৰ্ঘটনাত বাহনখনত থকা আটাইকেইজন সেনাই কম-বেছি পৰিমাণে আঘাতপ্ৰাপ্ত হয়। আনহাতে এই দুৰ্ঘটনাৰ খবৰ পোৱাৰ লগে লগে সেনাৰ উদ্ধাৰকাৰী দল ঘটনাস্থলীত উপস্থিত হয় আৰু যুদ্ধকালীন তৎপৰতাৰে উদ্ধাৰ অভিযানত নামি পৰে। আহতসকলক পাৰ্টাপুৰৰ এখন সেনা চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। আহত সেনা জোৱানসকলৰ বাবে উন্নত চিকিৎসা সেৱা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত সৈনিকসকলক উন্নত চিকিৎসাৰ বাবে আন স্থানলৈ স্থানান্তৰিত কৰাৰ উদ্দেশ্যে বায়ুসেনাৰ সহায় লোৱা হ’ব পাৰে বুলি সেনাৰ সূত্ৰই প্ৰকাশ কৰিছে। দুৰ্ঘটনাটোত নিহত সেনা জোৱানসকলৰ পৰিচয় এতিয়াও জানিব পৰা হোৱা নাই।

## বটদ্ৰৱা আৰক্ষী থানা

সংখ্যালঘু অধ্যুষিত এলেকাৰ পৰা আৰক্ষীয়ে আল্লাউদ্দিনক গ্ৰেপ্তাৰ কৰে। এই বিষয়ে আজি নগাঁৱত অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰুপম হাজৰিকাই সাংবাদিকৰ আগত সদৰী কৰি কয় যে অভিযুক্ত আল্লাউদ্দিনে নগাঁৱৰ পৰা পলাই গৈ দৰঙৰ মৌচিদাত আত্মগোপন কৰি আছিল। আল্লাউদ্দিনে আত্মগোপন কৰি থকাৰ তথ্য আৰক্ষীয়ে লাভ কৰি কালি বিয়লি ৪ বজাৰ পৰা অভিযান কৰিছিল। ধূলা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া তথা আৰক্ষী আৰু নগাঁও আৰক্ষীৰ সহযোগত চলা এই অভিযানৰ উমান পাই আল্লাউদ্দিনে মৌচিদাৰ পৰা পলায়ন কৰিছিল। আৰক্ষীয়েও বহুদূৰ খেদি গৈ নিশাই আল্লাউদ্দিনক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। আল্লাউদ্দিনৰ বিৰুদ্ধে বটদ্ৰৱা আৰক্ষী থানাত ড্ৰাগ্‌ছ সৰবৰাহ আৰু ডকাইতিৰ একাধিক গোচৰ পঞ্জীয়ন হৈ আছে। বৰ্তমান নগাঁও আৰক্ষীয়ে নগাঁৱলৈ আনি আল্লাউদ্দিনক জেৰা অব্যাহত ৰাখিছে। ধৃত আল্লাউদ্দিনৰ ঘৰ বটদ্ৰৱাৰ বাটমাৰীত। আজি আৰক্ষীয়ে মইনুল হক আৰু ইমৰান হুছেইন নামৰ দুজন অভিযুক্তক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। ইতিমধ্যে গ্ৰেপ্তাৰ হোৱাসকলৰ ভিতৰত ৫জনক কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছে বুলি আৰক্ষী সূত্ৰে প্ৰকাশ। অতিৰিক্ত আৰক্ষী অধীক্ষক নিৰুপম হাজৰিকাই আজি সাংবাদিকৰ আগত জনোৱা মতে ৪৫ দিনৰ ভিতৰত তদন্ত প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা হ’ব আৰু ৬০ দিনৰ ভিতৰত আৰক্ষীয়ে চাৰ্জশ্বীট দাখিল কৰিব।

## হাৰিয়ানাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী

৫০ লাখ টকাৰ জৰিমনাও আদায় দিবলৈ নিৰ্দেশ দিয়ে। ৰাষ্ট্ৰীয় লোক দলৰ নেতাজনে চিবিআয়ে বিচৰা মতে সম্পত্তিৰ সন্তোষজনকভাৱে হিচাপ দিবলৈ ব্যৰ্থ হয়। ১৯৯৩ ৰ পৰা ২০০৬ চনৰ ভিতৰত তেওঁৰ সম্পত্তি উপাৰ্জনৰ বৈধ উৎসৰ সৈতে অসামঞ্জস্যপূৰ্ণ বুলি প্ৰমাণ হোৱাৰ পিছতে চৌতালাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছিল। তেওঁক ২১ মে’ত বিশেষ ন্যায়াধীশ বিকাশ ধুলেই চৌতালাক দোষী সাব্যস্ত কৰিছিল। ২৬ মাৰ্চ, ২০১০ তাৰিখে দাখিল কৰা অভিযোগনামাত চৌতালাৰ আয়বহিৰ্ভূত সম্পত্তিৰ মূল্য ৬.০৯ কোটি টকা বুলি কোৱা হৈছিল। আজি বিশেষ ন্যায়াধীশে চৌতালাৰ চাৰিটা সম্পত্তি জব্দ কৰাৰ নিৰ্দেশ দিছিল। চৌতালাৰ অধিবক্তাই আদালতক তেওঁৰ স্বাস্থ্যৰ অৱস্থা বিবেচনা কৰি শাস্তি হ্ৰাস কৰিবলৈ অনুৰোধ জনাইছিল। অৱশ্যে, চিবিআয়ে নেতাজনৰ সৰ্বাধিক শাস্তিৰ দাবী জনায়। চিবিআইৰ মতে চৌতালাই তেওঁৰ জ্ঞাত উপাৰ্জনৰ উৎসৰ ১০৩ শতাংশলৈকে অসামঞ্জস্যপূৰ্ণ সম্পত্তি আহৰণ কৰিছে। চৌতালাক দুৰ্নীতি প্ৰতিৰোধ আইনৰ ১৩(২) ধাৰাৰ অধীনত দোষী সাব্যস্ত কৰা হৈছিল। এইটো চৌতালাৰ দুৰ্নীতিত দোষী সাব্যস্ত হোৱাৰ দ্বিতীয় ঘটনা। ২০১৩ চনত উচ্চতম ন্যায়ালয়ে তেওঁক কনিষ্ঠ প্ৰশিক্ষিত (জেবিটি) শিক্ষক নিযুক্তি কেলেংকাৰীত সাত বছৰৰ কাৰাদণ্ড প্ৰদান কৰিছিল। আজি ৰায় ঘোষণা হোৱাৰ পিছতে চৌতালাক আৰক্ষীয়ে জিম্মাত লয়। চিবিআইৰ অধিবক্তাই কয়— ‘চৌতালা এজন মুখ্যমন্ত্ৰী হোৱাৰ বাবে তেওঁক ‘দৃষ্টান্তমূলক শাস্তি’ প্ৰদান কৰা উচিত। তেওঁক প্ৰদান কৰা শাস্তি অনুকৰণীয় হ’ব লাগে। যদি আইন প্ৰণেতাসকলে অপৰাধ কৰে, তেন্তে জনসাধাৰণৰ আগত কি বাৰ্তা যাব। দোষীৰ ওপৰত কঠোৰতম শাস্তি আৰু বৃহৎ জৰিমনা আৰোপ কৰা উচিত।’

## আমি পণ্ডিত আৰু নেতাও

এইদৰে কয়। ডিগ্ৰীপ্ৰাপ্তসকললৈ শুভেচ্ছা জ্ঞাপন কৰি অধ্যাপক মুখীয়ে সমাজৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ এক দায়িত্ব আছে বুলি গুৰুত্ব আৰোপ কৰে। ‘আমাৰ দেশে আমাক সকলো দিছে। বিনিময়ত আমি কিবা এটা ঘূৰাই দিয়া উচিত। তোমালোকে দেশত থাকি দেশৰ সেৱা কৰা উচিত। আমাৰ দেশে নতুন উদ্যোগ স্থাপনৰ বাবে এক শক্তিশালী ভেটি গঢ়ি তুলিছে। সেয়েহে, আমাৰ ছাত্ৰ-ছাত্ৰীসকলে সহযোগিতা কৰা উচিত, দেশত থকা উচিত আৰু দেশৰ সেৱা কৰি আত্মনিৰ্ভৰ হোৱা উচিত।’ —তেওঁ কয়। অনুষ্ঠানত অসমীয়া সাহিত্য আৰু কাৰ্বি ভাষালৈ আগবঢ়োৱা উল্লেখযোগ্য অৱদানৰ বাবে বিশিষ্ট সাহিত্যিক ৰংবং তেৰাঙক সন্মানীয় ডি.লিট. ডিগ্ৰী প্ৰদান কৰা হয়। সৰ্বমুঠ ১৩৭৫ গৰাকী ছাত্ৰ-ছাত্ৰীক ডিগ্ৰী প্ৰদান কৰা হয়। সমাৱৰ্তন অনুষ্ঠানত ৫৭ গৰাকী বিভিন্ন বিষয়ত শীৰ্ষস্থান লাভ কৰা ছাত্ৰীক সোণৰ পদক প্ৰদান কৰাৰ লগতে ১১ গৰাকী ছাত্ৰ-ছাত্ৰীক ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা হয়। এই উপলক্ষে সমাৱৰ্তন বক্তা হিচাপে উপস্থিত থকা হায়দৰাবাদ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক জগদীশ্বৰ ৰাৱে তেওঁৰ ভাষণত এটা জাতি গঠনত গুণগত শিক্ষাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে। তেওঁ আৰু কয়— ‘আমাৰ দৰে এটা মহান জাতিৰ ভৱিষ্যৎ ইয়াৰ যুৱ প্ৰজন্ম, তেওঁলোকে গ্ৰহণ কৰা শিক্ষাৰ মান আৰু মূল্যবোধৰ ওপৰত নিৰ্ভৰশীল। উচ্চ শিক্ষাৰ ভূমিকা কেৱল তথ্য যোগান ধৰাই নহয়, আনকি কেৱল বুদ্ধিৰ বিকাশ কৰাই নহয়, কল্পনা আৰু সৃষ্টিশীলতাক প্ৰজ্বলিত কৰাও ইয়াৰ লক্ষ্য। এইবোৰ কেৱল শৈক্ষিক কথা নহয়। আমি পণ্ডিত আৰু নেতাও সৃষ্টি কৰিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলক কেৱল চাকৰিৰ বাবে নহয়, কেৰিয়াৰৰ বাবে প্ৰস্তুত কৰিব লাগিব।’ অসম চৰকাৰৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে প্ৰদান কৰা ভাষণত কয় যে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠানসমূহে পাঠ্যক্ৰমসমূহ তিনিটা মূল বিষয়ত কেন্দ্ৰীভূত কৰিব লাগে আৰু সেইকেইটা হ’ল— ছাত্ৰ-ছাত্ৰীৰ নিয়োগযোগ্যতা বৃদ্ধি কৰা পাঠ্যক্ৰম প্ৰস্তুত কৰা, উদ্যোগী সৃষ্টিৰ ক্ষেত্ৰত প্ৰেৰণা যোগোৱা আৰু গৱেষণাত গুৰুত্ব প্ৰদান কৰা। প্ৰতিবেদন দাখিল কৰি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ভৱেশ চন্দ্ৰ গোস্বামীয়ে বিগত দুবছৰত হোৱা উন্নয়নৰ ক্ষেত্ৰত আলোকপাত কৰে। এক শৈক্ষিক শোভাযাত্ৰাৰে আৰম্ভ হোৱা সমাৱৰ্তন অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ আচাৰ্য, উপাচাৰ্য, শিক্ষামন্ত্ৰী, সমাৱৰ্তন বক্তা, পঞ্জীয়ক, শৈক্ষিক পঞ্জীয়ক, ডীনসকল, বিশ্ববিদ্যালয় কোৰ্ট, কাৰ্যবাহী পৰিষদ আৰু শৈক্ষিক পৰিষদৰ সদস্যসকলে অংশ গ্ৰহণ কৰে। শোভাযাত্ৰাৰ শুভাৰম্ভ কৰে পঞ্জীয়ক অধ্যাপক দিগন্ত কুমাৰ দাসে। অনুষ্ঠানটোৰ আঁত ধৰে ইংৰাজী বিভাগৰ সহযোগী অধ্যাপিকা ডঃ মেৰী বৰুৱাই। অনুষ্ঠানটো সফলভাৱে সম্পন্ন কৰাৰ বাবে উপাচাৰ্য অধ্যাপক ভৱেশ চন্দ্ৰ গোস্বামী আৰু সমাৱৰ্তন আহ্বায়ক ডঃ শান্তনু চক্ৰৱৰ্তীয়ে সংশ্লিষ্ট সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

**বিশ্ববিদ্যালয়ৰ কলাৰ শ্ৰেষ্ঠ স্নাতক ঃ গল্পকাৰ জিন্তু ঠাকুৰীয়াৰ স্বৰ্ণপদক লাভ**

কটন বিশ্ববিদ্যালয়ৰ ২০২০ বৰ্ষৰ স্নাতক পৰীক্ষাত শিক্ষা বিভাগত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি স্বৰ্ণপদক লাভ কৰে জিন্তু ঠাকুৰীয়াই। উল্লেখ্য, জিন্তুৱে ২০২০ বৰ্ষৰ কটন বিশ্ববিদ্যালয়ৰ স্নাতক পৰ্যায়ৰ কলা শাখাৰো সৰ্বোচ্চ স্থান লাভ কৰে। আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত কটন বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন অনুষ্ঠানত শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে জিন্তু ঠাকুৰীয়াক এই স্বৰ্ণপদক প্ৰদান কৰে। আজিৰ অনুষ্ঠানত ৰাজ্যপাল জগদীশ মুখীও উপস্থিত থাকে। নলবাৰী জিলাৰ টিহুৰ পিপলিবাৰী গাঁও নিবাসী অনন্ত ঠাকুৰীয়া আৰু মণিকা ঠাকুৰীয়াৰ একমাত্ৰ পুত্ৰ জিন্তু ঠাকুৰীয়া বৰ্তমান কটন বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগত স্নাতকোত্তৰ চূড়ান্ত যান্মাসিকৰ ছাত্ৰ। তেওঁ ‘জিন্তু গীতাৰ্থ’ নামেৰে ইতিমধ্যে অসমৰ যুৱ গল্পকাৰ হিচাপে পৰিচিত। তেওঁৰ ছবিৰ ‘ভ্ৰম ভ্ৰমৰ ছবি’ নামৰ এখন গল্প সংকলনো প্ৰকাশ পাইছে।

## গোগামুখৰ জয়ৰামপুৰত

ঘটনাৰ বিৱৰণী মতে শোণিতপুৰ জিলাৰ বিষ্ণুপুৰ ৰঙাপাৰাৰ নিবাসী, অৱসৰপ্ৰাপ্ত ৰে’ল কৰ্মচাৰী দুলু দত্তই ধেমাজি জিলাৰ গোগামুখ আৰক্ষী থানাৰ অন্তৰ্গত জয়ৰামপুৰৰ শংকপুৰৰ নিবাসী বন হাজঙৰ ঘৰত বন্ধুত্বৰ সূত্ৰে ১৯ মে’ত আলহী খাবলৈ আহিছিল। ২০ মে’ৰ সন্ধিয়ালৈকে বন হাজঙৰ লগত শংকপুৰৰ কেবাটাও পৰিয়ালত আলহী খাইছিল। কিন্তু মাজনিশা বন হাজঙৰ ঘৰৰ ওচৰৰ এখন ঘৰৰ চোতালত দুলু দত্তৰ তেজেৰে লুতুৰি-পুতুৰি হৈ অচেতন হৈ থকা পৰি এগৰাকী মহিলাই প্ৰত্যক্ষ কৰে। মহিলাগৰাকীয়ে বন হাজং আৰু দিগন্ত বৰুৱাক খবৰ দিয়ে। দিগন্ত বৰুৱাই ওচৰৰে আন ঘৰৰ সুজিৎ কেওট খবৰ দিয়ে। তিনিওগৰাকীয়ে গাঁৱৰ ওচৰৰ বৰুৱা উপাধিৰ এগৰাকী ফাৰ্মাচিষ্টক মাতি আনি চিকিৎসা কৰিবলৈ বল প্ৰয়োগ কৰে যদিও ফাৰ্মাচিষ্টগৰাকীয়ে তেজেৰে লুতুৰি-পুতুৰি হৈ অচেতন হৈ পৰি থকা দুলু দত্তক চিকিৎসা কৰিবলৈ অপাৰগতা প্ৰকাশ কৰি ঘটনাস্থলী পৰিত্যাগ কৰে। ২১ মে’ৰ পুৱা ৯ বজালৈকে দুলু দত্তৰ অচেতন দেহ ঘৰৰ চোতালতে পৰি থাকে। পুৱা ৯ বজাত দিগন্ত বৰুৱাই জয়ৰামপুৰ চাৰিআলিৰ বিশ্বকৰ্মা উপাধিৰ এগৰাকী ফাৰ্মাচিষ্টক পুনৰ মাতি আনি চিকিৎসা কৰিবলৈ বাধ্য কৰায়। ফাৰ্মাচিষ্টগৰাকীয়ে এটা পেইন ডি টেবলেট খুৱাই পলাই পত্ৰং দিয়ে। উল্লেখনীয় যে ঘটনাস্থলীত উপস্থিত থকা কোনো এগৰাকী লোকে দুলু দত্তৰ মুমূৰ্ষু অৱস্থাৰ বিষয়ে গাঁৱৰ গাঁওৰক্ষী বাহিনী, আৰক্ষী আৰু ১০৮ক জনোৱা নাছিল। পিছত দুলু দত্তৰ পৰিয়ালৰ লোকে জানিব পাৰি দুলু দত্তক উদ্ধাৰ কৰি লখিমপুৰ জিলাৰ চাৰতিস্থিত সৌমাৰপীঠ হাস্পতালত ভৰ্তি কৰে যদিও দুলু দত্তৰ স্বাস্থ্যৰ কোনো উন্নতি নোহোৱাত গুৱাহাটী মালিগাঁওস্থিত ৰে’লৱে চিকিৎসালয়ত ভৰ্তি কৰায়। কিন্তু চিকিৎসকে দুলু দত্তক মৃত বুলি ঘোষণা কৰে। চিকিৎসকে দুলু দত্তৰ মূৰত বেয়াকৈ আঘাত পোৱা বুলি স্পষ্ট কৰি দিয়াত পৰিয়ালৰ লোকে গোগামুখ থানাৰ অন্তৰ্গত বৰদলনি আৰক্ষী চকীত এটা গোচৰ দিয়ে আৰু উক্ত গোচৰৰ ভিত্তিত হত্যাকাণ্ডৰ মূল অভিযুক্ত দিগন্ত বৰুৱা, বন হাজঙকে ধৰি মুঠ ১০ জন লোকক আটক কৰিছে। ঘটনাটোৱে সমগ্ৰ ধেমাজিত তীব্ৰ প্ৰতিক্ৰিয়া আৰু চাঞ্চল্যৰ সৃষ্টি কৰিছে। হত্যাকাণ্ডৰ মূল অভিযুক্ত দিগন্ত বৰুৱাক আজি গোগামুখ আৰক্ষীয়ে জে’ল-হাজোতলৈ প্ৰেৰণ কৰিছে আৰু কেবাগৰাকী অভিযুক্তক জেৰাৰ অন্তত জে’ল-হাজোতলৈ প্ৰেৰণ কৰাৰ সম্ভাৱনা আছে।

## বেজেৰাৰ নিজ বাসগৃহৰ পৰা গ্ৰেপ্তাৰ ইউনিছ আলীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ২৭ মে’ ঃ** অৱসৰ গ্ৰহণৰ পিছত জালিয়াতিৰে অতিৰিক্তভাৱে পেঞ্চনৰ ধন মোকলাই নিয়া গোৰেশ্বৰ উন্নয়ন খণ্ডৰ গ্ৰামসেৱক ইউনিছ আলীক আজি মুছলপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। কামৰূপ জিলাৰ অন্তৰ্গত বাইহাটা চাৰিআলিৰ সমীপৰ বেজেৰাৰ নিজ বাসগৃহৰ পৰা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে অভিযুক্ত ইউনিছ আলীক। উল্লেখ্য যে ২০১৯ চনত তেতিয়াৰ বাক্সা জিলাৰ অন্তৰ্গত গোৰেশ্বৰ উন্নয়ন খণ্ডৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল ইউনিছ আলীয়ে। কিন্তু অৱসৰৰ পিছত বাক্সাৰ মুছলপুৰত থকা কোষাগাৰত ভুৱা বিল জমা দি অতিৰিক্তভাৱে প্ৰায় ৬০ লাখ টকা সৰকাই নিছিল ইউনিছ আলীয়ে। কিন্তু এই জালিয়াতি পোহৰলৈ অহাত সেই সময়ৰ কোষাগাৰ বিষয়া তৰণী কলিতাই মুছলপুৰ সদৰ আৰক্ষী থানাত এখন এজাহাৰ প্ৰদান কৰিছিল। পিছত ঘটনা সন্দৰ্ভত মুছলপুৰ আৰক্ষীয়ে ৭৭/২১ নম্বৰত এটি গোচৰ ৰুজু কৰি অনুসন্ধানৰ অন্তত গোৰেশ্বৰৰ প্ৰাক্তন খণ্ড উন্নয়ন বিষয়া তথা বৰ্তমানৰ তামাৰহাটৰ খণ্ড উন্নয়ন বিষয়া ভূপেন দাসক গ্ৰেপ্তাৰ কৰিছিল যদিও ঘটনাৰ মাষ্টাৰ মাইণ্ড অৱসৰপ্ৰাপ্ত গ্ৰামসেৱক ইউনিছ আলী পলাতক হৈ আছিল। কিন্তু মুছলপুৰ আৰক্ষীয়ে শুক্ৰবাৰে পুৱতি নিশা অভিযান চলাই ইউনিছ আলীক বাইহাটা চাৰিআলিৰ বেজেৰাৰ নিজ বাসগৃহৰ পৰা গ্ৰেপ্তাৰ কৰে।

## শিক্ষা বিভাগৰ দ্বাৰা প্ৰকাশিত দুই শতাধিক বৰ্তমানৰ প্ৰচলিত পাঠ্যপুথি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৭ মে’ ঃ** অসম চৰকাৰৰ শিক্ষা বিভাগৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথি ছমৰীয়াত উদ্ধাৰ হোৱা ঘটনাই শিক্ষা বিভাগৰ লগতে সচেতন শিক্ষা মহলত তীব্ৰ জোকাৰণিৰ সৃষ্টি কৰিছে। ইয়াৰ পিছতে আজি ছমৰীয়াত উপস্থিত হয় অসম চৰকাৰৰ শিক্ষা বিভাগৰ লগতে পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন পৰিষদৰ উচ্চপদস্থ বিষয়া-কৰ্মচাৰীৰ দল। উদ্ধাৰ হোৱা পাঠ্যপুথিসমূহৰ ওপৰত অনুসন্ধান চলাবলৈ পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ পৰিচালন সঞ্চালক শ্বাহনৰাজ চৌধুৰী আৰু কামৰূপ জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াৰ নেতৃত্বত শিক্ষা বিভাগ ও প্ৰকাশন পৰিষদৰ বিষয়া-কৰ্মচাৰীৰ দল। ছমৰীয়া খণ্ড প্ৰাথমিক শিক্ষা বিষয়া নিত্য প্ৰসাদ মহন্তৰ সহযোগত শিক্ষা বিভাগ আৰু পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ দলটোৱে ঘটনাটোৰ ওপৰত দিনজোৰা অনুসন্ধান চলায়। লগতে উদ্ধাৰ হোৱা পাঠ্যপুথিসমূহৰ ওপৰত দলটোৱে তন্ন তন্নকৈ চলায় অনুসন্ধান। দলটোৱে স্থানীয় একাংশ লোকৰ সহযোগত কণ্টেইনাৰখনত থকা বহী-পত্ৰ, পুৰণি কিতাপ আদিৰ প্ৰায় পাঁচ শতাধিক বস্তা পৰীক্ষা-নিৰীক্ষা কৰি প্ৰায়সংখ্যক বস্তাতে পুৰণি কিতাপ-বহী আৱিষ্কাৰ কৰাৰ লগতে বিদ্যালয়ত বৰ্তমানৰ প্ৰচলিত দুই শতাধিক নতুন পাঠ্যপুথিও উদ্ধাৰ হয়। উদ্ধাৰ হোৱা পাঠ্যপুথিসমূহ নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ বুলি অনুসন্ধানত ওলাই পৰে। ইফালে, ইতিমধ্যে যোৱানিশা বকো আৰক্ষীয়ে ছয়গাঁও সমষ্টিৰ জোৰশিমুলী আৰক্ষী চকীৰ এলেকাধীন চৌধুৰীপাম গাঁৱৰ ডেম্প এখনৰ স্বত্বাধিকাৰী নুৰ ইছলামক আটক কৰি সোধাপোছা অব্যাহত ৰাখিছে। তালাচীৰ পিছত কণ্টেইনাৰ দুখনৰ ভিতৰত শিক্ষা বিভাগৰ দ্বাৰা প্ৰকাশিত কিছুমান বহী, কিতাপ দেখা পাই ছমৰীয়া আৰক্ষী চকীত খবৰ দি চমজাই দিছিল এইচ আৰ-৫৫এজি-০১২১ আৰু এইচ আৰ-৫৫ ডব্লিউ-০৯৭২ নম্বৰৰ কণ্টেইনাৰ দুখন।

## নগাঁৱত হেৰ’ইনসহ চাৰি ড্ৰাগ্‌ছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৭ মে’ ঃ** নগাঁৱৰ আৰক্ষীয়ে ধাৰাবাহিকভাৱে ড্ৰাগ্‌ছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। আৰক্ষীয়ে এই সন্দৰ্ভত ইতিমধ্যে বহুকেইজন ড্ৰাগ্‌ছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে যদিও ড্ৰাগ্‌ছ সৰবৰাহকাৰী আৰু ড্ৰাগ্‌ছ ব্যৱসায়ীসকলে নিত্য নতুন কৌশল অৱলম্বন কৰি ড্ৰাগ্‌ছৰ সৰবৰাহ অব্যাহত ৰাখিছে। নগাঁৱক ড্ৰাগ্‌ছমুক্ত জিলা হিচাপে গঢ়ি তোলাৰ অংশ হিচাপে নগাঁও আৰক্ষীয়ে প্ৰতিদিনে ড্ৰাগ্‌ছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। যোৱা নিশাও নগাঁৱত হয়বৰগাঁও আৰক্ষীয়ে অভিযান চলাই চাৰিজন ড্ৰাগ্‌ছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। নগাঁও চহৰৰ ১ নং মোলাপট্টিত আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ হেৰ’ইন জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে এই সন্দৰ্ভত গ্ৰেপ্তাৰ কৰা চাৰিজন ড্ৰাগ্‌ছ সৰবৰাহকাৰী হল ১ নং মোলাপট্টিৰ ৰাতুল হুছেইন (৩১), ফাৰুক ইছলাম (২১), ৰমিজুল ইছলাম (২৯) আৰু জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত দগাঁও গদাইমাৰীৰ নাছিৰ উদ্দিন (১৯)। সম্প্ৰতি নাছিৰে ১ নং মোলাপট্টিৰ ভাৰাঘৰত থাকি ড্ৰাগ্‌ছৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। হয়বৰগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া তৰংগ পাটোৱাৰীয়ে সংবাদ মাধ্যমক জনোৱা মতে ৰাতুল হুছেইন এজন ড্ৰাগ্‌ছ সৰবৰাহৰ মূল হোতা। ৰাতুলৰ নেতৃত্বত নগাঁৱত ড্ৰাগ্‌ছ সৰবৰাহৰ এটা নতুন ঘাটি গঢ় লৈ উঠিছে।

## নীতি নিৰ্দেশনা জাৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৭ মে’ ঃ** অসম চৰকাৰে ‘‘মুখ্যমন্ত্ৰীৰ ৰাজহুৱা জৰুৰীকালীন আঁচনি’’ নামেৰে এখন নতুন আঁচনি প্ৰৱৰ্তন কৰিছে। সেই সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ সচিবালয়ে এই আঁচনিখন ৰূপায়ণৰ বাবে নীতি-নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি আঁচনিখনৰ বাবে বছৰেকীয়া ৰাজ্যিক বাজেটৰ মুখ্যমন্ত্ৰীৰ সচিবালয়ৰ বাবে নিৰ্ধাৰিত মুখ্যমন্ত্ৰীৰ ৰাজহুৱা জৰুৰী অৱস্থাৰ অধীনত থকা পুঁজি ব্যৱহাৰ কৰা হ’ব। আঁচনিখনৰ মূল উদ্দেশ্য হ’ল জৰুৰী অৱস্থাত ক্ষিপ্ৰতাৰে জনসাধাৰণৰ বাবে আৰ্থিক সাহায্য আগবঢ়োৱা। এই উদ্দেশ্যৰে আঁচনিখনৰ বাবে নিৰ্ধাৰিত পুঁজি বিত্ত বিভাগৰ অনুমতি সাপেক্ষে ৰাজহুৱা খণ্ডৰ বেংকত চেভিংচ একাউণ্টত ৰখা হ’ব। এই একাউণ্ট অসমৰ মুখ্যমন্ত্ৰীয়ে তদাৰক কৰিব আৰু ইয়াৰ পৰা লাভ কৰা সুত বিত্তীয় বৰ্ষটোৰ শেষত চৰকাৰী ৰাজকোষত প্ৰদান কৰা হ’ব। আঁচনিখনৰ অধীনত থকা পুঁজি নিয়মীয়া বাজেটে সামৰি নোলোৱা প্ৰাকৃতিক দুৰ্যোগ, সংঘৰ্ষ তথা দুৰ্ঘটনাগ্ৰস্ত লোকক আৰ্থিক সাহায্য প্ৰদানৰ বাবে ব্যৱহাৰ কৰা হ’ব। তদুপৰি, জনসাধাৰণৰ বাবে অসাধাৰণৰ সেৱা আগবঢ়োৱা লোক, ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াবলৈ সক্ষম হোৱা ক্ৰীড়া, সংস্কৃতি তথা শৈক্ষিক জগতৰ সৈতে জড়িত লোকলৈও এই পুঁজিৰ পৰা আৰ্থিক সাহায্য আগবঢ়োৱা হ’ব। লগতে নিয়মীয়া চৰকাৰী আঁচনিয়ে সামৰি নোলোৱা ৰাজ্যখনৰ বিভিন্ন অনুষ্ঠানলৈ কৰ্মশালা, আলোচনা চক্ৰ তথা উৎসৱ আদি অনুষ্ঠিত কৰিবলৈও সাহায্য আগবঢ়োৱা হ’ব। ইয়াৰোপৰি সামাজিক, সাংস্কৃতিক তথা শৈক্ষিক অনুষ্ঠানৰ আন্তঃগাঁথনি উন্নয়নৰ বাবেও আঁচনিখনৰ জৰিয়তে পুঁজি উপলব্ধ কৰা হ’ব। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰীৰ ৰাজহুৱা জৰুৰীকালীন আঁচনিখন মুখ্যমন্ত্ৰীৰ সচিবালয়ে ৰূপায়ণ কৰিব আৰু ইয়াৰ বাবে পুঁজি মুখ্যমন্ত্ৰীৰ সন্মতিমৰ্মে অনুমোদন জনোৱা হ’ব বুলি অধিসূচনাত উল্লেখ কৰা হৈছে।

## ৰাইফলেৰে গুলীয়াই

জোৱান অংকিত কুমাৰে নিজৰ ইনছাচ ৰাইফলেৰে নিজকে গুলীয়াই আত্মহত্যা কৰে। এছ এছ বিৰ সূত্ৰই জানিবলৈ দিয়া মতে, কোকৰাঝাৰত কৰ্মৰত এছ এছ বিৰ ষষ্ঠ বেটেলিয়নৰ জোৱান অংকিত কুমাৰে চৰকাৰী আৱাসত থকা সময়ত বৃহস্পতিবাৰৰ নিশা আত্মহননৰ পথ বাছি লয়। ৰাইফলেৰে গুলীওৱাৰ ফলত জোৱানজনৰ থুঁতৰিয়েদি গুলী সোমাই মূৰ ফুটা হৈ ওলাই যায়। উত্তৰ প্ৰদেশৰ মুজাফৰনগৰৰ বিবাহিত এইজন জোৱানে আত্মহত্যা কৰাৰ পিছত চিৰাং জিলাৰ ঢালিগাঁও থানাৰ আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি কাজলগাঁৱস্থিত জে এছ বি অসামৰিক চিকিৎসালয়ত মৰণোত্তৰ পৰীক্ষাৰ বাবে নিয়ে। জোৱানজনৰ আত্মহত্যাৰ কাৰণ জানিব পৰা হোৱা নাই যদিও মানসিক চাপত থকা হেতুকে জোৱানজনে আত্মহননৰ পথ বাছি ল’ব পাৰে বুলি আৰক্ষীয়ে সন্দেহ প্ৰকাশ কৰিছে। শুকুৰবাৰে মৃত জোৱানজনৰ মৰণোত্তৰ পৰীক্ষাৰ সময়ত কেইবাজনো এছ এছ বিৰ বিষয়া উপস্থিত আছিল যদিও সংবাদ মাধ্যমৰ আগত কোনো মন্তব্য প্ৰকাশ কৰা নাই। মৰণোত্তৰ পৰীক্ষাৰ অন্তত এছ এছ বিৰ ফালৰ পৰা যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি জোৱানজনৰ মৃতদেহ নিজ বাসগৃহলৈ প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰে।

## কামপুৰৰ বাঢ়নী পানীত পৰি

আলম (৩) আৰু চাইমা খাতুন (৮) নামৰ শিশু দুটাই ঘৰতে খেলি থকা অৱস্থাতে বাঢ়নী পানীত পিছলি পৰাৰ ফলত এই ঘটনাটো সংঘটিত হয়। পাছত শিশু দুটাক স্থানীয় ৰাইজে উদ্ধাৰ কৰি চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। ইয়াকে লৈ কামপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত অঞ্চলত এইবাৰৰ বানপানীত ৪টি শিশুকে ধৰি মুঠ ৰচ জন লোকৰ সলিল সমাধি ঘটে।

**গা ধুবলৈ গৈ যুৱকৰ সলিল সমাধি**

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী ঃ** পশ্চিম নলবাৰী অঞ্চলৰ বৰ হেলচা গাঁৱৰ এজন চফল যুৱকৰ সলিল সমাধি ঘটে। উল্লেখ্য যে গড়কাপ্তানী বিভাগৰ কৰ্মচাৰী ৰাণা তালুকদাৰৰ পুত্ৰ দিব্য তালুকদাৰে (১৭) আজি দুপৰীয়া ঘৰুৱা কাম কৰি পুখুৰীত গা ধুবলৈ গৈ পানীত পৰি মৃত্যু ঘটে। উক্ত ঘটনাত অঞ্চলটোত হুৱাদুৱা লগাত পুখুৰীৰ পৰা তুলি আনি চিকিৎসালয়লৈ নিয়ে যদিও দিব্যক ৰাইজে পানীত মৃত অৱস্থাতে উদ্ধাৰ কৰে।

## ভাৰতীয় ভাষাত লিখা

সময়ছোৱাত দেশ বিভাজনে কেনেকৈ ইয়াৰ কেন্দ্ৰীয় চৰিত্ৰটোৰ জীৱনত প্ৰভাৱ পেলাইছিল আৰু সেই স্মৃতিবোৰে কেনেকৈ তেওঁক ভূতৰ দৰে খেদি ফুৰে উপন্যাসখনত তাৰ কাহিনী বৰ্ণিত হৈছে। ইংলেণ্ড আৰু আয়াৰলেণ্ডত বছৰি আন্তৰ্জাতিক বুকাৰ বঁটা প্ৰদান কৰা হয়। ইংৰাজীত লিখা উপন্যাস বা ইংৰাজীলৈ অনুবাদ কৰা উপন্যাসসমূহ এই প্ৰতিযোগিতাত অন্তৰ্ভুক্ত কৰা হয়। ইংৰাজী ভাষাত লিখা বা প্ৰকাশিত উপন্যাসৰ বাবে ই এক অতি সন্মানীয় বঁটা। ভাৰতৰ বহুতেই ইয়াৰ পূৰ্বে এই বঁটা লাভ কৰিছে। ছলমান ৰুশ্বদী, ভি এছ নাইপল, অৰুন্ধতী ৰয়, অমিতাভ ঘোষকে ধৰি আন বহুতে এই বঁটা লাভ কৰিছে যদিও ইংৰাজীৰ বাহিৰে আন ভাৰতীয় ভাষাত লিখা এখন উপন্যাসে এইবাৰ প্ৰথমবাৰৰ বাবে এই বঁটা লাভ কৰিছে। ভাৰতীয় লেখিকা গীতাঞ্জলি শ্ৰীৰ এনে সফলতাই স্বাভাৱিকতে আনন্দিত কৰি তুলিছে দেশৰ সাহিত্য প্ৰেমীসকলক। উপন্যাসখন প্ৰথমতে হিন্দীত লিখা হৈছিল। পিছত ইয়াক ইংৰাজীলৈ অনুবাদ কৰা হয়। এই বঁটা লাভ কৰা এইখন হৈছে ভাৰতীয় ভাষাত লিখা প্ৰথমখন গ্ৰন্থ। ৫০ হাজাৰ পাউণ্ড পুৰস্কাৰৰ ধন গীতাঞ্জলি শ্ৰী আৰু ডেইজী ৰকৱেলৰ মাজত সমানে ভগাই দিয়া হ’ব। বুকাৰ বঁটা বাছনি দলৰ এগৰাকী সদস্য ফ্ৰেংক ওৱেনে কয় যে উপন্যাসখন পঢ়াৰ পিছত বিচাৰকসকল অতি ভাবগধুৰ হৈ পৰিছিল।



গুণোৎসৱৰ তৃতীয়টো দিনত বোকাখাতৰ এখন বিদ্যালয়ত মন্ত্ৰী অতুল বৰা

## গুণগত শিক্ষা, শৈক্ষিক উৎকৰ্ষ সাধনেহে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ শৈক্ষিক উৎকৰ্ষ সাধন কৰিব — অতুল বৰা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বোকাখাত, ২৭ মে' ঃ** বিদ্যাৰ্থীসকলৰ শৈক্ষিক উৎকৰ্ষ সাধন তথা শৈক্ষিক প্ৰগতি সুনিশ্চিতকৰণ আৰু গুণগত শিক্ষাইহে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ শৈক্ষিক উৎকৰ্ষ সাধন কৰিব । সেই লক্ষ্যৰে ৰাজ্যজুৰি অনুষ্ঠিত হৈ থকা 'গুণোৎসৱ-২০২২'ৰ দ্বিতীয় পৰ্যায়ৰ অংশস্বৰূপে কালি গোলাঘাট পশ্চিম শিক্ষাখণ্ড বোকাখাতৰ অন্তৰ্গত ১২ নং বিহৰা বাগিচা প্ৰাথমিক বিদ্যালয়খন এগৰাকী বহিঃমূল্যায়ক ৰূপে পৰিদৰ্শন কৰে বোকাখাত সমষ্টিৰ বিধায়ক তথা জ্যেষ্ঠ কেবিনেট মন্ত্ৰী অতুল বৰাই । অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সবল নেতৃত্বত অসমৰ শিক্ষা ব্যৱস্থাটোৱে সম্প্ৰতি এক নতুন গতি লাভ কৰিবলৈ সক্ষম হৈছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে । লগতে 'গুণোৎসৱ'ৰ সৈতে জড়িত সকলোকে আমাৰ চৰকাৰখনৰ এই শৈক্ষিক কাৰ্যসূচীৰ অন্তৰ্নিহিত উদ্দেশ্য তথা এই আন্তৰিক প্ৰচেষ্টাক সফল কৰি তুলিবলৈ আন্তৰিক আহ্বানো জনায় । বিদ্যালয়খনৰ শ্ৰেণীকোঠাসমূহ পৰিদৰ্শন কৰাৰ সময়ত ছাত্ৰ ৰূপতো দেখা গ'ল মন্ত্ৰী অতুল বৰাক । কণ কণ ছাত্ৰ-ছাত্ৰীৰ সৈতে একে বেঞ্চতে বহি পাঠ আওৱালে ৰাজ্যৰ জ্যেষ্ঠ কেবিনেট মন্ত্ৰীগৰাকীয়ে । বোকাখাতৰ ১২ নং বিহৰা বাগিচা প্ৰাথমিক বিদ্যালয়ৰ গুণোৎসৱৰ তৃতীয় দিনা অংশ লৈ ছাত্ৰ-ছাত্ৰীৰ লগত মত বিনিময় কৰে মন্ত্ৰীজনে । একেদৰে ডাঙৰ হৈ ভৱিষ্যতে কি হ'বা বুলি সোধা প্ৰশ্নৰ উত্তৰত আচিক কৰ্মকাৰ নামৰ ছাত্ৰজনে ডাঙৰ হৈ আপোনাৰ দৰেই এজন সফল ৰাজনীতিক হ'ম বুলি কোৱাত মন্ত্ৰী অতুল বৰাই নিজৰ ডিঙিৰ গামোচাখন নিজেই পিন্ধাই দিয়ে ছাত্ৰজনৰ ডিঙিত । একেদৰে জুলী ৰিচাৰ্ড নামৰ এগৰাকী মুকবধি বিশেষভাৱে সক্ষম ছাত্ৰীৰ সৈতেও আকাৰে-ইংগিতে কথা পাতি অভিভূত হৈ পৰা বুলি মন্তব্য কৰিলে মন্ত্ৰীজনে । পৰৱৰ্তী সময়ত বিদ্যালয়ৰ শিক্ষক, অভিভাৱক তথা মাতৃগোটৰ সদস্যসকলৰ সৈতে মত বিনিময় কৰি সুখী হোৱা বুলি জানিবলৈ দিয়ে । আনহাতে বিদ্যালয়ৰ আন্তঃগাঁথনি পৰিদৰ্শন কৰি বিদ্যালয়খনৰ চৌহদৰ পকী বেৰ নিৰ্মাণৰ বাবে বিধায়ক এলেকা উন্নয়ন পুঁজিৰ পৰা ২ লাখ টকাৰ অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰে । কালিৰ কাৰ্যসূচীত মন্ত্ৰীগৰাকীৰ সৈতে বোকাখাত মহকুমাৰ মহকুমাধিপতি ডাঃ নেহা যাদৱ, গোলাঘাট জিলা প্ৰাথমিক শিক্ষা বিষয়া তথা বিদ্যালয় পৰিদৰ্শক ডঃ সমীৰণ বৰা, গোলাঘাট পশ্চিম শিক্ষা খণ্ড বোকাখাতৰ শিক্ষা বিষয়া ৰুদ্ৰ শইকীয়া প্ৰমুখ্যে গুণোৎসৱৰ সৈতে জড়িত বিষয়াসকল, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল উপস্থিত থাকে।

ত্ৰয়োদশ কাৰ্বি পৰিষদৰ সাধাৰণ নিৰ্বাচন

### প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত ৰবিছন, লিপছন, লৰেন্সৰ বাসগৃহত প্ৰভাত তাৰ'

# সকলোকে লৈ দোৱাৰ-আমলাৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নত আগবাঢ়ি যাম — প্ৰভাত চন্দ্ৰ তাৰ'

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৈঠালাংছু, ২৭ মে' ঃ** সমাগত ত্ৰয়োদশ কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে পাৰ্থডো জিলা পশ্চিম কাৰ্বি আংলংৰ নটাকৈ পৰিষদীয় সমষ্টিৰ ভিতৰত অন্যতম গুৰুত্বপূৰ্ণ তথা প্ৰথম পৰিষদীয় সমষ্টি ১নং দোৱাৰ-আমলা পৰিষদীয় সমষ্টিৰ জনদৰদী যুৱনেতা প্ৰভাত চন্দ্ৰ তাৰ'ৰে বিজেপি দলৰ প্ৰাৰ্থিত্বপ্ৰত্যাশী ক্ৰমে ৰবিছন টেৰণ, লিপছন বে', লৰেন্স টেৰণ, সূৰ্য বৰদলৈ, বাবু তেৰাঙৰ বাসগৃহত কালি উপস্থিত হয়। বিজেপি দলটিৰ বিভিন্ন যোগাত্মক দিশ আৰু উন্নয়নৰ গতিধাৰাক সাধাৰণ ৰাইজৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰত মোৰ জ্ঞাতে-অজ্ঞাতে বিগত বহুসময় ধৰি ৰবিছন টেৰণ ডাঙৰীয়া, লিপছন বে' ডাঙৰীয়া, লৰেন্স টেৰণ ডাঙৰীয়া, সূৰ্য বৰদলৈ ডাঙৰীয়া, বাবু তেৰাং ডাঙৰীয়াকে ধৰি অন্যান্যসকলে যি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছিল তাৰ বাবে প্ৰথমতে মই তেওঁলোকক মোৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ বুলি সাংবাদিকক আগত প্ৰকাশ কৰে জনদৰদী নেতা প্ৰভাত চন্দ্ৰ তাৰ'ৰে। গণতান্ত্ৰিক দেশত সকলোৰে দলীয় প্ৰাৰ্থিত্ব বিচাৰৰ অধিকাৰ আছে, সেইবাবে তেওঁলোকেও প্ৰাৰ্থিত্ব বিচাৰিছিল। অতিকৈ গুৰুত্বপূৰ্ণ তথা লক্ষণীয় যে তেওঁলোকে প্ৰাৰ্থিত্ব লাভ কৰিবলৈ সক্ষম হোৱা নাই যদিও অন্যান্য সমষ্টিৰ দৰে বিসম্বাদ নকৰি আমাৰ সমষ্টিটোক ঐক্যতাৰ প্ৰতীক হিচাপে পৰিস্ফুট কৰি যি মহান আদৰ্শ দেখুৱালে মই তেওঁলোকলৈ মোৰ হৃদয়ৰ অতল গহ্বৰৰ পৰা অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে সমষ্টিটোৰ উন্নয়নৰ ক্ষেত্ৰত তেওঁলোকে হাতে-হাত ধৰি আগবাঢ়ি যোৱাৰ যি প্ৰতিশ্ৰুতি প্ৰদান কৰিছে, সেই প্ৰতিশ্ৰুতিয়ে আমাৰ দোৱাৰ-আমলাবাসীক পুনৰবাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু কাৰ্বি পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং ডাঙৰীয়াৰ নেতৃত্বাধীন বিজেপি দলটিৰ নীতি-আদৰ্শতে মহীয়ান হৈ উন্নতিৰ দিশত আগবাঢ়ি যোৱাৰ ক্ষেত্ৰত অন্য এটি মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হ'ব বুলি প্ৰকাশ কৰে যুৱনেতা প্ৰভাত চন্দ্ৰ তাৰ'ৰে। সমষ্টিটোত নেতাৰ সমান্তৰালকৈ কৰ্মীসকলৰ মাজত থকা বিৰূপ মনোভাবৰ যৱনিকা পৰিবনে বুলি সোধা এক প্ৰশ্নত জনদৰদী নেতাগৰাকীয়ে কয় যে আচলতে প্ৰতিগৰাকী নেতাৰ সমৰ্থক একাংশৰ মাজত আজিও এটি সূক্ষ্ম মনোমালিন্যৰ অব্যাহত আছে যদিও ই ক্ষন্তেকীয়া। আমি বিজেপি দলৰ নীতি-আদৰ্শেৰে সমাজৰ উন্নয়ন কৰিব বিচৰা মানসিকতা অটুট ৰাখি সকলো সমস্যাৰ ওৰ পেলাই আগবাঢ়ি যোৱাৰহে পক্ষপাতী। সেইবাবেই আমি আজি সকলো দুখ-ভ্ৰূটি, ভুল-ভ্ৰান্তি নাহিকিয়া কৰি পুনৰ একেখন মঞ্চতে একগোট হৈ আগবাঢ়ি যাবলৈ সক্ষম হৈছোঁ বুলি সদৰী কৰে। সমাগত নিৰ্বাচনত আপুনি সমষ্টিটোৰ পৰা কিমান ভোটত বিজয়ী হ'ব বুলি সোধা এক প্ৰশ্নত যুৱনেতাগৰাকীয়ে অতি চাতুৰ্যতাৰে অমায়িকভাৱে উত্তৰ দিয়ে যে এইয়া সম্পূৰ্ণ নিৰ্ভৰ কৰিব মোৰ সতীৰ্থ বন্ধু ৰবিছন টেৰণ ডাঙৰীয়া, লিপচন বে' ডাঙৰীয়া, লৰেন্স টেৰণ ডাঙৰীয়া, সূৰ্য বৰদলৈ ডাঙৰীয়া, বাবু তেৰাং ডাঙৰীয়াৰ কঠোৰ পৰিশ্ৰম, অদম্য কষ্ট-ত্যাগ আৰু সমষ্টিবাসী ৰাইজৰ মৰমৰ-আশীৰ্বাদৰ ওপৰত। উল্লেখযোগ্য যে সমষ্টিটোৰ একাংশ ৰাজনৈতিক সচেতন ৰাইজে প্ৰভাত চন্দ্ৰ তাৰ'ৰ দৰে অমায়িক আৰু জনদৰদী নেতাগৰাকীয়ে বিপুল ভোট লাভ কৰি সমষ্টিটোৰ পৰা বিজয়ী হ'বলৈ সক্ষম হ'ব বুলি মত পোষণ কৰে।

লখিমপুৰত চৰকাৰী বিদ্যালয়ৰ দুৰৱস্থা

## জৰাজীৰ্ণ বিদ্যালয়ত বৰষুণত তিতি-বুৰি শিক্ষা গ্ৰহণ কৰে ছাত্ৰ-ছাত্ৰীয়ে

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ২৭ মে' ঃ** ৰাজ্যৰ শিক্ষা বিভাগে যিসময়ত চৰকাৰী বিদ্যালয়সমূহত শিক্ষাৰ গুণগত মান বৃদ্ধিৰ বাবে পূৰ্ণোদ্যমে গুণোৎসৱ আয়োজন কৰি আহিছে। সেইসময়তে এতিয়ালৈকে গুণোৎসৱ আৰম্ভ নোহোৱা কিন্তু আৰম্ভ হবলৈ মাজত মাত্ৰ কেইটামান দিন বাকী থকা অৱস্থাত লখিমপুৰ জিলা শিক্ষাখণ্ডৰ অধীনৰ এখন পিছপৰা ভিতৰুৱা অঞ্চলৰ অগ্ৰণী চৰকাৰী বিদ্যালয়ৰ দুৰৱস্থাই বাৰুকৈয়ে উদ্বিগ্ন কৰি তুলিছে সেই বিদ্যালয়ৰ শিক্ষাৰ লগত জড়িত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু স্থানীয় অভিভাৱক ৰাইজক । এই বিদ্যালয়খন হৈছে ঘাগৰ মুখ উচ্চ মাধ্যমিক বিদ্যালয়। লখিমপুৰ জিলা শিক্ষা বিভাগৰ অধীনৰ তথা ভীমপৰা পঞ্চায়তৰ অন্তৰ্গত চৰকাৰী শিক্ষাৰ উচ্চ প্ৰতিষ্ঠান এই বিদ্যালয়ৰ জৰাজীৰ্ণ অৱস্থাই সকলোৰে চকু কপালত তুলিছে। ৰাজ্যত শাসনাধিষ্ঠিত চৰকাৰখনে যিমানেই উন্নয়নৰ ফুলঝাৰী নামাৰক কিয়, দেশৰ মানৱ সম্পদ গঢ় দিয়া এই বিদ্যালয়ৰ জৰাজীৰ্ণ অৱস্থাই শিক্ষাৰ ক্ষেত্ৰত চৰকাৰী উন্নয়নৰ ফোঁপোলা স্বৰূপবোৰ উন্মোচিত কৰিছে । ২০১৩ চনতে প্ৰাদেশীকৃত তথা উচ্চ আৰু মাধ্যমিক স্তৰত তিনি শতাধিতকৈ অধিক ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি থকা এই বিদ্যালয়ৰ বিদ্যালয় গৃহৰ পকীকৰণ ব্যৱস্থা আজিলৈকে নকৰিলে ৰাজ্যৰ শিক্ষা বিভাগে। ফলত যুগ যুগ ধৰি সলনি নকৰাকৈ থকা বিদ্যালয়ৰ গৃহৰ অন্যান্য স্থানৰ লগতে শ্ৰেণীকোঠাসমূহৰ ওপৰৰ টিনৰ চালিত সৃষ্টি হৈছে সৰু-বৰ অজস্ৰ ফুটা। ফলত বৰষুণৰ বতৰত ফুটা হোৱা টিনৰ চালিয়েদি হোৰা-হোৰে পানী সৰকি পৰি শ্ৰেণীকোঠাৰ কেঁচা মজিয়া বোকা হৈ যোৱাৰ লগতে একপ্ৰকাৰে কৃত্ৰিম বানপানীৰ দৰে পৰিৱেশৰ সৃষ্টি হৈ বিদ্যালয়ত অধ্যয়ন কৰিবলৈ অহা ছাত্ৰ-ছাত্ৰীৰ বহী-কিতাপ, কাপোৰ-কানি সকলো তিতি-বুৰি এক অবৰ্ণনীয় পৰিস্থিতিৰ সৃষ্টি হয়। কিন্তু উপায়ান্তৰ হৈ বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলে তেনে এক পৰিস্থিতিৰ মাজতো যেনেকৈ শিক্ষা প্ৰদান কৰিবলৈ বাধ্য হৈ আছে তেনেকৈয়ে ছাত্ৰ-ছাত্ৰীসকলেও বিষম প্ৰতিকূল পৰিস্থিতিতো শিক্ষাগ্ৰহণ কৰিবলৈ বিদ্যালয়ত উপস্থিত থাকি নিজৰ ধৈৰ্যৰ পৰীক্ষা দিছে।

## ৰাভা হাছঙক ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত নকৰালৈ ৰাভা জাতি থমকি নৰয়

### তিনি ৰাভা জাতীয় সংগঠনৰ নেতৃত্বত ঘোষিত দুমহীয়া আন্দোলনৰ বাইক ৰেলীৰে সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ২৭ মে' ঃ** দীৰ্ঘদিন ধৰি প্ৰতিশ্ৰুতি পালন নকৰা তথা ৰাভা হাছং এলেকাত বসবাস কৰা বিভিন্ন জাতি জনগোষ্ঠীৰ অমীমাংসিত সমস্যা সমূহ সমাধানৰ প্ৰতিশ্ৰুতি দি যৌথ সংগ্ৰামৰ সৈতে মিত্ৰতাৰে চৰকাৰ গঠন কৰা বিজেপি নেতৃত্বাধীন চৰকাৰখনে বিগত পাঁচটা বছৰ আৰু চলিত চৰকাৰৰ প্ৰায় এটা বছৰত ৰাভা হাছং এলেকাৰ বিভিন্ন সমস্যাৰ লগতে মূলত ৰাভা হাছং পৰিষদখনক ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰাত ব্যৰ্থ হোৱা বুলি চৰকাৰৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি নিখিল ৰাভা ছাত্ৰ সন্থাৰ গোৱালপাৰা জিলা সমিতি, নিখিল ৰাভা মহিলা পৰিষদৰ গোৱালপাৰা জিলা সমিতি আৰু ষষ্ঠ অনুসূচী দাবী সমিতিয়ে ২ এপ্ৰিলৰ পৰা আৰম্ভ কৰা প্ৰায় দুমহীয়া আন্দোলনৰ কাৰ্যসূচীৰ কালি প্ৰায় ছয়শ কিলোমিটাৰ জোৰা বাইক ৰেলীৰ সামৰণি পৰে। জয়ৰামকুচীৰ পৰা আৰম্ভ হোৱা বাইক ৰেলীয়ে ধুপধৰালৈ গৈ তাৰ পৰা ঘূৰি আহি দুধনৈৰ লেলাত সামৰণি পৰে। গোৱালপাৰা জিলাৰ ২৩ খন আঞ্চলিকক সামৰি উলিওৱা বাইক ৰেলীত প্ৰতিবাদকাৰী সকলে 'আমাক ষষ্ঠ অনুসূচী লাগিবই', 'আমাৰ দাবী মানিবই লাগিব', 'যৌথ সংগ্ৰাম সমিতি জিন্দাবাদ', 'আৰছু লং লিভ,' 'ষষ্ঠ অনুসূচী দাবী সমিতি, 'ৰাভা বিৰোধী হুচিয়াৰ, 'ৰাভা ঐক্য জিন্দাবাদ', 'ষষ্ঠ অনুসূচী আমাক লাগিবই' আদি শোগানেৰে আকাশ বতাহ মুখৰিত কৰি তোলে। উল্লেখযোগ্য যে ৰাভা হাছং পৰিষদখনক ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰণৰ বাবে সুদীৰ্ঘ বছৰেও অসম চৰকাৰে কোনো কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ নকৰাত নিখিল ৰাভা ছাত্ৰ সন্থাৰ গোৱালপাৰা জিলা সমিতি, নিখিল ৰাভা মহিলা পৰিষদৰ গোৱালপাৰা জিলা সমিতি আৰু গোৱালপাৰা জিলা ষষ্ঠ অনুসূচী দাবী সমিতিয়ে এলানি আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিছিল। ইপিনে কাৰ্যসূচী ৰূপায়নৰ সময়ত গোৱালপাৰা জিলা ষষ্ঠ অনুসূচী দাবী সমিতিৰ সভাপতি ৰত্নেশ্বৰ ৰাভাই কয় যে বিভিন্ন সময়ত চৰকাৰে ৰাভা হাছং পৰিষদ এলেকাৰ বিভিন্ন জাতি জনগোষ্ঠীক ষষ্ঠ অনুসূচী প্ৰদানৰ আশ্বাস দিয়ে যদিও সেয়া দিঠকত হৈ নুঠে । এই অভিযোগ উথাপন কৰি ৰাভা জাতীয় সংগঠন সমূহে তীব্ৰতৰ কৰি তুলিছে ন্যায্য প্ৰাপ্তিৰ দাবীত আন্দোলন । কালি দুমহীয়া আন্দোলনৰ সামৰণি অনুষ্ঠানত ৰাভা হাছং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী টংকেশ্বৰ ৰাভা উপস্থিত থাকি কয় যে, ৰাভা হাছঙক ষষ্ঠ অনুসূচীক অন্তৰ্ভুক্ত নকৰালৈ ৰাভা জাতি থমকি নৰয়। মুখ্য কাৰ্যবাহী গৰাকীয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অতি সোনকালে ৰাভা হাছঙক ষষ্ঠ অনুসুচীত অন্তৰ্ভুক্তিৰ প্ৰক্ৰিয়া আগবঢ়াই লৈ যাবলৈ অনুৰোধ জনায়। সামৰণি অনুষ্ঠানত তিনি ৰাভা জাতীয় সংগঠনৰ নেতৃত্বই কয় যে, ইয়াৰ পিছতো যদি চৰকাৰে কোনো ধৰণৰ ইতিবাচক ভূমিকা গ্ৰহণ নকৰে তেন্তে আহি থকা সময়বোৰত অধিক জংগী আন্দোলনে গা কৰি উঠিব পাৰে গোৱালপাৰা জিলাত। তেওঁ পুনৰ কয় যে চৰকাৰে যদি আমাৰ দাবী মানি নলয় তেতিয়া ইয়াতকৈ ভয়াবহ জংগী আন্দোলন গঢ়ি তোলা হব।

## ডিমাকুছিত ৬০ বছৰীয়া বৃদ্ধৰ কামনাৰ বলি ১১ বছৰীয়া নাবালিকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২৭ মে' ঃ** ৰাজ্যত পুনৰ ধৰ্ষণ কাণ্ডই শিক্ষিত সমাজক লজ্জিত কৰিলে। ৰাজ্য চৰকাৰে ধৰ্ষণকাৰীৰ বিৰুদ্ধে যিমানেই আইন প্ৰণয়ন নকৰক কিয় কিন্তু ৰাজ্যত প্ৰতিদিনে সংঘটিত হৈ আহিছে ধৰ্ষণৰ দৰে নিৰ্লজ্জ কাণ্ড। এইবাৰ মানৱ সমাজক কলুষিত কৰা জঘন্য কাণ্ড সংঘটিত হয় ওদালগুৰি জিলাৰ ডিমাকুছি থানাৰ অন্তৰ্গত ২নং বৰঙাজুলি গাঁৱত। চাৰিটাকৈ পুত্ৰ-কন্যাৰ পিতৃ হীৰেন ডেকা (৬০) নামৰ বৃদ্ধৰ কামনাৰ বলি হ'ল শ্বহীদ আদৰ্শ মধ্য ইংৰাজী বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ১১ বছৰীয়া ছাত্ৰী। উল্লেখ্য, ১৭ মে'ত ৰাস্তাৰে গৈ থকা অৱস্থাত চাহ বাগিচাৰ মাজলৈ টানি নি ধৰ্ষণ কৰিছিল হীৰেন ডেকা নামৰ লম্পটজনে। উক্ত দিনাই ধৰ্ষণকাৰীৰ বিৰুদ্ধে ১৭ মে'ত ভুক্তভোগীয়ে ডিমাকুছি থানাত এজাহাৰ দাখিল কৰিছিল যদিও ভাৰপ্ৰাপ্ত বিষয়া নয়নমণি পাটোৱাৰীৰ নেতৃত্বত আৰক্ষীয়ে আজিলৈকে মূল অভিযুক্তক কৰায়ত্ত কৰিব নোৱাৰাক লৈ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। বৰ্তমানেও মুকলি আকাশৰ তলত ধৰ্ষণকাৰী। দৰিদ্ৰ পৰিয়ালটোৱে ন্যায় বিচাৰি আৰক্ষীৰ কাষ চাপিছিল ঠিকেই কিন্তু শকত ধনৰ টোপোলা নোপোৱাৰ বাবে গা নলৰিল বুলি সন্দেহ ৰাইজৰ। ১৭ মে' মঙলবাৰে ভুক্তভোগীৰ পৰিয়ালে ডিমাকুছি থানাত এজাহাৰ দাখিল কৰিছিল যদিও বৰ্তমানলৈকে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ নকৰাৰ অভিযোগ উত্থাপন কৰে স্থানীয় মহিলাসকলে। ডিমাকুছি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নয়নমণি পাটোৱাৰীৰ এই কাণ্ডক লৈ উত্তেজিত হৈ কালি ধৰ্ষণকাৰীক কৰায়ত্ত কৰক, ধৰ্ষণকাৰীক ফাঁচী দিয়ক, নাৰী নিৰ্যাতন বন্ধ কৰক, নাৰী তথা শিশু ধৰ্ষণ বন্ধ কৰক আদি বিভিন্ন প্ৰতিবাদী শ্ল'গানেৰে ৰজাগড়-নালাপাৰা সংযোগী পথত আকাশ-বতাহ কঁপাই তোলে প্ৰায় শতাধিক লোকে। কালি ৰাজপথত ওলাই আহি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰাৰ উপৰি ২৪ ঘণ্টাৰ ভিতৰত আচামীক কৰায়ত্ত কৰিবলৈ আহ্বান জনায় প্ৰশাসনক। ৰহস্যজনকভাৱে বৰ্তমান প্ৰায় ১০ দিন ধৰি মুকলি আকাশৰ তলত ঘূৰি ফুৰা পৰিলক্ষিত হৈছে ধৰ্ষণকাৰী লম্পট হীৰেন ডেকা। দুৰ্ভগীয়া দৰিদ্ৰ পৰিয়ালটোৱে কালি ওদালগুৰি ক'ৰ্টৰ সহায় বিচাৰিবলগীয়া হয়। ক'ৰ্টত উপস্থিত হোৱাৰ পিছতে ডিমাকুছি আৰক্ষী বিষয়াৰ গা লৰিল ঠিকেই, কিন্তু ধৰ্ষণকাৰীক সন্মুখত পায়ো কৰায়ত্ত নকৰাৰ অভিযোগ কৰে স্থানীয় মহিলাসকলে। সেয়েহে ধৰ্ষণকাৰীক শীঘ্ৰে কৰায়ত্ত কৰিবলৈ ৰজাগড়ত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে গাঁৱৰ মহিলাসকলে। কি কাৰণত ইমান দিনে কোনো ধৰণৰ পদক্ষেপ গ্ৰহণ নকৰিলে ডিমাকুছি আৰক্ষীয়ে সেইটো এক ডাঙৰ ৰহস্যময় বিষয় হৈ পৰিছে। আনহাতে, ভুক্তভোগী পৰিয়াল তথা মহিলাসকলে সন্দেহ কৰে যে অ' চি নয়নমণি পাটোৱাৰীয়ে বৃহৎ ধনৰ বিনিময়ত এই অভিযোগৰ প্ৰতি গুৰুত্ব দিয়া নাই বুলি সংবাদ মাধ্যমক জনায়। আনহাতে, উক্ত বিষয়টিৰ ওপৰত উচিত পদক্ষেপ ল'বলৈ জিলা শিশু সুৰক্ষা সমিতি, শিশু কল্যাণ সমিতি আৰু চাইল্ড লাইনক আহ্বান জনায় সচেতন ৰাইজে।

## মানাহত 'ৱাইল্ডলাইফ ইনষ্টিটিউট অৱ ইণ্ডিয়া'ৰ বন্যপ্ৰাণী ব্যৱস্থাপনাৰ অনুশীলন সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২৭ মে' ঃ** ডেৰাডুনস্থিত 'ৱাইল্ডলাইফ ইনষ্টিটিউট অৱ ইণ্ডিয়া'ত অধ্যয়নৰত আই এফ এছ আৰু স্নাতকোত্তৰ ডিগ্ৰীধাৰী এছ এফ এছ বিষয়াৰ এটা দলে মানাহ ৰাষ্ট্ৰীয় উদ্যানত বন্যপ্ৰাণী ব্যৱস্থাপনা বিষয়ক 'টাৰ্ম পেপাৰ'ৰ এক অনুশীলন যোৱা ২১ মে'ত সফলতাৰে সম্পন্ন কৰে। এসময়ত হৃত হৈ পৰা মানাহৰ গৰিমা পুনৰুদ্ধাৰকে ধৰি ৰাষ্ট্ৰীয় উদ্যানখনৰ সফল ব্যৱস্থাপনা পদ্ধতিৰ বাবেই ভাৰতৰ আগশাৰীৰ প্ৰতিষ্ঠানটোৱে উক্ত অনুশীলনৰ বাবে মানাহক নিৰ্বাচন কৰা বুলি জানিব পৰা গৈছে। দুসপ্তাহ ধৰি চলা বিষয়াসকলৰ এই অনুশীলন প্ৰক্ৰিয়াত বন্যপ্ৰাণীৰ বিভিন্ন দিশৰ সৈতে পৰিচিত কৰোৱাৰ উপৰি চোৰাং চিকাৰবিৰোধী প্ৰচেষ্টাক উন্নত কৰা, বন্যপ্ৰাণীৰ বাসস্থানৰ ব্যৱস্থাপনা, সংঘাত ব্যৱস্থাপনা, কাষৰীয়া বিভিন্ন সম্প্ৰদায়ৰ নিয়োজন ব্যৱস্থাপনা, মানাহ ব্যাঘ্ৰ প্ৰকল্পক উন্নতকৰণ আদি বিভিন্ন বিষয়ৰ ওপৰত আলোকপাত কৰা হয়। ইয়াৰোপৰি উদ্ভাৱনীমূলক বিত্তীয় ব্যৱস্থাৰ সন্ধান কৰি সঠিক পথত আগুৱাই নিয়া, মানাহত কৰ্মৰত বিভিন্ন শ্ৰেণীৰ কৰ্মচাৰীসকলৰ লগতে পৰিৱেশ পৰ্যটনৰ ধাৰাসমূহ নথিভুক্ত কৰি মান উন্নত কৰাৰ ওপৰতো আলোচনা কৰাৰ লগতে বিষয়া প্ৰশিক্ষাৰ্থীসকলে মানাহৰ ফ্ৰন্টলাইন ষ্টাফৰ উপৰি কাষৰীয়া গাঁৱৰ উন্নয়ন সমিতি, মানাহৰ লগত জড়িত বিভিন্ন এন জি অ', জীপ ছাফাৰি সংস্থা, লজ এছোচিয়েছন আদিৰ সৈতেও বাৰ্তালাপত মিলিত হয়। মানাহ ব্যাঘ্ৰ প্ৰকল্পৰ ক্ষেত্ৰ সঞ্চালক বৈভৱ চি মাথুৰে কয় যে মানাহত বিষয়া প্ৰশিক্ষাৰ্থীসকলৰ এই অনুশীলনে মানাহৰ পৰিচালনাত থকা বিভিন্ন আসোঁৱাহসমূহ চিনাক্ত কৰাত সহায়ক হোৱাৰ উপৰি একে সময়তে সেইবোৰৰ সমাধানৰো পথ মুকলি কৰিলে। সমগ্ৰ অনুশীলন প্ৰক্ৰিয়াটোত 'ৱাইল্ডলাইফ ইনষ্টিটিউট অৱ ইণ্ডিয়া'ৰ অধ্যাপক ডঃ বি এছ অধিকাৰী তত্বাৱধায়ক হিচাপে থাকে, তেখেতে মানাহত এই অনুশীলন প্ৰক্ৰিয়াটো চলাবলৈ যাৱতীয় সকলো অনুমতি প্ৰদানৰ বাবে অসমৰ মুখ্য বন্যপ্ৰাণী সংৰক্ষকক ধন্যবাদ জ্ঞাপন কৰে। আনহাতে এই প্ৰক্ৰিয়াটোত কৰ্ণাটক, গুজৰাট, কেৰেলা, মহাৰাষ্ট্ৰ, উত্তৰাখণ্ড আদিৰ মুঠ দহগৰাকী বিষয়া প্ৰশিক্ষাৰ্থীৰ লগতে অসমৰ দুজন বিষয়াই অংশগ্ৰহণ কৰে।

## টীয়কৰ ৰাঁজে আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় উদ্বোধন কৰিলে মন্ত্ৰী ৰণোজ পেগুৱে



**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২৭ মে' ঃ** চাহ বাগিচাত আদৰ্শ উচ্চ মাধ্যমিক স্থাপনেৰে শিক্ষাৰ সোণালী যুগৰ সূচনা কৰাৰ লক্ষ্যৰে অসম চৰকাৰে ৰাজ্যৰ অন্যান্য চাহ বাগিচা অঞ্চলৰ লগতে টীয়ক সমষ্টিৰ ৰাঁজে চাহ বাগিচা এলেকাত স্থাপন কৰা নৱনিৰ্মিত ৰাঁজে আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ বুধবাৰে অসম চৰকাৰৰ শিক্ষা মন্ত্ৰী তথা জিলাখনৰ অভিভাৱক মন্ত্ৰী ৰণোজ পেগুৱে শুভ উদ্বোধন কৰে। উক্ত শুভ উদ্বোধন অনুষ্ঠানত যোৰহাট লোকসভা সমষ্টিৰ সাংসদ তপন কুমাৰ গগৈ, টীয়ক সমষ্টিৰ বিধায়িকা ৰেণুপমা ৰাজখোৱা, মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, জিলা উপায়ুক্ত অশোক কুমাৰ বৰ্মনকে প্ৰমুখ্য কৰি ভালেসংখ্যক গণ্যমান্য ব্যক্তি উপস্থিত থাকে। আমাৰ চাহ, আমাৰ গৌৰৱ, আমাৰ শিক্ষা আমাৰ ভৱিষ্যৎ শ্ল'গানেৰে সমগ্ৰ ৰাজ্যতে চাহ অধ্যুষিত অঞ্চলত ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীৰ তৎপৰতাত অসম চৰকাৰে যি কোটিটকীয়া অভিলাষী আঁচনি ৰূপায়ণ কৰি শিক্ষাৰ পোহৰ বিলাবলৈ প্ৰয়াস কৰিছে সেয়া অতি আদৰণীয় বুলি সকলোৱে মন্তব্য কৰিছে। ইপিনে টীয়ক সমষ্টিত একমাত্ৰ এইখনে আদৰ্শ বিদ্যালয় স্থাপন কৰাৰ বাবে অসম চৰকাৰক পুনৰ বিধায়িকাগৰাকীয়ে ধন্যবাদ আৰু কৃতজ্ঞতা জনাই আগলৈও সমষ্টিৰ চাহ বাগিচাসমূহৰ উন্নয়নৰ ক্ষেত্ৰত অসম চৰকাৰে এইদৰে ইতিবাচক পদক্ষেপ গ্ৰহণ কৰি যাব বুলি আশা প্ৰকাশ কৰিছে।

## ধুবুৰী কলেজ নগৰ আৰক্ষী চকীৰ নেতৃত্বত ধুবুৰীত চোৰাং গৰুসহ গ্ৰেপ্তাৰ পাঁচজন ব্যৱসায়ী

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৭ মে' ঃ** ৰাজ্যত এতিয়াও অব্যাহত আছে অবৈধ চোৰাং গৰুৰ ৰমৰমীয়া ব্যৱসায়। আৰক্ষীয়ে যিমানেই চোৰাং গৰুৰ ব্যৱসায়ীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে সিমানেই গৰুৰ ব্যৱসায়ীসকলে নতুন নতুন কৌশল অৱলম্বন কৰি চোৰাং গৰু বাংলাদেশলৈ চালান অব্যাহত ৰাখিছে। শেহতীয়াকৈ যোৱা নিশা ধুবুৰীৰ মতিৰচৰত ধুবুৰী আৰক্ষীয়ে এক গোপন তথ্যৰ ভিত্তিত ধুবুৰী কলেজ নগৰ আৰক্ষী চকীৰ নেতৃত্বত চোৰাং গৰুসহ পাঁচজন ব্যৱসায়ীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয় ধুবুৰী আৰক্ষী। জানিব পৰা মতে গ্ৰেপ্তাৰ হোৱা পাঁচ গৰাকী ব্যৱসায়ীৰ নাম ক্ৰমে- ছাইদুৰ ৰহমান, সোনাউল্লা, ময়নাল হক, জয়নাল আবেদিন আৰু ছামিউল হক। উল্লেখ্য যে ধুবুৰীৰ এগৰাকী অধিবক্তা চোৰাং গৰুৰ সৰবৰাহকাৰীৰ লগত জড়িত থকা সন্দেহ প্ৰকাশ কৰিলে ধুবুৰী আৰক্ষীয়ে। ইতিমধ্যে পাঁচজন চোৰাং গৰু সৰবৰাহকাৰীক ধুবুৰী সদৰ থানাত আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে।

No. FAAMCH/eT_DST(2)/1783/2022/1056

**TENDER NOTICE (e-Tender)**

e-Tenders are invited online through e-procurement system i.e. through website www.assamtenders.fiov.in for **OUTSOURCING OF DIETARY SERVICES** for patients wherever it is deemed fit to cater to day to day requirements. The Institute intends to enter into Rate Contract for one year with approved licensed dietary service (in both Vegetarian and Non-Vegetarian diet) providers, which can offer Dietary Services as per terms & conditions contained in the Tender Form.

The e-Tender is Two-Bid System, to be submitted with affixed Court Fee Stamp Rs. 8.25 (Rupees eight point two five paisa) only in favour of Superintendent, Fakhruddin AN Ahmed Medical College & Hospital, Barpeta, Assam, India.

**IMPORTANT DATES OF THE E-TENDER**

Important Particulars:

| Brief Description of Goods | Cost of Bidding Document Fee | EMD (Bid Security) |
|---|---|---|
| Outsourcing of Dietary Services in F.A.A. Medical College & Hospital, Barpeta, Assam | Rs. 5,000/- Pay Online | Rs. 3,00,000/- Pay Online |

Key Dates:

| Sl. No. | Scheduled | Start Date | Start Time | End Date | End Time |
|---|---|---|---|---|---|
| 1 | e-Tender Publishing | 31/05/2022 | 03:30 pm | - | - |
| 2 | e-Tender Download | 01/06/2022 | 04:30 pm | 20/06/2022 | 10:00 am |
| 3 | Bid Submission | 05/06/2022 | 10:00 am | 21/06/2022 | 12:30 pm |
| 4 | Bid Opening | 22/06/2022 | 02:30 pm | - | - |

a) A hard copy of Technical Bid to be submitted/dropped along-with the online payment receipts of Bid Documents (non-refundable) and Bids Security (EMD) in the tender box in this office i.e. Office of the Superintendent, F.A.A. Medical College Hospital, Barpeta, Assam during the office hours on or before the last date of submission of the e-tender. Softcopy of Technical & Financial bid must not be sent to the institute.

b) All other relevant information and the detailed Bid Documents are available on the website www.assamtenders.gov.in and can be viewed from 01/06/2022. The undersigned shall not be held liable for any delays for submission of the tender to the website due to e-procurement system failure beyond our control. Even though the e-procurement system will attempt to notify the bidders of any bid updates, the undersigned shall not be liable for any information not received by the bidder. It is the bidder's responsibility to verify with the website for the latest information related to the bid.

c) The bid documents are not transferable.

I. The EMD validity must be of one year.

II. The prospective bidders might not put ZERO (0:00) data in the price BID (BOQ) format in any circumstances which is uploaded by the tendering authority.

Superintendent
F.A.A. Medical College Hospital
Barpeta, Assam.

Janasanyog /C/3318/22

## গুৱাহাটীত অনুষ্ঠিত হ'ব এন এম অ' পি এছৰ বিশাল চিন্তন শিবিৰ — মনজিৎ সিং পেটেল

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৭ মে' ঃ** এন এম অ' পি এছৰ ৰাষ্ট্ৰীয় সভাপতি বিজয় বন্ধুৰ সভাপতিত্বত ২১ আৰু ২২ মে'ত দুদিনীয়া চিন্তা শিবিৰৰ সামৰণি পৰে ৰাজস্থানৰ জয়পুৰত। দেশৰ বিভিন্ন প্ৰান্তৰ পৰা ৰাষ্ট্ৰীয় বিষয়াসকলৰ সৈতে, অসমৰ কৰ্মচাৰীসকলৰ হৈ কেন্দ্ৰীয় উপ-সভাপতি দিলীপ সিঙে বিশেষভাৱে সন্মিলনখনিত অংশগ্ৰহণ কৰে বুলি এক প্ৰেছ বিজ্ঞপ্তি যোগে জনাইছে। উল্লেখ্য যে এন এম অ' পি এছ ৰাষ্ট্ৰীয় পৰ্যায়ত সমগ্ৰ দেশৰ এন পি এছ কৰ্মচাৰীক একত্ৰিত কৰি সংগঠিত এক বৃহৎ সংগঠন। য'ত ৭৮ লাখতকৈ অধিক চৰকাৰী কৰ্মচাৰীয়ে পুৰণি পেঞ্চন নীতি বাহাল ৰখাৰ বাবে চৰকাৰৰ বিৰুদ্ধে যুঁজ অব্যাহত ৰাখিছে। যাৰ পৰিণতিত শেহতীয়াকৈ ৰাজস্থান আৰু ছত্তীসগড়ত পুৰণি পেঞ্চন পুনৰুদ্ধাৰৰ বাবে চৰকাৰক বৃহৎ হেঁচা প্ৰদান কৰা হৈছে। ঘোষণা কৰা হৈছে বৃহৎ আন্দোলনাত্মক কাৰ্যসূচীৰ। জয়পুৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় সন্মিলনত এনএমঅ'পিএছৰ ৰাষ্ট্ৰীয় বিষয়ববীয়াসকলৰ সৈতে মুখ্যমন্ত্ৰী অশোক গেহলটক বিশেষভাৱে সম্বৰ্ধনা জনোৱাৰ লগতে উক্ত সন্মিলনত সংগঠনটোৱে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্তৰ কথা ঘোষণা কৰে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ প্ৰভাৰী মনজিৎ সিং পেটেলে জনোৱা মতে, সংগঠনটোৱে ডিচেম্বৰ মাহত দক্ষিণ ভাৰতত এক বৃহৎ সমাৰেশৰ আয়োজন কৰিব আৰু তাৰ পূৰ্বে অক্টোবৰ মাহত অসমৰ গুৱাহাটীত চিন্তন শিবিৰৰ আয়োজন কৰিব। অসমৰ পৰা সভাত উপস্থিত থকা দিলীপ সিঙে কয় যে চিন্তন শিবিৰৰ পিছতে উত্তৰ-পূবৰ সকলো ৰাজ্যতে সৰ্বাত্মক আন্দোলনৰ কাৰ্যসূচীৰে অসমত পুৰণি পেঞ্চন নীতি পুনৰুদ্ধাৰৰ বাবে চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰা কৰিব। ৰাষ্ট্ৰীয় সভাপতি বিজয় বন্ধু আৰু ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক সতীপ্ৰজ্ঞাৰ নেতৃত্বত অনুষ্ঠিত সভাত পঞ্জাবৰ পৰা জ্যেষ্ঠ উপ-সভাপতি সুখজিৎ সিং, তেলেংগানাৰ পৰা সাধাৰণ সম্পাদক শ্ৰীকান্ত, দিল্লীৰ পৰা কোষাধ্যক্ষ নৰেশ গৌৰ, সভাপতি মনজিৎ সিং পেটেল, সাধাৰণ সম্পাদক আখতাৰ, আহ্বায়ক চামসাদ হুছেইন, প্ৰতিনিধি হিচাপে উপস্থিত থাকে অসমৰ পৰা জ্যেষ্ঠ উপ-সভাপতি মনোজ সিং, ৰে'লৱেৰ পৰা অমৰিক সিং, ডিফেন্সৰ পৰা এ কে মিশ্ৰ। বৈঠকৰ অন্যান্য গুৰুত্বপূৰ্ণ সিদ্ধান্তসমূহৰ ভিতৰত যোগ দিৱসৰ দিনা ২১ জুনত দেশজোৰা টুইটাৰ অভিযানত পুৰণি পেঞ্চন পুনৰুদ্ধাৰৰ বাবে চৰকাৰসমূহলৈ আবেদন কৰিব। সমগ্ৰ ভাৰতৰ ৫টা জ'নৰ মতে সকলো জ'নৰ মেইন জ'ন ইনচাৰ্জ নিযুক্ত কৰি ইনচাৰ্জ-কাম-ইনচাৰ্জ নিৰ্ধাৰণ কৰা হ'ব। অহা ৯ আগষ্টত ভাৰত ত্যাগ আন্দোলনৰ দিনাৰ পৰা সমগ্ৰ দেশতে এন পি এছৰ ব্যক্তিগতকৰণ ভাৰত ত্যাগ অভিযানৰ অধীনত সজাগতা অভিযান চলোৱা হ'ব। ১ অক্টোবৰত সমগ্ৰ দেশৰ প্ৰতিখন জিলা সদৰত জ্যেষ্ঠ লোক আৰু পেঞ্চনাৰসকলক সন্মান জনোৱা হ'ব আৰু তেওঁলোককো আন্দোলনত অন্তৰ্ভুক্ত কৰা হ'ব। আটেৱা ইউ পিৰ মিডিয়া ইনচাৰ্জ ড° ৰাজেশ কুমাৰ এন এম অ' পি এছৰ মুখপাত্ৰ, সাধাৰণ সম্পাদক নীৰজপতি ত্ৰিপাঠী ৰাষ্ট্ৰীয় সম্পাদক, মধ্যপ্ৰদেশৰ সভাপতি পৰমানন্দ দেহাৰিয়া ৰাষ্ট্ৰীয় সম্পাদক, ৰত্নেশ কুমাৰ আৰু প্ৰমোদ ইস্তানক ছ'চিয়েল মিডিয়া দলত মনোনীত কৰা হয়। বিভিন্ন শিক্ষক-কৰ্মচাৰীৰ সংগঠনৰ সৈতে পাৰস্পৰিক সমন্বয়ৰ বাবে এনএম অ'পিএছ সমন্বয় ব'ৰ্ড গঠন কৰা হয়। ইয়াৰ বাবে দায়িত্ব অৰ্পণ কৰা হৈছে নৰেশ ঠাকুৰ আৰু বিক্ৰান্ত সিঙক। অস্ত্ৰ-শস্ত্ৰ কাৰখানা, ডাক আৰু কে ভি এছৰ বাবে সুকীয়া সমিতি গঠন কৰা হয় বুলি বিজ্ঞপ্তিত উল্লেখ কৰিছে।

### খেলুৱৈৰ স্বাস্থ্য বীমা বাধ্যতামূলক ঃ স্থানীয় প্ৰতিভাক সুযোগ দিয়াৰ নীতি

# এইবাৰ বিদেশী ফুটবলাৰক নিষিদ্ধ কৰিলে জি এছ এৰ লীগত



**গুৱাহাটী, ২৭ মে' ঃ** স্থানীয় আৰু যুৱ ফুটবলাৰক অধিক সুযোগ দিয়াৰ মানসেৰে গুৱাহাটী ক্ৰীড়া সন্থাই এইবাৰৰপৰা গুৱাহাটীৰ ফুটবল লীগত বিদেশী খেলুৱৈক অংশগ্ৰহণ কৰিবলৈ নিদিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰিছে । সন্থাৰ অন্তৰ্গত ৩৬ টা ক্লাবৰে হোৱা আলোচনাৰ পাছত সন্থাই এই সিদ্ধান্ত লয় । সন্থাৰ সভাপতি পুলক গোস্বামী আৰু সাধাৰণ সম্পাদক ধ্ৰুৱজ্যোতি কলিতাই এই বিষয়ে জনাই কয় যে অসমত প্ৰতিভাৱান ফুটবলাৰৰ অভাৱ নাই যদিও একমাত্ৰ সুযোগৰ অভাৱৰ বাবে তেওঁলোকৰ প্ৰতিভা বিকশিত নহয় । সেয়ে এই ছিজনৰ পৰা গুৱাহাটী ফুটবল লীগত বিদেশী খেলুৱৈ নেখেলোৱাৰ সিদ্ধান্ত লোৱা হৈছে যাতে তাৰ স্থানত প্ৰতিভাৱান স্থানীয় খেলুৱৈয়ে খেলাৰ সুযোগ পায় । অৱশ্যে আন টুৰ্নামেণ্টৰ বাবে ক্লাবসমূহে বিদেশী খেলুৱৈ পঞ্জীয়ন কৰিব পাৰিব। ইয়াৰ লগতে প্ৰতিটো দলত চাৰিজনকৈ ২১ অনুৰ্ধ খেলুৱৈ অন্তৰ্ভুক্ত কৰা, প্ৰতিজন খেলুৱৈৰ স্বাস্থ্য বীমা বাধ্যতামূলক কৰাৰ সিদ্ধান্ত লৈছে সন্থাই। ইয়াৰ উপৰি অকৰ্তৃত্বশীল মেচ খেলা খেলুৱৈৰ বিৰুদ্ধে সংশ্লিষ্ট ক্লাবে সন্থাক অভিযোগ দিলে তেনে খেলুৱৈক নিষিদ্ধ কৰাৰ বিষয়েও বিবেচনা কৰি থকা হৈছে।

### সাত সাগৰ তেৰ নদীৰ সিপাৰে সুদূৰ ভাৰত মহাসাগৰত অসম কন্যাৰ বিৰল কৃতিত্ব

# ৯ বছৰ বয়সতে ভাৰত মহাসাগৰত একেৰাহে ১৩ ঘণ্টা ৫০ মিনিট সাঁতুৰি বিশ্ব অভিলেখ কস্তুৰী গগৈৰ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, চাবুৱা, ২৭ মে' ঃ** প্ৰবল ইচ্ছাশক্তি আৰু একাগ্ৰতা থাকিলে যে যিকোনো কামেই সম্ভৱ হৈ উঠিব পাৰে সেই বাক্যশাৰীকে যেন পুনৰ এবাৰ প্ৰমাণ কৰিলে এগৰাকী কণমানিয়ে। চাবুৱাৰ কন্যা কস্তুৰী গগৈ নামৰ ছাত্ৰীগৰাকীয়ে মাত্ৰ ন বছৰ বয়সতে নিজা বিৰল প্ৰতিভাৰে বিশ্ব দৰবাৰত জিলিকি উঠি ভাৰত তথা অসমলৈ গৌৰৱ কঢ়িয়াই আনিলে। সাত সাগৰ তেৰ নদীৰ সিপাৰে ভাৰত মহাসাগৰত অসম কন্যাৰ বিৰল কৃতিত্ব । মাত্ৰ ন বছৰ বয়সতে ভাৰত মহাসাগৰত একেৰাহে তেৰ ঘণ্টা পঞ্চাশ মিনিট সাঁতুৰি বিশ্ব অভিলেখ গঢ়িবলৈ সক্ষম হ'ল কস্তুৰী। শ্ৰীলংকাত বিজয় উল্লাসেৰে উৰুৱালে অসমৰ স্বাভিমান গামোচা। পিছে এই যাত্ৰা সহজ নাছিল। নিশাৰ ভাৰত মহাসাগৰৰ উত্তাল ঢৌ, জেলি ফিছ আদিৰ দৰে বিভিন্ন কঠিন প্ৰত্যাহ্বানকো নেওচি লক্ষ্যত উপনীত হ'ল কস্তুৰী। জানিব পৰা মতে কস্তুৰীয়ে নিশা এক বজাত শ্ৰীলংকাৰ মানাৰ দ্বীপৰ পৰা সাঁতোৰ আৰম্ভ কৰি




একেৰাহে ১৩ ঘণ্টা ৫০ মিনিটত সাঁতোৰ সমাপ্ত কৰে তামিলনাডুৰ আৰ্চুল মোলাইত। যেন লগে লগে সাঁতোৰৰ ক্ষেত্ৰখনত ৰচিত হ'ল এক ইতিহাস। কস্তুৰীক এই যাত্ৰাত সংগ দিছিল প্ৰশিক্ষক বাবুল গুৰুঙে। উল্লেখ্য যে পিতৃ-মাতৃৰ কৰ্মসূত্ৰে গুৱাহাটীত বাস কৰা তথা চাবুৱাৰ জীয়ৰী কণমানিজনীয়ে মাত্ৰ চাৰি বছৰ বয়সতে সাঁতোৰৰ জগতত প্ৰৱেশ কৰিছিল। প্ৰণিধানযোগ্য যে বৰ্তমান প্ৰশিক্ষক বাবুল গুৰুঙৰ তত্বাৱধানতে সাঁতোৰৰ প্ৰশিক্ষণ লৈ আছে কস্তুৰীয়ে। গুৱাহাটীৰ মাৰিয়া পাব্লিকৰ চতুৰ্থ শ্ৰেণীত অধ্যয়ন কৰি থকা কস্তুৰীয়ে ভৱিষ্যতে হ'ব বিচাৰে এগৰাকী সুদক্ষ সাঁতোৰবিদ। আনহাতে কণমানিগৰাকী চাবুৱাৰ স্ব-গৃহত আহি উপস্থিত হোৱাৰ লগে লগে দল-সংগঠনৰ লগতে বিভিন্নজন শুভাকাংক্ষীয়ে শুভেচ্ছা জ্ঞাপন কৰে। এনেকৈয়ে যেন সদায় সাঁতোৰৰ ক্ষেত্ৰখনত এখোপ এখোপকৈ আগবাঢ়ি যায় কস্তুৰী। পূৰ হওক কস্তুৰীৰ অলিম্পিক জিনাৰ সপোন। এনেকৈয়ে গঢ়ি যাওক এটাৰ পাছত আন এটা বিশ্ব অভিলেখ। আনহাতে সুদূৰ শ্ৰীলংকালৈ যোৱাৰ সময়ত আৰ্থিকভাৱে, লগতে বিভিন্ন সহায় আগবঢ়োৱা বাবে বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা, সেই সময়ৰ মুখ্যমন্ত্ৰী তথা বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱা আৰু ক্ৰীড়ামন্ত্ৰী বিমল বৰাক বিশেষভাৱে ধন্যবাদ জনায় কস্তুৰীৰ মাতৃ মিতালী গগৈয়ে।

### চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল

# আজি ৰিয়েল মাদ্ৰিদৰ বিৰুদ্ধে লিভাৰপুল

**পেৰিছ, ২৭ মে' ঃ** চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত কাইলৈ ৰিয়াল মাদ্ৰিদে খেলিব লিভাৰপুলৰ বিৰুদ্ধে। উল্লেখ্য যে অপ্ৰত্যাসিত চমকপ্ৰদ প্ৰদৰ্শনৰে ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত মানচেষ্টাৰ চিটীৰ বিৰুদ্ধে ৩-১ গ'লৰ ব্যৱধানত জয়লাভ কৰি ৰিয়াল মাদ্ৰিদে চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছে। ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচত মানচেষ্টাৰ চিটীয়ে ৪-৩ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ৰিয়াল মাদ্ৰিদক। সেয়ে দ্বিতীয় লেগৰ মেচ ৰিয়ালৰ বাবে হৈ পৰিছিল মৰণপন। গ'লৰ ব্যৱধান বৃদ্ধিৰে জয়লাভ কৰাৰ বাহিৰে অন্য বিকল্প নাছিল ৰিয়ালৰ সন্মুখত। কিন্তু মৰণপণ মেচতো প্ৰথমে গ'ল কৰে মানচেষ্টাৰ চিটীয়ে। খেলৰ প্ৰথমাৰ্ধ গ'লশূন্যৰূপে সমাপ্ত হোৱাৰ পাছত ৭৩ মিনিটত চিটীৰ হৈ মেহৰেজে গ'ল কৰি দল ১-০ ৰ অগ্ৰগতি দিয়ে। এই গ'লেৰে চিটীৰ সমাগ্ৰিক অগ্ৰগতি হয় ৫-৩। ইতিমধ্যে ইনিংছ ক্লাবটোৰ সমৰ্থকে ফাইনেলত প্ৰৱেশৰ আনন্দ আৰম্ভ কৰিছে। কিন্তু মেচ সমাপ্ত হোৱা নাছিল। মেচৰ অন্তিম ক্ষণত নাটকীয়ভাবে প্ৰত্যাৱৰ্তন কৰে ৰিয়ালে। খেলৰ ৯০ আৰু ৯১ মিনিটত ৰিয়ালৰ হৈ দুটা গ'ল কৰে ৰড্ৰীগোই। ফলত মেচখনৰ গ'লৰ ব্যৱধান সামগ্ৰিকভাবে হয় ৫-৫। ৯৫ মিনিটত ৰিয়ালে লাভ কৰে পেনাল্টি। তাৰকা কৰিম বেনজেমাই গ'ল কৰি ৰিয়ালৰ ৩-১ গ'লৰ জয় নিশ্চিত কৰাৰ লগতে সামগ্ৰিকভাবে ৬-৫ গ'লৰ ব্যৱধানৰে স্পেনিছ ক্লাবটোক ফাইনেলত প্ৰৱেশ কৰোৱায়। উল্লেখ্য যে পি এছ জি আৰু চেলছিৰ দৰে দলক হৰুৱাই






চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলত প্ৰৱেশ কৰা স্পেইনৰ ক্লাব ৰিয়াল মাদ্ৰিদে খিতাপৰ যুঁজলৈ যোগ্যতা অৰ্জন কৰিব পাৰিব নে নাই সেয়া ফুটবল জগতৰ বাবে চৰ্চাৰ বিষয় আছিল। কিন্তু দমনীয় চমকপ্ৰদ প্ৰদৰ্শনৰে দলে যি প্ৰত্যাৱৰ্তন কৰিলে সেয়া স্বাভাৱিকতে অনন্য। স্মৰ্তব্য যে ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচত মানচেষ্টাৰ চিটীয়ে ৪-৩ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ৰিয়াল মাদ্ৰিদক। ৰোমাঞ্চকৰ মেচখনত ব্ৰুনি (২ মিনিট) আৰু জেছুছৰ (১১ মিনিট) গ'লেৰে চিটীয়ে প্ৰথমে অগ্ৰগতি লয় যদিও ৰিয়ালৰ হৈ বেনজেমাই (৩৩ মিনিট) প্ৰথমটো গ'ল কৰাত বিৰতিলৈ মেচ ২-১ ত সমাপ্ত হয়। দ্বিতীয়াৰ্ধত চিটীৰ হৈ আৰু দুটা গ'ল কৰে ফ'ডেন (৫৩ মিনিট) আৰু ছিলভাই (৭৪ মিনিট)। বিপৰীতে ৰিয়ালৰ হৈয়ো ভিনিছিয়াছ (৫৫ মিনিট) আৰু বেনজেমাই (৮২ মিনিট) দুটা গ'ল কৰে যদিও চিটীৰ ৪-৩ গ'লৰ জয় নিশ্চিত হয়। কিন্তু চিটীৰ অগ্ৰগতিয়ে দলক মানসিক শক্তি দিলেও সামান্য ৰণনীতিৰ ভুলে ৰিয়ালৰ ফাইনেলৰ পথ প্ৰসস্ত কৰিলে। উল্লেখ্য যে যোৱা ক্ৰমাগত দুখন মেচত সাতটা গ'ল হজম কৰিছিল ৰিয়ালে। ছেমিৰ প্ৰথম লেগৰ মেচত চিটীয়ে চাৰিটা গ'ল দিছিল ৰিয়ালক। ইয়াৰপূৰ্বে কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত ৰিয়ালক তিনিটা গ'ল দিছিল চেলছিয়ে। অৱশ্যে সেই মেচত পৰাস্ত হোৱাৰ পাছতো চেম্পিয়নছ লীগ ফুটবলৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল স্পেনিছ ক্লাব ৰিয়াল মাদ্ৰিদে। দ্বিতীয় লেগৰ মেচত ইনিংছ ক্লাব চেলছিয়ে ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ৰিয়াল মাদ্ৰিদক। কিন্তু সামগ্ৰিকভাবে ৰিয়াল মাদ্ৰিদে ৫-৪ গ'লৰ ব্যৱধানত জয়ী হৈ ছেমিফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে প্ৰথম লেগৰ মেচত ৰিয়াল মাদ্ৰিদে ৩-১ ৰ ব্যৱধানত পৰাস্ত কৰিছিল ইনিংছ ক্লাব চেলছিক। ৰিয়ালৰ এই প্ৰদৰ্শনে দলক খিতাপ জয়ৰ সপোন দিছে।

### পেৰিছত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল

## ছালাহৰ আঘাতে চিন্তাত ৰাখিছে লিভাৰপুলক



**পেৰিছ, ২৭ মে' ঃ** লিভাৰপুলে প্ৰথমটো দলৰূপে চলিত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত প্ৰৱেশ কৰিছিল। কৰাণৰ ছেমিফাইনেলত দলৰ প্ৰতিদ্বন্দ্বী তুলনামুলকৰূপে দুৰ্বল আছিল। উল্লেখ্য যে চেম্পিয়নছ লীগৰ পূৰ্ব চেম্পিয়ন ইংলিছ ক্লাবটোৱে ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত ৩-২ গ'লৰ ব্যৱধানত পৰাস্ত কৰে স্পেইনৰ দল ভিল্লা ৰিয়ালক। অৱশ্যে লিভাৰপুলৰ সামগ্ৰিক জয়ৰ ব্যৱধান হ'ল ৫-২ গ'ল। ইয়াৰপূৰ্বে অনুষ্ঠিত হোৱা ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচত লিভাৰপুলে ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ভিল্লা ৰিয়ালক। দ্বিতীয় লেগৰ মেচত লিভাৰপুল বিৰতিলৈ ২-০ গ'লৰ ব্যৱধানত পিছ পৰি আছিল যদিও দ্বিতীয়াৰ্ধত তিনিটা গ'ল কৰি চমকপ্ৰদ জয়ৰে ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। কাইলৈ পেৰিছত অনুষ্ঠিত হ'ব লগা চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত দল মুখামুখি হ'ব ৰিয়াল মাদ্ৰিদৰ। উল্লেখ্য যে লিভাৰপুলে এইবাৰ দৌৰত থাকিও ই পি এলৰ খিতাপ জয় কৰিব নোৱাৰিলে। এতিয়া লক্ষ্য চেম্পিয়নছ লীগ। উল্লেখ্য যে ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচৰ প্ৰাকক্ষণত আত্মবিশ্বাসী হৈ আছিল লিভাৰপুল। কিন্তু ঘৰত অনুৰাগীৰ সমৰ্থনত খেলা ভিল্লাৰিয়ালে মেচত প্ৰথম দুটা গ'ল কৰি বিৰতিলৈ ২-০ গ'লৰ ব্যৱধানত আগবাঢ়ি থাকে। ভিল্লাৰিয়ালৰ হৈ তিনি মিনিটতে ডিয়াই প্ৰথমটো গ'ল কৰাৰ বিপৰীতে ৪১ মিনিটত ক'কুইলিনে গ'ল কৰি স্পেনিছ ক্লাবৰ আশা সজীৱ কৰে। কিন্তু দ্বিতীয়াৰ্ধত শক্তিশালী প্ৰদৰ্শন কৰি লিভাৰপুলে তিনিটা গ'ল কৰি মেচ জয় কৰিবলৈ সক্ষম হয়। দলৰ হৈ ৬২ মিনিটত ফাবিনহোই, ৬৭ মিনিটত ডিয়াজে আৰু ৭৪ মিনিটত মানে গ'ল কৰি লিভাৰপুলৰ ফাইনেলৰ পথ মুকলি কৰি দিয়ে। উল্লেখ্য যে ইয়াৰপূৰ্বে প্ৰথম লেগৰ মেচত খেলৰ প্ৰথমাৰ্ধ গ'লশূন্যৰূপে সমাপ্ত হোৱাৰ পাছত ৫৩ মিনিটত ভিল্লাৰিয়ালে এটা আত্মঘাতি গ'ল হজম কৰিছিল। আনহাতে, দুই মিনিট পাছতে মানে গ'ল কৰি লিভাৰপুলক ২-০ গ'লৰ অগ্ৰগতি দিয়াৰ লগতে ইংলণ্ড ক্লাবটোৰ জয়ো নিশ্চিত কৰে। ইফালে, কোৱাৰ্টাৰ ফাইনেলৰ দ্বিতীয় লেগৰ মেচত লিভাৰপুলে বেনফিকাৰ লগত ১-১ গ'লৰ ব্যৱধানত ড্ৰ খেলিছিল যদিও ইংলিছ ক্লাবটোৰ ছেমিফাইনেল লৈ উত্তৰণ নিশ্চিত হৈছিল। কাৰণ কোৱাৰ্টাৰ ফাইনেলৰ প্ৰথম লেগৰ মেচত লিভাৰপুলে বেনফিকাক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল। সেয়ে সামগ্ৰিকভাবে লিভাৰপুলে ৬-৪ গ'লৰ ব্যৱধানত জয়ী হৈ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। কিন্তু ফাইনেলৰ প্ৰাকক্ষণত লিভাৰপুলৰ বাবে চিন্তাৰ কাৰণ হ'ল মহম্মদ ছালাহৰ অনুপস্থিতি।

### ১৭ বছৰ অনূৰ্ধ্ব ছোৱালীৰ ৰাষ্ট্ৰীয় জুনিয়ৰ ফুটবল

## অসম দলৰ বাছনি শিবিৰ আৰম্ভ

**গুৱাহাটী, ২৭ মে' ঃ** ১৭ বছৰ অনূৰ্ধ্ব ছোৱালীৰ ৰাষ্ট্ৰীয় জুনিয়ৰ ফুটবল প্ৰতিযোগিতা ২০২২ বাবে অসম ৰাজ্যিক দলটোৰ বাছনি শিবিৰ বৃহস্পতিবাৰৰ পৰা অসম ফুটবল সন্থাৰ উদ্যোগত আৰু ভেৰগাওঁ জিলা ক্ৰীড়া সন্থাৰ সহযোগত ডিমাকুছিত আৰম্ভ হৈছে । অসম ফুটবল সন্থাৰ স্বীকৃতিপ্ৰাপ্ত প্ৰায় সংখ্যক জিলা ক্ৰীড়া সন্থাৰ পৰা ৮০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰা শিবিৰটোত মুখ্য প্ৰশিক্ষকৰ দায়িত্বত আছে প্ৰাক্তন ৰাষ্ট্ৰীয় খেলুৱৈ তথা এ এফ চি 'চি' লাইচেন্সপ্ৰাপ্ত প্ৰশিক্ষক লোচন শইকীয়া আৰু সহকাৰী প্ৰশিক্ষক ৰয়েল বসুমতাৰী। শিবিৰটোৰ মুকলি অনুষ্ঠানত উপস্থিত থাকে অসম ফুটবল সন্থাৰ উপ সভাপতি শান্তনু পূজাৰী, কোষাধ্যক্ষ হীৰেন গগৈ, বি টি আৰৰ মুখ্য ক্ৰীড়া বিষয়া যজ্ঞাৱতী মহিলাৰী, অসম ফুটবল সন্থাৰ উপ সভাপতি তথা ভেৰগাওঁ জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক লক্ষীৰাম বড়ো আদি। উল্লেখ্য যে ১৭ বছৰ অনূৰ্ধ্ব ছোৱালীৰ ৰাষ্ট্ৰীয় জুনিয়ৰ ফুটবল প্ৰতিযোগিতাখন অহা ১৮ জুনৰ পৰা গুৱাহাটীত অনুষ্ঠিত হ'ব। মুঠ ২৮ খন ৰাজ্যৰ দলে যোগদান কৰিব লগা উক্ত প্ৰতিযোগিতাৰ মেচ নেহৰু ষ্টেডিয়াম, সৰুসজাই ষ্টেডিয়াম, ছাই খেলপথাৰ আৰু সোনাপুৰত অনুষ্ঠিত কৰিব বুলি জনাইছে অসম ফুটবল সন্থাৰ সভাপতি নৱ কুমাৰ দলে।

# অসম এথলেটিকছ সন্থাৰ উদ্যোগত সৰুসজাইত অনুষ্ঠিত হ'ব ৰাজ্যিক মাষ্টাৰ্ছ প্ৰতিযোগিতা

**গুৱাহাটী, ২৭ মে' ঃ** অসম এথলেটিকছ সন্থাৰ উদ্যোগত অহা এক আৰু দুই জুনত গুৱাহাটীৰ সৰুসজাই ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত হ'ব প্ৰথম সংখ্যক ৰাজ্যিক মুকলি মাষ্টাৰ্ছ এথলেটিকচ প্ৰতিযোগিতা। পুৰুষ আৰু মহিলা উভয়ৰে ৩৫ বছৰ উৰ্ধ্বৰ পৰা ১০০ বছৰ উৰ্ধ্বৰ ১৪ টা শাখাত খেলুৱৈসকলৰ বাবে মুকলি থকা প্ৰতিযোগিতাখনৰ বাবে ইতিমধ্যে অংশগ্ৰহনৰ প্ৰক্ৰিয়া উদ্যোক্তাসকলে মুকলি কৰিছে। এই ৰাজ্যিক প্ৰতিযোগিতাৰ পৰা বাছনি হোৱা খেলুৱৈসকলে অহা ১৬-১৯ জুনত গুজৰাটৰ বদোদ্ৰাত ভাৰতীয় এথলেটিকচ ফেডাৰচনৰ উদ্যোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিকচ প্ৰতিযোগিতাত অংশগ্ৰহনৰ সুবিধা লাভ কৰিব। প্ৰতিযোগিতাত অংশগ্ৰহনকাৰী প্ৰতিযোগীসকলে বয়সৰ প্ৰমাণপত্ৰ হিচাপে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ এডমিট কাৰ্ড, জন্মৰ প্ৰমাণপত্ৰ, আধাৰ কাৰ্ড, পেন কাৰ্ড লগত আনিব লাগিব। লগতে এথলীটসকলে কভিড প্ৰতিৰোধী ভেকচিন গ্ৰহনৰ প্ৰমানপত্ৰও অংশগ্ৰহণৰ পূৰ্বে জমা দিব লাগিব। এগৰাকী প্ৰতিযোগিতায়ে ব্যক্তিগত শাখাৰ দুটাকৈ ইভেন্টত যোগদান কৰিব পৰা এই প্ৰতিযোগিতাত প্ৰায় ৪০০ তকৈও অধিক ইভেন্ট অনুষ্ঠিত হ'ব। খেলুৱৈ সকলে ২৮ জুনৰ পূৰ্বে অংশগ্ৰহনৰ নিশ্চয়তা অসম এথলেটিকছ সন্থাৰ ই-মেইলত প্ৰেৰণ কৰিব লাগিব। আনহাতে, অংশগ্ৰহনকাৰী এথলীট সকলক ৩১ মেত সৰুসজাই ক্ৰীড়া প্ৰকল্পত উপস্থিত হোৱাৰ বাবে উদ্যোক্তা সকলে অনুৰোধ জনোৱাৰ লগতে প্ৰতিযোগিতাৰ দুদিনীয়া কাৰ্যসূচীত সমূহ খেলুৱৈ আৰু ক্ৰীড়াপ্ৰেমী দৰ্শকৰ উপস্থিতি অসম এথলেটিকচ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰ আৰু সম্পাদক অশোক ভৰালীয়ে আন্তৰিকতাৰে কামনা কৰিছে। ইফালে, প্ৰতিযোগিতাৰ প্ৰস্তুতি সম্পৰ্কে তথা প্ৰতিযোগিতাৰ কিছু গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত অসম এথলেটিকচ সন্থাৰ বিষয়-ববীয়াসকলৰ আজি এখন ভাৰ্চুৱেল সভাও অনুষ্ঠিত হয়।




*আইপিএলৰ দ্বিতীয় কোৱালিফায়িং মেচত আৰচিবিৰ বিৰুদ্ধে খেলত উইকেট দখলৰ পিছত উল্লাস ৰাজস্থান ৰয়েলছৰ খেলুৱৈৰ*

## আকৰ্ষণীয় পৰ্যায়ত নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ উভয় ছেমি ফাইনেল


**গুৱাহাটী, ২৭ মে' ঃ** নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ চলিত দুয়োখন ছেমিফাইনেল মেচ আকৰ্ষনীয় পৰ্যায়ত উপনীত হৈছে। বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ছেমিফাইনেলত তেজপুৰে খেলিছে শিলচৰৰ বিৰুদ্ধে। তিনি দিনীয়া মেচখনৰ প্ৰথমদিনা তেজপুৰে ১৬৩ ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত আজি শিলচৰে প্ৰথম ইনিংছত ২২৮ ৰাণ কৰি অগ্ৰগতি অৰ্জন কৰে। ইফালে তেজপুৰে দ্বিতীয় ইনিংছত ১১০-৪ ৰাণ কৰিছে। ইফালে, আনখন ছেমি ফাইনেলত ডিব্ৰুগড় মুখামুখি হৈছে বিশ্বনাথ চাৰিআলিৰ। এই মেচখন নেহৰু ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। প্ৰথমদিনা বিশ্বনাথ ১৪০ ৰাণত প্ৰথম ইনিংছ সামৰাৰ পাছত আজি ডিব্ৰুগড়ে প্ৰথম ইনিংছত কৰে ১২১ ৰাণ। ফলত বিশ্বনাথে অগ্ৰগতি অৰ্জন কৰে। কিন্তু দ্বিতীয় ইনিংছত বিশ্বনাথ পুনৰ ১৩১ ৰাণত আউট হয়। আনহাতে, দিনান্তত ডিব্ৰুগড়ে দ্বিতীয় ইনিংছত ৫৪-৪ ৰাণ কৰিছে।

# ফ্ৰেন্স অপেনৰ তৃতীয় ৰাউণ্ডত পোলেণ্ডৰ ইগা



**পেৰিছ, ২৭ মে' ঃ** বিশ্বৰ এক নম্বৰ স্থানৰ ইগা ছুয়াটেকে আমেৰিকাৰ এলিছন ৰিস্কেক ৬-০, ৬-২ ত পৰাস্ত কৰি ফ্ৰেন্স অ'পেনৰ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। এয়া তেওঁৰ ক্ৰমাগত ৩০ সংখ্যক জয়। উল্লেখ্য যে ২০১৩ ত ছেৰেনা উইলিয়ামছে ৩৪ খন মেচত জয়লাভ কৰাৰ পিছত পেৰিছত ২০২০ ৰ চেম্পিয়ন পোলেণ্ডৰ ছিয়াটেকে শ্ৰেষ্ঠ ধাৰাত আছে। ২০ বছৰীয়া ৰিয়ানে অন্তিম ১৬ ত স্থান লাভৰ বাবে মণ্টেনেগ্ৰোৰ ডাংকা ক'ভিনিকৰ মুখামুখি হ'ব। উল্লেখ্য যে দ্বিতীয় ৰাউণ্ডৰ মেচত বেলাৰুছৰ আলিয়াক্সান্দ্ৰা ছাছনোভিচৰ হাতত ৩-৬, ৬-১, ৬-১ ৰ ব্যৱধানত পৰাস্ত হৈ চলিত ফ্ৰেন্স অ'পেনৰ পৰা ইতিমধ্যে বিদায় লৈছে ইউ এছ অ'পেনৰ চেম্পিয়ন এমা ৰাডুকানুৱে। উল্লেখ্য যে এই বছৰে ফ্ৰেন্স অ'পেনৰ জড়িয়তে পেছাদাৰী টেনিছত অভিষেক ঘটোৱা ব্ৰিটিছ দ্বাদশ বাছনিৰ তাৰকাগৰাকীয়ে ইয়াৰপূৰ্বে ২০২১ ত ইণ্ডিয়ান ৱেলছত ৪৭ নম্বৰ ৰেংকিঙৰ ছাছন'ভিচৰ হাততো পৰাস্ত হৈছিল। ইউ এছ অ'পেনত ট্ৰফী জয়ৰ পিছতে প্ৰথমখন মেচত পৰাস্ত হৈছিল ৰাডুকানু। উল্লেখ্য যে পেৰিছত প্ৰথমবাৰৰ বাবে তৃতীয় ৰাউণ্ডত খেলিব ছাছনভিচে। তেওঁ পৰৱৰ্তী মেচত তিনিবাৰৰ বিজয়ী জাৰ্মানীৰ এঞ্জেলিক কাৰ্বাৰৰ মুখামুখি হ'ব। উল্লেখ্য যে ইয়াৰপূৰ্বে গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ পৰা প্ৰথম ৰাউণ্ডতে বাহিৰ হৈছিল জাপানৰ নাওমি অ'চাকা। আমেৰিকাৰ আমাণ্ডা এনিছিমোভাৰ হাতত ৭-৫, ৬-৪ ৰ ব্যৱধানত পৰাস্ত হয় অ'চাকা।


## MISSING INFORMATION



The above is photograph of Smti. Sangita Daimari (21 Yrs), W/O. Sri Goodson Daimari, Vill- Kuruabahi, P.S.-Orang, Dist-Udalguri who has been missing since- 20/04/2022 from Kuruabahi

This refers to Orang PS GDE No-458 Dtd; 27/04/2019 and this office Man Missing Register Entry No. 45 Dtd. 09/05/2022

**Descriptive Roll of the Missing Person :**

1.Complexion - Fair
2. Age - 21 Years
3.Height - 5 Feet
3.Built - Medium
5.L/Known - Assamese & Bodo
6.W/apparel - Churidar

All out efforts may be made to trace out/recover the above noted missing person at the earliest and result thereof may be intimated to this office at the following helpline numbers for further necessary action: 8134852559/9859427622 (Cell phone).

/
**Superintendent of Police, Udalguri, Assam**

Janasanyog/D/4287/22


# ব'ডী বিল্ডিং আৰু ফিটনেছৰ এছিয়া-ৱৰ্ল্ড চেম্পিয়নশ্বিপলৈ তেজপুৰৰ ছায়া বৰুৱা

### এছিয়া আৰু ভাৰতক প্ৰতিনিধিত্ব কৰিব লগা তেজপুৰ কন্যাক লৈ উৎফুল্ল ৰাজ্যিক শৰীৰ চৰ্চা সন্থা ঃ দুহেজাৰ প্ৰতিযোগীৰ মাজত জিলিকি উঠিল তেজপুৰ কন্যা

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, তেজপুৰ. ২৭ মে' ঃ** বিশ্ব শৰীৰ চৰ্চা প্ৰতিযোগিতালৈ এইবাৰ নিৰ্বাচিত হৈছে তেজপুৰৰ কন্যা। অহা ১৫ জুলাইত মালদ্বীপত অনুষ্ঠিত হ'ব লগা শৰীৰৰ চৰ্চাৰ এক বিশেষ প্ৰতিযোগিতাত তেজপুৰ কন্যাই ভাৰতক প্ৰতিনিধিত্ব কৰিব আৰু অহা অক্টোবৰত অনুষ্ঠিত হ'ব লগা শৰীৰ চৰ্চাৰ বিশ্ব চেম্পিয়নশ্বিপত তেজপুৰৰ পৰা একমাত্ৰ অসম কন্যা হিচাপে সমগ্ৰ এছিয়া মহাদেশক প্ৰতিনিধিত্ব কৰিব লগা এক অতি উৎসাহজনক খবৰে তেজপুৰ বাসীক আহ্লাদিত কৰি তোলাই নহয় তেজপুৰ, অসম, ভাৰত তথা সমগ্ৰ এছিয়া মহাদেশলৈ আশাৰ খবৰ কঢ়িয়াই আনিছে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি শৰীৰ চৰ্চা অব্যাহত ৰাখি বহুবাৰ ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় সন্মান কঢ়িয়াই আনিবলৈ সক্ষম হোৱা তেজপুৰৰ ছায়া বৰুৱা নামৰ উদ্যোগী মহিলাগৰাকীয়ে যোৱা ২২ মে'ত হিমাচল প্ৰদেশৰ পাৰন্টা চাহিবত অনুষ্ঠিত হোৱা বডি বিল্ডিং এণ্ড ফিটনেচৰ মিষ্টাৰ এণ্ড মিছ এছিয়া এণ্ড ৱৰ্ল্ড চেম্পিয়নশ্বিপৰ বাচনি শিবিৰত বিশ্বৰ বিভিন্ন দেশৰ দুহেজাৰ প্ৰতিযোগীৰ ভিতৰত এছিয়া আৰু বিশ্ব প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত হৈছে। মনকৰিবলগীয়া যে এই বাচনি শিবিৰতে গুৱাহাটীৰ বৰ্ণালী বসুমতাৰীও এছিয়া চেম্পিয়নশ্বিপলৈ ছায়া বৰুৱাৰ লগতে নিৰ্বাচিত হৈছে যদিও বিশ্ব চেম্পিয়নশ্বিপলৈ একমাত্ৰ ছায়া বৰুৱা নিৰ্বাচিত হৈছে। মন কৰিবলগীয়া যে ছায়া বৰুৱা হ'ল একমাত্ৰ অসম কন্যা যিয়ে প্ৰথমবাৰৰ কাৰণে ভাৰত আৰু এছিয়া মহাদেশক প্ৰতিনিধিত্ব কৰিব। অহা জুলাই মাহত মালদ্বীপত অনুষ্ঠিত হ'ব এছিয়া চেম্পিয়নশ্বিপ আৰু অক্টোবৰ হ'ব বিশ্ব চেম্পিয়নশ্বিপচ। বৰ্তমানলৈকে বিশ্ব চেম্পিয়নশ্বিপৰ স্থান নিৰ্ধাৰণ হোৱা নাই যদিও ছায়া বৰুৱাৰ এই সাফল্যত অসম শৰীৰ চৰ্চা সন্থাৰ কাৰ্যালয়ত উল্লাসপূৰ্ণ পৰিৱেশৰ সৃষ্টি হয়। তেজপুৰ চহৰৰ মহাভৈৰৱ বজাৰৰ সমীপত 'কিংখাপ' নামৰ মহিলা সাজপাৰৰ দোকান দি আৰ্থিক স্বাৱলম্বীতাৰ নিদৰ্শন দেখুৱাই অহা ছায়া বৰুৱাই যোগাসনৰ জৰিয়তেও কৃতিত্বৰ পৰিচয় দি আহিছে। বিবাহিত অৰ্থাৎ দুটি সন্তানৰ মাতৃ ছায়া বৰুৱাৰ এই সাফল্যক লৈ স্বাভাৱিকতে তেজপুৰবাসীও উৎফুল্ল হৈ পৰিছে।



# শিয়ালমাৰীৰ প্ৰাথমিক বিদ্যালয়ৰ বান আশ্ৰয় শিবিৰৰ বন্যাৰ্তসকলক ‘দুপৰীয়াৰ এসাঁজ’ আহাৰৰ ব্যৱস্থা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৭ মে’ ঃ** নগাঁৱত বান পৰিস্থিতি কিছু উন্নত হৈছে যদিও বন্যাৰ্তসকলে এতিয়াও দুৰ্বিষহভাৱে জীৱন কটাবলগীয়া হৈছে । বছৰৰ প্ৰথমটো বানে নগাঁৱৰ বিভিন্ন অঞ্চল জলমগ্ন কৰি তুলিছিল। বানত প্লাৱিত হোৱা অঞ্চলসমূহত পানী কিছু শুকাইছে যদিও এতিয়াও বানাক্ৰান্ত লোকসকল ঘৰলৈ উভতি যাব পৰা নাই। এতিয়াও নগাঁৱৰ বহু অঞ্চলৰ বন্যাৰ্তসকল বিভিন্ন প্ৰান্তৰ আশ্ৰয় শিবিৰত আছে ।নগাঁও জিলাৰ ডাকৰঘাট গাঁও পঞ্চায়তৰ বিভিন্ন অঞ্চল এইবাৰ বানত প্লাৱিত হৈছে। পঞ্চায়তখনৰ বানত প্লাৱিত বানাক্ৰান্ত সকল বিভিন্ন বান শিবিৰত আশ্ৰয় লৈ আছে। এই আশ্ৰয় শিবিৰত থকা লোকসকলক জিলা প্ৰশাসনৰ তৰফৰ পৰা সাহায্য প্ৰদান কৰা হৈছে যদিও সেয়া পৰ্যাপ্ত হোৱা নাই । আনহাতে আশ্ৰয় শিবিৰত থকা বন্যাৰ্তক বিভিন্নজনে বিভিন্ন প্ৰকাৰে সহায়ৰ হাত আগবঢ়াই অহা পৰিলক্ষিত হৈছে । নগাঁও জিলাৰ ডাকৰঘাট গাঁও পঞ্চায়তৰ খাগৰিজান শিক্ষাখণ্ডৰ অন্তৰ্গত শিয়ালমাৰী প্ৰাথমিক বিদ্যালয়ৰ আশ্ৰয় শিবিৰত থকা বানপীড়িত লোকক আজি খাগৰিজান শিশু উন্নয়ন প্ৰকল্প আৰু শিয়ালমাৰী প্ৰাথমিক বিদ্যালয়ৰ লগতে জন উন্নয়ন সমিতিৰ উদ্যোগত ‘দুপৰীয়াৰ এসাঁজ’ আহাৰৰ ব্যৱস্থা কৰা হয় ।ইয়াৰ উপৰি খাগৰিজান শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত বন্যাৰ্তসকলৰ মাজত চাবোন আৰু শিশুসকলৰ মাজত খেলা বস্তু, ৰং পেঞ্চিল আদি বিভিন্ন সামগ্ৰী বিতৰণ কৰা হয়। আজি আশ্ৰয় শিবিৰত থকা বানপীড়িত লোকসকলক দুপৰীয়াৰ আহাৰ বিতৰণ কাৰ্যসূচীত খাগৰিজান শিশু উন্নয়ন প্ৰকল্পৰ প্ৰকল্প বিষয়া বিদ্যুৎ হাজৰিকা, শিয়ালমাৰী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ফকৰউদ্দিন আহমেদৰ লগতে বিদ্যালয়খনৰ শিক্ষক শিক্ষয়িত্ৰী আৰু খাগৰিজান শিশু উন্নয়ন প্ৰকল্পৰ



প্ৰকল্পৰ বিভিন্ন বিষয়া কৰ্মচাৰী আৰু জন উন্নয়ন সমিতিৰ বিষয়ববীয়া সকল উপস্থিত থাকে। বানাক্ৰান্ত ৰাইজক এসাঁজ আহাৰৰ ব্যৱস্থা কৰি দিয়াৰ বাবে বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে খাগৰিজান শিশু উন্নয়ন প্ৰকল্পৰ প্ৰকল্প আৰু জন উন্নয়ন সমিতিৰ বিষয় ববীয়াসকলক স্থানীয় ৰাইজে ধন্যবাদ জ্ঞাপন কৰে।

## ডিব্ৰুগড়ৰ বলাইৰ কৰবী সোণোৱালৰ ৰাষ্ট্ৰীয় পাঞ্জাত দুটাকৈ সোণ

### পৰৱৰ্তী লক্ষ্য এছিয়ান পাঞ্জা চেম্পিয়নশ্বিপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৭ মে’ ঃ** গোৱাত অনুষ্ঠিত হৈ যোৱা ৰাষ্ট্ৰীয় পাঞ্জা চেম্পিয়নশ্বিপত অংশগ্ৰহণ কৰি দুটাকৈ সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়



ডিব্ৰুগড়ৰ অতি ভিতৰুৱা অঞ্চল নতুন বলাইৰ কৰবী সোণোৱালে। বৰ্তমান কৰ্মসূত্ৰে যোৰহাট বৰ্ষা অৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ কৰ্মচাৰী তথা যোৰহাট ন-আলি নাচনী চুকৰ নিবাসী চিত্ৰকমল সোণোৱালৰ পত্নী কৰবী সোণোৱালে জ্যেষ্ঠ শাখাত অসমৰ হৈ অংশগ্ৰহণ কৰি সফলতাৰে প্ৰথম স্থান লাভ কৰাৰ লগতে মুকলি শাখাতো প্ৰথম স্থান লাভ কৰি দুটাকৈ সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে কৰবী সোণোৱালে অহা ১৬ৰ পৰা ২০ জুনলৈ মালয়েছিয়াত অনুষ্ঠিত হ’ব লগা এছিয়ান পাঞ্জা চেম্পিয়নশ্বিপত দেশৰ হৈ অংশগ্ৰহণ কৰাৰ বাবে নিৰ্বাচিত হৈছে। গোৱাত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় প্ৰতিযোগিতাখনত দেশৰ ১৮ খন ৰাজ্যৰ বহুসংখ্যক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছিল। কৰবী সোণোৱালৰ সাফল্যত ডিব্ৰুগড়ৰ লগতে স্বামীৰ কৰ্মস্থান যোৰহাটত সকলো উৎফুল্ল হোৱাৰ লগতে অভিনন্দন জনাইছে।

## বৰপেটাৰোড ৰে’লৱে ষ্টেচনত নাবালিকা উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ২৭ মে’ ঃ** বৰপেটাৰোড ৰে’ল ষ্টেশ্যনত আজি দিনৰ ১২ বজাত নামনিমুৱা নৰ্থইষ্ট এক্সপ্ৰেছত দুজন যুৱকে এজনী নাবালিকা ছোৱালীক দিল্লীলৈ লৈ যোৱাৰ সময়ত বৰপেটাৰোড ৰে’লৱে আৰক্ষীৰ তৎপৰতাত এজনী ছোৱালী আৰু দুজন যুৱকক আটক কৰা হয়। ছোৱালীজনী ওদালগুৰি জিলাৰ টংলাৰ আৰু যুৱক দুজন বাক্সা জিলাৰ বাঁশবাৰীৰ বুলি জানিব পৰা গৈছে। ছোৱালীজনীক কাম দিয়াৰ প্ৰলোভনেৰে ফুচুলাই দিল্লীলৈ লৈ যাব খুজিছিল যদিও ৰে’লৱে আৰক্ষীৰ তৎপৰতাত উদ্ধাৰ হয় ছোৱালীজনী। উক্ত খবৰ পোৱাৰ পাছত ঘটনাস্থলীত উপস্থিত হয় আদিবাসী ছাত্ৰ সন্থাৰ বাঁশবাৰী আঞ্চলিক সমিতিৰ নেতৃবৃন্দ। আজিৰ এই ঘটনাক কঠোৰভাৱে নিন্দা জনায় বৰপেটা জিলাৰ শিৱসেনাৰ প্ৰাক্তন সভাপতি দেৱব্ৰত সিন্‌হাই। আজিকালি দেশৰ ভিতৰত সক্ৰিয় হৈ পৰা নাৰীচক্ৰৰ লগত উক্ত যুৱক দুজনৰ সম্পৰ্ক থকা বুলি সন্দেহ প্ৰকাশ কৰে। লগতে কিছু পিছপৰা অংশত এনেবোৰ নাৰী বেহাৰ ঘটনাৰ লগত একাংশ দুষ্ট চক্ৰ জড়িত থকা বুলি মন্তব্য কৰে আৰু ৰাইজক সজাগ হ’বলৈ আহ্বান জনায়।


## বৰপেটাৰ ৩ থলুৱা আতচবাজী উদ্যোগীলৈ প্ৰশাসনৰ জাননী

# নিৰ্দিষ্ট ঠাইৰ পৰিৱৰ্তে নীতি-বহিৰ্ভূতভাৱে ঘৰতে সাজিছে ফটকা, জনস্বাস্থ্যৰ প্ৰতি ভাবুকি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২৭ মে’ ঃ** নীতি বহিৰ্ভূত জনবহুল অঞ্চলত আতচবাজী উৎপাদন কৰি থকা বৰপেটাৰ তিনিটা উদ্যোগলৈ জিলা উদ্যোগ বিভাগৰ পৰা জাননী জাৰি কৰা হৈছে। জিলা উপায়ুক্ত তেজ প্ৰসাদ ভূচালৰ নিৰ্দেশ ক্ৰমে বৰপেটাৰ মনি চোনা আতচবাজী, লখিমী আতচবাজী আৰু মনোৰঞ্জন আতচবাজী উদ্যোগলৈ সকীয়নি মূলক জাননী জাৰি কৰা হৈছে। উল্লেখযোগ্য যে, বৰপেটা চহৰৰ দাঁতি কাষৰীয়া জনবসতিহীন গণককুছিত অসম চৰকাৰে থলুৱা আতচবাজী উদ্যোগীসকলৰ বাবে আধুনিক সা-সুবিধাযুক্ত উদ্যোগিক পাম নিৰ্মাণ কৰি উৎপাদনৰ সুবিধা কৰি দিছিল যদিও উক্ত প্ৰতিষ্ঠান কেইটাই তাত উৎপাদনৰ কাম নকৰি নীতি বহিৰ্ভূতভাৱে নিজৰ থকা ঘৰতে ফটকা নিৰ্মাণৰ কাম কৰি আহিছে। ইয়াৰ ফলত জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ প্ৰতি শংকাৰ সৃষ্টি হোৱাৰ উপৰি বায়ুমণ্ডল প্ৰদূষিত হৈ জনস্বাস্থ্যৰ প্ৰতিও ভাবুকিৰ সৃষ্টি কৰিছে। সেয়ে যোৱা ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত জিলা উন্নয়ন সমিতিৰ সভাত এই বিষয়টো গুৰুত্ব সহকাৰে আলোচনা কৰি জনতাৰ সুৰক্ষাৰ স্বাৰ্থত এনে কাৰ্য অবিলম্বে বন্ধ কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয় আৰু সেই অনুসৰি জিলা উদ্যোগ তথা বাণিজ্য কেন্দ্ৰৰ মহা প্ৰবন্ধকে মাৰ্চ মাহত তিনিওটা ক্ষুদ্ৰ ঔদ্যোগিক প্ৰতিষ্ঠানৰ গৰাকী যথাক্ৰমে মৰমী পাঠক, অচিন্ত্য পাঠক আৰু নলিনী পাঠকলৈ জাননী প্ৰেৰণ কৰে। তৎসত্বেও তেওঁলোকে কোনো সঁহাৰি নিদিয়াত যোৱা ১৮ মে’ত জিলা দণ্ডাধীশ তেজ প্ৰসাদ ভূচালে এক নিৰ্দেশ জাৰি কৰি জনবহুল অঞ্চলত এনে বিপজ্জনক বিস্ফোৰক সামগ্ৰীৰ প্ৰস্তুতি সম্পূৰ্ণ নিষিদ্ধ ঘোষণা কৰে। এই সম্পৰ্কতে যোৱা ২৬ মে’ত প্ৰতিষ্ঠান কেইটালৈ উদ্যোগ বিভাগৰ পৰা পুনৰ জাননী জাৰি কৰা হৈছে। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই এই কথা প্ৰকাশ কৰি জনাইছে যে, পূৰ্বেও এনেদৰে নিজৰ ঘৰতে আতচবাজী প্ৰস্তুত কৰাৰ ফলত অঘটন সংঘটিত হোৱাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসনে ৰাইজৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ স্বাৰ্থতে এই ব্যৱস্থা গ্ৰহণ কৰিছে। অচিৰেই এনে কাৰ্য বন্ধ নহ’লে প্ৰশাসনে তেনে প্ৰতিষ্ঠানসমূহৰ বিৰুদ্ধে আইনগতভাৱে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব বুলি তেওঁ সকীয়াই দিছে।

APOLLO HOSPITALS CHENNAI
CONSULTANT SURGICAL-ONCOLOGY
DR. NAVEEN PADMANABHAN, M.S, MRCS (EDIN), M. CH (SURG ONC- AIIMS, NEW DELHI)
কেৱল পৰামৰ্শৰ বাবে **মাজবাটত** উপস্থিত থাকিব।
ON 6th June’2022
ভেৰিকছ ভেইন, ঘাঁ আদিৰ অস্ত্ৰোপচাৰ, স্তন-কেন্সাৰ তথা শৰীৰৰ অন্যান্য অংশ ফুলা, হাওফাওঁ কেন্সাৰ, গৰ্ভাশয় কেন্সাৰ, বৃক্ক কেন্সাৰ, ইউটেৰাছ কেন্সাৰ, কিড়নি আৰু ইউৰিনেৰি ব্লাডাৰ কেন্সাৰ, ডিঙি-মুখ-মূৰ আৰু গলৰ কেন্সাৰত আক্ৰান্ত তথা শৰীৰৰ অন্যান্য অংশত কেন্সাৰ আক্ৰান্ত ৰোগী সকলে আগতীয়াকৈ তলৰ ঠিকনাত নাম পঞ্জীয়ন কৰিব পাৰে।
Apollo Hospitals Information Centre
MAIN ROAD, OPPOSITE UCO BANK, MAZBAT
8255026373 , 7002335238


শুশ্ৰূষা Neuro Rehab
lets walk together...
A Physiotherapy clinic & Rehabilitation centre
An ISO : 9001:2015 Certified
Physiotherapy
Speech Therapy
Occupational Therapy
Nursing Care
www.husrukhaneurorehab.org
:Husrukha Neuro Rehab
84740-15727
Near Kali Mandir,S.K Baruah Road,H.no.:1, Rukminigaon,Guwahati


World Environment Day
'ONLY ONE EARTH'
"Understand the changing 'Environment'- Work together for sustainability and its protection for future generation."
June 05, 2022
War Memorial, Dighalipukhri
ENTRY FREE
Implementing Partners
NATURE'S ORBIT
Azadi Ka Amrit Mahotsav
Directorate of Sainik Welfare
Lachit Nagar, Guwahati
Janasanyog /D/4221/22


The bond of love and devotion.
Caps
100% DEPENDABLE... That's our guarantee !
CHIMNEYS WITH APPS I R.O. WATER PURIFIER I HOBS I GAS STOVE I OTHER KITCHEN APPLIANCES
Abhayapuri-94350-22784 I Agartala-98560-93668 I Baihata chariali-94351-42568/98641-40488 I Bangaigaon-7002184811. 9435547654,9435121367 I Barpeta road-94350-17865 99541-41975 I Barpeta town -94350-25127 I Bhawanipur-7002206773 I Bandardewa-98649-84753 I Bijoynagar -99570-98392/94010-01157/94353-40662 I Boko-94010-02588 I Chaygaon-9435014549 I Dadara -98546-98027 I Dhupdhara-96785-16189 I Dhamaji-99546-51322 I Dhubri-94350-29279 I Diphu-94350-66701/94350-66643 I Dudhnoi-94357-21505/94351-28048 I Goalpara-70023-10904/88762-23858 I Golaghat-96132-30384 I Guwahati -94355-59057/97065-94950 I Hajo-94353-47024/88763-09327 I Hojai-94357-29521/84028-59256 I Jorhat -94350-53934/98541-06776 I Kharupitia -98541-44223 I Kokrajar-97070-29429/99548-88721/94354-81234 I Karimgunj-97061-39061 I Krishnai-88224-15337 I Lumding -94351-63327/97066-14137 I Mangaldoi -94350-87284/94351-86435/97065-39174/73994-79163 I Mirza-98540-71983/99572-81858 I Morigaon -94350-64986/80111-17171 I North lakhimpur-88224-21077 I Nagaon-97061-79408/94355-18665 I Nalbari -98644-14515/98540-30209 I Pathsala-80110-06658 I Dhekiajuli-98548-29934 I Dibrugarh-98548-11265 I Rangia -94351-05888/96782-26563 I Silchar -97061-39061/70054-86129 I Silapathar-70028-94393 I Shillong-90869-66640 I Suwalkuchi -98643-54859 I Tinsukia-94350-35156/94350-35511/94350-36463 I Tezpur-97060-73481 I Tihu-97068-53124 I Udalguri-97063-46492
Trade enq. 9435146909/9435559057/9435559056 www.capsindia.in Toll Free: 1800 103 4646

শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক’লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ’ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি